10033

# ॥ বিহলঙনি ॥

## সাহিত্য সংখ্যা

৫৩৩ শঙ্কৰাব্দ ঃঃ ১৯৮২ চন

891.45093/DEV
9.0021
St – 6/6

KOHA
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College

St 10/7

॥ সম্পাদক ॥

শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী

"BIHALANGANI" a journal containing articles by eminent Assamese writers regarding Madhav Kandali and his times, edited by Sri M. C. DevGoswami, P. O. Bihalangani, Nowgong and Published by Bihalangani, Nowgong : Assam and Printed at the PUTHIGHAR PRESS : Nowgong Assam
PRICE Board Binding – Rs. 15·00
and Kettcha Binding – Rs. 10·00 only

॥ প্ৰকাশক ॥
বিহলঙনি কাৰ্যালয়
পোঃ বিহলঙনি
নগাওঁ ঃ ৭৮২ ০০২

ছপা-বন্ধা ॥
থিঘৰ প্ৰেছ
গাওঁ ঃ ৭৮২ ০০১

॥ মূল্য ॥
পোন্ধৰ টকা ( পকা বন্ধা )
দহ টকা ( কেচা বন্ধা )

## —ঃ সূচী ক্ৰমণিকা ঃ—

মাধৱ কন্দলিৰ ৰামায়ণৰ পদৰ চানেকি ॥ ১ ॥

অসমত চতুৰ্দ্দশ শতিকা ঃ সমাজ বিন্যাস ঃ মাধৱ কন্দলিৰ সাক্ষ্য
ডঃ মলয় ৰায় ॥ ৯ ॥

মধ্যযুগীয় অসমীয়া সমাজৰ উৎসৱ আৰু আচাৰ অনুষ্ঠান
ডঃ সৰ্ব্বেশ্বৰ ৰাজগুৰু ॥ ২৭ ॥

মাধৱ কন্দলিৰ বিষয়ে চিঠি ॥ ৫৩ ॥

মাধৱ কন্দলি
ডঃ মহেশ্বৰ নেওগ ॥ ৫৬ ॥

বৰাহী ৰজা শ্ৰীমহামাণিক্য
ডঃ পৰীক্ষিত হাজৰিকা ॥ ৬৪ ॥

মাধৱ কন্দলিৰ ৰামায়ণ আৰু সমসাময়িক সমাজ
ডঃ ইন্দিৰা (মামনি ৰয়চম ) গোস্বামী ॥ ৭৩ ॥

অসমত ৰাম-কথা আৰু তাত কন্দলি ৰামায়ণৰ স্থান
ডঃ বীৰেন্দ্ৰনাথ দত্ত ॥ ৮৯ ॥

কন্দলি ৰামায়ণৰ ভাষা
ডঃ উপেন্দ্ৰনাথ গোস্বামী ॥ ১০৪ ॥

কাৰবি ৰামায়ণত মাধৱ কন্দলিৰ প্ৰভাৱ
অধ্যাপক ৰংবং তেৰাং ॥ ১০৯ ॥

মাধৱ কন্দলিৰ ৰামায়ণত মন্থৰা প্ৰসঙ্গ
অধ্যাপিকা কেশদা মহন্ত ॥ ১১৪ ॥

কন্দলিৰ ৰামায়ণ ঃ সীতা আৰু অহল্যা
ডঃ নিৰ্মলপ্ৰভা বৰদলৈ ॥ ১২১ ॥

চতুৰ্দ্দশ শতিকাৰ অসমীয়া সাহিত্য
অধ্যাপক নন্দ তালুকদাৰ ॥ ১২৬ ॥

অপ্ৰমাদী কবি মাধৱ কন্দলিৰ ৰামায়ণ
শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা ॥ ১৩২ ॥

সম্পাদকীয় ॥ ১৩৫ ॥

অসম মাতৃৰ সংগ্ৰামপ্ৰেমী ৰাইজলৈ—

নৱ প্ৰস্ফুটিত বছৰৰ ওলগ জনাই

কৃষকৰ বাবে পৰীক্ষামূলক উন্নত জাতৰ বীজ ৰাসায়নিক সাৰ/ছাত্ৰ-ছাত্ৰীৰ বাবে সুলভ মূল্যৰ বহী/নিত্য ব্যৱহাৰ্য্য প্ৰসাধন সামগ্ৰী, বস্ত্ৰ আৰু খাদ্য সামগ্ৰী সংগ্ৰহ আৰু বিতৰণৰ কামত অগ্ৰসৰ হবলৈ আপোনালোকৰ পৰা পোৱা সঁহাৰি আৰু শুভ কামনাৰ বাবে আন্তৰিক ধন্যবাদ।

আমাৰ বিক্ৰীকেন্দ্ৰ সমূহ ঃ

ঢাকাইপট্টি ( মছজিদ ৰোড )/ বৰবজাৰ / কেঞ্চ'পট্টি / হয়বৰগাওঁ / পুৰণিগুদাম / চামগুৰি / হাটবৰ / কঠিয়াতলি / কামপুৰ / ডবকা / ধিং / মৈৰাবাৰী / লাহৰীঘাট / ৰহা / আৰু মৰিগাওঁ।

—ষ্টেট্ ফেড্—

নগাওঁ ঃ অসম

M/s. UNION CARBON BLACK LTD.

SARVODAYA NAGAR

ZOO ROAD, GUWAHATI 781021

অসমৰ থলুৱা লোকৰ দ্বাৰা প্ৰযোজিত **পৃথিবীৰ সৰ্ব্ব প্ৰথম** "কাৰ্বন ব্লেক" নামৰ ৰাসায়নিক পদাৰ্থ প্ৰস্তুত কৰণ উদ্যোগ—য'ত প্ৰথম বাৰৰ বাবে কয়লাৰ পৰা এনে পদাৰ্থ প্ৰস্তুত কৰা হ'ব।

অসমৰ উদ্যোগিক উন্নতি কামনা কৰা প্ৰতিজনলোকৰ শুভেচ্ছা কামনা কৰি—বিহুৰ ওলগ যচা হৈছে।

প্ৰতিষ্ঠা ঃ ১৯৪৮ চন

# বিহলঙনি

সত্যৰ সদায় জয়

সাহিত্য সংখ্যা ঃ ১৯০৪ শক ঃ ১৯৮২ চন

## মাধৱ কন্দলিৰ ৰামায়ণৰ পদৰ চানেকি

### অযোধ্যাকাণ্ড

অযোধ্যা নগৰে দশৰথ গৃহে
শ্ৰীৰাম অৱতাৰ।
ৰূপে গুণে মানে দানে ত্ৰিভুবনে,
সমান নাহিকে যাৰ॥
সনত কুমাৰ আদি যোগেশ্বৰ,
নজানে যাৰ ৰহস্য।
যিটো কোটি কোটি ব্ৰহ্মাণ্ডৰ পতি,
তেন্তে ভকতিত বশ্য॥
সকল নিগম গণে কহি যাৰ,
গুণৰ নপাৰে অন্ত।
ব্ৰহ্মা হৰ পুৰ- ন্দৰ আদি দেৱে,
যাহাৰ পদ সেৱন্ত॥

অনন্ত শকতি ধৰ মহেশ্বৰ,
যিটো দেৱ ভগবন্ত ।
ভকতিত বশ্য হুয়া ভকতৰ,
তেহেন্তো আজ্ঞা পালন্ত ॥
পিতৃৰ সত্যক পালিয়া বনক,
গৈলা ভ্ৰাতৃ ভাৰ্য্যা সঙ্গে ।
মাধৱ কন্দলি ভনিলন্ত ৰাম,
ৰহিলা বনত ৰঙ্গে ॥
ভকত জনৰ মনক পূৰণ,
কৰন্ত ৰামে নিশ্চয় ।
হেনয় পৰম কৃপালু দেৱতা,
আৱৰ কোন আছয় ॥
হেন মহেশ্বৰ প্ৰভু ৰাঘবৰ,
কৃপালু গুণক জানি ।
ৰামৰ চৰণ পঙ্কজক মাত্ৰ,
ভজিয়োক সবে প্ৰাণী ॥
শুনা নিৰন্তৰ দুৰ্জ্জন জনৰ,
নকৰিবা জানি সঙ্গ ।
একেজনী দুষ্টা কুজীৰ নিমিত্তে,
ঈশ্বৰৰো ছত্ৰ ভঙ্গ ॥
অযোধ্যা নগৰে আছে যত জন,
ৰামত সবে ভকত ।
মন্থৰাত হন্তে পাইলা যত দুখ,
কহিবে কোন শকত ॥
হেন নিষ্ঠ জানি দুঃসঙ্গ তেজিয়া,
লৈয়ো সঙ্গ মহন্তৰ ।
তেসম্বে সহিতি বসি এক প্ৰীতি,
শুনিয়ো কথা ৰামৰ ॥
সকলে শাস্ত্ৰৰ এহি তাতপৰ্য্য,
জানিয়া তেজিয়ো হেলা ।
অথিৰ জীৱন যাই কেতিক্ষণ,
অপেক্ষাৰো আৰো বেলা ॥



কলিত সম্প্ৰতি নাহি আন গতি,
বিনে মাধৱৰ নাম ।
মাধৱ কন্দলি কহে নিৰন্তৰে,
ডাকি বোলা ৰাম ৰাম ॥

— x —

## অৰণ্যকাণ্ড

নমো নমো ৰাম দুৰ্ব্বাদল শ্যাম,
তনু অতি অনুপাম ।
সৰ্ব্ব পুৰুষাৰ্থ শিৰত প্ৰকাশ
কৰে যাৰ গুণ নাম ॥
সৰ্ব্ব শ্ৰুতি ৰত্ন শিৰত বিৰাজ
যাহাৰ পদ কমল ।
সৰ্ব্ব ধৰ্ম্মসাৰ যাৰ যশ ৰাশি,
মঙ্গলৰো সুমঙ্গল ॥
হেনয় পৰম ঈশ্বৰ আপুনি
ৰাম ৰূপে অৱতৰি ।
গৃহস্থৰ যত ধৰ্ম্মক প্ৰকাশ,
কৰিলন্ত মহাহৰি ॥
ধৰ্ম্মৰন্ত সন্ত শীতল স্বভাৱ,
সমস্তে গুণ আলয় ।
সৰ্ব্ব ধৰ্ম্মময় নিজ যশচয়,
প্ৰচাৰিলা কৃপাময় ॥
মহন্ত সবৰ কৰ্ণৰ ভুষণ,
পৰম অমৃত ময় ।
ইহাৰে শ্ৰৱণ কীৰ্ত্তনে তৰয়,
মহা মহা পাপীচয় ॥
জানিয়া ৰামৰ চৰিত্ৰ শুনিয়ো
সমাজিক যত যত ।
পৰম সুগম ইসে মহাধৰ্ম্ম,
দুৰ্ঘোৰ কলি যুগত ॥

ঘোৰ কলি মলে সবাকে ব্যাপিলে
দেখা কৰি স্থিৰ বুদ্ধি ।
যত চিত্ত বিত্ত অপবিত্ৰ ভৈল
নাহি শৰীৰৰ শুদ্ধি ॥
মলিন জনৰ ধৰ্ম্মত কৰ্ম্মত,
জানা নাহি অধিকাৰ ।
দুই গুটী অক্ষৰ ৰাম নাম লৈয়া,
তৰিয়োঁ সুখে সংসাৰ ॥
ব্ৰহ্মা আদি দেৱে বাঞ্ছিয়ো নপাৱে,
ভাৰত তনুৰ কায়া ।
হেনয় পৰম দুৰ্ল্লভ শৰীৰ,
কিবা ভাগ্যে আছা পায়া ॥
হেন জানি জন্ম জীৱন সাফলি,
ধৰা মাধৱৰ নাম ।
ডাকি মুখ ভৰি বোলা উচ্চ কৰি,
নিৰন্তৰে ৰাম ৰাম ॥

—x—

## কিষ্কিন্ধ্যাকাণ্ড

শুনিলাহা সামাজিক ৰামৰ চৰিত্ৰ ।
নানা ৰসে ৰসৱন্ত পৰম পৱিত্ৰ ॥
আক শুনি হুইয়ো সবে মনত সন্তোষ ।
কিন্তু বঢ়া টুটা নধৰিবা গুণ দোষ ॥
বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য পদ্য ছন্দে ।
তাহাক বিচাৰ আমি কৰিয়া প্ৰবন্ধে ॥
আপোনাৰ বুদ্ধি অৰ্থ যিমত বুঝিলোঁ ।
সঙ্খেপ কৰিয়া তাক পদ বিৰচিলো ॥
সমস্ত ৰসক কোনে জানিবাক পাৰে ।
পক্ষী সব উৰই যেন পথা অনুসাৰে ॥
কবি সব নিবন্ধয় লোক ব্যবহাৰে ।
কতো নিজ কতো লম্ভা কথা অনুসাৰে ॥



দেৱবাণী নুহি ইটো লৌকিক হে কথা ।
এতেকে ইহাৰ দোষ নলৈবা সৰ্ব্বথা ॥
ৰামৰ চৰিত্ৰ বুলি তৰিয়া সংসাৰ ।
অলস ত্যজিয়া ৰাম বোলা বাৰে বাৰ ॥

—x—

## সুন্দৰাকাণ্ড

মাধৱ কন্দলি বোলে শ্ৰীৰাম জয় জয়
ৰঘুনাথ কৰিয়ো উদ্ধাৰ ।
বাল্মীকি যে মহাঋষি ৰামায়ণ প্ৰকাশিলা,
সংসাৰত স্ৰজিল অমৃত ॥
মহামানিকৰ বোলে পদবন্ধে নিবন্ধিলো
দুগুধ মথিলে যেন ঘৃত ।
সুন্দৰা কাণ্ডৰ পদ মাধৱ কন্দলি বিপ্ৰে,
কৰিলন্ত শ্লোকক উদ্ধৰি ॥
ৰামৰ চৰণ বিনা আন গতি নাহি হেৰা,
জানিবাহা মনে দৃঢ় কৰি ।
থাকিলন্ত ৰামদেৱ সমদলে পাৰহয়া
আতিশয় বিতোপন থানে ॥
মাধৱ কন্দলি ভনে কৌতুকে সুন্দৰাকাণ্ড,
সমাপতি ভৈল এহি মানে ।
শুনিয়োক সভাসদ মধুৰ কোমল পদ
পুণ্য কথা ৰামৰ চৰিত্ৰ ॥
যমপথ নিবাৰণ কলিমল সংহাৰণ
মহা ৰস শ্ৰবণে অমৃত ।
ভৱ ভয় বিনাশন মহা মোক্ষ প্ৰকাশন,
সমস্তে ধৰ্ম্মৰে ইসে সাৰ ।
জানি শুনা যত্ন কৰি ডাকি বোলাঁ হৰি হৰি
তেৱে সুখে তৰিবা সংসাৰ ॥

—x—

## লঙ্কাকাণ্ড

মহা ঋষি বাল্মীকিয়ে  ৰামায়ণ কৰিলন্ত,
সাক্ষাতে জানিবা যেন বেদ ।
শ্ৰৱনে অমৃত ময়  সকল পাপৰ ক্ষয়,
সংসাৰৰ বন্ধ হোৱে ছেদ ॥
কলিমল কল্মষক  বিনাশন যম পুৰী,
জিনিবাৰ শনাইবাৰ খাণ্ড ।
প্ৰণামওঁ সৰস্বতী  শ্ৰীৰাম দেৱেসে গতি,
সমাপতি ভৈলা লঙ্কা কাণ্ড ॥
কবিৰাজ কন্দলিযে  আমাকেসে বুলিৱয়
কৰিলোহোঁ সৰ্ব্বজন বোধে ।
ৰামায়ণ সুপয়াৰ  শ্ৰীমহা মাণিক যে,
বৰাহ ৰাজাৰ অনুৰোধে ॥
সাত কাণ্ড ৰামায়ণ  পদবন্ধে নিবন্ধিলোঁ,
লম্ভা পৰিহৰি সাৰোদ্ধৃত ।
মহা মাণিকৰ বোলে  কাব্যৰস কিছো দিলোঁ
দুগ্ধক মথিলে যেন ঘৃত ॥
পণ্ডিত লোকৰ যেবে  অসন্তোষ উপজয়,
হাতযোৰে বোলোঁ মৃদু বাক ।
পুস্তক বিচাৰি যেৱে  তৈতকথা নাপাৱাহা,
তেবে সবে নিন্দিবা আমাক ॥
বলে সাগৰক তৰি  দাশৰথি ৰাম হৰি,
লঙ্কা নগৰীত পয়োসাৰ ।
ঘোৰ সমৰক কৰি  ৰাৱণক সংহাৰিয়া,
দেৱতাৰ চিন্তিলা নিস্তাৰ ॥
শুনিয়োক সভাসদ  ৰামায়ণ কথা ইটো
পাতকৰ সাক্ষাতে অগনি ।
মহা দুঃখ গৃহবাস  জানিয়া এৰিয়ো আশ,
চিন্তা ৰঘু বংশ শিৰোমণি ॥



অগনিত পৰীক্ৰিয়া  সীতাক অযোধ্যানিয়া
সকুটুম্বে ভৈলা এক ঠাই ।
মাধৱ কন্দলি গাইলা  শ্ৰীৰাম অযোধ্যা পাইলা
জয় জয় আনন্দ বধাই ॥

—×—

## লঙ্কাকাণ্ড
### দুলড়ি

নমোঁ নমোঁ ৰাম  দুৰ্ব্বাদল শ্যাম,
সৰ্ব্বগুণে অনুপাম ।
যাৰ গুণ নাম  ধৰ্ম্ম অনুপাম,
মুকুতি সুখৰ ধাম ॥
নিত্য নিৰঞ্জন  দানৱ গঞ্জন
যিটো দেৱ মহেশ্বৰ ।
যাৰ আজ্ঞা বাণী  শিৰে ধৰে জানি,
ব্ৰহ্মা হৰ পুৰন্দৰ ॥
যাৰ আদি অন্ত  বেদে নজানন্ত,
নিৰ্গুণ গুণ সাগৰ ।
যিটো সৰ্ব্বোত্তম  নাহি যাৰ সম,
মায়াৰ যিটো ঈশ্বৰ ॥
হেন দেৱ হৰি  মায়া বশ্য কৰি,
হিত চিন্তি জগতৰ ।
পৰমাত্মা তত্ত্ব  ভৈলন্ত বেকত,
ৰাজা দশৰথ ঘৰ ॥
ৰাম ৰূপ ধৰি  ৰাক্ষস সংহৰি,
ৰাৱণৰ চিন্তি মাৰ ।
সৰ্ব্ব ধৰ্ম্মময়  নিজ গুণচয়,
কৰিলা প্ৰভু প্ৰচাৰ ॥
যাহাৰ শ্ৰৱণ  কীৰ্ত্তনে কৰয়
অধমক অতি গতি ।
হেনয় তোমাৰ  চৰণত হৌক,
মোহোৰ নিৰ্ম্মল ৰতি ॥

শঙ্কৰদেৱ প্ৰবৰ্তিত অসমৰ বৈষ্ণৱ আন্দোলনৰ ঠিক আগলৈকে অসমৰ বৰ্ণ, বৃত্তি, জাতি আৰু সমাজ ব্যৱস্থা কেনেকুৱা আছিল তাৰ কিছু বাস্তৱচিত্ৰ মাধৱ কন্দলিৰ ৰামায়ণখনিত পোৱা যায়। গ্ৰন্থখন মূলত চতুৰ্দশ শতিকাৰ শেষভাগত ৰচিত হলেও বৈষ্ণৱযুগত এইখন গ্ৰন্থ ভক্তিৰ আঁচুফুলেৰে অলঙ্কৃত হৈছিল। গতিকে এইখনত বৈষ্ণৱযুগৰ কিছু প্ৰক্ষেপ থকাটো অসম্ভৱ নহয়। অৱশ্যে গ্ৰন্থখনিৰ মূল জকাটোৱে মাধৱ কন্দলিৰ ব্যক্তিত্ব আৰু মৌলিক তথ্যাৱলী বহন কৰিছে বুলি আমাৰ ধাৰণা। এইখিনি তথ্য পূৰ্ণাঙ্গ নহয়। সেইবাবে আমি অসমৰ বৈষ্ণৱযুগৰ আৰু পূৱভাৰতৰ অন্যান্য অঞ্চলৰ সাহিত্যিক প্ৰমাণৰ সহায়ত অসমৰ চতুৰ্দশ শতিকাৰ সমাজ বিন্যাসৰ এটি ৰূপৰেখা দাঙি ধৰিবলৈ যত্ন কৰিছোঁ। এই তুলনামূলক সামাজিক বিশ্লেষণে আচল কথাখিনিক স্পষ্টীকৰণত সহায় কৰিব বুলি আমাৰ বিশ্বাস।

মাধৱ কন্দলিয়ে বাল্মীকি ৰামায়ণৰ প্ৰায় মূলানুগ অনুবাদ কৰিছিল। সেইবাবে এটা ধাৰণা হব পাৰে যে মাধৱ কন্দলিৰ ৰামায়ণত জাতি আৰু সমাজ ব্যৱস্থাৰ যি চিত্ৰ আছে, ই আচলতে বাল্মীকিৰে ছাঁ অনুসৰণ কৰি দিয়া হৈছে। এইটো ধাৰণা যে সম্পূৰ্ণ সঠিক নহয়, আৰু মাধৱ কন্দলিৰ ৰামায়ণত যে বহুতো ঠাইতে যে কবিৰ নিজস্ব অভিজ্ঞতা আৰু আঞ্চলিক সাংস্কৃতিক উপাদান সমূহ সিঁচৰিত হৈ আছে, সেইটো আলোচনাক্ৰমে সুস্পষ্ট হব। প্ৰয়োজন অনুসৰি বাল্মীকিৰ ৰামায়ণৰ পৰাও লাগতিয়াল প্ৰসঙ্গবোৰ উল্লেখ কৰা হব।

আগতে উল্লেখ কৰি আহিছোঁ যে অসমত ব্ৰাহ্মণসকলক ভূমি-দান দি বহুওৱাৰ বহুতো ঐতিহাসিক প্ৰমাণ আছে,[৪] আৰু অকল মধ্যদেশৰ পৰাই নহয়, বঙ্গ উৰিষ্যা আৰু কামৰূপৰ মাজত ব্ৰাহ্মণ সকলৰ সলনাসলনিকৈ স্থান-পৰিবৰ্তনৰ প্ৰমাণ আছে।[৫] এতিয়া প্ৰশ্ন হৈছে, চতুৰ্দশ-ষোড়শ শতিকাৰ কালছোৱাত ব্ৰাহ্মণসকলৰ বৃত্তিগত অবস্থাটো নো কেনে আছিল।

ব্ৰাহ্মণৰ মূল বৃত্তি আছিল ষট্‌কৰ্ম্ম — অৰ্থাৎ যজন, যাজন, অধ্যয়ন, অধ্যাপন, দান আৰু প্ৰতিগ্ৰহ। কিন্তু এই মূল বৃত্তিটোৰ নেপথ্যত যে ব্ৰাহ্মণসকলৰ সুকীয়া এটি অৰ্থনৈতিক সত্তা গঢ় লৈ উঠিছিল সেই কথাটোৰ প্ৰতি আমি চকু নিদিওঁ। সেইটো হৈছে কৃষিভিত্তিক অৰ্থনীতি। ব্যাপক ভূমিদান লাভ কৰাৰ ফলত ব্ৰাহ্মণসকলৰ মাজত এটা কৃষিভিত্তিক অৰ্থনৈতিক নিৰাপত্তাৰ জন্ম হৈছিল। তেওঁলোকৰ মাটিত হাল বাইছিল



নিম্নবৰ্ণৰ লোকসকলে। দ্বাদশ শতিকাৰ শেষৰ ফালে দেখা যায় ভূমি-কেন্দ্ৰিক ক্ষমতা বহুতো পৰিমাণে ব্ৰাহ্মণসকলৰ হস্তগত হৈছিল।[৬] এইটো অৱস্থা পূব-ভাৰতৰ সকলো অঞ্চল সম্পৰ্কে প্ৰযোজ্য বুলি মই ভাবোঁ।

মাধৱ কন্দলিৰ সময়ত অকল অসমতে নহয় অন্যান্য অঞ্চলতো ব্ৰাহ্মণসকলৰ সেই অৰ্থনৈতিক নিৰাপত্তা লাহে লাহে কমি আহিছিল যেন লাগে। দুই এটি উদ্ধৃতি দিয়া যাওক।

১। পাচে বৃদ্ধ ব্ৰাহ্মণে ৰামক পাইল ভেট।
আমি পাঞ্চ বৰিষে ৰাজাত কৰি শ্ৰেষ্ঠ ॥
শিশুসুত মোহোৰ বিস্তৰ পৰিজন।
পুষিতে নপাৰোঁ মোক কিছু দিয়ো ধন ॥ (পদ ১৮৭২/অযোধ্যা)

২। হাতত কৰঙী কুশ চৰৰী খোখোৰা ছাতি
সণপাজি হেন ভৈল কেশ ॥
আপোন লাঙ্গুলে তান কান্ধৰ লগুণ ভৈল
জক মক কৰে ফোট দান্ত। (পদ ৪৩৪৪ সুন্দৰা)

এইখিনিতে উনুকিয়াই থওঁ যে প্ৰথম পদটি ত্ৰিজটা মুনি সম্পৰ্কীয় আৰু বাল্মীকিৰ ইয়াৰ উল্লেখ আছে।[৭] কৃত্তিবাসী ৰামায়ণত (বঙ্গ) এই প্ৰসঙ্গটো এনেকৈ আছে—

শুনিয়া ব্ৰাহ্মণ তবে নড়ি ভৰ কৰে।
অতি কষ্টে গিয়া কহে ৰামেৰ গোচৰে ॥
আমি দ্বিজ দৰিদ্ৰ ত্ৰিজটা নাম ধৰি।
বৃদ্ধকালে ব্ৰাহ্মণীকে পুষিতে না পাৰি ॥
পুত্ৰ নাহি আমাৰ কে কৰিবে পালন।
অনাহাৰে বুড়া-বুড়ি মৰে দুইজন ॥ (অযোধ্যা)

বাল্মীকি ৰামায়ণৰ আংশিক আনুগত্য এই বিলাক অংশত থাকিলেও মোৰ বোধেৰে সমসাময়িক অৱস্থাৰ কিছু প্ৰতিফলনো আছে। মোৰ বক্তব্যৰ প্ৰমাণ স্বৰূপে মই আৰু কেইটিমান তথ্যৰ উল্লেখ কৰিছোঁ। মুচলিম শাসন পূব-ভাৰতত যিমানেই প্ৰসাৰিত হৈছিল, সিমানেই এবিধ নতুন সামন্ততান্ত্ৰিক আৰু নগৰকেন্দ্ৰিকতাৰ প্ৰসাৰ হবলৈ ধৰিছিল। এই pagan সংস্কৃতিৰ কেন্দ্ৰভূমি দিল্লীত থাকিলেও পানীত শিলগুটি দলিয়ালে যেনেকৈ ঢৌৰ বৃত্তবিলাক লাহে লাহে বিয়পায় (অৱশ্যে বৃত্তৰ বলিষ্ঠতা শেষৰ প্ৰান্তত কমি আহে) তেনেকৈ ই পূৱভাৰতৰ বিভিন্ন প্ৰান্তলৈ বিয়-

১। জানিয়া কমন জনে ব্ৰাহ্মণ বধিব ।
কমনে অধমে সুৰাপানক কৰিব ॥
কোনজনে ব্ৰাহ্মণক সুবৰ্ণ হৰিব । (পদ ২৫৮৩/অযোধ্যা)

২। দেৱৰীয়ে দেৱপূজা কৰিলা বিচ্ছেদ । (পদ ২০০৫/অযোধ্যা)

৩। সৌৰাষ্ট্ৰ দেশৰ আমি মহাবেদগৰ্বী দ্বিজ
আসি ভৈল ৰাজাৰ দুৱাৰে । ( পদ ৪৩৪৬/সুন্দৰা )

ৰজাৰ ঘৰত নিযুক্ত ৰাজকবি ( যেনে মাধৱ কন্দলি স্বয়ং ) হিচাপে ব্ৰাহ্মণসকলৰ সমাদৰ আছিল । কন্দলিৰ অলপ পিছৰ হৰিবৰ বিপ্ৰ, হেম সৰস্বতী আদি কবিসকলেও ব্ৰাহ্মণবংশৰ আছিলা পূৰ্বভাৰতৰ অন্যান্য অঞ্চল সম্পৰ্কেও এই কথা কমবেছি প্ৰযোজ্য ( ব্ৰাহ্মণ তুলসীদাসে ৰাজকবি হবলৈ সম্ৰাট জাহাঙ্গীৰৰ নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰিছিল ) ব্ৰাহ্মণসকলৰ অৰ্থ-নৈতিক সমৃদ্ধিৰো কিছু চিত্ৰ এই সময়ছোৱাৰ ভিতৰত পোৱা যায় । যেনে শঙ্কৰদেৱৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত আছে—

এক বৃদ্ধ ব্ৰাহ্মণ আসিল হেন শুনি ।
জকমক দশন মাটিত লুটে ভুনি ॥
চৰাচৰ জকমক কৰই সব কেশ ।
পাচোগুা একুচি কৰি চান্ত লাস বেশ ॥

বলৰাম দাসৰ ওড়িয়া ৰামায়ণত 'সন্ত পণ্ডা' অংশত ( লঙ্কা ) ব্ৰাহ্মণৰ অৰ্থনৈতিক ক্ষমতাৰ আৰু সমৃদ্ধিৰ এটি বিশ্বাসযোগ্য ছবি আছে—

পূৰ্বে বৈতৰণী বুলি একই যে গ্ৰাম ।
তহিঁৰে সন্ত পণ্ডা ব্ৰাহ্মণ বোলি নাম ॥
তাহাৰ যে বাড়ী বৃত্তি অছই বহুত ।
একহি ব্ৰাহ্মণে অৰ্জিলাক সেহি বিত্ত ॥

কৃত্তিবাসী ৰামায়ণৰ 'আত্মপৰিচয়' অংশত আছে—

দেশ যে সমস্ত ব্ৰাহ্মণেৰ অধিকাৰ ।

উদ্ধৃতিখিনিয়ে এইটোৱে সূচায় যে কিছু বৃত্তিগত ব্যতিক্ৰম দেখা গলেও ব্ৰাহ্মণসকলৰ ক্ষমতা আৰু সামাজিক প্ৰভাৱৰ বিশেষ লাঘৱ হোৱা নাই ।

(৩) বৰ্ণাশ্ৰম অৰ্থাৎ চতুবৰ্ণৰ উল্লেখ মাধৱ কন্দলিৰ এই কেইফাঁকি পদত আছে—

১। ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰ সবে আচৰয়
যাহাৰ বিহিত যেন ধৰ্ম । পদ ৬৭০৫/লঙ্কা



২। ব্ৰাহ্মণসকলে নপঢ়য় আৰো বেদ ॥
ক্ষত্ৰে এৰিলেক অস্ত্ৰ শস্ত্ৰ কৰ্ম ধৰ্ম ।
বৈশ্য এৰিলেক কৃষি বাণিজ্যৰ কৰ্ম ॥
শূদ্ৰে এৰিলেক সেৱা বিষাদিত সব লোক ।
—পদ ২০০৫,২০০৬/অযোধ্যা

বাল্মীকি ৰামায়ণৰ কেইবা ঠাইত চতুৰ্বৰ্ণৰ উল্লেখ আছে। এটা নিদৰ্শন

ব্ৰাহ্মণান্ ক্ষত্ৰিয়ান্ বৈশ্যান্ শূদ্ৰংশ্চৈব সহস্ৰগঃ /বাল্মীকি/১।১৩।২০

পূৰ্বভাৰতৰ কবিসকলে চতুৰ্বৰ্ণৰ উল্লেখ কৰিছে যদিও (বিশেষকৈ অনুবাদ কাব্যত এইটো স্বভাৱিক), চতুৰ্বৰ্ণৰ মূল গঠনটো পূৰ্ব-ভাৰতীয় সমাজে অনুসৰণ কৰা নাই। অনুবাদ কাব্যৰ বাহিৰে অইন কাব্যতো চতুৰ্বৰ্ণৰ উল্লেখ নথকা নহয় । কিন্তু সেই উল্লেখ আচলতে চতুৰ্বৰ্ণৰ idea বা ভাৱৰ অনুসৰণ মাথোন। অসমত ব্ৰাহ্মণ আৰু শূদ্ৰবৰ্ণই আছিল প্ৰধান। বৈশ্য অতি কম সংখ্যক আছিল। বিশুদ্ধ আৰ্যক্ষত্ৰিয় অসমত নাছিল।[১০] এইকেইটা কথা বঙ্গ আৰু উড়িষ্যা সম্পৰ্কেও প্ৰযোজ্য।[১১] পণ্ডিতসকলৰ মতে অসমৰ কলিতা সম্প্ৰদায়ৰ লগত হেনো আল্পাইন ক্ষত্ৰিয় পুৰোহিত সম্প্ৰদায়ৰ তেজৰ সম্পৰ্ক আছে। মাধৱ কন্দলিয়ে ক্ষত্ৰীৰ উল্লেখ কৰোঁতে এই সম্প্ৰদায়ৰ ফালে নিশ্চয়ই ইঙ্গিত কৰা নাছিল।[১২] তেওঁ কায়স্থ জাতিৰ উল্লেখ কৰিছে।[১৩] প্ৰাচীন যুগত ই এটি নিৰ্দিষ্ট বৃত্তিমূলক জাতি নাম আছিল। কৰণ আৰু কায়স্থ এই দুটাই বৃত্তিমূলক শ্ৰেণী নাম, পিছত জাতিনাম।[১৪] অসমত যে বৰ্ণ আৰু বৃত্তিৰ কঠোৰ বিভাজন সেই সময়ত বিশেষ নাছিল, তাৰ প্ৰমাণ ইয়াত কায়স্থসকলৰ মাজত পুৰোহিত শ্ৰেণীও আছে। মুকুন্দৰামে কায়স্থৰ কথা একাধিকবাৰ উল্লেখ কৰিছে। বঙ্গত কৰণগোষ্ঠী কায়স্থৰেই এটা উপবিভাগ। কিন্তু উৰিষ্যাত কৰণ আৰু কায়স্থ দুটা বেলেগ বৃত্তিগত জাতিনাম। Risleyৰ সমীক্ষামতে উড়িষ্যাত কায়স্থসকলৰ সামাজিক মৰ্যাদাত দ্বিতীয় স্থান।[১৫] পঞ্চদশ শতিকাত ৰচিত বিখ্যাত হিন্দী কাব্য মুহম্মদ জায়গীৰ 'পদ্মাৱত' কাব্যত 'কয়থিনী'ৰ উল্লেখ পোৱা যায়।[১৬] তুলসীদাসৰ 'ৰামচৰিতমানস' কাব্যত 'ব্যবহাৰিঅ' বুলি যি বিশেষ বৃত্তিগত শ্ৰেণীটোৰ উল্লেখ কৰা হৈছে, সি কায়স্থৰ সমাৰ্থক বুলিয়ে আমি ভাবোঁ।[১৭] কায়স্থ সকলে হিচাব ৰক্ষক নাইবা ৰাজসভাত লিখকৰ কাম কৰিছিল। মধ্যযুগতো এই ব্যৱস্থাৰ বেছি সলনি হোৱা নাছিল। মাধৱ কন্দলিয়ে কায়স্থৰ

বৃত্তিৰ উল্লেখ কৰা নাই। কিন্তু পঞ্চদশ শতিকাৰ উড়িয়া ৰামায়ণ আৰু ষোড়শ শতিকাৰ বঙলা চণ্ডীকাব্যৰ কায়স্থ সকলৰ বৃত্তিৰ উল্লেখ আছে।[১৮] ইয়াৰ পৰা এইটো সিদ্ধান্ত সহজেই কৰিব পাৰি যে, চতুৰ্দশ শতিকাৰ অসমতো কায়স্থ সকলে একেটা বৃত্তি অনুসৰণ কৰিছিল।

অসমত বৈদ্য শব্দটোৰ উল্লেখ শুভঙ্কৰ পাটক তামৰ ফলিত পোৱা যায়। মাধৱ কন্দলিয়ে শব্দটোৰ উল্লেখ কৰা নাই যদিও মাধৱদেৱৰ আদিকাণ্ডত এই বৃত্তিটোৰ উল্লেখ আছে।[১৯] সাপৰ বেজকো 'বৈদ্য' বোলা হৈছিল।[২০] অসমত জাতি বা বৰ্ণ হিচাপে বৈদ্যৰ অস্তিত্ব নাই, বঙ্গৰ বাহিৰে সম্ভবতঃ কতো নাই। চিকিৎসাবৃত্তিৰ লগত সম্পৰ্ক থকা লোকসকলক 'বৈদ্য' বা 'বেজ' কোৱাৰ ৰীতি অৱশ্যে বিভিন্ন ঠাইত লক্ষ্য কৰা যায়।[২১] 'বেজবৰুৱা' পদবী আহোম ৰাজত্বৰ দিনত ৰজাঘৰীয়া চিকিৎসকৰ বৃত্তিগত পদবী যেনে ঘোড়াবৰুৱা, ভাণ্ডাৰীবৰুৱা।

মাধৱ কন্দলিয়ে বৈশ্য জাতিৰ উল্লেখ কৰিছে যদিও এই জাতিৰ সুকীয়া অস্তিত্ব অসমত তেতিয়াৰ দিনত আছিল নে নাই কোৱা টান। যি কোন ব্যবসায় বা বাণিজ্য চলাই থকা বৈশ্য বোলা হৈছিল যেন লাগে। মাধৱ কন্দলিয়ে বৈশ্যৰ লগত কৃষি আৰু বাণিজ্য দুটাই লগ লগাইছে।[২২] অসমত প্ৰাচীন যুগত বৈশ্যৰ অস্তিত্বৰ কিছু অভিলেখগত প্ৰমাণ আছে।[২৩] বঙ্গ আৰু উড়িষ্যাতো প্ৰায় তেনেকুৱাই। অধিকাংশ বণিক বা বেপাৰী শূদ্ৰ শ্ৰেণীৰ পৰাই উদ্ভূত হৈছিল। মধ্যযুগত সাধাৰণভাৱে এওঁলোকক সাধু, সাহু নাইবা সদাগৰ নামেৰে অভিহিত কৰা হৈছিল। মনসামঙ্গল আৰু চণ্ডীমঙ্গল কাব্যৰ নায়কসকলো বণিক আছিল। এওঁলোকৰ সামাজিক প্ৰতিপত্তি যে যথেষ্ট বৃদ্ধি পাইছিল, সেইটো কাহিনীৰ পৰাই গম পোৱা যায়। অসমতো মনসামঙ্গল কাহিনী জনপ্ৰিয় আছিল, আৰু একাধিক কবিয়ে মনসাপুথি ৰচিছিল। কিন্তু এই বণিক সকলে বিশুদ্ধ অৰ্থত বৈশ্য নাছিল যেন লাগে। উড়িষ্যাত বণিকসকলে বণিআ, বণিজাৰ, বেপাৰী সাহু এইবোৰ নামেৰে পৰিচিত আছিল। উত্তৰ প্ৰদেশ অঞ্চলত বৈশ্য জাতিৰ বৰ্ণগত অস্তিত্ব আছিল। বনজাৰ, বৈস, চৰাফ, আদি উপাধিৰে তেওঁলোক মধ্যযুগত জনাজাত আছিল। উড়িষ্যাত এতিয়াও 'বণিআ'ৰ দুটা শ্ৰেণী আছে, 'বৈশ্য বণিআ' আৰু 'পোটলী বণিআ'। ইয়াৰ ভিতৰত 'বৈশ্য বণিআ'ই বোধকৰোঁ বৈশ্য জাতিৰ লগত সম্পৰ্ক থকা এটি বৰ্ণ। মাধৱ কন্দলিৰ ৰামায়ণত 'বণিয়া'ৰ উল্লেখ দুই এঠাইত আছে।



(৪) হিন্দু সমাজৰ বিভিন্ন বৃত্তিগত শূদ্ৰজাতি বুজাবলৈ তেতিয়াৰ দিনত ৩৬ সংখ্যাটো বৰ জনপ্ৰিয় আছিল যেন লাগে। মাধৱ কন্দলিয়ে লেখিছে—

ছত্ৰিশ জাতিয়ে তেজিলেক নিজ বৃত্তি / পদ ২০০৭/অযোধ্যা

অনিৰ্দিষ্ট সংখ্যক জাতিবিভাগক এটি নিৰ্দিষ্ট সংখ্যাৰ ভিতৰত কল্পনা কৰিবলৈ বোধকৰোঁ ছয়ত্ৰিশ সংখ্যাটো সেই যুগত সুচল হৈ পৰিছিল। বঙ্গৰ মুকুন্দৰামৰ চণ্ডীকাব্যত আছে—

গুৰুজন মাঝে চলে কুলবতী সতী।
ছত্তিস বৰ্ণ্যেৰ প্ৰজা চলে ৰাতাৰাতি ॥ / চণ্ডী / বণিক খণ্ড

উড়িষ্যাৰ বলৰাম দাসৰ ৰামায়ণত 'ওঠৰ' আৰু 'ছয়ত্ৰিশ' দুবিধেই আছে।

ক) অষ্টাদশ পাটক যে ভিন্ন ভিন্ন যাই / অযোধ্যা
খ) তুম্ভে মহাৰাজা কিস অপূৰ্ব তুম্ভকু।
ছত্তিস নিয়োগ খঞ্জা যাহাৰ দিনকু ॥ / অযোধ্যা

উড়িয়া শব্দকোষত 'ছয়ত্ৰিশ পাটক'ৰ কথা উল্লেখ কৰা হৈছে। পাটক অৰ্থাৎ পাৰা (locality)। ভিন্ ভিন্ জাতিৰ কাৰণে ভিন্ ভিন্ বসতি। এইটো নিয়ম ভাৰতৰ সকলো অঞ্চলতে একে পদ্ধতিৰে চলি আহিছিল। এতিয়াও বিলুপ্ত হোৱা নাই। অসমত বামুণগাওঁ, কহাঁৰ গাওঁ, সুতাৰগাওঁ, তেলিয়াগাওঁ, মালিগাওঁ, কলিতাচুক, বৰাগাওঁ আদি ঠাই নামবোৰ সেই পুৰণা বৃত্তিকেন্দ্ৰিক বসতিৰেই ইঙ্গিত বহন কৰি আহিছে।

বাল্মীকি ৰামায়ণত 'ভৰতৰ ৰামৰ অন্বেষণলৈ যাত্ৰা' প্ৰসঙ্গত এনেকুৱা বৃত্তিগত শ্ৰেণীৰ উল্লেখ আছে। মাধৱ কন্দলিয়েও সেই একেই প্ৰসঙ্গত কিছু জাতিনামৰ উল্লেখ কৰিছে। যেনে—

ক্ষত্ৰী বৈশ্যগণ কায়স্থ সজ্জন
নট ভাট তেলী তান্তী।
ঠঠাৰি সোণাৰী কমাৰি সেওখাৰি
ভৰতৰ লগে যান্তি ॥
বণিআ চামাৰ কমাৰ সুতাৰ
ধোবা আৰু কুম্ভকাৰ।
ইসব প্ৰমুখ্যে চলিল যতেক
আদি অন্ত নাই তাৰ ॥ ।পদ ২৩৮২/অযোধ্যা

ওপৰত দিয়া তালিকাখনৰ বাহিৰেও মাধৱ কন্দলিয়ে আৰু কিছু জাতি বৃত্তিৰ উল্লেখ কৰিছে। তেওঁৰ কাব্যখন চালিজাৰি চালে আমি এইবোৰ বৃত্তিমূলক জাতিনামৰ সন্ধান পাওঁ। —তেলী, তাম্তী, ঠঠাৰি, সোণাৰি কমাৰি, সেংখাৰি, চামাৰ, কমাৰ, সুতাৰ, ধোবা, কুমাৰ, গুৱাল, নাৱৰীয়া, গাড়ুৰী, হাড়ী আৰু নটভাট।

এতিয়া ক্ৰমান্বয়ে এইবোৰ বিশ্লেষণ কৰি চোৱা যাওক।

১। তেলী—কন্দলিয়ে তেলী জাতি আৰু তেলপেৰা যন্ত্ৰটোক (তেলী-শাল) 'জান্ত' হিচাপে উল্লেখ কৰিছে।[২৪] অসমত তেলপেৰা যন্ত্ৰৰ পুৰণা ঐতিহ্য আছে। বৰ্তমানে তেলীশালৰ সলনি ঘানি শব্দটো প্ৰচলিত হৈছে যদিও (বিহাৰৰ ঘান শব্দৰ পৰা আগত)। অসমৰ তেলীশালৰ এটা ঐতিহ্যগত গঠন আছিল। বিভিন্ন অংশৰ নাম আছিল তেলীপাট, বহনা, বেতেৰি, ইত্যাদি। 'জান্ত' শব্দটো (যন্ত্ৰৰ পৰা আগত) আগৰ দিনত যে বহলভাৱে প্ৰচলিত আছে তাৰ প্ৰমাণ উড়িষ্যাৰ এখন আদিবাসী গাৱঁত এজন নৃতাত্ত্বিকে অসমৰ তেলীশালৰ দৰে এবিধ তেলীশালৰ আঞ্চলিক নাম পাইছিল 'যাঁতকুণ্ডি'। তেলীসকলৰ বসতিৰ চিনস্বৰূপে তেলিয়া গাৱঁৰ উল্লেখ মই আগতে কৰিছোঁ।

১। তাম্তী—অসমত বস্ত্ৰশিল্পৰ ঐতিহ্য পুৰণি। কৌটিল্যৰ অৰ্থশাস্ত্ৰত আৰু বাণভট্টৰ হৰ্ষচৰিতত কামৰূপৰ সূক্ষ্ম বস্ত্ৰশিল্পৰ উল্লেখ আছে। অসমত কাপোৰ বোৱা কামটো সাধাৰণ মানুহৰ এটা নিত্যকৰ্ম আছিল আৰু বস্ত্ৰৰ কাৰণে অকল 'তাম্তী' বা কাপোৰ বোৱা জাতিটোৰ ওপৰত নিৰ্ভৰ কৰিব লগা হোৱা নাছিল। Hamilton এ উনৈছ শতিকাৰ অভিজ্ঞতাৰ পৰা কৈছে যে "The native women of all castes from queen downwards weave four kinds of silk that are produced in the country and with which three fourths of the people are clothed." অৱশ্যে বিশেষ বৃত্তিগত তাম্তীজাতিৰ অস্তিত্ব যে আছিল, সেইটো সঁচা।[২৫] আহোম যুগত অৱশ্যে কিছু মুছলমান বয়নশিল্পী অসমলৈ আহিছিল, নাইবা যুদ্ধত বন্দী কিছু মুছলমান লোকক এইটো বৃত্তিত নিয়োগ কৰা হৈছিল। এওঁলোকক অন্যান্য অঞ্চলৰ দৰে জোলা শব্দেৰে অভিহিত কৰা হৈছিল।[২৬] বঙ্গৰ কবি মুকুন্দৰামৰ চণ্ডীমঙ্গল কাব্যত হিন্দু 'তন্তবায়' আৰু মুছলমান 'জোলা' দুটা সম্প্ৰদায়ৰেই উল্লেখ আছে। চামৰাৰ বস্ত্ৰ বয়নকাৰী আৰু এবিধ



'সানাকৰ' নামৰ মুছলমান শ্ৰেণীৰ উল্লেখ মুকুন্দৰামে কৰিছে।[২৭]

৩। ঠঠাৰি—বিহাৰত 'কসেৰা' আৰু 'ঠঠেৰা' কসাৰি জাতিৰ দুটা শ্ৰেণী।[২৮] উনৈছ শতিকাত সংগ্ৰহ কৰা এটি বৃত্তিগত জাতি তালিকাৰ M. Martin এ ঠঠেৰাৰ উল্লেখ কৰিছে।[২৯] বঙ্গত কাসাৰি আৰু উড়িষ্যাত 'কংসাৰি' জাতিৰ অস্তিত্ব আগৰে পৰা আছে। সাধাৰণতে ধাতুৰ পাত্ৰ (কঁাহ পিতল তাম আদি) প্ৰস্তুতকাৰী শ্ৰেণীটোকেই ঠঠাৰি বুলি কৈছিল। সঁজুলি হিচাপে ঠঠাৰিৰ ভাটিৰ কথা মাধৱ কন্দলিয়ে উল্লেখ কৰিছে।[৩০]

৪। সোণাৰি—স্বৰ্ণকাৰ শ্ৰেণীটোক মাধৱ কন্দলিয়ে সোণাৰি বুলি উল্লেখ কৰিছে। এতিয়াও এই শব্দটোৰ প্ৰচলন আছে। উড়িষ্যাত সেই যুগত 'সুনাৰি' আৰু বঙ্গত সোনাৰি সেকৰা আদি কোৱা হৈছিল। উত্তৰপ্ৰদেশত সোনাৰ। মুহম্মদ জৈসীৰ পদুমাৱত কাব্যত 'পতইনী' এবিধ শ্ৰেণীৰ উল্লেখ আছে, এওঁলোকে সোণত বাখৰ লগোৱা কাম কৰিছিল।[৩১]

৫। কসাৰি—কঁাহৰ পাত্ৰ প্ৰস্তুতকাৰী জাতি বিশেষ। অসমৰ মুছলমান সকলৰ মাজত 'মৰিয়া' নামৰ শ্ৰেণীটোৱে ধাতুপাত্ৰ নিৰ্মাণকাৰী এটি বিশেষ শ্ৰেণী আৰু তাৰ এতিয়াও অস্তিত্ব আছে।

৬। সেংখাৰি—শংখনিৰ্মিত অলঙ্কাৰৰ ব্যৱহাৰ অসমত বিশেষকৈ অসমীয়াৰ মাজত নিচেই কম। কামৰূপ আৰু গোৱালপাৰাৰ কিছু অঞ্চলত ইয়াৰ অস্তিত্ব আছে। বঙ্গত মুকুন্দৰামৰ কাব্যত শংখবণিকৰ উল্লেখ আছে। উড়িষ্যাত কোৱা হয় 'শংখাৰি'। মাধৱদেৱৰ আদিকাণ্ডত অলঙ্কাৰ হিচাপে 'শাখা'ৰ উল্লেখ আছে।[৩২] অসমৰ এই অলঙ্কাৰ ব্যৱহাৰৰ ই এটা প্ৰমাণ। এই শিল্প অসমৰ পৰা লুপ্ত হোৱাৰ কাৰণ হিচাপে অনুমান কৰিব পৰি, প্ৰাক-শঙ্কৰী যুগত এই শ্ৰেণীটো সম্ভৱতঃ বাহিৰৰ পৰা আহিছিল আৰু প্ৰয়োজনীয় raw materials ৰ অভাৱত এই বৃত্তিটো চলাব নোৱাৰিলে।

৭। চামাৰ—আজিৰ যুগত চামাৰ জাতিৰ সুকীয়া অস্তিত্ব অসমীয়াৰ মাজত নাই বুলি কলেই হয়। উনৈছ শতিকাত Robinson এ লক্ষ্য কৰিছিল, অসমত চৰ্মকাৰ নাই আৰু চৰ্মশোধনৰ কৌশল ইয়াত অজ্ঞাত।[৩৩] বঙ্গত আৰু উড়িষ্যাত চামাৰ আছে। বঙ্গত চামাৰসকলৰ এটা শাখাক 'বাইতি' বুলি কোৱা হৈছিল (দ্ৰষ্টব্য কৃত্তিবাসী ৰামায়ণ) এওঁলোকে চৰ্মনিৰ্মিত বাদ্য বজোৱাত পাৰ্গত আছিল, আৰু এইটোৱেই প্ৰধানকৈ এওঁলোকৰ বৃত্তি আছিল। এওঁলোকক কেতিয়াবা 'বায়েন'ও কোৱা হৈছিল। 'বায়েন' বা

'বাইতি এটা বৃত্তিগত উপাধি হে গতিকে সকলো বায়েন বা বাইতিক চামাৰ বুলি কব নোৱাৰি। অসমত 'বায়ন' পদবীধাৰী লোকৰ অস্তিত্ব এতিয়াও আছে। মাধৱ কন্দলিৰ উদ্ধৃতিসত্বেও এইটো থিবাংকৈ কব নোৱাৰি যে তেতিয়াৰ দিনত চামাৰ জাতিৰ অস্তিত্ব অসমত আছিল। বাল্মীকিৰ ৰামায়ণতো চৰ্মকাৰৰ উল্লেখ আছে।[৩৪]

৮। কমাৰ—প্ৰাক্-শঙ্কৰী যুগত ই এটি বৃত্তিগত জাতি (caste) আছিল। দা, কটাৰী আদি খেতিয়কৰ সা-সঁজুলিৰ বাহিৰেও অস্ত্ৰ শস্ত্ৰ নিৰ্ম্মাণৰ বাবেও কমাৰৰ প্ৰয়োজন হৈছিল। আহোম যুগত 'লো-কমোৱা' প্ৰথাটো প্ৰায় 'সোণ-কমোৱা' প্ৰথাৰ দৰেই আছিল, কাৰণ অসমত লো-তীখাৰ খনি উৎস বেছি নাছিল। গতিকে "নৈৰ বাৰিষা চল উঠিলে সোঁতৰ লগতে লোৱাচুৰ মিহলি খেচ্খেচীয়া মাটি আহি ঠায়ে ঠায়ে চত পেলায়। তাৰ ওপৰত পলস পৰি খৰালি লো মাটি টান হয়। লো-শলীয়া পাইকে গম লৈ সেই মাটি খান্দি উলিয়াই পাতত দম পাতি থয়। এটা এটা জুমত লো কৰা পাইকৰ ৫ জন পালি আৰু এজন ওজা।"[৩৫] এই লো-শলীয়া পাইক জাতিগতভাবে কমাৰ নহবও পাৰে। অৱশ্যে বৃত্তিগত কাৰণে এওঁলোকক কমাৰ বোলা হৈছিল। শঙ্কৰদেৱে কমাৰক এটি বৃত্তীয় শ্ৰেণী হিচাপে উল্লেখ কৰিছে।[৩৬]

৯। সুতাৰ—সুতাৰৰ অস্তিত্ব এতিয়া অসমত তেনেই কম। উনৈছ শতিকাত Robinson এ সুতাৰক দেখা পাইছিল-বৃত্তিশ্ৰেণী হিচাবে। মুকুন্দ-ৰামৰ চণ্ডী কাব্যত 'ছুতাৰ' আৰু তুলসীৰামায়ণত 'বঢ়েই' শ্ৰেণীৰ উল্লেখ আছে। বাল্মীকি ৰামায়ণত এওঁলোক 'সূত' আৰু 'বৰ্দ্ধকী' নামেৰে উল্লিখিত। কন্দলিৰ ৰামায়ণত সুতাৰৰ সঁজুলি হিচাপে কুন্দ হাতুড়ি আৰু বটালিৰ উল্লেখ আছে।[৩৭]

১০। ধোবা—কন্দলিৰ ৰামায়ণত ধোবাৰ উল্লেখ একাধিকবাৰ পোৱা যায়।[৩৮] লাহে লাহে অইন কিছুমান শ্ৰেণীৰ দৰে এই শ্ৰেণীটোও বৃত্তি-জাতি হিচাপে লুপ্ত হ'ল। বৃত্তি হিচাবে এওঁলোক কৃষিলৈ স্থানান্তৰিত হৈছে, কিন্তু জাতি (caste) হিচাপে নগাওঁ জিলাত ধোবা-কেওঁট আৰু কামৰূপ জিলাৰ বাউসী-বজালি পৰগণাত 'ধোবা' আৰু 'দাস' পদবীধাৰী শ্ৰেণীৰ অস্তিত্ব আছে। এওঁলোকৰ ভিতৰত কিছুমানৰ পদবী 'ৰঙ্গতি'। এই তথ্যটো অলপ আলোচনাৰ যোগ্য। 'ৰঙ্গতি' পদবীধাৰী লোকসকলৰ পূৰ্বপুৰুষে নিশ্চিতভাবে কাপোৰত ৰং ছপোৱা শ্ৰেণী আছিল। W. Robinson এ উনৈশ শতিকাত অসমত dyer শ্ৰেণীৰ উল্লেখ কৰিছে। মধ্যযুগৰ বিহাৰ আৰু বঙ্গত 'ৰংৰেজ' (মুকুন্দৰাম আৰু কবীৰৰ পদত উদ্ধৃত) আৰু উড়িষ্যাত কোৱা হৈছিল 'ৰঙ্গনী'। বাল্মীকি ৰামায়ণত 'ৰজক'ৰ উল্লেখ আছে। (২৷৮৩৷১৫)



১১। কুমাৰ—অসমৰ প্ৰাচীন শিলালেখ আৰু তাম্ৰফলিত কুম্ভকাৰৰ উল্লেখ আছে। বৰ্তমান অসমত মাটিৰ বয়বস্তু প্ৰস্তুত কৰা জাতিটো 'কুমাৰ' আৰু 'হীৰা' এই দুইভাগে বিভক্ত। কিন্তু মূলতঃ হীৰাসকলক কুমাৰতকৈ নিম্নথাপৰ বুলি কোৱা হয়।[৩৯] মাধৱ কন্দলিৰ তালিকাত কুমাৰৰ উল্লেখ থাকিলেও হীৰাৰ উল্লেখ নাই।

সঁজুলি হিচাপে কন্দলিৰ গ্ৰন্থত 'চাক'ৰ উল্লেখ আছে।[৪০] অন্যান্য মধ্যযুগীয় অসমীয়া কাব্য আৰু বঙ্গীয় কাব্য বিলাকতো 'চাক'ৰ উল্লেখ পোৱা যায়। আজিৰ যুগত অসমত হীৰাসকলে চাক ব্যৱহাৰ নকৰে, হাতেৰে পাত্ৰ গঢ়ে।[৪১] বাল্মীকি ৰামায়ণত 'কুম্ভকাৰ'ৰ উল্লেখ আছে। (২৷৮৩৷১২)

১২। গুৱাল—মাধৱ কন্দলিয়ে গুৱালৰ উল্লেখ এনেকৈ কৰিছে।

মুদ্গৰ ফুৰাৱে গুৱালে যেন ডাঙ্গ /পদ ৫৫৫৩/লঙ্কা

গোপ বা গোৱালা বিহাৰ, উত্তৰ প্ৰদেশ, উড়িষ্যা আৰু বঙ্গত এটি নিৰ্দিষ্ট জাতিনাম। কিন্তু অসমত বৰ্তমানে নিৰ্দিষ্ট ভাবে কোনো গোপ-জাতি নাই যেন লাগে, অন্ততঃ বৃত্তিগত ভাবে নাই। গৰখীয়া শ্ৰেণীটো আচলতে গৰুৰ ৰক্ষণাবেক্ষণকাৰী এটি বিশেষ বৃত্তিনাম। উড়িষ্যাত কিন্তু গোপজাতিৰ চাৰিটা ভাগ—মগধ, মথুৰাপুৰীয়া, গোপপুৰীয়া আৰু উমাল।

১৩। নাৱাৰ—'নাৱাৰ' শব্দটোৰ দ্বাৰা কন্দলিয়ে নাৱৰীয়া বৃত্তিটোক বুজাইছে। মুকুন্দৰামৰ কাব্যত 'পাটনী' আৰু 'মাৰিৰ' উল্লেখ আছে। এওঁলোক কৈৱৰ্ত জাতিৰ এটা উপবিভাগ হোৱাটো সম্ভৱ।[৪২] কৈৱৰ্ত জাতি এসময়ত গোটেই পূৰ্বভাৰতত এটি বিশিষ্ট জাতিৰূপে জনাজাত আছিল। পণ্ডিতসকলৰ মতে এওঁলোক অভিযানৰ মাজেদি পূৰ্বভাৰতত সোমাইছিল। কৈৱৰ্তসকলে প্ৰথমে নদী আৰু নাওৰ লগত সম্পৰ্ক গঢ়িলে পাছৰ যুগত বৃত্তি পৰিৱৰ্তনৰ ফলত এটা অংশ খেতিৰ কামত নিযুক্ত হল। এতিয়াও অসম, বঙ্গ আৰু উড়িষ্যাত 'হালোৱা' আৰু জালোৱা কৈৱৰ্তৰ অস্তিত্ব আছে। অসমত 'মাছমৰীয়া' নামৰ এটি বৃত্তিগত শ্ৰেণী আছে যদিও (মুকুন্দৰামৰ কাব্যত মাছুয়া) কৈৱৰ্ত্তজাতিৰ এওঁলোকক সকলোৱে সম্পৰ্ক

নাই। অৱশ্যে আজিৰ যুগৰ কেওঁট সকলে কৈবৰ্ত্তৰ পৰাই উদ্ভূত।

১৪। গাড়ুৰী—বিষবৈদ্য বা সাপৰ বেজ হিচাপে এই বৃত্তিশ্ৰেণীটো জনপ্ৰিয় আছিল। বিষমন্ত্ৰক পূৰ্বভাৰতৰ সকলো অঞ্চলতে 'গড়ুৰবিদ্যা' বা 'গাড়ুৰশাস্ত্ৰ' বুলি কোৱা হৈছিল। 'গাড়ুৰী' শব্দটো বঙ্গ, উড়িষ্যা উত্তৰ প্ৰদেশ আৰু বিহাৰ অঞ্চলতো প্ৰচলিত। উড়িষ্যাৰ সাপৰ বেজক 'জাঙ্গুলিক' শব্দৰ দ্বাৰাও অভিহিত কৰা হৈছিল। গাড়ুৰী উপাধিটোৰ জনপ্ৰিয়তা কেনে আছিল চাওঁক ঃ

ক) অসম— যেহেন সৰ্পৰ বিষ শিখাগ্ৰত গৈল।
নমাই আনি গাড়ুৰী নিষ্প্ৰভ কৰি থৈল॥
মাধৱ কন্দলি/পদ ১৭৬৬/অযোধ্যা

খ) বঙ্গ— দুই সহস্ৰ চলিয়াছে গাড়ুৰিয়া -ওঝা / বিজয়গুপ্ত
পদ্মাপুৰাণ/পঞ্চদশ শতিকা

গ) উড়িষ্যা— ব্ৰাহ্মণে বেদকু পাসৰি দেলে।
গাড়েৰি অভ্যাস কৰিবে বলে॥ /অচ্যুতানন্দ দাস /
ছয়ালিশ পটল / ৪৪ পঞ্চদশ শতিকা

ঘ) উত্তৰ প্ৰদেশ—তুন্ত গাড়ৰু মৈঁ বিসকা মাতা।
কহউ এ জীবউ মেৰে অমৃত দাতা॥ কবীৰ/ পঞ্চদশ শতিকা

ঙ) বঙ্গ— তোহ্মাৰ যৌবন কালভুজঙ্গম
আহ্মোহো ভাল গাড়ুৰী / বড়ু চণ্ডীদাস / শ্ৰীকৃষ্ণকীৰ্ত্তন

১৫। হাড়ী—মাধৱ কন্দলিয়ে কৰা উল্লেখৰ পৰা জনা যায় এওঁলোক অস্পৃশ্য আছিল।[৪৩] বঙ্গৰ নাথ-সাহিত্যত হাড়ীজাতিৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। উনৈছ শতিকাত W. Robinson এ হাড়ীজাতিক এটি ক্ষুদ্ৰ সম্প্ৰদায় হিচাপে লক্ষ্য কৰিছিল। আৰু এওঁলোক কুমাৰৰ বৃত্তিত নিযুক্ত থকা বুলি তেওঁ জনাইছে।[৪৪] হীৰা শব্দ সম্ভৱতঃ হাড়ী শব্দৰেই অপভ্ৰংশ।[৪৫] হীৰাৰ নিৰ্মিত মৃৎপাত্ৰ মাঙ্গলিক কৰ্মত ব্যৱহাৰ হোৱা নাছিল।[৪৬] হাড়ীৰ উল্লেখ মুকুন্দৰামৰ চণ্ডীকাব্যত আছে।

১৬। নট ভাট—এওঁলোকে ৰজাঘৰত নাইবা ৰাইজৰ আগত ধেমালি, গীতমাত, নৃত্য আদিৰে মনোৰঞ্জন কৰিছিল। Martinৰ তালিকাত ভাট আৰু 'কলাবন্ত'ৰ উল্লেখ আছে।

ওপৰত আলোচিত বৃত্তিকেইটিৰ বাহিৰেও অসমত, হালোই (মিষ্টান্ন প্ৰস্তুতকাৰক)[৪৭], শুণ্ডী, মালী[৪৮], নাপিত[৪৯], আৰু কেইটিমান অন্যবৃত্তিৰ



অস্তিত্ব আছিল। মাধৱ কন্দলিয়ে সেইবোৰ উল্লেখ কৰা নাই।

আৰু এটা আচৰিত কথা। অসমৰ পৰ্বত আৰু ভৈয়ামত আদিযুগৰে পৰা বসবাস কৰি থকা জনজাতি লোকসকলৰ উল্লেখ মাধৱ কন্দলিয়ে কৰা নাই। বাল্মীকিৰ নৈতিক অনুসৰণ ইয়াৰ এটা কাৰণ হব পাৰে। শঙ্কৰদেৱে 'মহাভাগৱত' গ্ৰন্থত কিৰাত, কছাৰী, খাচী, গাৰো আৰু মিৰি জাতিৰ উল্লেখ কৰিছে।

---

তথ্য আৰু গ্ৰন্থপঞ্জী


১। D. C. Sircar/Studies in the Society and Administration of Ancient and Medieval India/Ch. 1/P.4/
২। W. W. Hunter/A History of Orissa/
৩। Studies in the Society and Administration of Ancient and Medieval India/Ch. 1/P. 4
৪। History of the Civilization of the people of Assam /Ch-6/P. 312
৫। A Cultural History of Assam/B. K. Baruah/Ch.-5/ P. 119
৬। বঙ্গভূমিকা—সুকুমাৰ সেন/পৃঃ ২৭৬
৭। বাল্মীকি ৰামায়ণ/ ২৷৩২৷৪৪
৮। অৰ্থেৰ লোভেতে হয় দেবল ব্ৰাহ্মণ / কৃত্তিবাস / উত্তৰা।
৯। ক) ৰামানন্দই আছিল ভাৰতৰ মধ্যযুগৰ ভক্তি-আন্দোলনৰ গুৰি ধৰোঁতা। তেওঁৰ শিষ্যৰ ভিতৰত নিম্নবৰ্ণৰ ৰবিদাস অন্যতম।
খ) শঙ্কৰদেৱৰ ৰুক্মিণীহৰণ কাব্যত আছে 'পতিত ব্ৰাহ্মণ'ৰ কথা।
মাহাদান খোজে যেন পতিত ব্ৰাহ্মণ/শ্ৰীশঙ্কৰ বাক্যামৃত/পৃঃ ২৭৯
গ) উড়িষ্যাত ৯ম-দ্বাদশ শতিকাৰ ভিতৰত বৌদ্ধ-শৈব সংঘৰ্ষৰ ফলত বৌদ্ধসকলে পুনৰ শৈবধৰ্ম গ্ৰহণ কৰে কিন্তু ইয়াৰ ফলত যে নতুন ব্ৰাহ্মণ শ্ৰেণীৰ উদ্ভৱ হয় তেওঁলোকে শৈব ব্ৰাহ্মণৰ সমান মৰ্যাদা পোৱা নাছিল। ইয়াৰ ফলত বনুৱা, খেতিয়ক, বেপাৰী আদি বিভিন্ন বৃত্তি তেওঁলোকে গ্ৰহণ কৰিব লগা হৈছিল।
W.W Hunter/A History of Orissa /Ch. 1/P. 95
ঘ) চতুৰ্দশ শতিকাত ৰচিত সাৰলা দাসৰ ওড়িয়া মহাভাৰতত আছে—

বালুতপুত্র মাগিলা যাহা পুবঃসৰি ।
তেনু অছন্তি ব্রাহ্মণে সিনা কৃষি কৰি ॥
যে ব্রাহ্মণৰ হোইলে যেতেক সন্ততি ।
বেদমন্ত্র ছাড়ি সেহি কৃষিৰে বঞ্চন্তি ॥

ঙ) ষোড়শ শতিকাত ৰচিত দ্বিজ মাধবৰ মঙ্গলচণ্ডীৰ গীত (বঙ্গ) কাব্যত আছে—

যথেক ব্রাহ্মণ পাইক পৈতা ধৰি কৰে ।
দন্তে তৃণ ধৰিয়া গায়ত্রী উচ্চাৰে ॥ /

১০। True Aryan ksatriyas are perhaps not found in Assam and our knowledqe about them is insufficient to come to any conclusion.—P.C Choudhury/A History of the civilization of the people of Assam / ch-6/P. 316 মনুসংহিতাৰ মতে 'পুণ্ড্রক' আৰু 'কিৰাত' নামৰ দুই প্রকাৰ ক্ষত্রিয় বঙ্গত বসবাস কৰিবলৈ লৈছিল । তেওঁলোকে বৃত্তিৰ্চ্চাৰ অভাৱত সুকীয়া জাতি বৈশিষ্ট্য হেৰুৱাবলগীয়া হৈছিল । / মনু / ২।১০।৪৩।৪৪

১১। বিজলীয়ে উড়িষ্যাৰ জনগোষ্ঠীৰ সমীক্ষা লওঁতে (উনৈছ শতিকাৰ শেষ ভাগ) ক্ষত্রিয়ৰ অস্তিত্ব লক্ষ্য কৰা নাই । / Caster and Rau in India / G.S Ghurye / ch.-5/ P. 123

১২। A History of the civilization of the people of Assam Ch-6/ P.316 পূৰ্বভাৰতৰ ক্ষত্রিয়সকলে পশ্চিমৰ পৰা আহিছিল । যেনে বঙ্গৰ সেনবংশৰ ৰজাসকলে । এওঁলোক ব্রহ্মক্ষত্রিয় আছিল । চণ্ডীমঙ্গলৰ ক্ষত্রিয়ৰ উল্লেখ ৰাজপুতৰলগত কৰা হৈছে । ইয়াৰ পৰা এওঁলোকে যে বাহিৰৰ পৰা আহিছিল এইটোৱে সূচায় । যি সকল শূদ্রই বঙ্গত সৈনিক-বৃত্তি গ্রহণ কৰিছিল, তাৰ মাজত কিছুমানে নিজক উগ্রক্ষত্রিয় বুলিছিল। অযোধ্যা অঞ্চলত অৱশ্যে ক্ষত্রিয়সকলৰ বিশেষ অস্তিত্বৰ প্রমাণ পোৱা যায় ।

১৪। Studies in the society and Administration of Ancient and Medical India / Ch.-9 P. 158

১৫। Caste and Race in India / G. S. Ghurye/Ch.-5/P. 123

১৬। অৰ্থাৎ কায়স্থ ৰমনী / কয়থিনী চলই সমই ন অঙ্গ /পদুমাবত / দোহা ১৯০



১৭। অব আনিঅ ব্যৱহাৰিঅ বোলি।
তুৰত দেঁউ মই খোইলি খোলি ॥ /চৌপাঈ ২ / দোহা ২ / বালকাণ্ড

১৮। ক) কৰণ হাতৰে যে সকল লেখাইবে। /বলৰাম দাস/ওড়িয়া ৰামায়ণ/আদি
খ) কান্ত বৈসে নগৰে হাতেতে কলম ধৰে। /দ্বিজ মাধব/মঙ্গলচণ্ডীৰ গীত

১৯। ছাগলৰ অণ্ড বৈদ্যে আনি জোৰাইলন্ত /মাধৱদেৱ/আদি ।

২০। বৈদ্য দেখি যেন মুণ্ড চপৰাইলা সাপ / মাধৱদেৱ / আদি

২১। যেনে ক) উড়িষ্যাত—বৈদ্যকু কহিবু দেহ ৰোগৰ কৰণ
/ বলৰাম দাস / ওড়িয়া ৰামায়ণ / অযোধ্যা
খ) উত্তৰ প্রদেশত—জনহু বৈদ ওষধ লেই আৱা।
ৰোগিঅ ৰোগ মৰত জীউ পাৱা ॥ / মুহম্মদ জায়গী পদুমাবত / ২৫৭

২২। বৈশ্য এৰিলেক কৃষি বাণিজ্যৰ কৰ্ম / পদ ২০০৬ / অযোধ্যা

২৩। A History of the Civilization of the people of Assam / Ch-6 P. 316

২৪। দশখান জান্তে যেন তেলী তেল পেৰি / পদ ৬০১৮ লঙ্কা

২৫। পুৰণি অসমৰ শিল্প / ভুবনচন্দ্র সন্দিকৈ / পৃঃ ৪৯

২৬। "কাপোৰৰ হিচাবপত্র জোলাশালৰ চাংকাকতিবিলাকে ৰাখে।"— ভুবনচন্দ্র সন্দিকৈ / পুৰণি অসমৰ শিল্প / পৃঃ ৫৮

২৭। বাল্মীকি ৰামায়ণত 'তন্তুবায়'ৰ আৰু 'কম্বলকাৰ'ৰ উল্লেখ ।
২।৮০।১২ ২।৮৩।১৫

২৮। কংসবণিক—নিৰ্মলকুমাৰ বসু / ভাৰতকোষ / ২য় খণ্ড / পৃঃ ৩১৫

২৯। History, Antiquity, Topography and Society of Eastern India — / M. Martin / Ch-4 / P. 163

৩০। নিশ্বাস ফোকাৰে যেন ঠঠাৰিৰ ভাটি / পদ ২১১০ / অযোধ্যা

৩১। বাল্মীকি ৰামায়ণত 'মণিকাৰ'ৰ উল্লেখ / ২।৮৩।১২

৩২। লক্ষ্মীৰ ঘাতৰ শাখা জ্যোতি অতি কৰে / মাধৱদেৱ / আদি

৩৩। W. Robinson / A Descriptive Account of Assam See VII / P. 263

৩৪। বাল্মীকি ৰামায়ণ / ২।৮০।৩

৩৫। পুৰণি অসমৰ শিল্প / ভুবনচন্দ্র সন্দিকৈ / পৃঃ ২০

৩৬। বাল্মীকি ৰামায়ণত অস্ত্র নিৰ্মাণকাৰী জাতি হিচাপে 'শস্ত্রোপজীবিনঃ'ৰ উল্লেখ আছে / ২।৮৩।১২

৩৭। ক) জংঘা দুই বর্তুল কুন্দত বলিৰাইলে। / পদ ৩৮৭২ / অযোধ্যা
খ) বটালি নকাটে যেন বিনা হাঠুৰিয়ে / পদ ৩৭৩৬ / কিষ্কিন্ধ্যা
৩৮। পয়দা পাইকে বস্ত্র ধোৱে যেন ধোবে।
পিঠিত আসন কোবায়য় থিউ কোবে ॥ / পদ ৬০৩৭ / লঙ্কা।
বঙ্গ আৰু উড়িষ্যাত মধ্যযুগৰ কাব্যবিলাকত ধোবাৰ উল্লেখ আছে—
১। নগবে কবিয়া শোভা নিবসে অনেক ধোপা / মুকুন্দৰাম / চণ্ডী /১০৬
২। ধোবা তুঠমানঙ্কৰ বসন লুটিলে / বলৰাম দাস। আদিকাণ্ড
৩৯ A History of the civilization of the people of Assam / P. C. Chaudhury / Ch. VI / P. 317
৪০। কুমাৰৰ চাক যেন ফুৰাইলন্ত ধৰি। / ৪৩৮৫ / সুন্দৰা।
৪১। কুম্ভকাৰ / নির্মলকুমাৰ বসু / ভাৰতকোষ / ২য় খণ্ড / পৃঃ ৩১৫
৪২। তেতিক্ষণে পঞ্চশত নাৱাৰা অনাইল / পদ ২৪৫৪ / অযোধ্যা
৪৩। ক) হাড়ীজাতি হুৱা পঢ়িবাক চাস বেদ। /৩১৬৯ / অৰণ্য
খ) তিৰীচোৰ পাপিষ্ঠ হাড়ীৰ আউথা খাহা / ৩২৪২ / অৰণ্য
৪৪ W. Robinson / A Descriptive Account of Assam / Sec—VII / P. 263
৪৫ A History of the civilization of the people of Assam / Ch. 6. P.313
৪৬। কুম্ভকাৰ / নির্মলকুমাৰ বসু / ভাৰতকোষ / ২য় খণ্ড / পৃঃ ৩১২
৪৭ Sankardev and his times / Maheswer Neog / Ch-3/ P. 77
৪৮। শঙ্কৰদেৱৰ উৰেষাবর্ণনত আছে
তেলি মালী শিলাকুটি বনিয়া চামাৰ / কীর্ত্তন
৪৯। অসমৰ বৈষ্ণৱযুগৰ সাহিত্যত নাপিতৰ উল্লেখ আছে।
Sankardev and his times/Ch-3 / P. 76-77

—(০)—

# মধ্যযুগীয় অসমীয়া সমাজৰ উৎসৱ আৰু আচাৰ-অনুষ্ঠান আদি*

ডঃ সর্ব্বেশ্বৰ ৰাজগুৰু

## আগকথা ঃ মধ্যযুগটো

প্ৰাচীন কালৰ পৰা প্ৰবাহিত হৈ অহা অসমীয়া জাতীয় বা সামাজিক জীৱনৰ ধাৰাটোক ঐতিহাসিক ভাবে, মোটামুটিকৈ (১) প্ৰাচীন (২) মধ্য আৰু (৩) আধুনিক এই তিনিটা যুগত ভগাব পৰা হয়। খৃঃ পূঃ দ্বিতীয়-তৃতীয় শতাব্দী মানৰ পৰা খৃষ্টাব্দ দ্বাদশ শতাব্দীৰ শেষলৈ অর্থাৎ পাল বংশৰ পতনলৈকে, এই কালছোৱাকে অসমৰ প্ৰাচীন যুগ, খৃষ্টাব্দ ত্ৰয়োদশ শতাব্দীৰ আৰম্ভনিৰ পৰা, অর্থাৎ টাই-চীন গোষ্ঠীৰ আহোমসকলৰ এই দেশলৈ প্ৰবেশৰ সময়ৰ পৰা খৃষ্টাব্দ ঊনবিংশ শতাব্দীৰ

* বিঃ দ্ৰঃ—
মাধৱ কন্দলিৰ ৰচনাৰ ওপৰত ভিত্তি কৰি "অসমীয়া সমাজৰ উৎসৱ আৰু আচাৰ-অনুষ্ঠান"ৰ এটা পূৰ্ণ পৰ্য্যায়ৰ প্ৰবন্ধ লিখা সম্ভৱ নহয়। যিহেতু মাধৱ কন্দলিৰ অসমীয়া ভাষাত ৰচনা কৰা "ৰামায়ণ মহাকাব্য" মধ্যযুগৰ আগছোৱা কালৰ অসমীয়া সমাজ-সংস্কৃতিৰ এটা বিশেষ উল্লেখযোগ্য ঐতিহাসিক ঘটনা আৰু মধ্যযুগ বুলিলে মাধৱ কন্দলি আৰু তেওঁৰ ৰচনা বাজিও সোমাই পৰে, সেই গতিকেই এটি পূৰ্ণ পৰ্য্যায়ৰ প্ৰবন্ধৰ স্বাৰ্থত 'বিহলঙনি'ৰ সম্পাদক ডাঙৰীয়াৰ সন্মতি সাপেক্ষে প্ৰবন্ধটোৰ নামকৰণ কৰা হ'ল "মধ্যযুগীয়া অসমীয়া সমাজৰ উৎসৱ আৰু আচাৰ অনুষ্ঠান আদি।" —লেখক

আৰম্ভলৈ, অৰ্থাৎ সাতসাগৰ তেৰনদীৰ সিপাৰৰ বৃটিছসকল এই দেশত প্ৰবেশ কৰাৰ দিনলৈকে, এই কালছোৱাক অসমৰ মধ্যযুগ আৰু বৃটিছসকল প্ৰবেশৰ দিনৰ পৰা বৰ্ত্তমানলৈকে, এই কালছোৱাক অসমৰ আধুনিক যুগ বুলি ভাগ কৰিব পৰা যায়। আমাৰ আলোচ্য যুগটো হৈছে মধ্যযুগ। খৃষ্টাব্দ ত্ৰয়োদশ শতাব্দীৰ আৰম্ভৰ পৰা বৃটিছৰ আগমনলৈকে অসমীয়া জাতীয় জীৱনৰ এই কালছোৱাই ঐতিহাসিক ভাবে এটা স্বতন্ত্ৰ যুগৰ দাবী কৰাৰ কেবাটাও বৈশিষ্ট্যপূৰ্ণ ঐতিহাসিক কাৰণ বা ঘটনা আছে। প্ৰথম কাৰণ হৈছে ত্ৰয়োদশ শতাব্দীৰ আৰম্ভনিতে টাই-চীন গোষ্ঠীৰ আহোমসকলৰ এই দেশলৈ আগমণ। আহোমসকল অহাৰ আগতে প্ৰাচীন কামৰূপ ৰাজ্যত বিভিন্ন ৰাজনৈতিক শক্তিৰ অধঃপতন ঘটি প্ৰাচীন কামৰূপ ৰাজ্য বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত বা অংশত বিভক্ত হৈ কামৰূপ ৰাজ্যৰ চাৰিওফালে অনৈক্য আৰু বিশৃংখলাৰ সৃষ্টি হয়। আহোমসকলে এই দেশলৈ আহি এই দেশৰ অধিবাসীৰ লগত জাতিগত আৰু সাংস্কৃতিক ভাবে একীভূত হোৱাৰ উপৰিও ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজশক্তিবোৰক পৰাজিত কৰি এক নতুন কেন্দ্ৰীয় ৰাজনৈতিক শাসন পদ্ধতিৰ তললৈ আনি দেশখন তথা দেশবাসীক ঐক্যবদ্ধ কৰি তোলাৰ উপৰিও এক সুস্থিৰ শাসন পদ্ধতি, অৰ্থনীতি, শিল্প, ব্যৱসায়-বাণিজ্য নীতিৰ প্ৰৱৰ্ত্তন কৰি, সাংস্কৃতিক অৱদানেৰে আৰু প্ৰাচীন কামৰূপৰ ঠাইত নতুন নাম অসমেৰে অসমীয়া জাতিক ভাৰতবৰ্ষৰ ভিতৰতে সৰ্বতো প্ৰকাৰে সুপ্ৰতিষ্ঠিত কৰি তোলে।

মধ্যযুগৰ আগছোৱা কালৰ অসমীয়া সংস্কৃতিৰ এটা উল্লেখযোগ্য ঐতিহাসিক ঘটনা হল মাধৱ কন্দলিৰ অসমীয়া ভাষাত ৰামায়ণ ৰচনা। খৃষ্টীয় চতুৰ্দ্দশ শতাব্দীত মাধৱ কন্দলিয়ে সংস্কৃত ৰামায়ণ মহাকাব্যৰ অসমীয়া ভাষাত কাব্যিক অনুবাদ কৰি উত্তৰ ভাৰতৰ আৰ্য্যমূলীয় ৰাজ্যিক ভাষাবোৰৰ ভিতৰতে অসমীয়া ভাষাৰ কাৰণে এটি অভিলেখ সৃষ্টি কৰিলে। মাধৱ কন্দলিৰ অসমীয়া ৰামায়ণ অসমীয়া ভাষা-সাহিত্যৰ এক উজ্জল জ্যোতিস্তম্ভ। মাধৱ কন্দলিয়েই পোন প্ৰথমে ৰামায়ণৰ নিচিনা সৰ্ব্বভাৰতীয় স্তৰৰ এখন পূৰ্ণাঙ্গ সংস্কৃত মহাকাব্য অসমীয়ালৈ ৰূপান্তৰ কৰি প্ৰতিপন্ন কৰিলে যে সেই যুগতেই (চতুৰ্দ্দশ শতাব্দীত) অসমীয়া ভাষা এটা পৈণত ঐশ্বৰ্য্যশালী ভাষা হৈ উঠিছিল।

অসমীয়া জাতীয় জীৱনৰ ক্ষেত্ৰত এই যুগৰ আন এটি তাৎপৰ্য্যপূৰ্ণ ঐতিহাসিক ঘটনা হ'ল মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত নৱ বৈষ্ণৱ আন্দোলন। মহাপুৰুষ শঙ্কৰদেৱৰ নৱ-বৈষ্ণৱ আন্দোলনো আছিল অসমীয়া জাতীয় জীৱনৰ এটি ঐতিহাসিক প্ৰয়োজন। প্ৰাচীন অসম তথা কামৰূপ ৰাজ্যৰ প্ৰাচীন ধৰ্মীয় ধাৰাবোৰ হল মোটামুটিভাবে শৈৱ, শাক্ত, সহজীয়া বৌদ্ধ, তান্ত্ৰিক বৌদ্ধ, বাসুদেৱীয় বৈষ্ণৱ (তান্ত্ৰিক) ধৰ্ম। এইবোৰ ধৰ্মীয় ধাৰাই বিভিন্ন জনজাতীয় সংস্কৃতিৰ মাজত সমন্বয় সাধন কৰি অসমীয়া জাতীয় সংস্কৃতিক কিছুপৰিমাণে চহকী আৰু বৈচিত্ৰ্যপূৰ্ণ কৰিলেও ইয়াৰে কিছুমান ধৰ্মীয় ধাৰাই সামাজিক ভাবে নৈতিক অধঃপতন ঘটাই—অসমীয়া সামাজিক জীৱন দুৰ্বল কৰিছিল। এনে ধৰ্মীয় ধাৰাৰ ক্ষেত্ৰত সহজীয়া বৌদ্ধ আৰু তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ কথাই বিশেষভাৱে উল্লেখ কৰিব পাৰি। সম্ভৱতঃ তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ এই ক্ষেত্ৰত প্ৰভাৱ বেছি হব। খৃষ্টীয় অষ্টম নৱম শতাব্দী মানৰে পৰা অসমত তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ প্ৰভাৱ পৰিছিল। আৰু পাল ৰজাসকলৰ দিনত এই ধৰ্ম অসমত ৰাজধৰ্ম হৈ উঠিছিল প্ৰধানকৈ এই দুই ধৰ্মীয় ধাৰাৰ প্ৰভাৱত হোৱা সামাজিক অধঃপতনৰ পৰা অসমীয়া সমাজক উদ্ধাৰ কৰি ভাগৱত পুৰাণৰ ভিত্তিত এক সুবিমল ভক্তি ধৰ্ম্ম অসমবাসীৰ মাজত প্ৰচাৰ কৰাৰ উপৰিও বিভিন্ন প্ৰকাৰৰ সামাজিক সংস্কাৰ, ব্যাপকভাৱে সাহিত্য, নৃত্য-গীত, অভিনয় আৰু শিল্প কলাৰ চৰ্চ্চা আৰু ব্যক্তিগত তথা সামাজিক ভাৱে শিষ্টাচাৰিতা নীতি পৰায়ণতা আৰু নীতি পৰায়ণ জীৱন নিৰ্বাহ পদ্ধতিৰ প্ৰচলনেৰে অসমীয়া জাতীয় জীৱনৰ সামাজিক আৰু সাংস্কৃতিক মানদণ্ড ভাৰতবৰ্ষৰ ভিতৰতে উল্লেখযোগ্য কৰি তোলে। এই ধৰ্মই এহাতেদি ভক্তি ধৰ্মৰ প্ৰচাৰ আৰু আনহাতেদি শিষ্টাচাৰিতা, নীতি পৰায়ণতা আৰু শুচিতাৰ শিক্ষাৰ যোগেদি বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ অজস্ৰলোকক পৰ্য্যায়ক্ৰমে উন্নীত কৰি বৃহৎ অসমীয়া সমাজৰ অন্তৰ্ভুক্ত কৰি অসমীয়া সমাজখনৰ পৰিসৰ বৃহত্তৰ কৰি তোলাৰ উপৰিও বিভিন্ন মানৰ গোষ্ঠীৰ লোকে বাস কৰা এই অসমত পূবে শদিয়াৰ পৰা পশ্চিমে কোচবিহাৰলৈকে এখন শান্তিপূৰ্ণ ঐক্যবদ্ধ বৃহৎ অসমীয়া সমাজ গঢ়ি তোলে। এইটোৱেই আছিল মধ্যযুগৰ নৱ-বৈষ্ণৱ আন্দোলনৰ অসমীয়া সমাজ তথা জাতীয় জীৱনলৈ আগবঢ়োৱা ঐতিহাসিক অৱদান। অৱশ্যে এই ক্ষেত্ৰত কোচৰজাসকলৰ, বিশেষকৈ মহাৰাজ নৰনাৰায়ণৰ, অৱদানো কম অতুলনীয় নহয়।

আহোম ৰজাসকলে বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ ৰাজশক্তিবোৰক ক্ৰমে পৰাজিত কৰি তেওঁলোকৰ ক্ষুদ্ৰ ৰাজ্যবোৰ নিজৰ ৰাজ্যৰ লগত চামিল কৰি গলেও আৰু নৱ-বৈষ্ণৱ আন্দোলনে এওঁলোকৰ মাজত ভক্তি

ধৰ্ম নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি এওঁলোকক ক্ৰমান্বয়ে এখন অসমীয়া হিন্দু সমাজৰ অন্তৰ্ভুক্ত কৰি গলেও, এই কালছোৱাত বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ বিভিন্ন ফৈদৰ অজস্ৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, গীত-মাত, লয়-নৃত্য, শিল্পকলা অসমীয়া সমাজত সোমাই পৰিছিল।

অসমীয়া সংস্কৃতি বিশ্লেষণ কৰি চালে দেখা যায় যে বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ ভিতৰত মঙ্গোলীয় গোষ্ঠীৰ বিভিন্ন ফৈদৰ পৰা অহা অৱদানেই এনে অৱদান সমূহৰ ভিতৰত বেছি। সেইকাৰণে এই যুগত ৰচনা কৰা এখন বিশেষ তান্ত্ৰিক গ্ৰন্থ যোগিনীতন্ত্ৰই যথাৰ্থভাৱেই কৈছে যে কামৰূপৰ ধৰ্ম প্ৰধানকৈ কিৰাতমূলীয় (মঙ্গোলীয়)। এফালেদি বৈষ্ণৱ ধৰ্মৰ সহনশীলতা আৰু আৰ্য্যধৰ্মীকৰণ প্ৰচেষ্টা আৰু আনহাতেদি আহোম ৰজাসকলে হিন্দুধৰ্মৰ প্ৰতি আগবঢ়োৱা পৃষ্ঠপোষকতা, হিন্দুধৰ্ম গ্ৰহণ আৰু বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ মানুহক আহোম ফৈদত তুলি লোৱা আৰু বিভিন্ন গোষ্ঠীৰ মানুহক ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰণত বিভিন্ন অঞ্চলত বসতি দিয়াই এই সামাজিক আৰু সাংস্কৃতিক সমন্বয়ৰ মূল কাৰণ। বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ এই জাতিগত আৰু সাংস্কৃতিক সমন্বয়ে অসমীয়া জাতি আৰু সংস্কৃতিক অধিক বৈচিত্ৰ্যপূৰ্ণ আৰু ঐশ্বৰ্য্যশালী কৰাৰ উপৰিও অসমীয়া সমাজখন অধিক ঐক্যবদ্ধ আৰু শক্তিশালী কৰি তুলি-ছিল। এইবোৰেই হ'ল মধ্যযুগীয় অসমীয়া সমাজ আৰু সংস্কৃতিৰ তাৎপৰ্য-পূৰ্ণ ঐতিহাসিক ঘটনা।

অসমৰ মধ্যযুগৰ উৎসৱ আৰু আচাৰ-অনুষ্ঠানৰ কথা কবলৈ গৈ মধ্যযুগৰ ঐতিহাসিক ঘটনা উল্লেখ কৰিবলগীয়া হৈছে এই কাৰণেই যে এটা জাতিৰ জাতীয় উৎসৱ আৰু আচাৰ অনুষ্ঠানত সেই জাতিৰ অন্তৰ্ভুক্ত মানুহবোৰৰ মূল গোষ্ঠীবোৰৰ ভিতৰত ঐতিহাসিক প্ৰক্ৰিয়াত হোৱা জাতিগত সংমিশ্ৰণ (Racial admixure) সাংস্কৃতিক সংমিশ্ৰণ আৰু সমন্বয়, তেওঁলোকৰ জীৱন-নিৰ্বাহৰ মূল পদ্ধতি, তেওঁলোকে বাস কৰা ভু-খণ্ডত বিভিন্ন যুগত চলা ধৰ্মীয় চিন্তা বা ধৰ্মীয় ধাৰা আদিয়ে প্ৰধানকৈ প্ৰভাৱ বিস্তাৰ কৰে। অৰ্থাৎ এইখিনি কথাৰ পটভূমিতেইহে এখন দেশ বা এটা জাতিৰ উৎসৱ আৰু আচাৰ-অনুষ্ঠানৰ কথা বিচাৰ কৰি চোৱা উচিত আৰু সেয়েহে মধ্যযুগৰ অসমৰ এই ঐতিহাসিক ঘটনা ৰাজিৰ এটি চমু পৰ্য্যালোচনা আগতেই কৰাৰে প্ৰয়োজন হল। এতিয়াও আমি মধ্যযুগীয় অসমৰ উৎসৱ আৰু আচাৰ-অনুষ্ঠান প্ৰধানকৈ সেই



সময়ৰ অসমীয়া সমাজৰ জীৱন-নিৰ্ব্বাহৰ পদ্ধতি, ধৰ্মীয় চিন্তা আৰু সামাজিক আৰু সাংস্কৃতিক সংমিশ্ৰণ আৰু সমন্বয়ৰ পটভূমিতেই কৰিম। কিন্তু যিহেতু এইবোৰ কাৰ্য্যৰ কিছুমানৰ ঐতিহাসিক প্ৰক্ৰিয়া প্ৰাচীন যুগৰ পৰাই চলি আহিছে, সেই কাৰণে আলোচনাৰ কোনো কোনো সময়ত আমি প্ৰাচীন যুগৰ লগতো যোগসূত্ৰ ৰক্ষা কৰিব লগা হব পাৰে। আমাৰ এই আলোচনাত মধ্যযুগীয় বিভিন্ন সমল আৰু তথ্যৰ উপৰিও পৰম্পৰাগতভাৱে চলি অহা উৎসৱ আৰু আচাৰ-অনুষ্ঠানৰ পৰাও সহায় লোৱা হব।

## উৎসৱ আৰু আচাৰ-অনুষ্ঠানঃ

উৎসৱ আৰু আচাৰ-অনুষ্ঠাননো কি ? উৎসৱ হৈছে অৱসৰ বিনোদনৰ পদ্ধতি; আনন্দ লাভৰ কাৰণে অনেক লোক গোটখাই কৰা কাম। গতিকে বিশেষভাৱে খোৱা-বোৱা কৰা, নৃত্য-গীত কৰা, খেল-ধেমালি আদি কৰা ইয়াৰ অপৰিহাৰ্য্য অঙ্গ। তদুপৰি ইয়াৰ লগত কিছুমান আচাৰ-অনুষ্ঠানো পালন কৰা হয়। আচাৰ-অনুষ্ঠানবোৰ উৎসৱৰ লগত উৎসৱৰ আনুষঙ্গিক ভাবেও পালন হব পাৰে বা স্বতন্ত্ৰ ভাবেও পলন হব পাৰে। আচাৰ-অনুষ্ঠানবোৰ হয় লোক-বিশ্বাসৰ লগত নহয় ধৰ্মীয় বিশ্বাসৰ লগত জড়িত। আমাৰ অসমত উৎসৱৰ লগত পালন কৰা বহুত আচাৰ-অনুষ্ঠান বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ লোকৰ পৰা অহা। একোটা জাতিৰ জাতীয় উৎসৱ বা সাধাৰণ উৎসৱৰ লগত দেশৰ জলবায়ু তথা প্ৰকৃতি আৰু ধৰ্মৰ কথাও জড়িত থাকিব পাৰে। আধ্যাত্মিক উৎকৰ্ষ সাধন, আধিদৈবিক, আধিভৌতিক আদি অপায় অমঙ্গলৰ পৰা ৰক্ষা পোৱাই ধৰ্মীয় অনুষ্ঠানৰ মূল কথা।

অসমীয়া সমজৰ সেই যুগৰ উৎসৱ আৰু অনুঠান সমূহ প্ৰধানকৈ ১) কৃষি সম্বন্ধীয়, ২) ধৰ্ম সম্বন্ধীয়, ৩) জীৱন সম্বন্ধীয় (জন্ম, মৃত্যু, বিবাহ) আৰু ৪) ৰাজকীয় বা প্ৰশাসনীয় এই চাৰিভাগত ভগাব পাৰি।

## ১) কৃষি সম্বন্ধীয় উৎসৱ আৰু আচাৰ-অনুষ্ঠানঃ

অসমীয়া সমাজখন বিভিন্ন মানৱ-গোষ্ঠীৰ বিভিন্ন ফৈদৰ লোকেৰে

গঠিত হলেও গোষ্ঠী বা জাতি, ধৰ্ম আৰু বৰ্ণ নিৰ্বিশেষে অসমীয়া মানুহৰ জীৱিকা নিৰ্বাহৰ প্ৰধান পথ হৈছে কৃষি। গতিকে কৃষিৰ লগত জড়িত উৎসৱেই এই জাতিৰ প্ৰধান উৎসৱ। কৃষি উৎসৱ বা কৃষিৰ লগত এওঁলোকৰ বহুত আচাৰ-অনুষ্ঠান জড়িত হৈ আছে। আনহাতেদি এই উৎসৱ আচাৰ-অনুষ্ঠানত বিভিন্ন গোষ্ঠীৰ বিভিন্ন ফৈদৰ নানান কথা, ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আদি সোমাই থাকিলেও এই উৎসৱ বা আচাৰ-অনুষ্ঠানবোৰৰ মূল সুঁতি জড়িত হৈ আছে আৰ্য্য (হিন্দু) ধৰ্মৰ লগত, কাৰণ শৈৱেই হওক বা শাক্তই হওক, বা তান্ত্ৰিক বৈষ্ণৱ ধৰ্মই হওক বা নৱ-বৈষ্ণৱ ধৰ্মই হওক, মূলতে এইবোৰ সনাতন হিন্দু ধৰ্মৰেই শাখা। তদুপৰি এনে কৃষি সম্বন্ধীয় উৎসৱৰ অসমৰ জলবায়ু তথা প্ৰকৃতিৰ লগতো নিবিড় সম্পৰ্ক আছে।

## বিহু উৎসৱ ঃ অসমৰ জাতীয় উৎসৱ

কৃষিৰ লগত সম্বন্ধ থকা অসমৰ প্ৰধান উৎসৱ হৈছে বিহু উৎসৱ। এই বিহু উৎসৱেই কেৱল অসমৰ জাতীয় উৎসৱৰ স্থান লাভ কৰি আহিছে। এই বিহু উৎসৱ এহাতেদি অসমীয়া মানুহৰ প্ৰধান জীৱিকা কৃষিৰ লগত জড়িত আনহাতেদি দেশৰ জলবায়ু তথা প্ৰকৃতিৰ লগতো জড়িত। সেয়ে জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে অসমীয়া মানুহে ইয়াক জাতীয় উৎসৱ হিচাবে পালন কৰি আহিছে। ইয়াৰ লগত অনুষ্ঠিত আচাৰ-অনুষ্ঠান সমূহ জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে একে নহবও পাৰে। অসমীয়া বিহু উৎসৱ প্ৰধানকৈ তিনিটা ঃ বহাগ বিহু বা ৰঙালি বিহু, কাতি বিহু আৰু মাঘ বিহু বা ভোগালী বিহু।

**বহাগ বিহু ঃ**—বহাগ বিহু বা ৰঙালি বিহু অসমীয়া মানুহৰ বছৰৰ প্ৰথম আৰু প্ৰধান বিহু। চ'ত (চৈত্ৰ) আৰু বহাগ (বৈশাখ) মাহৰ সংক্ৰান্তিৰ পৰা এই বিহু আৰম্ভৰ হয়। এই বিহু অসমীয়া মানুহে আগৰ দিনত সাত দিন ধৰি কৰিছিল। আহোম ৰজাৰ আমোলত অসমৰ ৰাজধানীতো এই বিহু সাতদিন ধৰি নানান খেল ধেমালিৰে উপভোগ কৰা হৈছিল। জনজাতীয় লোকসকলে এই বিহু এমাহ পৰ্য্যন্ত ধৰি পালন কৰিছিল। এই সময়ত সূৰ্য্য দক্ষিণায়ন বা দক্ষিণাভিমুখী হয়। এই বিহুৰ পৰা অসমত (ভাৰতবৰ্ষত) নৱ বছৰৰ শুভাৰম্ভ হয়। ফাগুণ-চ'ত



মাহত প্ৰকৃতিয়ে বসন্ত কাল বা পূৰ্ণ যৌৱন লাভ কৰি সৃষ্টিক্ষমী হৈ উঠে। প্ৰকৃতিৰ এই পৰিবৰ্ত্তনে অসমীয়াৰ প্ৰাণতো যেন অফুৰন্ত অনুৰাগ-উন্মাদনা আৰু প্ৰেৰণাৰ সৃষ্টি কৰি প্ৰকৃতিক কৰ্ষণ কৰি সৃষ্টিকাৰ্য্যলৈ আমন্ত্ৰণ জনায়। আৰু সেই আমন্ত্ৰণ গ্ৰহণৰেই প্ৰাণোচ্ছল অভিব্যক্তি হ'ল বহাগ বিহু বা ৰঙালি বিহু উৎসৱ। এই বিহুৰ আনুষঙ্গিক অনুষ্ঠান হ'ল গো-সেৱা বা গো-পূজা। উৎসৱৰ প্ৰথম দিন পালন কৰা হয় গৰু বিহু হিচাবে, দ্বিতীয় দিনা মানুহ বিহু হিচাবে আৰু তৃতীয় দিন চেৰা বিহু হিচাবে বা গোসাঁই বিহু হিচাবে। অসমীয়া মানুহৰ কৃষিৰ প্ৰধান সহায়ক হল গৰু হাল। সেয়ে গৰু বিহুৰ দিনাখন গৰুক মাহ হালধিৰে নোৱাই ওচৰৰ নদী বা জানলৈ নি গা ধুৱায়। গৰুক ধুৱাবলৈ নিওঁতে মাখিয়তি দীঘলতী আদিৰে কোবাই খেদি নিয়া, ধোৱাৰ পাছত ছাটৰ পৰা লাও, বেঙেনা, কোমোৰা, ঠেকেৰা হালধিৰ চকলা গাত মৰা; গধূলি গৰু অহা সময়ত পদূলি, চোতাল, গোহালিত জাগ দিয়া, গৰুক নতুন পঘাৰে (পঘা হালধি সানি নোৱাই লয় আৰু তুলসী পাত পঘাত লগাই দিয়ে) বন্ধা আৰু লাও পিঠা খুওৱা আদি কিছুমান আচাৰ অনুষ্ঠান পালন কৰা হয়। বিহুৰ কেউদিনেই ঘৰলৈ অহা আলহী অতিথিক বিভিন্ন প্ৰকাৰে জা-জলপান আদিৰে আপ্যায়িত কৰাৰ উপৰিও গুৰু, গুৰুস্থানীয় ব্যক্তিক বিহুৱানেৰে মান সৎকাৰ কৰা হয় আৰু মৰমৰ জনক বিহুৱান উপহাৰ দিয়া হয়। মানুহৰ বিহুৰ দিনা মানুহেও হালধি ঘঁহি গা-পা ধোৱে আৰু নতুন বস্ত্ৰ লয়। জা-জলপান খোৱাৰ পাচত নিমপাত, কঠালৰ মুচী, মচুৰ মাহ আদি খোৱাৰ নিয়ম। তৃতীয় দিনা চেৰা বিহু বা গোসাঁই বিহু। এইদিনা ব্যক্তিগতভাবে আৰু ৰাজহুৱা ভাবে গোসাঁই-ঘৰত আৰু নামঘৰত পূজা সেৱা, নাম কীৰ্ত্তনাদি কৰা হয়। উত্তৰ পাৰে মঙ্গলদৈত আৰু দৰং জিলা আৰু উত্তৰ লক্ষীমপুৰ জিলাৰ কোনো কোনো ঠাইত বিশেষকৈ প্ৰাচীন বিষ্ণুমন্দিৰ বা বিষ্ণুস্থানত এই চৈত্ৰ সংক্ৰান্তিৰ পৰা বৈশাখী দেউল উৎসৱ পতা হয়। ইয়াত বিষ্ণু পূজাৰ উপৰিও মেলা বহে। এই দেউল উৎসৱ বিষ্ণুপূজা অসমত অতি প্ৰাচীন কালৰ পৰা চলি আহিছে আৰু এই প্ৰথা বাসুদেবীয় বৈষ্ণৱ ধৰ্ম (তান্ত্ৰিক) ৰ লগত জড়িত। কামৰূপৰ হাজোৰ হয়গ্ৰীব মন্দিৰ আৰু গোৱালপাৰা ভৈৰৱ থানতো এই সময়ত ডাঙৰ মেলা বহে।

বহাগ বিহুত অসমীয়া মানুহে পালন কৰা আন কিছুমান আচাৰ-

অনুষ্ঠান হৈছে বিহুৰ দিনা হাঁহ কণী যুঁজোৱা। অসমীয়া মানুহৰ বিশ্বাস যে হাঁহ কণী যুঁজালে বছৰেকলৈ মানুহৰ মুৰঘূৰণি বেমাৰ নহয়। সেইদৰে বিহুৰ তৃতীয় দিনা পঁইতাভাতৰ লগত দৈ সানি খায়। দৈ-পঁইতা খোৱাৰ সময়ত ঘৰৰ মূল গৃহিনী বা অন্য তিৰোতা লোকে হাতত বিচনী এখন লৈ দৈ-পঁইতা খোৱা সকলক বিচি দি "দৈ খা, পঁইতা খা, বছৰেকলৈ ৰোগ-ব্যাধি আঁতৰি যা" বুলি বিচনিৰ বা বাহিৰলৈ আঁতৰাই লৈ যায়। এইদৰে তিনিবাৰ কৰে। এইবোৰ আচৰণৰ মূল লোক-বিশ্বাস। হাঁহ কণী যুঁজৰো মূল আৰ্য্যেতৰ গোষ্ঠীৰ পৰা অহা লোক বিশ্বাস যেনেই লাগে। উজনি অসমৰ ফালে আজি কালি কমি আহিছে যদিও আজি ১৫-২০ বছৰৰ আগলৈকে এই হাঁহকণী যুঁজ বিশেষ পয়োভৰেৰে ৰাজহুৱা ভাবে সাদিনমানলৈকে হৈছিল। হাঁহকণী যুঁজৰ কাৰণে ৰাপ থকা মানুহে বহুদিনৰ আগৰ পৰা কণী সংগ্ৰহ কৰে। তিনি আলিত বা কোনো ডাঙৰ পুখুৰীৰ পাৰত বা কোনো গছৰ তলত একোটা অঞ্চলৰ আৰু দূৰ দূৰণিৰো হাঁহকণী যুঁজোৱা মানুহ গোট খায়হি। হাঁহকণী যুঁজৰ খেল মানুহৰ চতুৰতা আৰু কৌশল প্ৰয়োগৰ খেল। একোজনে নিজৰ হাতৰ ফুচুৰী কণীৰে প্ৰতিদ্বন্দ্বীৰ হাতৰ টান কণী হস্তগত কৰে। এনেদৰে হস্তগত কৰাকে ঠৰে ধৰা বোলে। খুন্দা খালেও নভগা সহ্য কৰিব পৰা টান কণীকে সৈয়া কণী বোলে। সৈয়া কণী কেবা প্ৰকাৰৰ আছে। যেনেঃ জল সৈয়া, শিল সৈয়া, পাটী সৈয়া মেঘৰী সৈয়া ইত্যাদি। আনবোৰ হৈছে টান, ফুচুৰী, চালিহা, বেয়াঁ মৰা, বেঞা ফটা, বেঞা দিগা ইত্যাদি। আমি আগতে উল্লেখ কৰি আহিছোঁ যে খেল-ধেমালি উৎসৱৰ অপৰিহাৰ্য্য অঙ্গ। আগৰ দিনত বিহু উৎসৱত ঘৰত ওচৰচুবুৰীয়া গোটখাই কৰা ভিতৰুৱা খেলবোৰ (indoor game) হল পঁচি খেল, পাশা খেল, বাঘ গৰু ইত্যাদি। বাহিৰত খেলা আনবোৰ খেল হল, হাদুম, ভটা গুটি বা টাংগুটি, চৈৰ বাস বা বাঘ মণি, হাদু গুদু, ধৰা গুদু, বৌ-গুদু ইত্যাদি। বহাগ বিহুৰ প্ৰধান নৃত্য-গীত হল বিহুনৃত্য আৰু বিহু গীত। সমূহীয়াভাবে গাৱঁৰ আদহীয়া আৰু ডেকাসকলে গোটখাই মানুহৰ ঘৰে ঘৰে গোৱা নৃত্য-গীতৰ দলকে "হুচৰি গোৱা" * বোলে। সংক্ৰান্তিৰ দিনাৰ পৰা ৰাতি ৰাতি গাৱঁৰ আদহীয়া আৰু ডেকাসকলে হুঁচৰি গাই (বিহুগীত আৰু বিহুনৃত্যৰে) গৃহস্থৰ মঙ্গল কামনা কৰে আৰু ওচৰ চুবুৰীয়াৰ মাজত প্ৰীতি সম্ভাৱ বৃদ্ধি কৰে। গৃহস্থই হুচঁৰি গোৱা দলক বিহুৱান সহ যথাশক্তি অৰ্থদান কৰি সৎকাৰ কৰি আশীৰ্ব্বাদ লয়। হুচঁৰি দলে



এইদৰে হুচঁৰি গাই উপাৰ্জন কৰা ধন ৰাজহুৱা কামত খৰচ কৰে বা বছেৰেকৰ কাৰণে লোণ কিনি ভগাই লয়। গৃহস্থই বিহুৰ দিনা চোতালত সন্ধিয়াৰ আগতে মৰলিয়া শাক সিঁচি থয় আৰু হুচঁৰি গোৱা ৰাইজৰ গছকত লেৰেলি পৰা মৰলিয়া শাক ৰাইজৰ পদধলিৰে সৈতে ঘৰৰ ছালত পেলায় থয়। ইয়াৰ বাহিৰেও কোনো কোনো সামাজিক স্তৰৰ ডেকা গাভৰুৱে মুকলি সমাজৰ পৰা আঁতৰত গোপন ঠাইত বিহু নৃত্য গীত কৰে। এনেদৰে ডেকা-গাভৰুৱে কৰা বিহু নৃত্য গীতৰ সকলো সমাজতে প্ৰচলন নাই। তদুপৰি ডেকা-গাভৰুৱে কৰা এনে বিহু-নৃত্য গীতৰ পদ্ধতিও সকলো ঠাইতে একে নহয়। বিহু-নৃত্য-গীতত আৰ্য্যেতৰ গোষ্ঠীৰ প্ৰভাৱেই প্ৰধান। এনে বিহু-নৃত্য-গীতত কোনো কোনো পণ্ডিতে অষ্ট্ৰ এছীয় গোষ্ঠীৰ খাছীয়াসকলৰ নংক্ৰেম নৃত্য-গীতৰ প্ৰভাৱ আছে বুলি ভাবে। কিন্তু আমি দেখাত তিব্বত-বৰ্মী গোষ্ঠীৰ মিৰিসকলৰ প্ৰভাবেইহে প্ৰধান। অসমীয়া ভাষাৰ সুৰ আৰু লয়ত বিহু গীতৰ সাদৃশ্য অতি তাৎপৰ্য্যপূৰ্ণ। তদুপৰি নংক্ৰেম নৃত্য-গীতৰ যেন সদ্য ঋতুপ্ৰাপ্ত গাভৰুৰ মন্থৰ নৃত্য-গীততকৈ বিহু নৃত্য গীতত যৌৱন বিকশিত হব খোজা প্ৰাণৰ চঞ্চলতা আৰু উদ্দামতাহে প্ৰধানকৈ দেখা যায়। বিহু নৃত্য গীতত অসমৰ পয়োভৰা বাসন্তী প্ৰকৃতিৰ প্ৰভাৱো অতি সুস্পষ্ট। আহোম ৰজাৰ দিনত ৰাজধানীও (প্ৰথমতে গড়গাঁৱত, পাচলৈ ৰংপুৰত) সাদিনধৰি এই বিহু উৎসৱ বৰ আড়ম্বৰেৰে পতা হৈছিল। এই বহাগবিহু বা ৰঙালি বিহুৰ পাছৰ পৰাই অসমীয়া মানুহে তেওঁলোকৰ প্ৰধান জীৱিকা ধানখেতিৰ কাৰণে প্ৰস্তুত হয়।

**কাতি বিহু :** জেঠ, আহাৰ, শাওণ, ভাদ আৰু আহিন এই কেইমাহ অসমীয়া মানুহ কৃষি কাৰ্য্যত সম্পূৰ্ণ ব্যস্ত হৈ থাকে। ভাদ-আহিন মাহত তেওঁলোকে ধান খেতিৰ পৰা কিছুপৰিমাণে আজৰি হৈ বাম খেতি মাহ, সৰিয়হ আলু আদিৰ খেতি কৰে। ইতিমধ্যে আহিনৰ শেষৰ পৰা ধানত গেঁৰ ধৰে। এই সময়তেই, অৰ্থাৎ আহিন আৰু কাতি মাহৰ সংক্ৰান্তিত অসমীয়াই কাতি বিহু উৎসৱ পাতে। এই কাতি বিহুও কৃষিৰ লগত জড়িত উৎসৱ। কৃষিৰ শ্ৰীবৃদ্ধিৰ কাৰণে কিছুমান আচাৰ—অনুষ্ঠানো পালন কৰে। এই সংক্ৰান্তিৰ দিনা ঘৰৰ মূল গৃহিনী বা গৃহস্থই দিনতে পথাৰলৈ গৈ তেওঁৰ খেতি কেনে হৈছে এপাক মাৰি চাই আহেগৈ। গধূলি ধাননি পথাৰত চাকি দিয়ে। সম্ভৱতঃ আগৰ দিনত খেতিৰ মাজত ডাঙৰ জোৰ দি বা জুই ধৰি দিছিল, যাতে শস্য নষ্ট কৰা

পোকবোৰ আহি জুইত পৰে। বাতি আকাশ বন্তি জ্বলায়। এই দিনা তুলসী গুৰিত চাকি আৰু মাহ-প্ৰসাদ দি নাম কীৰ্ত্তন কৰে। সংক্ৰান্তিৰ দিনাৰ পৰা আৰম্ভ কৰি গোটেই মাহ তুলসীৰ গুৰিত চাকি দিয়া হয়। এই বিহুত সিজা আলু, কচু, শেলুক খোৱা প্ৰথা আছে। কামৰূপ জিলাত কন্যাকাল প্ৰাপ্ত নোহোৱা কুমাৰী ছোৱালীয়ে পদূলি মুখত বোৱা এজোপা কলগছক বেঢ়ি শস্যৰ বৃদ্ধি হবৰ কাৰণে আৰু শস্যৰ অপায়-অমঙ্গল দূৰ হবৰ কাৰণে জগন্নাথ প্ৰভুৰ নাম-কীৰ্ত্তন কৰে। পদূলি মুখত বোৱা এই কলগছজোপা আঁতবোৱা নহয়। ইয়াত লগা প্ৰথম কল থোকা নাম-কীৰ্ত্তনত লগোৱা হয়। কোনো কোনো পণ্ডিতে ওৰাং সকলৰ "কৰম" উৎসৱৰ লগত কাতিবিহুৰ সাদৃশ্য আছে বুলি ভাবে।

কাতিবিহুৰ সমসাময়িকভাৱে শস্য বৃদ্ধি আৰু শস্যৰ অপায়-অমঙ্গল দূৰ কৰাৰ কাৰণে পালন কৰা আন এটা ধৰ্ম্মীয় অনুষ্ঠান হ'ল লখিমী সবাহ। এই লখিমী সবাহ আহিন মাহত পতা হয়। এখন বা দুখন গাৱঁৰ তিৰোতা মানুহে গোটখাই লক্ষ্মীদেৱীৰ কৃপালাভৰ উদ্দেশ্যে মাহ-প্ৰসাদৰ শৰাই আগবঢ়াই লক্ষ্মীদেৱীৰ নাম গুণ গায়। উজনি অসমৰ আহোম সম্প্ৰদায়ৰ লোকসকলে এই লখিমী সবাহ অযুগ্ম সংখ্যাৰ কুমাৰী ছোৱালীৰ দ্বাৰা পানী তোলাই বিশেষ কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰে।

**মাঘৰ বিহু :** তৃতীয়টো বিহু উৎসৱ হল মাঘৰ বিহু বা ভোগালি বিহু উৎসৱ। পুহ (পৌষ) আৰু মাঘৰ সংক্ৰান্তিত এই বিহু উৎসৱ পালন কৰা হয়। গুৰুত্ব বা তাৎপৰ্য্যৰ ফালৰ পৰা এই বিহু উৎসৱৰ স্থান দ্বিতীয়। নামনি অসমৰ ফালে এই বিহু উৎসৱৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰে। তেওঁলোকে ইয়াক বৰদোমাহীও বোলে। অৱশ্যে আধ্যাত্মিকতাৰ ফালৰ পৰাও ইয়াৰ যথেষ্ট তাৎপৰ্য্য আছে, কাৰণ এই সংক্ৰান্তিৰ পৰা সূৰ্য্য উত্তৰায়ণ হয় আৰু বৰদা চতুৰ্থী শ্ৰীপঞ্চমী, মাঘী সপ্তমী, ভীম একাদশী কৰি হিন্দুৰ বহুত পবিত্ৰ তিথি এই সংক্ৰান্তিৰ পাচত পৰে। কৃষিৰ ফালৰ পৰা এই বিহুৰ তাৎপৰ্য্য হল এই কাৰণেই যে এই সময়ত তেওঁলোকে কৃষি ক্ষেত্ৰৰ পৰা কৃষি সংগ্ৰহ কাৰ্য্য সমাপ্ত কৰি কৰ্মজীৱনত কিছু বিৰতি লবলৈ সক্ষম হয়। গতিকে এই ফালৰ পৰা ইয়াক কৃষি সংগ্ৰহৰ উৎসৱ ( Harvest festival ) বুলিও অভিহিত কৰিব পৰা যায়। এই সময়ত খেতিয়কসকলৰ অৱস্থা স্বচ্ছল হয় আৰু নানান পিঠা-পনা আদি কৰি খোৱা-বোৱাৰ ব্যৱস্থাও বাহুল্য ভাবে কৰে



আৰু সেইকাৰণেই ইয়াক ভোগালী বিহুও বোলে। এই বিহুৰ বিশেষ অনুষ্ঠান হ'ল অগ্নি সেৱা বা অগ্নিপূজা। এই অগ্নি সেৱা অনুষ্ঠানৰ লগত ধৰ্মীয় ভাবো জড়িত। সংক্ৰান্তিৰ আগদিনাই কাঠৰ মেজি সাজি থয়। সংক্ৰান্তিৰ দিনা পুৱা ব্ৰহ্মমুহূৰ্ত্তত তাত অগ্নিসংযোগ কৰি সকলো ৰাইজ সমবেত হৈ নামকীৰ্ত্তন কৰি অগ্নিত নৈবেদ্য অৰ্পণ কৰি ৰাইজেও মাহ প্ৰসাদ খায়। তাৰ পাছতহে ঘৰলৈ গৈ জা-জলপান খায়। কাঠৰ মেজি সাজি তাত অগ্নি সংযোগ কৰি কৰা অসমৰ এই অগ্নি উৎসৱত অসমীয়া সংস্কৃতিত ইৰাণীয় সংস্কৃতিৰ প্ৰভাৱ বুলি অনুমান হয়। মেজি সাধাৰণতে নামঘৰৰ দাঁতিতেই সাজে বা পথাৰৰ মাজত ঘৰ সাজি তাৰ দাঁতিত কৰে। উৰুকাৰ দিনা অৰ্থাৎ সংক্ৰান্তিৰ আগদিনা নামঘৰত বা মেজিৰ দাঁতিত সজা ঘৰত ৰাইজে গোটখাই ভোজ-ভাত খায়। কোনো কোনো অঞ্চলত এই ভোজ খাবৰ কাৰণে ৰাইজ গোটখাই কোনো বিল বা নদীলৈ গৈ সমূহীয়া ভাবে মাছ মাৰি আনে। এই মাছ মৰা প্ৰথা সম্ভৱ তিৱৰ্ত-বৰ্মী সকলৰ পৰা অহা। সংক্ৰান্তিৰ দিনা পুৱা পোৰা কাঠ-আলু, মোৱা আলু আৰু আৰৈ বৰা, মাটিমাহ, তিল ভাজি একেলগ কৰি খোৱা এটা চলি অহা আচাৰ বা প্ৰথা। মাঘ বিহুৰ আন এটা প্ৰধান অনুষ্ঠান হ'ল মহৰ যুঁজ।

কেৱল নামনী অসমত পালন কৰা আন দুটা প্ৰধান উৎসৱ হ'ল ভঠেলী উৎসৱ আৰু মহোহো উৎসৱ। ভঠেলী উৎসৱ বহাগ মাহত পালন কৰা হয়। কামৰূপ জিলাৰ বিভিন্ন অঞ্চলত অঞ্চলৰ সমূহ ৰাইজ গোট খাই এটা ডাঙৰ বাঁহ বিভিন্ন ৰঙৰ কাপোৰেৰে সজাই এঠাইত পোতে আৰু ইয়াক পাওৱা বা পাৰ বোলে। এই পাওৱা বা পাৰ হ'ল দৰা। কেইটামান সৰু বাঁহ সেইদৰে বিভিন্ন ৰঙৰ কাপোৰেৰে সজাই পাৰ, অৰ্থাৎ দৰাৰ, কাষতে কন্যা ৰূপে পোতে। তাৰ পাছত কিছুমান মানুহে হাতত গদালৈ এই পাৰৰ চাৰিওফালে ঘূৰি ঘূৰি নাচে। আগৰ দিনত এই উৎসৱ কেইবাদিনো ধৰি পতা হৈছিল। কোনো কোনো পণ্ডিতে বৈদিক ইন্দ্ৰধ্বজ বা শক্ৰোত্থান উৎসৱৰ সাদৃশ্য এই উৎসৱৰ লগত আছে বুলি কয়। এই উৎসৱ সম্ভৱ কৃষিৰ লগত পৰোক্ষ ভাৱে জড়িত। নামনী অসমৰ আনটো উৎসৱ হ'ল মহোহো উৎসৱ। আঘোণ মাহৰ পূৰ্ণিমা তিথিৰ দিনা গধূলি গাৱঁৰ ডেকা লৰাবিলাকে হাতত একোডাল টাঙোন লৈ ঘৰে ঘৰে গৈ চোতালত টাঙোনেৰে খুন্দিয়াই খুন্দিয়াই মহখেদা গীত গাই মহ খেদে।

এইদৰে গীত গোৱাৰ পাছত গৃহস্থই মহোহো গোৱা সকলক দা-দক্ষিণাৰে মান সৎকাৰ কৰে।

## কৃষিৰ লগত জড়িত আন কিছুমান আচাৰ-অনুষ্ঠান ঃ

কৃষিৰ লগত জড়িত এই উৎসৱবোৰ পালন কৰাৰ উপৰিও অসমীয়া মানুহে কৃষিৰ সম্পৰ্কত আন কিছুমান আচাৰ-অনুষ্ঠান পাতে। যেনে, কৃষি কাৰ্য্য আৰম্ভ কৰিবলৈ হাল বাবৰ কাৰণে পঞ্জিকাত থকা এটি ভাল শুভ দিন চাই লয়। অসমীয়া হিন্দুৱে ধৰ্মীয় ভাবেৰে একাদশী, পূৰ্ণিমা, অমাবস্যা,, গুৰু, পিতৃ-মাতৃ আদিৰ মৃতাহ তিথিত আৰু আন ধৰ্ম্মীয় তিথিত হাল নেবায়। তেনে কৰিলে অনাচাৰ বা অসদাচাৰৰ ফলত কৃষিৰ বিঘিনি হয় বুলি বিশ্বাস। গো হিন্দুৰ পূজনীয়, গোক কষ্ট দিব নাপায়। চৰিত পুথিৰ পৰা জনা যায় যে ৰাতি হাল বাই আৰু বহুত পলমকৈ হাল বায়ো জোৰাই খাব নোৱৰা এজন লোকক মহাপুৰুষ মাধৱদেৱে তিৰস্কাৰ কৰিছিল। মানুহজনে সেই অনাচাৰ ত্যাগ কৰাৰ পাচৰ পৰা জোৰাই খাব পৰা হল আৰু তেওঁৰ অৱস্থাও ভাল হল। কঠীয়া (বীজ) পাৰিবৰ কাৰণেও ভাল দিন চোৱাই লোৱা হয়। সেইদৰে শস্য ৰুবলৈ আৰম্ভ কৰা দিনটোও শুভ দিন হব লাগে। এনে শুভ দিনত ৰুব নোৱাৰিলে তেনে এটা দিনত গোচ লৈ থয়, অৰ্থাৎ অলপমান ৰুই থয়। এইদৰে গোচ লবৰ কাৰণে বা প্ৰথম দিনা মাটি দবাৰ যি ঠাইত ভুই ৰুবলৈ আৰম্ভ কৰিব সেই ঠাইত গজালি সহ তৰা এডাল, আগলি কলাপাতত ঠুৰীয়া তামোল এখনমান দি ৰোৱা কাম আৰম্ভ কৰি থয়। কঠীয়া পৰাৰ দিনা কচু শাকৰ আঞ্জা খায়, ভুঁই ৰোৱাৰ দিনা খেতিয়কজনে দুপৰীয়া নোশোৱে। শুলে বোৱাবোৰ পৰি যাব পাৰে বুলি বিশ্বাস। শস্য ৰোৱা কাৰ্য্য শেষৰ দিনা খেতিয়কৰ ঘৰত ভাত পিঠা, নাওল ঠোৱা পিঠা আদি কৰি খোৱাৰ নিয়ম। আকৌ ধান দাবলৈ আৰম্ভ কৰাৰ সময়ত ধান দোৱাৰ প্ৰথম দিনা ঘৰৰ দাৰুনী বা এজনী কুমাৰী ছোৱালী গৈ ধানৰ আগ, অৰ্থাৎ ধান কেইগোজামান কাটি আগলি কলাপাত আৰু তাৰ ওপৰত নতুন গামোছাৰে মেৰিয়াই ধান এমুঠি আনি ভঁৰালঘৰৰ বাহিৰৰ চতি এটাত সেই আগ মান-সৎকাৰ কৰি থয়। ধান দাই শেষ হোৱাৰ দিনা লখিমী আনে। শেষ ধানখিনি তিনি গোছা



তিনি গোছা কৰি তিনিটা ভাগ কৰি আগলিকলাপাতত ঠুৰীয়া তামোল দি সেই ধান দাই কলপাত আৰু কাপোৰেৰে মেৰিয়াই এজনী কুমাৰী ছোৱালীয়ে আনি (আনোতে বাটত মাত বোল নকৰে) এজোপা ফুলগছৰ ওপৰত থয়। ভঁৰাল ঘৰত ধান ভৰোৱা শেষ হলেহে সেই লখিমী ভঁৰাল ঘৰলৈ নিয়ে আৰু সেইদিনা ভঁৰাল ঘৰত পিঠাগুৰি নৈবেদ্য দিয়ে। নতুন ধানৰ চাউল খোৱাৰ আগতে এটা শুভ দিন চাই ভোজ পতাৰ দৰে ন খোৱা উৎসৱ পাতে। অতি দুখীয়া জনেও সেই নখোৱালৈ মিতিৰ কুটুম দুই এজন আৰু গঞা ৰাইজৰ দুই এজন নিমন্ত্ৰণ কৰি আনে; সমৰ্থবানজনৰ কথাই নাই। মাঘ মাহত অসমীয়া মানুহে ভঁৰাল নোছোৱে, গতিকে মাঘ মাহৰ কাৰণে প্ৰয়োজনীয় ধান উলিয়াই ৰাখে। মাঘ মাহত অসমীয়া মানুহে ৰাজহুৱা ভাৱে ভোজ খোৱাৰ উপৰিও ব্যক্তিগত ভাবেও ঘৰে ঘৰে ভোজ পাতে। ৰাজহুৱা ভাৱে পতা ভোজলৈ গাৱঁৰ ৰাইজে সমূহীয়া ভাৱে মাছ মাৰি আনে। কোনো কোনো অসমীয়া মানুহে গৃহস্থজনৰ পিতৃ-মাতৃৰ মৃত বাৰৰ দিনা ভঁৰালৰ পৰা ধান নুলিয়ায়। শনি, মঙ্গলবাৰে বাঁহ কাটিবৰ কাৰণে ঘৰ চাবৰ কাৰণে ভাল বাৰ নহয়; সেই বাৰত এইবোৰ কাম নকৰে। তদুপৰি "শী"ত সৰিয়হ "মী"ত মাহ নবয়; গণ্ডত তামোল নোবোৱে। ইত্যাদি। এনেকৈয়ে কৃষিৰ ক্ষেত্ৰত অসমীয়া মানুহে বহুতো নীতি নিয়ম আৰু আচাৰ অনুষ্ঠান পালন কৰে।

## ২) ধৰ্মীয় উৎসৱ আৰু আচাৰ-অনুষ্ঠান ঃ—

শৈৱ, শাক্ত আৰু বৈষ্ণৱ সম্প্ৰদায়ৰ মাজত কিছুমান ধৰ্মীয় অনুষ্ঠানো উৎসৱৰ পৰ্য্যায়ত পালন কৰা হয়। এনে ধৰ্মীয় অনুষ্ঠানৰ ভিতৰত শৈৱসকলৰ শিৱ চতুৰ্দ্দশী অসমত শৈৱ, শাক্ত আৰু বৈষ্ণৱ সকলো সম্প্ৰদায়ৰ মানুহে উৎসৱৰ পৰ্য্যায়ত পালন কৰে। শাক্তসকলৰ ভিতৰত শাৰদীয় দুৰ্গা পূজা উৎসৱৰ পৰ্য্যায়ত পালন কৰা হয় আৰু বৈষ্ণৱ সকলৰ মাজত ৰাসপূজা, ফাকুৱা পূজা বিশেষ পয়োভৰেৰে পালন কৰা হয়; এই দুৰ্গা পূজা, ৰাস পূজা আৰু ফাকুৱা পূজাক উৎসৱ পৰ্য্যায়ত পালন কৰা কাৰণেই এই পূজাকিভাগক যথাক্ৰমে দুৰ্গোৎসৱ, ৰাসোৎসৱ বুলিও কোৱা হয়। বৈষ্ণৱ সকলৰ ভিতৰত কৃষ্ণৰ জন্মাষ্টমী তিথিও উৎসৱ পৰ্য্যায়ত

পাতে। নামনী অসমত আহাৰ বা শাওণ মাহত মনসা পূজা বাৰ্ষিক উৎসৱৰ পৰ্য্যায়ত ৰাজহুৱা আৰু ব্যক্তিগত ভাবে পতা হয়। তদুপৰি কামৰূপ জিলাত ঘৰত বিবাহ উৎসৱ হ'লে সেই বিবাহৰ লগত সমৰ্থবান লোকে মনসা পূজাও পাতে। আগতে উল্লেখ কৰি অহা হৈছে যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে, বিশেষকৈ দৰং আৰু লক্ষীমপুৰ জিলাত বৈশাখ সংক্ৰান্তিৰ সময়ত কিছুমান বিষ্ণুমন্দিৰত বা বিষ্ণুস্থানত বিষ্ণুপূজা উৎসৱ পৰ্য্যায়ত পাতে আৰু এই উৎসৱৰ স্থানবোৰত কেইবাদিনো মেলা বহে। এই বিষ্ণু পূজা বাসুদেৱীয় (তান্ত্ৰিক) বৈষ্ণৱ সম্প্ৰদায়ৰ লগত জড়িত। এই বসুদেৱীয় বৈষ্ণৱ সম্প্ৰদায়ৰ ঐতিহাসিক তথ্য খৃষ্টীয় নৱম-দশম শতাব্দীৰ পৰা পোৱা গৈছে। দুৰ্গাৰ ধাতু নিৰ্মিত মূৰ্ত্তি অসমত খৃষ্টীয় ৮ম ৯ম শতাব্দী মানৰ পৰা পোৱা গৈছে যদিও অসমত দুৰ্গা পূজা উৎসৱ পৰ্য্যায়ত ঠিক কোনসময়ৰ পৰা পাতিবলৈ ধৰা হৈছে তাক সঠিক ভাবে ক'ব পৰা নাযায়। আহোম ৰজ সকলৰ ভিতৰত স্বৰ্গদেউ প্ৰতাপসিংহই (খৃঃ ১৬০৩-১৬৪১) কোচবিহাৰলৈ অসমীয়া মানুহ পঠাই মাটিৰ দুৰ্গা প্ৰতিমা সাজিবলৈ শিকাই আনিছিল। আহোম ৰজা সকলৰ আমোলত আহোম ৰজাসকলৰ ৰাজধানীত আৰু কোচ দৰঙী ৰজাসকলৰ আমোলত তেওঁলোকৰ ৰাজধানীত এই দুৰ্গাপূজা উৎসৱ হিচাবে পাতিছিল। তেতিয়া সম্ভ্ৰান্ত ডা-ডাঙৰীয়া আৰু ৰজাঘৰৰ বাহিৰে আনে এই পূজা উৎসৱ হিচাবে পাতিব নোৱাৰিছিল সেইদৰে আহোম ৰজা স্বৰ্গদেউ ৰুদ্ৰসিংহই (খৃঃ ১৬৯৬—১৭১৪) ৰাজধানী ৰংপুৰত বৈষ্ণৱ উৎসৱ, ফাকুৱা পূজা, উৎসৱ পৰ্য্যায়ত পাতিছিল আৰু ফল্গুৎসৱৰ কাৰণে এটি মন্দিৰো নিৰ্মাণ কৰাই লৈছিল। ফল্গুৎসৱ বৈষ্ণৱসকলৰ তীৰ্থস্থান বৰদোৱা আৰু বৰপেটাত অতি পয়োভৱ আৰু উলহ মালহেৰে পতাৰ পৰম্পৰা চলি আহিছে। অসমৰ ব্ৰহ্মপুত্ৰ নদত পৰা উপনদী সমূহৰ মুখবোৰত চ'তমাহত ব্ৰহ্মপুত্ৰত স্নান কৰা অশোকাষ্টমী তিথি উৎসৱ পৰ্য্যায়ত পালন কৰা পৰম্পৰাও চলি আহিছে। শিৱ চতুৰ্দ্দশী, উমানন্দ, শিৱসাগৰৰ শিৱদৌল বিশ্বনাথ, নেঘেৰিটিং আদি শিৱমন্দিৰত আৰু আন আন শিৱস্থানত উৎসৱ পৰ্য্যায়ত পতাৰ প্ৰথা পৰম্পৰাগত ভাবে চলি আহিছে। ৰাসোৎসৱ দক্ষিণপাট সত্ৰ আৰু গড়মূৰ সত্ৰত আগৰে পৰা উৎসৱ হিচাবে পালন কৰাৰ প্ৰথা আছে। বৰ্ত্তমানেও এই দুই সত্ৰত ৰাসোৎসৱৰ সময়ত অনেক লোকৰ সমাগম হয়। আউনীআটী সত্ৰত বছৰি (কাতি মাহৰ শেষত) "পালনাম" উৎসৱ পৰ্য্যায়ত পালন কৰাৰ প্ৰথা আছে। জন্মাষ্টমী তিথি পালনৰ লগত



জন্মাষ্টমীৰ পাচদিনা নন্দোৎসৱ (বোকা ভাওনা) আৰু পচতি সবাহ পতাৰ নিয়ম আছে। ধৰ্মীয় উৎসৱৰ লগত পালন কৰা ধৰ্মীয় অনুষ্ঠান কেৱল সেই ধৰ্মীয় সম্প্ৰদায়েহে পালন কৰে; কিন্তু উৎসৱৰ খেল ধেমালি নৃত্য-গীত আদিত আন সম্প্ৰদায়েও যোগ দিয়ে।

আহাৰ মাহত অম্বুবাচী বা ষাথ পতা হয়। এই সময়ত পৃথিৱী ঋতুপ্ৰাপ্ত হয় বুলি মানুহৰ বিশ্বাস। অম্বুবাচী প্ৰবৃত্তিৰ পৰা নিবৃত্তিলৈকে হালকোৰ বোৱা নিষেধ। বিধৱাই এই কেইদিন সিদ্ধান্ন গ্ৰহণ নকৰে। অম্বুবাচীৰ নিবৃত্তিৰ দিনা কামাখ্যাত তীৰ্থযাত্ৰীৰ পয়োভৰ হয়। অম্বুবাচীৰ কেউদিন কামাখ্যাত ডাঙৰ মেলা বহে। এই অম্বুবাচী ধৰ্মীয় অনুষ্ঠানৰ ভিতৰলৈ অনা হৈছে যদিও ইয়াৰ লগত কৃষিৰ সম্বন্ধই অধিক বুলি বিশ্বাস হয়।

উল্লেখ কৰা ধৰ্মীয় উৎসৱ সমূহৰ কিছুমান ব্যক্তিগত বা ঘৰুৱা ভাবেও বহুত লোকে পৰম্পৰাগত ভাৱে পালন কৰি আহিছে। ইয়াৰ বাহিৰেও কোনো কোনো লোকে বাৰ্ষিকভাৱে পালনাম গোৱা নাম কীৰ্ত্তন কৰি ভকতক চাউল খুউৱা (ভোজ দিয়া), শিৱ পূজা, বিষ্ণু পূজা বা সত্যনাৰায়ণ পূজা পৰম্পৰাগত ভাবে পতা দেখা যায়। বছৰৰ কোনো এটা নিৰ্দিষ্ট পবিত্ৰ তিথিত ঘৰুৱা ভাবে পতা এই ধৰ্মীয় অনুষ্ঠানটোত ঘৰৰ প্ৰবাসত থকা লোকসকলেও আহি যোগদান কৰি আনন্দ উৎসৱ কৰে। ইয়াৰ বাহিৰেও প্ৰতিখন গাৱঁৰ ৰাইজ গোট খাই বছৰৰ কোনো এটা পবিত্ৰ তিথিত দিনত নাম-কীৰ্ত্তন কৰি ৰাতিলৈ ভাওনা পাতি আৰু পাচদিনা ভোজ ভাত খাই গাওঁখনৰ ভিতৰত এটা ধৰ্মীয় উৎসৱ পালন কৰাৰ প্ৰথাও অসমীয়া সমাজত চলি আহিছে। কোনো কোনো সমৰ্থবান লোকে বাৰ্ষিকভাৱে বৰসবাহ পাতে। এই বৰসবাহৰ কাৰণে গৃহস্থই মিতিৰ-কুটুম আৰু গঞা ৰাইজক আগতীয়াকৈ জনাই তেওঁলোকৰ সমৰ্থন লয়। বৰসবাহত বিষ্ণু পূজা, নামকীৰ্ত্তন আৰু গায়ন গোৱা হয়। পাচদিনা ভোজ খোৱা হয়। এই বৰসবাহৰ পদ্ধতিত আহোম সকলৰ প্ৰভাৱ থকা বুলিও বহুতে ভাবে। আহোম সকলৰ মাজত ওমফ্ৰা পূজা উৎসৱ হিচাবে পালন কৰাৰ প্ৰথা আছে। এই উৎসৱ উত্তৰ লক্ষীমপুৰৰ কোনো কোনো ঠাইত, শিৱসাগৰৰ লাকুৱাৰ ওচৰত বিশেষ পয়োভৰেৰে আজিকালিও পাতে।

ইয়াৰ বাহিৰেও বিভিন্ন তিথিত ব্ৰত কৰা, ব্ৰতৰ অন্তত দান কৰা

বিশেষ ধৰ্মীয় অনুষ্ঠান হিচাবে অসমীয়া হিন্দু সমাজত পালন কৰা হয়। এনে ব্ৰতবোৰ হল সাৱিত্ৰী ব্ৰত, শিৱচতুৰ্দ্দশী ব্ৰত, দুৰ্গাষ্টমী, ভীম একাদশী ইত্যাদি। বৈষ্ণৱ সকলে একাদশী ব্ৰতৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰে। সেইদৰে চন্দ্ৰগ্ৰহণ, সূৰ্য্যগ্ৰহণ আদিতো উপবাসে থাকি দান-পুণ্য কৰাৰ প্ৰথা আছে। গুণাভিৰাম বৰুৱাৰ অসম বুৰঞ্জীৰ পৰা জনা যায় স্বৰ্গদেউ ৰাজেশ্বৰ-সিংহই এবাৰ গুৱাহাটী বাহৰত থকা সময়ত পূৰ্ণ চন্দ্ৰগ্ৰহণ হোৱাত তেওঁ অশ্বক্লান্তত স্নান কৰি অঞ্জলি ভৰা সোণ দান কৰিছিল।

## (৩) ৰাজকীয় উৎসৱঃ

ৰাজকীয় উৎসৱৰ ভিতৰত প্ৰধানকৈ আমি দুটা উৎসৱৰ কথা জানিব পাৰোঁ; এটা হ'ল ৰজাৰ অভিষেক উৎসৱ আৰু আনটো হ'ল আহোম ৰজাসকলৰ আমোলত হোৱা যুদ্ধ জয়ৰ উৎসৱ, যাক আহোম (টাই) ভাষাত বিক্‌খান্ উৎসৱ বোলা হয়। ৰজাৰ অভিষেক উৎসৱৰ বিষদ বৰ্ণনা আহোম ৰজাসকলৰ আমোলত ৰচিত হোৱা বুৰঞ্জী পুথি-বোৰত আছে। আহোম ৰজাসকলে এই উৎসৱ আহোম আৰু হিন্দু উভয় পদ্ধতিৰে পালন কৰিছিল। এই অভিষেক উৎসৱৰ বৰ্ণনা এডৱাৰ্ড গেইট চাহাব আৰু গুণাভিৰাম বৰুৱা দেৱে দি থৈ গৈছে। গেইট চাহাবৰ বৰ্ণনাতকৈ বৰুৱাদেৱৰ বৰ্ণনা বেছি বিশদ। আমি ইয়াত গেইট চাহাবে দিয়া বৰ্ণনাকে সংক্ষিপ্তভাৱে দাঙি ধৰিলো। যি ঠাইত ৰজাৰ অভিষেক উৎসৱ পতা হয় তাত প্ৰথমেই ভাল দিন এটা চাই চিৰিং, দেওধাই আৰু বুঢ়াগোঁহাই বৰগোঁহাই আদিয়ে হালবাই মাটি ডোখৰ শুদ্ধ কৰি লয়। তাৰ পাছত তাত পাটঘৰ, হোলোংঘৰ আৰু শিঙৰিঘৰ বুলি তিনিটা ঘৰ সাজে। অভিষেকৰ কাৰণে দেওধাই বাইলুঙে আহোম মতে আৰু হিন্দু জ্যোতিষী পণ্ডিতে জ্যোতিষৰ মতে চাই এটা শুভ দিন স্থিৰ কৰি দিয়ে। অভিষেকৰ দিনা ৰজাই ডিঙিত চোমদেও আঁৰি লৈ আৰু হাতত পুৰুষানু-ক্ৰমে লৈ অহা হেংদাং লৈ এটা মতা হাতীত উঠি উপবিপুৰুষসকলৰ মৈদাম থকা চৰাইদেউ পাহাৰলৈ গৈ তাত এটা বৰপুলি (আয়ুবৰ) বোৱে। তাৰ পিচত প্ৰধান ৰাণীৰে[1] সৈতে ৰজা পাটঘৰত প্ৰৱেশ কৰে। ইয়াত

[1] আহোম ৰজাসকলৰ পৰ্ব্বতীয়া কুঁৱৰী আৰু বাইডঙীয়া কুঁৱৰী বুলি দুগৰাকী প্ৰধান কুঁৱৰী আৰু অনেক চমুৱা কুঁৱৰী থাকে। ৰজাৰ প্ৰধান ৰাণী বা পাটমাদৈ এই দুগৰাকীৰ ভিতৰৰ এগৰাকী হয়। কাচিত দুয়ো-গৰাকী হয়। এওঁলোক সাতঘৰীয়া আহোমৰ ঘৰৰ জীয়ৰী হব লাগিব। নিজৰ ভৰণ-পোষণৰ কাৰণে পৰ্ব্বতীয়া খেল পোৱা গৰাকীক পৰ্ব্বতীয়া কুঁৱৰী আৰু বাইডঙীয়া খেল পোৱা গৰাকীক বাইডঙীয়া কুঁৱৰী বোলা হৈছিল।



ৰজা আৰু ৰাণীক আহোম পুৰোহিতে অভিষিক্ত কৰে। ইয়াৰ পাছত ৰজা আৰু ৰাণী হোলোংঘৰত (চাংঘৰ) প্ৰৱেশ কৰে। তাত ৰজা আৰু ৰাণীক হিন্দুৰ বিভিন্ন তীৰ্থৰ পৰা অনা জল আৰু আন বৈদিক পদ্ধতি অনুযায়ী অভিষিক্ত কৰা হয়। এই চাংঘৰৰ তলত সংগ্ৰহ কৰিব পৰা সকলো প্ৰকাৰৰ জীৱ-জন্তুৰ একোটাকৈ আৰু এটা মানুহ (গুণাভিৰাম বৰুৱাৰ মতে এহাল মানুহ) ৰখা হয়। ৰজাৰ স্নান হোৱাৰ পাছত এই মানুহ টোক বা মানুহহালক সোণ ৰূপ একো চৰু দি ৰাজ্যৰ পৰা বাহিৰ কৰি দিয়ে। ইয়াৰ পাছত ৰজা ৰাণীয়ে ৰাজ পোছাক আৰু ৰাজ আভৰণ পৰিধান কৰি শিঙৰি ঘৰত সোণৰ সিংহাসনত বহেগৈ আৰু তাত ডা-ডাঙ-ৰীয়া, সম্ভ্ৰান্ত বিষয়াসকলে আৰু আন তলতীয়া ৰজা আৰু বিষয়াসকলে ৰজাক উপঢৌকন দি সেৱা কৰেগৈ। ৰজায়ো সেইসকলক উপযুক্ত উপ-ঢৌকন দিয়ে। ৰজাৰ অভিষেকৰ সময়ত ৰাইজে হৰিধ্বনি দিয়ে, বৰ ঢাক বজায়। এই দিনাই মজুমদাৰে সোণৰ কাপোৰে ৰজাৰ নাম লিখে আৰু নতুন ৰজাৰ নামত টকা মৰা হয়। ৰজাৰ এই অভিষেক উৎসৱ প্ৰায় এমাহলৈ থাকে; এই এমাহৰ ভিতৰতে দূৰণী অঞ্চলৰ বিষয়া, তলতীয়া ৰজাসকলে আহি ৰজাক উপঢৌকন দি সেৱা কৰিবহি লাগে। অভিষেক উৎসৱৰ কেইদিন সদায় গধূলি গধূলি নৃত্য-গীত আদি প্ৰমোদ উৎসৱ হয় আৰু ৰজাই ইয়াত উপস্থিত থাকি উপভোগ কৰে। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ আগলৈকে ৰজা শিঙৰি ঘৰলৈ সোমোৱাৰ আগতে নিজ হাতৰ হেংদাঙেৰে এটা অভিযুক্ত মানুহক কাটিব লাগে। কিন্তু স্বৰ্গদেউ ৰুদ্ৰসিংহই এই প্ৰথাৰ পৰিবৰ্ত্তে এটা মহ কটাৰ নিয়ম কৰিলে। শিঙৰি ঘৰত উঠি অভি-ষেক উৎসৱ পালন নকৰা ৰজা পূৰ্ণ পৰ্য্যায়ৰ ৰজা নহয়; এনে ৰজাক "চুলুং" ৰজা বোলা হয় আৰু মৰাৰ পাছতো এনে ৰজাৰ উদ্দেশ্যে আগ-বঢ়োৱা শৰাই শিঙৰি ঘৰত উঠি অভিষেক পালন কৰা ৰজাৰ উদ্দেশ্য আগবঢ়োৱা শৰাইৰ শাৰীত দিয়া নহয়।

ৰামায়ণকে প্ৰমুখ্য কৰি এই যুগৰ কাব্য ৰাজিত ৰাজ্যাভিষেকৰ বৰ্ণনা অলেখ আছে। মাধৱ কন্দলিৰ ৰামায়ণত সুগ্ৰীৱ, বিভীষণ আদিৰ বাহিৰেও লঙ্কাৰ পৰা ঘূৰি আহি ৰামে অযোধ্যাৰ সিংহাসন আৰোহণ কৰাৰ আগতে আয়োজন কৰা অভিষেকৰ বিশদ বিবৰণ আছে। চাৰি সাগৰ বিভিন্ন তীৰ্থপ্ৰতিম নদ-নদীৰ জল আৰু পবিত্ৰ ফল সংগ্ৰহ কৰি সৰ্বোষধিৰে ৰাম সীতাক স্নান কৰোৱাই বেদ বিহিত ভাবে অগ্নিত হোম

দি ৰাম সীতাৰ অভিষেক উৎসৱৰ বৰ্ণনা বাহুল্য ভাবে কৰা হৈছে ঃ

"বহুবিধ ফলে নানা তীৰ্থজলে
ৰাঘৱ সীতা স্নানিল।
বিধি ব্যৱহাৰে অগণি জালিয়া
অশেষ আহুতি দিল॥
ৰাজ্যৰ যতেক মুখ্য মুখ্যতৰ
ব্ৰাহ্মণ পাত্ৰসকলে।
শ্ৰীৰাম সীতাক ৰাজ্য জোকাবিলা
চাৰি সাগৰৰ জলে॥" ইত্যাদি।

যুদ্ধৰ সময়ত, যুদ্ধ জয়ৰ পাছত বা ৰজাৰ অভিষেকৰ সময়ত ৰিকখ্বান্ (ৰিকখ্বান্ মুংখন্বান্) উৎসৱ পতা হয়। এই উৎসৱ আহোম প্ৰথামতে পতা হৈছিল। ৰিক্খ্বানৰ অৰ্থ হৈছে দীৰ্ঘ জীৱন কামনা কৰা উৎসৱ। স্বৰ্গৰ ৰজা লেংডনৰ (ইন্দ্ৰৰ) প্ৰতি বলি উৎসৰ্গা কৰি ৰজাৰ দীৰ্ঘ জীৱন কামনা কৰা হয়। এই উৎসৱত ৰজাই সম্পূৰ্ণ ৰাজকীয় পোছাক আৰু আ-অলঙ্কাৰ পৰিধান কৰি এখন চাঙত বহে। তেতিয়া দেওধাই, মোহন আৰু বাইলুং পণ্ডিতে, অৰ্থাৎ আহোম পণ্ডিত আৰু জ্যোতিষীয়ে আহোমমতে মন্ত্ৰেৰে গাত পৱিত্ৰ পানী ঢালি দিয়ে। ৰজাৰ গাত ঢালি দিয়া পানী চাঙৰ মাজত থকা বিন্ধাইদি সৰকি গৈ তলত থিয় হৈ থকা প্ৰধান জ্যোতিষীৰ (বাইলুঙৰ) গাত পৰেগৈ। তাৰ পাছত ৰজাই সেই পোছাক আৰু আ-অলঙ্কাৰ সলাই নতুন পোছাক আৰু আ-অলঙ্কাৰ পৰিধান কৰে। ৰজাই পিন্ধি থকা পুৰণি সাজটো আ-অলঙ্কাৰেৰে সৈতে বাইলুঙক দান কৰে। গেইট চাহাবৰ মতে এই উৎসৱ সাধাৰণ আহোম প্ৰজায়ো চমুকৈ মাজে সময়ে পালন কৰে; আৰু বৰ্ত্তমানেও লৰা-ছোৱালী পানীত পৰিলে এই অনুষ্ঠান পাতি পানীত পৰা লৰা-ছোৱালীৰ আয়ুস কামনা কৰে।

## ৪) জীৱনৰ লগত জড়িত উৎসৱ আৰু আচাৰ-অনুষ্ঠান ঃ

জীৱনৰ লগত জড়িত উৎসৱ আৰু আচাৰ-অনুষ্ঠান সমূহ প্ৰধানকৈ ক) জন্ম খ) বিবাহ আৰু গ) মৃত্যু এই তিনিভাগত ভগাব পাৰি। জন্ম বিবাহ আৰু মৃত্যুৰ লগত আচাৰ-অনুষ্ঠানৰ সংখ্যাই বেছি হব আৰু



ইয়াৰ কিছুমান আচাৰ-অনুষ্ঠান বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ পৰা আহি অসমীয়া সমাজত সোমাইছে। জন্ম, বিবাহ আৰু মৃত্যুৰ কিছুমান অনুষ্ঠান গঞা ৰাইজৰ উপস্থিতিত পালন কৰাটো অৱশ্যে কৰ্ত্তব্য। গাঁৱৰ কোনোলোকক সেই গাঁৱৰ ৰাইজে কিবা পাপ বা দোষৰ কাৰণে এঘৰীয়া কৰি ৰাখিলে জন্ম, বিবাহ বা মৃত্যুৰ সময়ত গাঁৱৰ ৰাইজৰ ওচৰত দোষত দণ্ড দি বা পাপৰ প্ৰায়শ্চিত্ত কৰি ৰাইজৰ লগ লবলৈ বাধ্য; নহলে এনে অনুষ্ঠানত ৰাইজৰ প্ৰতিনিধিত্ব নহলে শুদ্ধ বা স্বীকৃত হব নোৱাৰে। আচাৰ-অনুষ্ঠান পালনৰ অন্তৰালত থকা এনেবোৰ সামাজিক বান্ধোনেই অসমীয়া সমাজখন কটকটীয়া কৰি ৰাখিছিল; আজিকালি সেই বান্ধোন শিথিল হোৱাৰ কাৰণেই আমাৰ সমাজত ঐক্যও শিথিল হৈ আহিছে।

ক) জন্মৰ লগত অসমীয়া মানুহে বহুত আচাৰ-অনুষ্ঠান পালন কৰে। কথাগুৰু চৰিতৰ পৰা জনা যায় যে ব্ৰাহ্মণে জন্মৰ পৰা দহোটা সংস্কাৰ মূলক অনুষ্ঠান আৰু কায়স্থসকলে ছটা অনুষ্ঠান পালন কৰে। কথা গুৰু চৰিতত কায়স্থক ছটা সংস্কাৰ পালন কৰে কাৰণে ষড়কৰ্মী কায়স্থ বুলিও কোৱা হৈছে। দহটা সংস্কাৰ হৈছে গৰ্ভাধান, পুংসবন, সীমন্তোন্নয়ণ, জাত কৰ্ম, নামকৰণ, নিস্ক্ৰামন, অন্নপ্ৰাসন, চূড়াকৰণ, উপনয়ণ আৰু বিবাহ। কায়স্থসকলৰ ছটা সংস্কাৰমূলক অনুষ্ঠান হৈছে জাতকৰ্ম, নামকৰণ, অন্নপ্ৰাসন, চূড়াকৰণ, উপনয়ণ আৰু বিবাহ। দশ সংস্কাৰী ব্ৰাহ্মণ আৰু ষড়কৰ্মী কায়স্থ সকলে এইবিলাক সংস্কাৰ বেদ-বিহিত প্ৰথামতে কৰিছিল (কৰে)। কোনো কোনো অপুত্ৰক বিধবা ব্ৰাহ্মণীয়ে বাজ আনিৰ কাষত বা বিশেষ স্থানত আঁহত পুতি কই পুত্ৰ ভাবে আঁহত পুলিতেই উপনয়ণ পাতি যজ্ঞসূত্ৰ পিন্ধোৱাৰ প্ৰথাও আছিল। ইয়াৰ বাহিৰেও প্ৰথম সন্তান সম্ভৱা নাৰীক পাঁচ মাহত পঞ্চামৃত খুওৱা হয়।* জন্মৰ লগে লগে কিছুমান আচাৰ-অনুষ্ঠান পালন কৰা হয় যাতে সন্তান আৰু সন্তানৰ মাতৃক কোনো অপদেৱতাই অপকাৰ কৰিব নোৱাৰে। যেনে মাতৃ আৰু সন্তানৰ ওচৰত একুৰা জুই ১১ দিন ধৰি ৰখা আৰু সন্তান আৰু মাতৃ থকা কোঠালৈ য'ৰে ত'ৰে পৰা আহি পোনে পোনে যাব নোৱাৰে; পোৱাতী থকা কোঠাৰ দুৱাৰ দলিত চিৰি এডাল পাৰি থোৱা; দুৱাৰৰ দুই দাঁতিয়ে আৰু কোঠাৰ বাহিৰফালে বগৰীৰ জেং খুচি থোৱা ইত্যাদি। এই বিলাক আচৰণৰ মূলতে আছে অপদেৱতাৰ ভয় আৰু

অনুমান হয় এনে কাৰ্য্যৰ বেছি সংখ্যক আৰ্য্যেতৰ গোষ্ঠীৰ পৰা অহা। আগৰ দিনত ব্ৰাহ্মণৰ ১১ দিনত আৰু আনলোকৰ ৩০ দিনত পোৱাতী শুচি হয়। কোনো কোনো লোকে ৬ দিনৰ দিনা, কোনো কোনোৱে ১১দিনৰ দিনা আইসকলক গোটাই শিশুক বেলি (সূৰ্য্য) দেখুৱায় আৰু তাতো কিছুমান আচৰণ পালন কৰে। শুচি হোৱাৰ পাচত এটা ভাল দিন চোৱাই পোৱাতীক প্ৰায়শ্চিত্ত কৰোৱাই গঞা বাইজক নিমন্ত্ৰণ কৰি নাম-কীৰ্ত্তন কৰি "শুধি" সবাহ পতাটো অৰশ্য কৰ্ত্তব্য। শিশুক লৈ মাক কৰবালৈ যাবলগীয়া হ'লে মাকে ওলায়েই পানী পোতাত ভৰিৰ বুঢ়া আঙুলিৰে গছকি তাৰ মাটিৰে ফোট দি লয়। শিশু বা সন্তান কেনিবা যাব লগা হ'লে মাকে জলে, থলে, পৰ্ব্বতে কোনো অপদেৱতাই অপকাৰ কৰিব নোৱাৰিবলৈ ৰক্ষা বন্ধন কৰি দিয়ে।

একেঘৰত দুগৰাকী সগৰ্ভা তিৰোতা ৰখা নিষেধ। সগৰ্ভা তিৰোতাই চন্দ্ৰগ্ৰহণ সূৰ্য্যগ্ৰহণ আদিত নীতি নিয়মে থাকিব লাগে। গ্ৰহণৰ সময়ত সগৰ্ভা তিৰোতা শুৱ নালাগে। গ্ৰহণৰ সময়ত খোৱাটোও নিষেধ। পুত্ৰ সন্তান জন্ম হলে উৰুলি দিয়া আৰু বেৰত চকিওৱা নিয়ম। ৰাম-লক্ষ্মণ বনলৈ যোৱাৰ আগতে কৌশল্যাই ৰক্ষা বন্ধন কৰি মূৰত ভৰিৰ ধূলি দি হাতত ৰক্ষা ঔষধ বন্ধাৰ বিবৰণ ৰামায়ণত আছে।

ৰক্ষা বান্ধিলন্ত মাথে ৰাম লক্ষ্মণৰ।
ৰক্ষা কৰন্তোক পলে দেৱ নিৰন্তৰ ॥
ৰক্ষা ঔষধক পিন্ধাইলন্ত দুইৰো হাতে।
দেৱৰ নিৰ্ম্মাল্য পিন্ধাইলন্ত দুইৰো মাথে ॥

* * * * *

জলচৰ থলচৰ বনচৰ যত।
ত্ৰিভুবনে থিত যত মঙ্গল কৰন্ত ॥
পুত্ৰ দুইকো কৌশল্যা কোলাক লাগি নিলা।
আপোন পাৱৰ ধূলি দুইৰো মাথে দিলা ॥
চৈধ্যয় বৰিষ সুখে বনে যাওক কাল।
অবিৰোধে তৰিবাহা বিপিন বিশাল ॥

(মাধৱ কন্দলি ৰামায়ণ—অযোধ্যাকাণ্ড)

যাৰ লৰা-ছোৱালী জন্ম হৈ মৰি যায় বা বহুদিনলৈ জন্ম নোহোৱাকৈ থাকে, তেনে লোকৰ লৰা-ছোৱালী উপজিলে জীয়াই থাকিবৰ কাৰণে পোহাৰীক



বেচে বা সত্ৰলৈ (গুৰু ঘৰলৈ) আগ কৰে নাইবা লবা বা ছোৱালীজনীক এটা আপচু নাম দিয়ে। ল'ৰা বা ছোৱালী ডাঙৰ হ'লে পোহাৰীক বেচ দি আকৌ কিনি লয় আৰু গুৰুক কৈ লবাটি ঘূৰাই লয় বা সত্ৰতেই ৰাখে। ল'ৰা বা ছোৱালী পানীত পৰিলে জীৱিত থকা তেনে ল'ৰা-ছোৱালীৰ মাক বা আত্মীয় মানুহে পৰা ঠাইত জাকৈ মাৰি জাকৈত অহা জাবৰ-জোথৰ সন্তানৰ মূৰত দিয়ে। ইয়াকে আয়ুস তোলা বোলে। আমি আগতে কৈছোঁ যে জন্ম তিথি পালন কৰাৰ বিশেষ উদাহৰণ আগৰ কালত পাবলৈ নাই। আজিকালি মহাপুৰুষ সকলৰ জন্ম (আবিৰ্ভাৱ) তিথি তিৰোভাৱ তিথিৰ দৰেই উৎসৱৰ পৰ্য্যায়ত নামকীৰ্ত্তন সভাসমিতি পাতি আৰু ভাওনা পাতি পালন কৰে।

(খ) জন্মৰ পাছতেই হ'ল বিবাহ। বিবাহ ৰাজসিক কাৰ্য্য। গতিকে বিবাহ ব্যক্তিগত জীৱনৰ এটা ডাঙৰ উৎসৱ; ইয়াতো গঞা ৰাইজ আৰু মিতিৰ কুটুমৰ উপস্থিতি অপৰিহাৰ্য্য। হিন্দু সমাজৰ মনুৱে আঠ প্ৰকাৰৰ বিবাহ-পদ্ধতিৰ কথা উল্লেখ কৰিছে। আগৰ দিনত বহাগ বিহুৰ সময়ত বা আন কোনো সময়ত সমাজৰ কোনো কোনো স্তৰৰ ডেকা লোকে ছোৱালী পলুৱাই বা বলেৰে ধৰি নিছিল। পাছত সমাজে এনে ডেকা-গাভৰুৰ মিলনত সন্মতি দি বিবাহ পাতি দিছিল। এনে বিবাহৰো মনুৱে আঠ প্ৰকাৰৰ ভিতৰত নামকৰণ কৰিছে। মনুৱে বলেৰে ধৰি নিয়া ছোৱালীৰ বিয়াক ৰাক্ষস* আৰু গোপনে পলুৱাই নিয়া ছোৱালীৰ বিয়াক পৈশাচ বুলি অভিহিত কৰিছে। কৃষ্ণই ৰুক্মিণীক ধৰি নিয়া বিবাহক ৰাক্ষস বিবাহ বুলিব পাৰি। সেইদৰে গোপন মিলনত হোৱা বিবাহক গন্ধৰ্ব বিবাহ বোলা হয়। অনিৰুদ্ধ আৰু উষাৰ বিবাহ আছিল গন্ধৰ্ব বিবাহ। ছোৱালীয়ে বহুতৰ মাজৰ পৰা নিজে দৰা বিচাৰি লোৱা প্ৰথাকে স্বয়ম্বৰ বোলে। প্ৰাচীন কামৰূপৰ ৰাজকুঁৱৰী অমৃত প্ৰভাই কাশ্মীৰ ৰাজ-কোঁৱৰ মেঘবাহনক নিজে বৰণ কৰি বিবাহ কৰিছিল; গতিকে সেই স্বয়ম্বৰ পদ্ধতিৰ বিবাহ বুলিব পাৰি। অসমত সাধাৰণতে মনুৱে উল্লেখ কৰা "প্ৰাজাপত্য" বিবাহ পদ্ধতিয়েই প্ৰচলিত। এনে বিবাহত দৰা বা বা কন্যাঘৰে যথানিয়মে কন্যা বা দৰা ঘৰত প্ৰস্তাৱ দি সন্মতি লাভ কৰি বিবাহ উৎসৱ সম্পাদন কৰে।

আগৰ দিনত ব্ৰাহ্মণ আৰু কায়স্থ সম্প্ৰদায়ৰ লোকে কন্যাই কন্যাকাল

*গন্ধৰ্ব ৰাক্ষস আৰু পৈশাচ বিবাহ পদ্ধতি ক্ষত্ৰিয়ই মানি চলাৰ নিৰ্দ্দশ মনুৱে দিছে

প্ৰাপ্ত হোৱাৰ আগতেই বৰবিয়া বা আগবিয়া সম্পাদন কৰে। কন্যাকাল প্ৰাপ্ত হোৱাৰ লগে গলে পাছত আকৌ যথানিয়মে শান্তি বিয়া বা পাছ বিয়া পাতি কন্যাক দৰাৰ ঘৰলৈ নিয়া হয়। ব্ৰাহ্মণ আৰু কায়স্থৰ বাহিৰে আন সম্প্ৰদায়ৰ লোকে কন্যাকাল প্ৰাপ্ত হোৱাৰ পাছতহে কন্যাৰ বিবাহ পাতে। কন্যাকাল বা ঋতুপ্ৰাপ্ত হোৱাৰ পাছতো এখন বিবাহ উৎসৱ পতা হয় আৰু ইয়াতো নানান আচাৰ-অনুষ্ঠান পতা হয়। এই বিবাহক সাধাৰণতে তোলনী বিয়া বোলা হয়। ছোৱালীয়ে কন্যাকাল প্ৰাপ্ত হলেই ব্ৰাহ্মণ, জ্যোতিষীৰ ওচৰত কন্যাকালৰ যোগ চোৱাই আৰু কৰিবলগীয়া প্ৰয়োজন হলে কন্যাৰ মংগল কামনা কৰি দান-দক্ষিণা কৰা হয়। কন্যা শুচি হোৱাৰ লগে লগে প্ৰায়শ্চিত্ত কৰোৱা হয় আৰু সামাজিক ভাবে কেৱল তিৰোতা মানুহৰ সমাবেশত তোলনী বিয়া পতা হয়। ইয়াত কনাই লোৱা প্ৰথা পালন কৰা হয়। কনাই লোৱা সকলে সমৰ্থ অনুযায়ী পইচা দিয়ে।

আগৰ দিনত বিয়াৰ আগতে ব্ৰাহ্মণ সম্প্ৰদায়ৰ বাহিৰে আন সম্প্ৰদায়ৰ লোকে লৰাৰ কাৰণে কন্যা বিচাৰি কন্যাৰ পিতৃ মাতৃ বা পৰিয়ালৰ ওচৰত প্ৰস্তাৱ আগ বঢ়াব লাগে। (আজিকালি প্ৰায় সকলো সম্প্ৰদায়ৰ কন্যাদায়ীয়ে পাত্ৰৰ ঘৰতহে প্ৰস্তাৱ দিব লগা হ'ল) দুয়োঘৰ সন্মত হলেই বিবাহৰ কাৰণে এটা শুভ দিন চোৱাই বিবাহৰ দিন স্থিৰ কৰা হয়। ব্ৰাহ্মণৰ বাহিৰে আন সম্প্ৰদায়ৰ সমৰ্থবানলোকৰ পৰা কোনো কোনো কন্যাৰ ঘৰে কন্যাৰ গা-ধন বা ৰাইজক খুওৱা খৰচো পাত্ৰৰ ঘৰৰ পৰা লৈছিল। আনহাতে কন্যাঘৰীয়া ৰাইজে কন্যাদানৰ বাবে কন্যাঘৰত এটা ভোজ খাইছিল। আকৌ সমাজৰ কোনো কোনো স্তৰত বিবাহ প্ৰস্তাৱ দহদহীয়া কৰিবৰ কাৰণে পাত্ৰৰ ঘৰৰ পৰা কন্যাৰ ঘৰত এখন তেলনিভাৰ দিয়াৰো প্ৰথা আছিল। বিবাহ ৩দিনীয়া, ৫দিনীয়া, ৭দিনীয়া ৯দিনীয়াকৈ পতা হয়। সাধাৰণ স্তৰৰ লোকে প্ৰায় তিনিদিনীয়াকৈয়ে বিবাহ পাতে। তাতোকৈ ওপৰ খাপে আগৰ দিনত, সম্ভৱ হ'লে ৫ দিনীয়াকৈ আৰু সম্ভ্ৰান্ত ডা-ডাঙৰীয়া আৰু ৰজাৰ ঘৰে ৭ দিনীয়া বা ৯ দিনীয়াকৈ পাতিছিল। মিটিৰ-কুটুম, গঞা ৰাইজক নিমন্ত্ৰণ কৰা হয় আৰু বিয়াৰ কেউদিন খোৱা-বোৱা, গায়ন-বায়ন, ঢুলীয়া আৰু নৃত্য-গীতৰ আয়োজন সমৰ্থ অনুসাৰে কৰা হয়। বিবাহ প্ৰথম দিনা টেকেলি দিয়া বা জোৰোণ দিয়া বা খাৰুমণি দিয়া হয়। অৰ্থাৎ দৰাঘৰৰ পৰা কন্যাঘৰলৈ কন্যাৰ কাৰণে আ-অলঙ্কাৰ,



কাপোৰ-কানি সহ আমদালি আদিৰে দুটা টেকেলি (দৈ টেকেলি) পঠোৱা হয়। সেইদৰে কন্যাৰ ঘৰৰ পৰাও দৰাঘৰলৈ কাপোৰ-কানি সহ এটা টেকেলি ৰাখি আনটো টেকেলি ঘূৰাই পঠায়। বিবাহৰ কেউদিন দৰা আৰু ছোৱালীঘৰত উক্ত টেকেলিৰে পানী তুলি দৰা আৰু ছোৱালীক গা ধুৱায় বা নোৱায়। বিবাহৰ দিনা দৰা সদল-বলে গৈ কন্যাৰ ঘৰত বৈদিক প্ৰথামতে (হিন্দুৰ চাৰি বৰ্ণৰ ভিতৰত) বিবাহ কাৰ্য্য সম্পাদন কৰে। বিবাহৰ অন্তত পুৰোহিতে দৰা কন্যাক ঠিয় কৰাই ৰাইজৰ পৰা দৰা কন্যা মিল হোৱা বুলি সমৰ্থন এটাও লয়। আয়তী সকলৰ নাম বিবাহৰ অপৰিহাৰ্য্য গীত। বিয়াৰ দিনা কন্যাৰ ঘৰত জোৰা নাম গোৱাটো এটা আমোদজনক ব্যৱস্থা। বিবাহৰ ৮ দিনৰ পাছত দৰাই কন্যাক লগতলৈ শহুৰৰ ঘৰত আঠমঙ্গলা খাবলৈ যোৱাৰ নিয়ম। বিবাহৰ লগত অনুষ্ঠিত আন কিছুমান আচাৰ-অনুষ্ঠান হল বিবাহৰ দিনা ন পুৰুষৰ শ্ৰাদ্ধ, বিবাহৰ আগদিনা গধূলি অধিবাস পতা আৰু গাঠিয়ান খুন্দা, বিবাহৰ দিনা পুৱাই দৈয়ন দিয়া, বিবাহৰ কেউদিনা দৰা আৰু ছোৱালীক আয়তী সকলে গোটখাই পানী তুলি নোওৱা, দৰা ছোৱালীঘৰৰ কল তল পোৱাৰ লগে লগে ছোৱালীঘৰৰ পৰা ছোৱালীৰ মাকে সুৱাগুৰি তোলা, বিবাহৰ তিনি দিনৰ দিনা দৰা আৰু কন্যাৰ হতুৱাই পিঠাগুৰি খুন্দাই খোবা-খুবুনী পতা, ইত্যাদি। আহোম সকলে তেওঁলোকৰ বিবাহ চকলং পদ্ধতিত পাতে। আহোম ৰজাই হিন্দু ছোৱালী বিয়া কৰালে হিন্দু প্ৰথামতে বিবাহ পাতে; অৱশ্যে ছোৱালীক ৰজাৰ ঘৰলৈ নি পাতে। দৰা কন্যাক বিবাহৰ কেইদিন বেই সাজি বেইৰ তলত নোওৱা হয়। বেইৰ ভেটিত হাঁহকণী আৰু পইচাসহ এমলা চাউল পোতা নিয়ম। দৰা আৰু ছোৱালীয়ে বিবাহৰ কেইদিন গাৰ কাপোৰত বেজী মাৰি ৰাখে যাতে কোনেও আহুদি কৰিব নোৱাৰে। ছোৱালীৰ লগত পিতৃ-মাতৃয়ে যৌতুক দিয়াটো আৰু সম্বন্ধীয়াই নোৰনি (যৌতুক বস্তু) দিয়াটো অৱশ্যে কৰ্ত্তব্য।

সমাজৰ কিছু কিছু স্তৰত বিধবা বিবাহো প্ৰচলন আছিল। আকৌ যিবোৰ দৰাঘৰৰ বৈদিক প্ৰথামতে বিবাহ পাতিবৰ সমৰ্থন নাথাকে তেনে দৰাঘৰে ৰাইজক সোধ-পোছ কৰি আগচাউল দি (দৰা আৰু ছোৱালীৰ মূৰত দুবৰি আৰু চাউল দি) বিয়া পাতে। কিন্তু তেনে দৰা-কন্যা বৈদিক প্ৰথামতে বিবাহ নপতালৈকে অশুদ্ধ হৈ থাকে। আকৌ এনে আবিয়ৈ দৰা

মৰিলে বিধবা গৰাকীয়ে শালগ্ৰামৰ লগত বা গীতা, ভাগৱত বা কলগছৰ লগত বিবাহ পাতি দেহা শুদ্ধ কৰিব পাৰে। নাইবা এনে বিধবাই এজন লোকৰ লগত বিবাহ পাতিব পাৰে। বিবাহৰ পাছত সেই লোকজনক কিছু দা-দক্ষিণা দি বিদায় দিয়ে। তেওঁৰ লগত স্বামী ভাৰ্য্যা হিচাবে বসবাস নকৰে।

যিজন ল'ৰাৰ বিবাহ পতা হয়, সেই ল'ৰাজনক গুৰুঘৰলৈ নিশৰণ দিওৱা হয়। বিবাহ-উৎসৱ সম্পাদিত হোৱা বৰ কন্যা উভয়ৰ পৰা গুৰুঘৰলৈ সাজ-পোচাক আৰু অৰিহণা আৰু বাইজৰ ঘৰলৈও কিছু দিয়া হয়।

(গ) মৃত্যু ঃ জীৱিত অৱস্থাত নহলেও মৃত্যুৰ লগত অনুষ্ঠিত উৎসৱ আৰু আচাৰ-অনুষ্ঠান সমূহো জীৱনৰ লগত জড়িত। জন্ম আৰু মৃত্যু উভয়তে জন্ম বা মৃত্যু হোৱা ঘৰৰ লোক অশুচি অৱস্থাত থাকে। ব্ৰাহ্মণৰ হলে এই অশুচি ১১ দিন আৰু আন হিন্দু সম্প্ৰদায়ে এমাহ দিন ধৰি (আজিকালি ইয়াৰ ব্যতিক্ৰম হৈছে) এই অশুচি অৱস্থা পালন কৰে। জন্ম অশৌচতকৈ মৃত অশৌচত অধিক গুৰুত্ব আৰোপ কৰা হয় আৰু অধিক কঠোৰতাৰে ব্ৰত যাপন কৰা হয়। জন্ম অশৌচত পৰিয়ালৰ লোক নামঘৰৰ টুপলৈকে প্ৰবেশ কৰিব পাৰে; কিন্তু মৃত অশৌচত অশৌচ অন্ত নোহোৱালৈকে নোৱাৰে। জন্ম সাধাৰণতে আনন্দৰ কথা; কিন্তু মৃত্যু বিষাদৰ কথা। তথাপি ঘৰৰ অতিশয় বৃদ্ধ আৰু মূল লোকৰ, সত্ৰৰ অধিকাৰ আদিৰ মৃত্যুত পালন কৰা অনুষ্ঠান উৎসৱৰ পৰ্য্যায়লৈ উন্নীত হয়। মৃত্যুৰ লগত জড়িত অনুষ্ঠান হ'ল তিন দিনত তিলনি (বামুণৰ চাৰি দিনত চতুৰ্থা), দহ দিনত দহা, আৰু মাহেকৰ মূৰত আদ্য শ্ৰাদ্ধ। বামুণৰ ১১ দিনত আদ্য শ্ৰাদ্ধ হয়। (আজিকালি অন্য সম্প্ৰদায়ৰ কোনো কোনো লোকেও ১১ দিনতে আদ্য শ্ৰাদ্ধ পালন কৰে।

মৃত্যুৰ পিছতেই হিন্দুৰ মৃত ব্যক্তিৰ কাঠ সংস্কাৰ হয়। সাধাৰণতে মৃত ব্যক্তিৰ জ্যেষ্ঠ পুত্ৰই কাঠ সংস্কাৰ আৰু শ্ৰাদ্ধ কাৰ্য্য সম্পাদন কৰে। কাঠ সংস্কাৰ কৰি অহা মানুহবোৰে দিনত হলে ৰাতি নহয় মানে আৰু ৰাতি হলে পুৱা নহয় মানে ঘৰৰ ভিতৰ নোসোমায়। খৰি দি (কাঠ সংস্কাৰ কৰি) অহাৰ পাছত প্ৰতিজন মানুহেই গা ধুই পদূলি মূৰতে ভৰি শিলত তিনিবাৰ দি প্ৰতিবাৰতেই জুইত (জোৰত) হাত ভৰি সেকি, তিতা পাত চোবাই পেলাই দি তাৰ পাছতহে ঘৰৰ চৌহদৰ ভিতৰ



গোমায়। যিজনে মুখাগ্নি কৰে আৰু আদ্য-শ্ৰাদ্ধ কৰে তেও মূৰত ফটা-কানি বান্ধি হাতত দীঘল নাল লগাই কটাৰী এখন লোৱাবো নিয়ম। এই বিলাক প্ৰথাবো কিছুমানত বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ প্ৰভাৱ থকা যেন লাগে। আদ্য শ্ৰাদ্ধৰ তৃতীয় দিনা গওঁা ৰাইজ আৰু মিটিৰ কুটুমক গোট খৱাই মাছ-মঙহেৰে জ্ঞাতালি ভোজ পাতি অশৌচ আৰু ব্ৰত খেদে। বিবাহৰ দৰেই আদ্য শ্ৰাদ্ধৰ পৰা বামুণৰ উপৰিও গুৰু ঘৰক আৰু ৰাইজৰ ঘৰক সাজ-পোছাক দান-দক্ষিণাৰ এটা ভাগ দিয়া অৱশ্যে কৰ্ত্তব্য। সাধাৰণতে মৃত অশৌচৰ ক্ষেত্ৰত বছেৰেকলৈ একে পিতৃৰ পৰিয়ালত আন পবিত্ৰ কাম কৰা নহয়। বছেৰেকীয়া সপিণ্ডৰ পাছতহে পৰিয়াল সম্পূৰ্ণ শুদ্ধ হয়। এই বছেৰেকীয়া কাৰ্য্যও উৎসৱৰ পৰ্য্যায়ত পাতে। আদ্যশ্ৰাদ্ধ আৰু বছেৰেকীয়াত গায়ণ-বায়ণ গোৱাটোও নিয়ম। সত্ৰৰ অধিকাৰ আৰু সম্ভ্ৰান্ত লোকৰ ক্ষেত্ৰত ই বিশেষভাৱে কৰণীয়।

সত্ৰৰ অধিকাৰ সকলৰ মৃত্যু তিথি, আদ্যশ্ৰাদ্ধই হওক বা বছেৰেকীয়া একোদিষ্টই হওক, সেই সত্ৰৰ শিষ্যসকলে শ্ৰাদ্ধৰ দিনা উপহাৰ সামগ্ৰী জা-জলপান গোটাই ৰাতিলৈ ভাওনা (মৃত অধিকাৰে লিখা নাটক থাকিলে সেই নাটকৰ ভাওনা) পাতি উৎসৱৰ পৰ্য্যায়ত পালন কৰে। সত্ৰৰ ক্ষেত্ৰত অধিকাৰৰ মৃত্যুত আদ্য শ্ৰাদ্ধ উৎসৱ পৰ্য্যায়ত পালন হোৱাৰ আৰু এটি বিশেষ তাৎপৰ্য্য পূৰ্ণ কথা আছে, সেইটো হৈছে নতুন অধিকাৰৰ অভিষেক উৎসৱ। এই উৎসৱতো সত্ৰৰ শিষ্য সম্প্ৰদায়ে যোগদান কৰেহি। চাৰি সত্ৰত এই নতুন অধিকাৰৰ অভিষেক উৎসৱ বিশেষ আড়ম্বৰেৰে পতাৰ প্ৰথা চলি আহিছে। আগৰ দিনত চাৰিসত্ৰত পতা অধিকাৰৰ অভিষেক উৎসৱৰ বৰ্ণনা মনিৰাম দেৱানে তেখেতৰ "বুৰঞ্জী বিবেকৰত্ন" গ্ৰন্থত দি থৈ গৈছে। মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱৰ তিৰোভাৱ তিথি সংহতি নিৰ্বিশেষে অসমৰ সকলো ঠাইতে নাম-কীৰ্ত্তন চৰিত পাঠ, ৰাতিলৈ ভাওনা আদিৰে উৎসৱৰ পৰ্য্যায়ত পালন কৰা প্ৰথা চলি আহিছে। কামৰূপ জিলাত কোনো কোনো পৰিয়াল বা বংশই তেওঁলোকৰ উপৰিপুৰুষজনৰ তিথি 'ভাগী'ৰ (বংশৰ) সকলো লোক গোটখাই কেইবাদিনো ধৰি উৎসৱৰ পৰ্য্যায়ত পাতে। উৎসৱৰ প্ৰথম দিনা, অৰ্থাৎ তিথিৰ দিনা, হোম আদি কৰি, ভোজ-ভাত, গায়ন-বায়ন মেলাৰে সৈতে কেইবাদিনো এনে উৎসৱ হয়। এই মেলালৈ পৰিয়াল-বংশৰ উপৰিও আন মানুহো আহে। এনে সভাৰ ভিতৰত (পাঠশালাৰ)

ৰণাৰ সভা, কায়থেলীৰ সভা, মাজিৰ সভা, (সৰ্থেবাৰীৰ) সৰ্থেবাৰীৰ সভা (মাখিবাহাৰ) মাখিবাহাৰ সভা আদি উল্লেখযোগ্য।

কিন্তু ইমানেই শেষ নহয়; মানুহে জীৱনত দোষ কৰে আৰু জীৱনত পাপ কৰে। এই দোষৰ (সামাজিক ভাৱে কৰা দোষৰ) আৰু পাপৰ বাবে পালন কৰিব লগা কিছুমান আচাৰ-অনুষ্ঠানো আছে। সামাজিক ভাবে কৰা দোষত দণ্ড আৰু পাপৰ বাবে শাস্ত্ৰ-সন্মত প্ৰায়শ্চিত্তৰ ব্যৱস্থা আছে। এই দণ্ড আৰু প্ৰায়শ্চিত্ত দোষীয়ে ইচ্ছাকৃত ভাবে গ্ৰহণ কৰিবলৈ বাধ্য। কাৰণ নহলে ৰাইজে তেওঁলোকক এঘৰীয়া কৰি ৰাখিব (ৰজাঘৰীয়া দোষৰ দণ্ডৰ ব্যৱস্থা বেলেগ)। ডাঙৰ পাপৰ কাৰণে প্ৰায়শ্চিত্ত কৰিব লগা হলে বামুণে, গাৱঁৰ দৈবজ্ঞ আৰু ৰাইজৰ প্ৰতিনিধি মেধি, সাতোলা আদি ৰাখি প্ৰায়শ্চিত্ত কৰি তাৰ এখন কাগজ কৰি সকলোৱে চহী কৰি দিয়ে। দণ্ড আৰু প্ৰায়শ্চিত্তৰ পইচাও বামুণ, গুৰু আৰু ৰাইজৰ ঘৰৰ ভিতৰত ভগাই লোৱা হয়। গুৰু ঘৰৰ পইচা গুৰুঘৰলৈ পঠায়। ৰাইজৰ পইচা ৰাইজৰ এজন প্ৰতিনিধিৰ হাতত জমা থাকে। ডাঙৰ সামাজিক দোষ আৰু ডাঙৰ পাপ হলে তাৰ বিচাৰৰ বাবে দোষীক সত্ৰলৈ প্ৰেৰণ কৰা হয়। কেতিয়াবা পাপৰ ক্ষেত্ৰত দোষীক বিচাৰি উলিয়াব নোৱাৰিলে শপত খাবলৈ বা "জল" বা "ঘট"* পৰীক্ষাৰ কাৰণে সত্ৰলৈ পঠোৱা হৈছিল। ডাঙৰ পাপৰ বাবে প্ৰায়শ্চিত্ত হোৱাৰ পাছতো কাৰ্য্য শেষ নহয়; প্ৰায়শ্চিত্ত হোৱা ব্যক্তিয়ে (ঘৰে) গঞা ৰাইজক মাতি নাম-কীৰ্ত্তন পাতি ভোজ খুৱাই "উধাৰণি সবাহ" পাতিহে ৰাইজৰ লগ লব পাৰে বা ৰাইজৰ মাজত স্থান পাব পাৰে। অভিযুক্ত পুৰুষ বা মহিলা পাপী হয়নে নহয় তাৰ নিশ্চয় কৰাৰ কাৰণে সূতা (এৰাঁ সূতা), ক্ষুৰ, সেন্দুৰ আৰু অগ্নি পৰীক্ষাৰ কথা বিভিন্ন কাৰ্য্যত বৰ্ণনা কৰা হৈছে। কিন্তু আমাৰ আলোচ্য যুগত কাৰ্য্যতঃ সেইবোৰৰ প্ৰচলন আছিলনে নাই সেই বিষয়ে সঠিক কোনো কথা কব নোৱাৰি। মনসা কাব্যত সূতা পৰীক্ষা, সেন্দুৰ পৰীক্ষা আৰু ক্ষুৰৰ পৰীক্ষাৰ কথা আছে। ৰাৱণৰ অশোক বনত চৈধ্যবছৰ বন্দী হৈ থকা সীতা পবিত্ৰ আছিলনে নাই তাক পৰীক্ষা কৰিবৰ কাৰণে সীতাক অগ্নিত নিক্ষেপ কৰি পৰীক্ষা কৰা হৈছিল।

---

* জল আৰু ঘট পৰীক্ষা আৰু শপত খোৱাৰ নিৰ্দ্দিষ্ট প্ৰথা আছে। বৃটিছসকলে ঘট আৰু জলৰ পৰীক্ষা উঠাই দিয়ে।

(৫৩ পৃষ্ঠাত চাওক)

# মাধৱ কন্দলিৰ বিষয়ে একেষাৰ

প্ৰিয় গোসাঁই,

মোৰ অক্ষমতা জনোৱা কাৰ্ডটো পাব পায় আৰু আপোনাৰ কন্দলি সংখ্যাও ওলাব পায়। মাধৱ কন্দলিৰ সময়, তেওঁ পৃষ্ঠপোষক 'ৰবাহ ৰজা' শ্ৰীমহামানিক্য বা মহামানিৰ ৰাজ্য তথা কন্দলিৰ ৰচনাৱলীৰ বিস্তৃ-তিৰ বিষয়ে আমি আজিও থিৰাংকৈ নাজানো বা থিৰাং কৰি লব পৰা নাই। এই বিষয়ত আমি উনবিংশ শতিকাৰ জ্ঞানকে ইফাল সিফাল কৰি চলি আছোঁ। মাধৱদেৱ, কন্দলি আৰু শঙ্কৰদেৱৰ 'সাতকাণ্ড ৰামায়ণ'ৰ প্ৰথম ছপা সংস্কৰণ উলিয়ায় ১৮১৯ চনত মাধৱ চন্দ্ৰ বৰদলৈয়ে। তেওঁ উদ্ধৃতি দিয়াৰ পৰা দেখা যায় 'জোনাকী'ৰ ৩য় ভাগৰ ১৮৫ পিঠিত কোনোৱে লিখামতে "মাধৱ কন্দলিৰ জন্মস্থান নওগাওঁৰ আলিপুখুৰীত হোৱা গতিকে তেওঁ জয়ন্তাৰ ৰজাৰ প্ৰজা আছিল" বুলি বৰদলৈয়ে ধৰি

---

(৫২ পৃষ্ঠাৰ পিছৰ পৰা)

গ্ৰন্থ পঞ্জী

১। মাধৱ কন্দলিৰ ৰামায়ণ—৺হৰিনাৰায়ণ দত্ত বৰুৱা।
২। কথা গুৰু চৰিত—৺উপেন্দ্ৰ চন্দ্ৰ লেখাৰু সম্পাদিত।
৩। মনসা কাব্য—কালিৰাম মেধি সম্পাদিত।
৪। অসম বুৰঞ্জী—গুণাভিৰাম বৰুৱা।
৫। A History of Assam এডৱাৰ্ড গেইট।
৬। অসম বুৰঞ্জী—হৰকান্ত সদৰামিন।
৭। অসমৰ লোক সংস্কৃতি—ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা।
৮। Medieval Assamese Society (অপ্ৰকাশিত) ডঃ সৰ্ব্বেশ্বৰ ৰাজগুৰু

—(০)—

লৈছে। ১৮৩৬ খ্ৰীষ্টাব্দত ল'ক ছাহাবে দিয়া জয়ন্তাপুৰৰ ৰজাৰ তালিকা চাই তাৰ মাজৰ বিজয়মাণিক্য, ধনমাণিক্য আৰু যশমাণিক্য নাম তিনিটা লৈ তাৰে এটা মহামাণিক্য নামৰ লগত একে হব পাৰে বুলিও তেওঁ ভাবিছে। বৰদলৈৰ দৰে পিছৰ পণ্ডিতসকলেও (হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা, কালিৰাম মেধি আদি) নামৰ শেষত 'মাণিক' বা 'মাণিক্য' থকা ৰজা বিচাৰি, তেনে ৰজাৰে কন্দলিৰ একত্ব স্থাপন কৰিবলৈ বিচাৰিছে। এনেকুৱা ৰজাৰ ভিতৰত ১৮শ বছৰৰ "বাঁহী"ত পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে উলিওৱা মহামাণিক্য-ফা (তেওঁৰ পুতেক মাণিক-ফা) নামটোৰ লগতে আটাইতকৈ ওচৰা-উচৰি "ধ্বনিগত" মিল হ'ল শ্ৰীমহামাণিক্য বা মহামাণিকফা নামৰ। তেওঁৰ পিতৃ বিক্ৰমাদিত্য ফাই সোণাপুৰত ৰাখি নিজে লক্ষ্মীন্দ্ৰপুৰত (?) ৰজা হৈছিল। মহামাণিক্যই পুতেক মাণিকফাক লক্ষীন্দ্ৰপুৰত ৰজা পাতি নিজে পাটহেড়ম্বত অৰ্থাৎ আজিৰ ডিমাপুৰত ৰজা হয়। গোস্বামীৰ মতে মহামাণিক্য আৰু কন্দলি ১২৬৯ শকৰ লোক বুলি অনুমান কৰিব পাৰি। মাধৱ কন্দলিৰ ঘৰ ক'ত, সেইটোহে গোস্বামীয়ে শিক্ষিত ডেকাসকলৰ অনুসন্ধান লৈ এৰিছে। পণ্ডিতসকলৰ বিভিন্ন মতৰ লগত সেই ঘৰ ত্ৰিপুৰাৰ পৰা কপিলী উপত্যকালৈকে বিভিন্ন কোনো স্থানত স্বীকৃত হবলগীয়া হয়। পণ্ডিত গোস্বামীৰ উদ্ধৃত বুৰঞ্জীৰ মূল খণ্ড পঢ়িলে আকৌ সেই স্থান উজনিৰ বৰহাট, বানকেৰা আদি অঞ্চলত যেনহে লাগে। এইভাৱে কন্দলিৰ ঘৰ হৈ পৰে পথাৰৰ মাজৰ মুঢ়া। যেনিয়ে পোনায় সেই ফালেই পোন। এইটি আমাৰ বাবে প্ৰশংসাৰ বিষয় নহয়।

কন্দলিয়ে কেইকাণ্ড লিখিছিল, সিও এটা প্ৰশ্ন। বৰদলৈয়েই পোনতে এটা কথা কৈ এই বিষয়ত এটা myth তৈয়াৰ কৰি দিলে। তেওঁ কৈছে, "ৰামায়ণ সাতোকাণ্ড মাধৱ কন্দলিয়েই সংস্কৃত মূলৰ পৰা অসমীয়া ভাষাত ভাঙি যে পদ কৰিছিল, তেওঁ নিজে লঙ্কাকাণ্ডৰ শেষত দিয়া ভণিতাৰ দ্বাৰায় জানিব পৰা হৈছে। কিন্তু আমি এতিয়া দেখিছো অসমীয়া ৰামায়ণৰ আদিকাণ্ড মাধৱদেৱৰ দ্বাৰায় আৰু শেষ উত্তৰাকাণ্ড শঙ্কৰদেৱৰ দ্বাৰায় অসমীয়া ভাষাত পদবন্ধে ৰচিত হয় আৰু বাকী পাঁচ কাণ্ড অযোধ্যা, অৰণ্য, কিষ্কিন্ধা, সুন্দৰা আৰু লঙ্কাকাণ্ড মাধৱ কন্দলিৰ থাকে। শঙ্কৰদেৱৰ উত্তৰাকাণ্ডত দিয়া ভাঙনি দ্বাৰাই দেখা গৈছে যে, মাধৱ কন্দলিৰ সময়ত ৰাজ্যত কোনো উপদ্ৰৱ নাছিল। পিছত কছাৰি ৰজাক নগাওঁৰ পৰা খেদি পঠোৱাত ৰাজ্য বিপ্লৱ হয়। আৰু সেই বিপ্লৱত মাধৱ



কন্দলিৰ হাতে লিখা আদিকাণ্ড আৰু উত্তৰাকাণ্ড নষ্ট হয়, কেৱল বাকী পাঁচকাণ্ড থাকে। শঙ্কৰ আৰু মাধৱদেৱে সেই পাঁচকাণ্ড মাত্ৰ পায়। ৰামায়ণ পুথিখনি অসম্পূৰ্ণ হৈ থকা দেখি মাধৱদেৱে আদি কাণ্ড আৰু শঙ্কৰদেৱে উত্তৰাকাণ্ড মূল সংস্কৃতৰ পৰা ভাঙি অসমীয়া ভাষাত পদ কৰে।'

ইয়াত বৰদলৈৰ সহজ বৰ্ণনাত মাধৱ কন্দলিয়ে ৰামায়ণৰ সাতোকাণ্ড লিখাৰ কথা আৰু কছাৰি-বিপ্লৱত আদি আৰু উত্তৰাকাণ্ড হেৰোৱাৰ কথা আনুমানিক কাল্পনিক মাত্ৰ। কিন্তু পিছৰ লেখক সকলে তাকে বুৰঞ্জীৰ সত্যৰ নিচিনাকৈ ধৰি তাক গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত মাধৱ কন্দলিৰ ৰামায়ণত সাতকাণ্ড আছিল বুলি ধৰি লোৱা হৈছে, কাৰণ লঙ্কাকাণ্ডৰ অন্তত 'সাতকাণ্ড'ৰ কথাটো আছে। কিন্তু শব্দটো প্ৰক্ষেপো হ'ব পাৰে—অন্ততঃ শঙ্কৰদেৱ, মাধৱদেৱৰ, আদি উত্তৰাৰ সংযোগৰ সময়ৰ পৰাই সেই সম্ভাৱনা। দুজনা গুৰুৱে দুই কাণ্ড ৰচনা কৰাৰ উল্লেখ থকা 'গুৰু-চৰিত-কথা'তো কন্দলিৰ কাণ্ড দুটা থাকি হেৰোৱাৰ কথা যে নাই সি কথা মন কৰিবলগীয়া। আৰু মন কৰিবলগীয়া—দুৰ্গাবৰ, অনন্ত কন্দলি, অনন্ত কায়স্থ ৰঘুনাথ, কোনোজনেই আদি আৰু উত্তৰাকাণ্ড ৰচনা কৰা নাছিল। 'সাতকাণ্ড ৰামায়ণ'ৰ ধাৰণাটোৱেই যেন অসমত অৰ্বাচীন।

আপোনাৰ মাধৱ কন্দলিৰ সংখ্যাই এনেদৰে প্ৰশ্নৰ অন্ততঃ কিছু উত্তৰ বোধ হয় দিব। মাধৱ কন্দলি নামৰ কবি পিছৰ যুগতো দুই কি এজন ওলাইছিল। তেওঁলোকৰ ৰচনা কন্দলিৰ অপূৰ্ব ৰচনাৰ গুণৰ ওচৰেদিও নাযায়। বৰ্ত্তমানে প্ৰাপ্য কন্দলিৰ ৰামায়ণত বহুতো প্ৰক্ষিপ্ত পদ আছে। মোৰ এজন গৱেষণাৰ ছাত্ৰই (শ্ৰীৰামচৰণ ঠাকুৰীয়া) সেইবোৰ বাছি আছে। তেওঁৰ ইয়ালৈ অহাত আপোনাৰ সত্‌কাৰ্য্যলৈ (বিশেষ সংখ্যা) মনত পৰি চিঠি দিলোঁ। সংখ্যাটো ওলালে পঠাব। শ্ৰদ্ধা জানিব।

পাটিআলা                                   আপোনাৰ—

২০-১-৮২                              ড° মহেশ্বৰ নেওগ

# ॥ মাধৱ কন্দলি ॥

ডঃ মহেশ্বৰ নেওগ

## ॥ পৰিচয় ॥

প্ৰাক্ শঙ্কৰী কবিসকলৰ ভিতৰত মাধৱ কন্দলি অপ্ৰতিদ্বন্দ্বিত ভাবে শ্ৰেষ্ঠ। শঙ্কৰদেৱে উত্তৰাকাণ্ড ৰামায়ণ অসমীয়া পদলৈ ভাঙোতে শ্বেক্‌ছপিয়েৰে তেওঁৰ পূৰ্ববতী নাট্যকাৰ মাৰ্লোক অভিবাদন জনোৱাৰ দৰে মাধৱ কন্দলিক 'পূৰ্ব কবি অপ্ৰমাদী' বুলি স্বীকৃতি দিছে, আৰু কন্দলিক হস্তী আৰু নিজকে শহাৰ লগত বিজাইছে। মাধৱ কন্দলিয়ে নিজৰ পৰিচয় দিওঁতে ৰামৰ প্ৰতি একান্ত ভক্তি প্ৰদৰ্শন কৰি কৈছে,

> কবিৰাজ কন্দলিয়ে আমাকেসে বুলিৱয়
> মাধৱ কন্দলি আৰো নাম।
> সপোনে সচিতে মক্তি জ্ঞান কায় বাক্য মনে
> অহনিশে চিন্তো ৰাম ৰাম॥

স্থানান্তৰত তেওঁ নিজকে মাধৱ কন্দলি বিপ্ৰ বা দ্বিজবৰ মাধৱ কন্দলি বুলিছে। তেওঁ যে জ্ঞান-গৰিমাশালী এজন শ্ৰেষ্ঠ ব্ৰাহ্মণ আৰু কবি শিৰোমণি, তাত সন্দেহ নাই। তেওঁৰ কবিৰাজ উপাধিটি সম্ভৱতঃ তেওঁৰ পৃষ্ঠপোষক ৰজাৰ পৰা বা কোনো পণ্ডিত-সমাজৰ পৰা কবি বা পণ্ডিতৰূপে লাভ কৰিছিল বুলি অনুমান কৰিব পাৰি। আনফালে "কন্দলি"ও কেইবাজনো প্ৰাচীন অসমীয়া কবিৰ (ৰুদ্ৰ কন্দলি, অনন্ত কন্দলি, শ্ৰীধৰ কন্দলি, ৰুচিনাথ কন্দলি) আৰু কেইবাঘৰো আহোম ৰজাৰ কটকীৰ (ৰত্ন কন্দলি, মাধৱ কন্দলি, সাগৰ কন্দলি, চন্দ্ৰ কন্দলিৰ নাম বুৰঞ্জীত লিপিবদ্ধ আছে) উপাধি স্বৰূপে দেখা পোৱা যায়। কন্দলি কবি কেইজন পাণ্ডিত্য-খ্যাতি-সম্পন্ন লোক; আৰু ৰজাৰ কটকী বুলিলেও



সুশিক্ষিত লোক আছিল বুলি অনুমান কৰিব পাৰি। অনন্ত কন্দলিয়ে নিজৰ বিষয়ে লিখিছে, 'তৰ্কত লভিলা নাম অনন্ত কন্দলি'। সম্ভৱতঃ কন্দলি উপাধি আছিল তাৰ্কিক পণ্ডিতসকলৰ। নগাওঁ জিলাৰ কন্দলি নামৰ ঠাইৰ লগত এই উপাধিৰ কি সম্পৰ্ক খাটাংকৈ ক'ব নোৱাৰি। অনন্ত কন্দলিৰ ঘৰ এই অঞ্চলতে আছিল বুলি এটি মত আছে। মাধৱ কন্দলিয়ে লিখিছে,

> কবিৰাজ কন্দলিয়ে আমাকেসে বুলিৱয়
> কৰিলোহো সৰ্ব্বজন-বোধে।
> ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্যযে
> বাৰাহ ৰাজাৰ অনুৰোধে॥

বৰ্ত্তমানলৈকে শ্ৰীমহামাণিক্যৰ ৰাজ্য আৰু ৰাজত্বকাল সন্দেহাতীত-ৰূপে নিৰূপণ কৰিব পৰাটো সম্ভৱ হোৱা নাই। কন্দলিৰ ৰামায়ণৰ প্ৰথম মুদ্ৰিত সংস্কৰণ প্ৰকাশ কৰোঁতে মাধৱচন্দ্ৰ বৰদলৈয়ে তেওঁৰ পাতনিত অনুমান কৰিছিল, শ্ৰীমহামাণিক্য জয়ন্তা-পুৰৰ জয়ন্তা-কছাৰী ৰজা বিজয়মাণিক, ধনমাণিক আৰু যশমাণিক, এই তিনিজনৰ এজন হ'ব লাগিব; জয়ন্তা পুৰৰ কছাৰী ৰজাসকলক বৰাহী ৰজা বুলি জনা গৈছিল, তেওঁলোকে নিজকে জয়ন্তাপুৰেশ্বৰ বুলিছিল আৰু দ্বাদশৰ পৰা চতুৰ্দশ শতিকালৈকে বৰ্ত্তমানৰ নগাওঁ জিলালৈকে বিস্তৃত এক বহল ভূমিখণ্ডত ৰাজত্ব কৰিছিল। বৰদলৈয়ে পুথিৰ 'বাৰাহ' শব্দটোৰ লগত বড়ো বা বৰো শব্দৰ সম্পৰ্ক আছে বুলি ভাবিছে। তেওঁ সিদ্ধান্ত কৰিছে যে, কন্দলি ৰামায়ণ চতুৰ্দশ বা পঞ্চদশ শতিকাৰ ৰচনা আৰু কবি হ'ল আধুনিক নগাওঁ জিলাৰ লোক। কিন্তু গেইটে বিজয়মাণিক আৰু ধনমাণিকৰ সম্ভৱপৰ ৰাজত্বকাল ১৫৬৪-৮০ আৰু ১৫৯৬-১৬০৫ খ্ৰীষ্টাব্দ বুলি নিৰূপণ কৰিছে। এনে স্থলত শঙ্কৰদেৱৰ পূৰ্বৱৰ্ত্তী মাধৱ কন্দলিক ই দুজনা ৰজাৰ এজনেৰেও এক বুলি কোৱা টান। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এঠাইত লিখিছে, মহামাণিক্য বৰাহী-কছাৰীসকলৰ ৰজা আৰু তেওঁ চতুৰ্দশ শতিকাৰ মাজভাগমানত ডিমাপুৰত ৰাজত্ব কৰিছিল। এখন পুৰণি আহোম বুৰঞ্জীমতে বৰাহী ৰজাসকলৰ সপ্তম পুৰুষ, মহামাণিক্যৰ পৰিনাতি ডেট্‌চিং আহোম দিহিঙীয়া ৰজাৰ সমসাময়িক আছিল। পণ্ডিত গোস্বামীয়ে লিখিছে, বৰাহীসকল হ'ল হিন্দু ধৰ্ম গ্ৰহণ কৰা কছাৰীসকলৰ এটা শাখা। আহোমসকলৰ আগমনৰ আগতে বৰাহী

ৰজাসকলে শদিয়াৰ ওচৰৰ কোনোবাখিনিৰ সোণাপুৰত ৰাজধানী পাতি ব্ৰহ্মপুত্ৰৰ সমস্ত দক্ষিণ পাৰ শাসন কৰিছিল। তেওঁৰ সম্ভৱপৰ কাল হ'ল ১৩৪৭ খ্ৰীষ্টাব্দ। গোস্বামীয়ে উল্লেখ কৰা আহোম বুৰঞ্জীখন 'কছাৰী বুৰঞ্জী' নামে ডঃ সূৰ্যকুমাৰ ভূঞাৰ দ্বাৰা সম্পাদিত হৈ প্ৰকাশ পাইছে। ইয়াত ৰজাজনৰ নাম মহামানিফা-ৰূপেহে আছে। সম্ভৱতঃ ছশ বছৰৰ আগৰ এখন পুথিৰ কোনোবা লিপিকাৰে কৰা প্ৰমাদ হেতুকে এই মহামানিফা নামটোৱেই মহামানিক্যত পৰিণত হৈছে। অসম, জয়ন্তা আৰু ত্ৰিপুৰাৰ ৰজাসকলৰ নামৰ পিছত 'ফা' অক্ষৰটি দেখাপোৱা যায়। মাধৱ কন্দলিয়ে এঠাইত ৰজাৰ নাম দিছে 'মহামাণি', এইটোও মন কৰিব লগীয়া। ডেট্চিং বা ডেবচোংফাৰ সমসাময়িক দিহিঙীয়া ৰজাৰ ৰাজত্বকাল ১৪৯৫-১৫৩৯ খ্ৰীষ্টাব্দ, গতিকে মহামানিফাৰ সময় চতুৰ্দশ শতিকাৰ মাজভাগ ধৰাটো অসমীচীন নহব। কছাৰী বুৰঞ্জীত থকা নামচাং, বৰহাট, সোণাপুৰ, বাণপুৰ আদি নামৰ পৰা কছাৰীসকলৰ ৰাজধানী বৰ্তমান শিৱসাগৰ মহকুমাৰ বাণফেৰা, সোণাৰি, বৰাহী আদি চাহ-বাগিচাবোৰৰ অঞ্চলতে ক'ৰবাত আছিল বুলি বেণুধৰ শৰ্মাই ভাবিব খোজে। কনকলাল বৰুৱাই হেমচন্দ্ৰ গোস্বামীৰ মতকে সমৰ্থন কৰি কন্দলিক চতুৰ্দশ শতিকাৰ শেষভাগৰ বুলি লৈছে, আৰু কৈছে, বৰাহী ৰজাসকলে হয়তো এসময়ত নগাৱঁৰ কপিলী উপত্যকাত ৰাজত্ব কৰিছিল। কালিৰাম মেধীয়ে কন্দলিক চতুৰ্দশ শতিকাৰ মধ্যভাগৰ বুলি ধৰি শ্ৰীমহামানিক্যক ত্ৰিপুৰাৰ ৰজা বুলিছে। মহামানিক্য নামে এজন ৰজাই ত্ৰিপুৰাত ১৩৯৬ ৰ পৰা ১৪০৬ ছনলৈকে ৰাজত্ব কৰিছিল। তেওঁৰ কোনো পূৰ্ব-পুৰুষ কপিলী উপত্যকাত ৰজা হৈছিল; আৰু তেওঁৰ পৰৱৰ্তী ৰজা ধৰ্মমাণিক্যৰ দিনত শুক্ৰেশ্বৰ আৰু বাণেশ্বৰ নামে দুজন অসমীয়া কবিয়ে 'ত্ৰিপুৰা-ৰাজমালা' ৰচনা কৰিছিল। ড° কাকতিয়ে শ্ৰীমহামাণিক্যক জয়ন্তাপুৰৰ কছাৰী ৰজা আৰু কন্দলিক বৰ্তমানৰ মধ্য অসম বা নগাৱঁৰ মানুহ বুলিছে, তেওঁ ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা কন্দলিৰ সময় চতুৰ্দশ শতিকাৰ পিছলৈ যাব নোৱাৰে বুলি দৃঢ় মত প্ৰকাশ কৰিছে। কন্দলিৰ ভাষাত পিছৰ যুগত অপ্ৰচলিত ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বিশেষত্ব দেখা পোৱা যায়। এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি, কামৰূপৰ পাল বংশৰ ৰজা ইন্দ্ৰপাল আৰু ধৰ্মপালে তেওঁলোকৰ তাম্ৰশাসনত নিজকে বাৰাহ বা শ্ৰীবাৰাহ উপাধিৰে বিভূষিত কৰিছে। কথা-গুৰু চৰিতত শঙ্কৰদেৱৰ শিক্ষক মাধৱ মন্দলিৰ টোল পৰিদৰ্শন কৰিবলৈ অহা ৰাঘ' আচাৰ্যৰ গুৰুৰ নাম মাধৱ কন্দলি বুলি আছে। এই মাধৱ কন্দলিও ৰামায়ণৰ কবিজনেৰে একে হোৱা অসম্ভৱ নহয়। শঙ্কৰদেৱে মহেন্দ্ৰ কন্দলিৰ টোলত পঢ়োঁতে মাধৱ কন্দলি জীৱিত আছিল নে নাই, চৰিত-খনিত তাৰ একো ইঙ্গিত নাই; কিন্তু তেওঁ ১৪০০ খ্ৰীষ্টাব্দ মানত জীৱিত আছিল বুলি অনুমান কৰিব পাৰি। এইদৰে মাধৱ কন্দলিৰ স্থান আৰু কাল সম্পৰ্কে নানা আলোচনাত প্ৰবৃত্ত হ'ব পাৰি; আৰু নিশ্চিতৰূপে একো ক'ব নোৱাৰিলেও চতুৰ্দশ শতিকাই কবিৰ কাল বুলি ধৰি ল'ব পাৰি। এই কালৰ পৰা বিচাৰ কৰিলে এই সুন্দৰ ৰামায়ণখনি কৃত্তিবাসী বা তুলসী ৰামায়ণনতকৈ আগৰ বস্তু হয়। কৃষ্ণকান্ত সন্দিকৈয়ে আঙুলিয়াই দেখুৱাইছে যে ইমান দিনৰ আগৰ ভাষা-ৰামায়ণৰূপে মূল ৰামায়ণৰে পাঠ নিৰূপণত আৰু তাৰ ইতিহাস চৰ্চাত ইখনি বিশেষ প্ৰয়োজনীয় বিৱেচিত হ'ব।

## ॥ ৰামায়ণ ॥

মাধৱ কন্দলিৰ ৰামায়ণৰ সকলো পুথিতেই আদি আৰু উত্তৰকাণ্ড পোৱা নাযায়। সম্ভৱতঃ এই দুই কাণ্ড কন্দলিয়ে ৰচনা কৰাই নাছিল। শঙ্কৰদেৱৰ দিনতে কন্দলিৰ সেই দুটা কাণ্ড পোৱা হোৱা নাছিল; আৰু সেই দেখিহে মহাপুৰুষ দুজনে দুয়োটা ৰচনা কৰি সংযোগ কৰিব লগীয়া হৈছিল। কন্দলিৰ লঙ্কা-কাণ্ডৰ শেষতে 'সাতকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো লম্ভা পৰিহৰি সাৰোদ্ধৃতে' বুলি কেৱাৰ পৰা কি অনুমান কৰিব পাৰি, ক'ব নোৱাৰোঁ। ইয়াৰ সাত কাণ্ড কথাটো লিপিকাৰৰ উণ্ডাৱন হোৱাও অসম্ভৱ নহয়। এইটো মন কৰিব লগীয়া যে মাধৱ কন্দলি, অনন্ত কন্দলি, দুৰ্গাবৰ কায়স্থ, অনন্ত কায়স্থ আৰু ৰঘুনাথ মহন্তৰ কেয়োখন পুৰণি অসমীয়া ৰামায়ণতে আদি আৰু উত্তৰকাণ্ডৰ অভাৱ, এই কথাই বাল্মীকিৰ ৰামায়ণৰে মূলতে মাজৰ পাঁচ কাণ্ড মাত্ৰ আছিল বোলা প্ৰাচ্যতত্ত্ববিদ পণ্ডিতসকলৰ মতবাদলৈ পাঠকৰ মন নিশ্চয় আকৰ্ষণ কৰিব। কথাগুৰু-চৰিতত আৰু এটা কথা কেৱা হৈছে যে অনন্ত কন্দলিয়ে 'মাধৱ কন্দলিৰ কবিতা ৰামায়ণ চাকি তুচকৈ গুচাবৰ মন দিলে' দেখি শঙ্কৰদেৱে মাধৱদেৱেৰে লগ লাগি প্ৰথম আৰু শেষ কাণ্ড ৰচনা কৰাত সি 'কাপৰ-গাৰি দৰে আগ-গোৰ সমে ৰ'ল, উপদেশ আঁচুফুল

হ'ল। আগে উপদেশ নাই, শুভ শুভহে আছিল আধ্যাত, ছোট আতা দিছে।' মাধৱদেৱে এইদৰে মাধৱ কন্দলিৰ ৰামায়ণ সম্পাদন কৰাটো মন কৰিব লগীয়া কথা।

মাধৱ কন্দলি আছিল মনোৰম কথক। 'কন্দলি বোলন্ত মহামানিয়ে শুনন্ত'—এনে উক্তিৰ পৰা ৰামায়ণৰ পদখিনি কবিয়ে ৰজাৰ আগত আবৃতি কৰি থকাৰ দৃশ্য কল্পনা কৰিব পাৰি। তেওঁ মূল ৰামায়ণৰ অধ্যায় বিভাগ পৰিহাৰ কৰি একোটা প্ৰসঙ্গ শেষ হোৱাৰ লগে লগে 'মাধৱ বোলন্ত ঐত আছো এহিমান' বুলি নতুন বিষয়লৈ সংক্ৰমণ কৰিছে। তেওঁ সাধাৰণতে মূলৰ লগত সম্পৰ্ক ৰাখি চলিছে আৰু মূলৰ শ্লোকবোৰ শক্তিশালীভাৱে চমু কথাত অৰ্থ প্ৰকাশক কৰি অনুবাদ কৰিছে। 'দেশে দেশে কলত্ৰাণি দেশে দেশে চ বান্ধৱাঃ। তং তু দেশং ন পশ্যামি যত্ৰ ভ্ৰাতা সহোদৰঃ॥'—লঙ্কাকাণ্ডৰ এই বিখ্যাত শ্লোকটি তেওঁ দুটা চমু শাৰীতে সুন্দৰকৈ অনুবাদ কৰিছে এইদৰে,

ভাৰ্যা পুত্ৰ বন্ধু যত পাই যথা তথা।
হেন নতু দেখোঁহো সোদৰ পাই কথা॥

কন্দলিয়ে অবিৰতভাৱে মূলৰ কাষে কাষে চলিবলৈ, মূলৰ কথাখিনি চমু কৰিবলৈ আৰু তেওঁৰ ৰচনাত মনেপতা কথা (লম্ভা) সোমাবলৈ নিদিবলৈ যত্ন কৰিছে; কিন্তু তেওঁ স্বীকাৰ কৰিব লগা হৈছে,

সাতকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোদ্ধৃতে।
মহামাণিক্যৰ বোলে কাব্যৰস কিছো দিলো
দুগ্ধক মথিলে যেন ঘৃতে॥

সৌন্দৰ্যত আৰু মহত্ত্বত বাল্মীকিৰ ৰচনা বেদৰ সদৃশ—'মহাঋষি বাল্মীকিয়ে ৰামায়ণ কৰিলন্ত সাক্ষাতে জানিবা যেন বেদ' কিন্তু এই বুলি কৈও কবিয়ে আকৌ লিখিছে,

শুনিলাহা সামাজিক ৰানৰ চৰিত্ৰ।
নানাৰসে ৰসৱন্ত পৰম পৱিত্ৰ॥
বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য-পদ্য ছন্দে।
তাহাক বিচাৰ আমি কৰিয়া প্ৰবন্ধে।
আপুনাৰ বুদ্ধি অৰ্থ যিহত বুঝিলো।
সংক্ষেপ কৰিয়া তাক পদ বিৰচিলো॥



সমস্ত ৰসক কোনে জানিবাক পাৰে।
পক্ষীসৱ উৰয় যেন পথা অনুসাৰে॥
কবিসৱ নিবন্ধয় লোক-ব্যৱহাৰে।
কতো নিজ কতো লম্ভা কথা অনুসাৰে॥
দেৱবাণী নুহি ইটো লৌকিকহে কথা।

আন এঠাইত আকৌ তেওঁ লিখিছে,

পুস্তক বিচাৰি যেৱে তৈত কথা নপাৱাহা
তেৱে সৱে নিন্দিবা আমাক।

কন্দলিয়ে যদিও কথা চমুৱাবৰ কাৰণে আৰু 'পুস্তক'ত থকা কথা মাত্ৰ সন্নিৱেশ কৰাত তৎপৰ হৈছে, তথাপি তেওঁ কাব্যৰস বৰ্ধক বা আদি-ৰসাভাস থকা দুই-এটি ইঙ্গিত প্ৰয়োগ কৰাৰ সুবিধা এৰা নাই। ৰাম অকলশৰে বনলৈ যাবলৈ ওলোৱাত সীতাই কৈছে,

চম্পক-কলিকা যেন মোৰ কলেৱৰ।
লুণ্ডি-ঘুণ্ডি আছিলাহা যেহেন ভ্ৰমৰ।
যেৱে আসি বিকশিত হৈল ফুল ফল।
উপভোগ এৰি কেনে কৰাহা নিষ্ফল॥

কিষ্কিন্ধ্যাকাণ্ডত 'চম্পক-মালতী-গন্ধে' ৰামৰ 'শৰীৰক দহে মদনৰ পাঞ্চ বাণ'। 'কাম আতিৰেক'ত ৰামৰ 'একগোটা দিনে যায় এক বৰিষেক'। সুন্দৰ কাণ্ডতো সেইদৰে তেওঁ সীতাৰ কথা সুঁৱৰিছে, 'মদনে দগধ দেহা আমাক সুমৰি…তৰুণৰ কাল অকাৰণে গৈল বই'।

যুদ্ধ আৰু অন্যান্য কাৰ্যৰ বৰ্ণনা, স্থান প্ৰাসাদ আৰু প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্ণনা, মানৱ-সৌন্দৰ্য আৰু কদৰ্যৰ বৰ্ণনা সকলোবিলাক জীৱন্ত, গতিশীল আৰু মনোৰম। এনে ধৰণৰ চিত্ৰৰ বিষয়ত সুন্দৰা-কাণ্ড বিশেষ চহকী। মাধৱ কন্দলিয়ে অতি কম কথাৰে সৌন্দৰ্যক মনোৰম আৰু কদৰ্যক ভয়ঙ্কৰ কৰি তুলিব পাৰে। জীৱন আৰু জীৱনৰ নানা প্ৰচেষ্টা, নগৰ আৰু অৰণ্যৰ বৰ্ণনাৰ বিষয়ত কবিয়ে অসমীয়া জীৱন-পদ্ধতি আৰু অসমৰ উদ্ভিদ আৰু প্ৰাণী-জগতৰ প্ৰতি সততে দৃষ্টি ৰখা যেন লাগে। সংলাপ অংশবোৰ সাধাৰণ কথা-বতৰাৰ শাৰীলৈ প্ৰায় ঠাইতে নমাই অনা হৈছে। কন্দলিৰ লেখাত এটি ৰাংঢালী প্ৰকৃতিৰ পৰিচয় পোৱা যায়; উপমা বা চিত্ৰকল্পৰূপেই হওক, কিম্বা ভাষাৰ জতুৱা প্ৰয়োগৰ যোগেদিয়েই হওক, ঠায়ে ঠায়ে তেওঁৰ হাস্যানুভূতিয়ে তেওঁৰ ৰচনাক

সোৱাদ কৰি তুলিছে। জতুৱা কথ্য আৰু ঘৰুৱা প্ৰকাশ-ভঙ্গি তেওঁৰ ৰচনাৰ এটি বিশিষ্ট আকৰ্ষক লক্ষণ। দুই-এটা খণ্ডবাক্যত আজিৰ অভিৰুচিমতে হয়তো কোনোৱে গ্ৰাম্যতাদোষ দেখা পাব পাৰে; কিন্তু সাধাৰণলোকৰ কাৰণেহে কন্দলিৰ এই কাব্য প্ৰচেষ্টা।

যদিও কন্দলিৰ ৰামায়ণ তেওঁৰ মৌলিক ৰচনা নহয়, তথাপি তেওঁৰ কাব্যত সমসাময়িক দুই এটি কথাৰ প্ৰতি ইঙ্গিত পৰা যেন লাগে। বাণৰ সৈন্য-যূথৰ বৰ্ণনা কৰোঁতে 'আকাশ ছানিয়া যেন ফৰিঙ্গ উড়ান্ত' বুলি লিখোঁতে দেশত কাকতি ফৰিঙ্গৰ তৎকালীন কোনো আক্ৰমণৰ স্মৃতি বৈ যাব পাৰে। অযোধ্যা-কাণ্ডত দশৰথৰ মৃত্যুৰ পিছত অযোধ্যাৰ পাত্ৰ-সকলৰ কথা কওঁতে 'সন্দিকৈ' শব্দৰ ব্যৱহাৰ কৰাটো এটি লক্ষ্য কৰিব লগীয়া কথা; এই উল্লেখ আহোম ৰাজত্বৰো প্ৰভাৱ হ'ব পাৰে। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, কায়স্থ আদিৰ উল্লেখৰ লগে লগে তেলী, তাঁতী; সোণাৰি, কঁহাৰ, শংখাৰি, বণিয়া, চমাৰ, সূতাৰ, ধোবা, হাড়ি আদিৰ উল্লেখ মন কৰিবলগীয়া। নট আৰু যোগীসকলৰ কথা যেন অলপ হেয় ভাব ৰাখি কোৱা হৈছে। ৰাম বনবাসলৈ যাওঁতে তেওঁৰ পিছত লৰ ধৰা লোক-সকলৰ ভিতৰত যোগীৰ চিত্ৰ—

যোগীৰ কান্ধত কানি-জুলি যত
হাতে দোৱাদশ কাঠি।
লৰৱন্তে লৰ- ৱন্তে পাছে চান্তে
হিয়ামানে গৈল ফাটি॥
পাইলেক ভাগৰ ভোকণ্ডা কাষৰ
সবে পৰি গৈল খসি।
মুখে শিৱ শিৱ সুমৰন্তে আতি
পলাইলা যত তপসী॥
আস বুলি যোগী আছাৰি পেলাইল
পূজাৰ দেৱতামান।
পূজিবাক লাগি পাছে পাইবো দেৱ
থাকয় যেৱে পৰাণ॥

ঠায়ে ঠায়ে বাসুদেৱ-বিষ্ণুৰ কথা আৰু বিষ্ণুৰে ৰামৰূপে অৱতাৰ ধৰাৰ কথা থাকিলেও শৈৱ আৰু শাক্ত ধৰ্মৰ লগত কবি বিশেষ ভাবে পৰিচিত যেন লাগে। শক্তি-পূজাত ছাগ বলি দিয়া প্ৰথাৰপৰা কন্দলিয়ে কেইবাঠাইতো ব্যৱহাৰ কৰা 'অষ্টমীৰ ছাগ' উপমাটি আছিছে। চণ্ডী আৰু ৰণ-চণ্ডীৰ উল্লেখ অনেক ঠাইতে আছে। মন্ত্ৰ, ৰক্ষা-মন্ত্ৰ আৰু গণপতি-ঘটৰ উল্লেখো ঠায়ে ঠায়ে পোৱা যায়। অন্ত্যেষ্টি ক্ৰিয়াৰ অন্তৰ্গত আম-কাঠেৰে (আম-গাণ্ডি) শৱ দাহ কৰা, 'খোচনি-দাণ্ডি' ব্যৱহাৰ কৰা, দশ-পিণ্ড, কাক-বলি, স্নান-বলি আদিৰ কথা অলপ বহলাকৈ লিখা হৈছে। স্ত্ৰী-আচাৰৰ কথাও আছে। এই বিলাকৰ পৰা কন্দলি ৰামায়ণত এটি স্থানীয় গুৰুত্ব আৰোপিত হৈছে।



মাধৱ কন্দলিৰ ৰামায়ণে বাস্তৱ জীৱন-পদ্ধতি, মনোৰম কথকতা আৰু সুকুমাৰ কবিতাৰে আমাৰ মনত এটি আহ্লাদৰ সৃষ্টি কৰে। তেওঁৰ ভাষাত কথ্য অসমীয়া ভাষাৰ এটি সাধু বা সাহিত্যিক ৰূপ প্ৰতিষ্ঠিত ভাৱে দেখা পাওঁ। এই ভাষা সঙ্গীতেৰে মুখৰ, ৰূপক উপমা উৎপ্ৰেক্ষা আদি সহজ কাব্যালঙ্কাৰেৰে বিভূষিত। মাধৱ কন্দলিয়ে তেওঁৰ সুন্দৰ শব্দ-চয়ন আৰু ভাষাৰ সাঙ্গীতিক গুণেৰে এইদৰে শঙ্কৰদেৱ আদি বৈষ্ণৱ কবিসকলৰ নিমিত্তে এটি বহল প্ৰকাশিকা শক্তিপূৰ্ণ ভাবৰ বাহন এৰি থৈ যায়। পিছৰ যুগৰ ৰামায়ণী সাহিত্যত মাধৱ কন্দলিৰ প্ৰভাৱ প্ৰভূত। দুৰ্গাবৰ কায়স্থ আৰু অনন্ত কন্দলিৰ ৰামায়ণত মাধৱ কন্দলিৰ প্ৰতিধ্বনি যথেষ্ট ব্যাপক ভাবে আছে। শঙ্কৰদেৱ আৰু মাধৱদেৱে মাধৱ কন্দলিক ভক্তিৰ শুচি প্ৰভাৱ সানি বৈষ্ণৱ সাহিত্যৰ শাৰীলৈ তোলা কাৰণে কন্দলি ৰামায়ণৰ প্ৰচলন 'কীৰ্ত্তন-ঘোষা' 'নাম-ঘোষা'ৰ দৰেই স্থায়ী হৈ ৰৈ গ'ল। পীতাম্বৰ কবি আৰু হৰিহৰ বিপ্ৰৰ ৰচনাৰ দৰে সি দুষ্প্ৰাপ্য হৈ নপৰিল; পিছৰ কালৰ ৰঘুনাথ মহন্তৰ ওপৰতো সেই দেখি কন্দলিৰ প্ৰভাৱ পৰাটো স্বাভাৱিক এটি ঘটনা মাত্ৰ।

অসমীয়া সাহিত্যত আৰু এজন বা একাধিক মাধৱ কন্দলি থকাটো অনুমান কৰিব পাৰি। 'দেৱজিত', 'তাম্ৰধ্বজৰ যুদ্ধ' আৰু 'পাতাল কাণ্ড' নামে তিনিখনি পুথিত মাধৱ কন্দলিৰ ভণিতা আছে। পিছৰ দুখন জৈমিনীৰাশ্বমেধৰ ওপৰত প্ৰতিষ্ঠিত। কেয়োখন পুথিৰে ভাষা অৰ্বাচীন আৰু অপ্ৰমাদী কবি মাধৱ কন্দলিৰ ভাষাৰ সৌন্দৰ্যৰহিত। গতিকে এই তিনিওখন উত্তৰ বৈষ্ণৱ যুগৰ ৰচনা বুলি অনুমান হয়।*

—(০)—

*ডঃ নেওগৰ নিৰ্দেশমতে 'অসমীয়া সাহিত্যৰ ৰূপৰেখাৰ' পৰা উদ্ধৃত। —সম্পাদক

# ॥ ৰবাহী ৰজা শ্ৰীমহামাণিক্য ॥

ডঃ পৰীক্ষিত হাজৰিকা

কবিৰাজ মাধৱ কন্দলিয়ে খৃষ্টীয় চতুৰ্দ্দশ শতিকাতে বাল্মীকিৰ সংস্কৃত ৰামায়ণখন অসমীয়া ভাষালৈ ভাঙনি কৰিছিল। এই কাৰ্য্যৰ পৃষ্ঠপোষক আছিল ববাহী কছাৰী ৰজা মহামাণিক্য। মহামাণিক্য, তেওঁৰ সময় আৰু ৰাজ্য সম্পৰ্কে বিভিন্ন পণ্ডিতে নানা মত পোষণ কৰিছে। ১৮৯৯ খৃষ্টাব্দত মাধৱচন্দ্ৰ বৰদলৈয়ে পোনতে মাধৱ কন্দলিৰ সপ্তকাণ্ড ৰামায়ণ ছপায়; তাৰে ভূমিকাত তেওঁ লিখিছে যে কছাৰী ৰাজ্যাক পূৰ্ব্বে ববাহী ৰজা বোলা হৈছিল। গতিকে মাধৱ কন্দলিয়ে পদত উল্লেখ কৰা ববাহী ৰজা মহামাণিক্য কছাৰী ৰজা আছিল। লঙ্কাকাণ্ডৰ সামৰণিত মাধৱ কন্দলিয়ে লিখিছে—

কবিৰাজ কন্দলিযে আমাকেসে বুলি কয়<br>
কৰিলোহো সৰ্ব্বজন বোধে।<br>
ৰামায়ণ সুপয়াৰ শ্ৰীমহা মাণিক্য যে<br>
বাৰাহ ৰাজ্যৰ অনুৰোধে ॥

এতিয়া প্ৰশ্ন হ'ল যে বাৰাহ ৰাজা শ্ৰীমহামাণিক্য কছাৰী গোষ্ঠীৰ হয় নে নহয়? এনেদৰে সন্দিহান হোৱাৰ নিশ্চয় কিছুমান কাৰণ আছে। বুৰঞ্জীবিদ কনকলাল বৰুৱাই এঠাইত লিখিছে যে মাধৱ কন্দলিয়ে বাৰাহ ৰাজা শ্ৰীমহামাণিক্য বুলি ত্ৰিপুৰাৰ ৰজা মহামাণিক্যৰ কথা কোৱাটো অসম্ভৱ নহয়। নতুবা এইটোও হব পাৰে যে ত্ৰিপুৰা আৰু হেড়ম্ব ৰাজ্যৰ একে সময়তে একে নামৰ দুজন ৰজা আছিল।[১] এই প্ৰসঙ্গত

১। K. L. Barua, 'The Ancient Tripura Kingdom in the Kapili Valley', J. A. R. S., Vol. III, No.2, P. 98.



পণ্ডিত কালিৰাম মেধিয়ে লিখিছে যে মাধৱ কন্দলি ত্ৰিপুৰা ৰজাৰ ৰাজ্যসভাৰ কবি হব পাৰে। 'বাৰাহ', 'ববাহ' বা 'ববাহী' শব্দটোৱে জয়ন্তীয়া বা আন মানুহকো বুজাব পাৰে।[২] একাদশ শতিকাৰ মাজভাগৰ কামৰূপৰ ৰজা ইন্দ্ৰপালে আৰু দ্বাদশ শতিকাৰ প্ৰথম ভাগৰ কামৰূপাধিপতি ধৰ্ম্মপালে তেওঁলোকৰ তাম্ৰশাসনত নিজকে 'বাৰাহ' বা শ্ৰীবাৰাহ' উপাধিৰে ভূষিত কৰিছে।[৩] অৱশ্যে এই 'বাৰাহ' বা 'শ্ৰীবাৰাহ' উপাধিৰ লগত কন্দলিৰ শ্ৰীমহামাণিক্যৰ কোনো সম্পৰ্ক নাই। আমাৰ সংশ্লিষ্ট চতুৰ্দ্দশ শতিকাত 'বাৰাহ' উপাধিধাৰী পাল বংশীয় কোনো ৰজা আছিল নে নাই সেইটো বিচাৰ্য্যৰ বিষয়। সেই শতিকাৰ ভিতৰত কামৰূপ কমতা ৰাজ্যৰ ৰজাসকল আছিল ক্ৰমে সিংহধ্বজ (১৩০০–১৩০৫ খৃঃ), প্ৰতাপধ্বজ (১৩০৫–১৩২৫খৃঃ), ধৰ্মনাৰায়ণ (১৩২৫–১৩৩০খৃঃ), দুৰ্লভনাৰায়ণ (১৩৩০–১৩৫০খৃঃ), ইন্দ্ৰনাৰায়ণ (১৩৫০–১৩৬৫খৃঃ), আৰিমত্ত (১৩৬৫–১৩৮৫খৃঃ) আৰু শুকৰাঙ্ক (১৩৮৫–১৪০০খৃঃ)।[৪] কামৰূপ-কমতা ৰাজ্যৰ পূব অঞ্চলত ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে ভূঞাসকলে শাসন চলাইছিল। ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে কলং-কপিলী নৈৰ পৰা পূবে দিখৌ নৈলৈকে থকা বিস্তৃত অঞ্চলটো আছিল কছাৰী ৰাজ্য। ইয়াৰ দক্ষিণ-পশ্চিমে জয়ন্তীয়া ৰাজ্য; তাৰ কাষতে থকা পশ্চিমৰ ৰাজ্যখনৰ নাম লাউৰ ৰাজ্য[৫] আৰু দক্ষিণে থকা ৰাজ্যখনৰ নাম গৌড় ৰাজ্য[৬]; গৌড় ৰাজ্যৰ দক্ষিণে ত্ৰিপুৰা ৰাজ্য। আনহাতে দিখৌ নৈ আৰু বুঢ়ী দিহিং নৈৰ মাজৰ ভূখণ্ডত চুকাফা নেতৃত্বাধীন আহোম সকলে ৰাজত্ব কৰিছিল। কছাৰী আৰু আহোম ৰাজ্যৰ দক্ষিণে নগা-বিলাকৰ ৰাজ্য। আহোম আৰু ভূঞা ৰাজ্যৰ পূবে ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে ছুটীয়া ৰাজ্য আছিল। এইয়া হ'ল ত্ৰয়োদশ আৰু চতুৰ্দ্দশ শতিকাৰ অসমৰ মানচিত্ৰ। ইয়াৰ ভিতৰতে আমাৰ আলোচ্য বিষয় ববাহী কছাৰী ৰজা শ্ৰীমহামাণিক্য আৰু তেওঁৰ ৰাজ্যৰ কথা থাকিব লাগে।

২। কালিৰাম মেধি, অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব, ১৯৩৬, ইংৰাজী ভূমিকা, পৃঃ ৮৩

৩। কামৰূপ শাসনাৱলী, ১৯৩১, পৃঃ ১২২, ১৫৪।

৪। K. L. Barua, Early History of Kamarupa, 1966, PP. 165, 178.

৫। Journal of the Assam Research Society. 1936. Vol. IV, No. I P. 24-27.

৬। Saniram Borah, Historical Atlas of Assam, 1918, P. 7 গৌড় ৰাজ্যখন দ্বাদশ শতিকাত বঙ্গৰ লগত চামিল হয়।

সেই সময়ৰ বাকীবিলাক ৰজাৰ ক্ষেত্ৰত 'বাৰাহ' 'শ্ৰীবৰাহ' বা 'বৰাহী' শব্দটো জাতিগতভাবে নাইবা উপাধি হিচাপে প্ৰয়োগ কৰাৰ ঐতিহাসিক প্ৰমাণ এতিয়ালৈকে পোৱা হোৱা নাই। ত্ৰয়োদশ শতিকাত (১২২৮ খৃষ্টাব্দত) আহোম স্বৰ্গদেউ চুকাফা দক্ষিণ-পূব কোণেদি অসমত সোমাওঁতে বৰাহী সকলৰ ৰাজ্য আছিল বুলি বুৰঞ্জীত উলেখ আছে। এই বৰাহী সকল হ'ল চুটীয়া জাতিৰ এটা উপজাতিৰ লোক।[৭] এওঁলোকৰ ৰাজ্যখন আছিল দক্ষিণে দিখৌ আৰু উত্তৰে দিচাং নৈৰ মাজৰ ক্ষুদ্ৰ অঞ্চলটোত। সেই ৰাজ্যৰ পূব সীমা নগাহাত আৰু পশ্চিম সীমা বৰাহিকিকা। ইয়াৰ কাষতে থকা মৰাণ ৰাজ্যৰ সীমা হ'ল—পূবে চফৰাই নদী, পশ্চিমে ব্ৰহ্মপুত্ৰ, উত্তৰে বুঢ়ী দিহিং আৰু দক্ষিণে দিচাংনৈ।[৮] ১২৪২ খৃষ্টাব্দত আহোম স্বৰ্গদেৱে মৰাণৰ ৰজা বদৌৱা আৰু বৰাহীৰ ৰজা থাকুমথাক মিত্ৰভাবে বশ কৰি মৰাণক খৰিভাৰী আৰু বাৰী চোৱা কৰি ললে, আনহাতে বৰাহীক কাঠকটীয়া, চাংমাই (ৰান্ধনি), ভঁৰালী, জৰাধৰা, বেজ, কুকুৰাচোৱা আদি বনুৱা কৰি ললে। যথাৰ্থতে ১২৫১ খৃষ্টাব্দৰ পৰাই মৰাণ আৰু বৰাহী ৰাজ্য স্বৰ্গদেউৰে লৈ ললে।[৯] অকল সেয়ে নহয় বৈৱাহিক সম্বন্ধেৰে সিবিলাকক আহোম সমাজৰ ভুক্ত কৰিও ললে।[১০] ইয়াৰ দ্বাৰা বুজা যায় যে চতুৰ্দ্দশ শতিকাত ওপৰুক্ত বৰাহী সকলৰ সুকীয়া ৰাজ্য নাছিল। গতিকে ৰামায়ণ ৰচক মাধৱ কন্দলিৰ পৃষ্ঠপোষক 'বাৰাহ ৰাজা শ্ৰীমহামাণিক্য' উক্ত বৰাহী ৰাজ্যৰ ৰজা নহয়। এই বৰাহী সকল চুটীয়া জাতিৰ এটা উপজাতি বুলি আগতে কৈ অহা হৈছে। অৱশ্যে চুটীয়াৰ উপজাতি হলেও তেওঁলোকে বৃহৎ বড়ো-গোষ্ঠীৰেই অন্তৰ্গত এটা ঠাল। তথাপি তেওঁলোক 'বৰাহী-কছাৰী' বুলি বুৰঞ্জীত পৰিচিত নহয়, কেৱল **'বৰাহী'** বুলিহে জনাজাত।

আনহাতে সুকীয়া কছাৰী ৰাজ্যৰ প্ৰাচীনতা আৰু বিস্তৃতি সম্পৰ্কে অসমৰ পুৰণি বুৰঞ্জী বিলাকত পোৱা যায়। প্ৰমাণৰ খাতিৰত সেইবোৰৰ উদ্ধৃতি ইয়াত নিষ্প্ৰয়োজন। প্ৰকাশিত 'কছাৰী বুৰঞ্জী'ৰ ইংৰাজী ভূমিকাত

৭। গুণাভিৰাম বৰুৱা, আসাম বুৰঞ্জী, ১৯৭২, পৃঃ ১৯।
৮। সৰ্বানন্দ ৰাজকুমাৰ, ইতিহাসে সোঁৱৰা ছশটা বছৰ, ১৯৮০, পৃঃ ৪৫ (পাদটীকা)
৯। হৰকান্ত বৰুৱা সদৰামিন, আসাম বুৰঞ্জী, ১৯৩০, পৃঃ ১২।
১০। ইতিহাসে সোঁৱৰা ছশটা বছৰ, পৃঃ ৭০-৭১।



ডঃ সূৰ্য্যকুমাৰ ভূঞাই বিস্তৰ প্ৰাসঙ্গিক তথ্য দাঙি ধৰিছে। বেছিভাগ তথ্যানুসন্ধানী বুৰঞ্জী লেখকৰ মতে পোৱা যায় যে 'খৃষ্টীয় ত্ৰয়োদশ শতাব্দীত কছাৰী ৰাজ্য ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে দিখৌৰ পৰা কলংনৈ লৈকে বিস্তৃত আছিল। ইয়াৰ ভিতৰত ধনশিৰী উপত্যকা ভাগতে সিবিলাকৰ প্ৰভুত্ব প্ৰবল আছিল, আৰু কাছাৰ পাহাৰবো কিছু অংশ ইবিলাকৰ দখলত পৰিছিল। চতুৰ্দ্দশ খৃষ্টাব্দত দিখৌৰ পূবত স্থাপিত হোৱা কছাৰী ৰাজ্য লাহে লাহে এৰা পৰিবলৈ ধৰে[১১]।' এই ৰাজ্যৰ কছাৰী ৰজাসকলক হেড়াম্বেশ্বৰ বোলে[১২]; কিয়নো, দ্বিতীয় পাণ্ডৱ ভীম আৰু প্ৰাচীন কামৰূপৰ হিড়িম্বাৰ মিলনৰ ফলস্বৰূপে ঘটোৎকচৰ জন্ম হয়, আৰু এই হিড়িম্বাৰ নাম অনুসৰি দেশখনৰ নাম হেড়ম্ব হয়[১৩]। কিন্তু সেইয়া খৃষ্টপূৰ্বাব্দৰ কথা।

এতিয়া বুৰঞ্জী-প্ৰসিদ্ধ কছাৰী ৰাজ্যৰ ৰজাসকলক 'বাৰাহ ৰাজা' বুলিছিল নে নাই সেইটো বিচাৰ্য্যৰ বিষয়। মন কৰিব লগীয়া কথা যে বুৰঞ্জী সমূহত 'বৰাহী-কছাৰী' বুলি বৃহৎ কছাৰী জাতিৰ সুকীয়া ভাগ এটা দেখুওৱা হোৱা নাই। অসমৰ নৃতাত্বিক সকলো এই প্ৰসঙ্গত নিমাত। ৰেভাৰেণ্ড চিদনী এণ্ডেল চাহাবে তেওঁৰ The Kacharis নামৰ পুথিত বৃহৎ বড়ো জাতিৰ অন্তৰ্গত বিভিন্ন সম্প্ৰদায়ৰ নাম এইদৰে দেখুৱাইছে— ৰাভা, মেছ, ধিমল, কোছ, ষোলনেমীয়া, মহলীয়া, ফুলগুৰীয়া শৰণীয়া, ডিমাছা, হোজাই, লালুং, গাৰো, হাজং; ইয়াৰ লগতে উজনি অসমৰ মৰাণ আৰু চুটীয়া সকলকো সুমুৱাইছে। ৺বেণুধৰ ৰাজখোৱাই এইবোৰৰ উপৰিও কছাৰীসকলৰ আৰু কেইটিমান সম্প্ৰদায় দেখুৱাইছে; যেনে— সোণোৱাল, ঠেঙ্গাল, ৰাজবংশী, জলধা দেহান, ঝাৰুৱা আৰু মহং কোঁচ বা কছাৰী।[১৪] এখেত সকলে বৰাহী-কছাৰী বুলি আন এটা সুকীয়া ভাগ দেখুওৱা নাই। অনা-কছাৰী পণ্ডিতৰ কথা বাদ দি কছাৰী-পণ্ডিত-লোকে লিখা গ্ৰন্থতো উক্ত সম্প্ৰদায়টোৰ কথা পেৰো নাযায়। এই প্ৰসঙ্গত

১১। পদ্মনাথ বৰুৱা, আসামৰ বুৰঞ্জী, ১৯১৩, পৃঃ ৯৫০-৯৫১; E. A. Gait, A History of Assam 1963, P. 300.
১২। ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত, কছাৰী বুৰঞ্জী, ১৯৫১, পৃঃ ৩।
১৩। মনিচৰণ বৰ্মণ, হৈড়িম্ব ভাষা-প্ৰবেশ, ১৯১৩, ভূমিকা।
১৪। বেণুধৰ ৰাজখোৱা, আসাম কচাৰী যুবক সন্মিলনী-সভাপতিৰ অভিভাষণ, ১৯২৯, পৃঃ ৯-১০

শ্ৰীভবেন্দ্ৰ নাৰ্জ্জিৰ 'বড়ো–কছাৰীৰ সমাজ আৰু সংস্কৃতি', শ্ৰীনলিনীন্দ্ৰ কুমাৰ বৰ্মণৰ The History of the Cachari (3 vols ), শ্ৰীৰাজেন ৰাভাৰ 'ৰাভা জনজাতি' শ্ৰীলংকাম টেৰণৰ 'মিকিৰ জনজাতি' আৰু শ্ৰীমতী নিৰুপমা হাগজেৰৰ 'ডিমাছা' গ্ৰন্থলৈ আঙুলিয়াব পাৰি। এইবোৰ পুথিত 'বৰাহী–কছাৰী' ফৈদৰ উল্লেখ নাই। যদি চুটীয়াৰ উপজাতি বৰাহীসকলক বৰাহী–কছাৰী, বুলি ধৰা হয় তেন্তে সেইটো সুকীয়া কথা হব। তেনেকৈ দেখুৱাব খুজিলেও আন এটা সমস্যা ওলাব। কিয়নো, চতুৰ্দ্দশ শতিকাৰ কছাৰী ৰাজ্যৰ অস্তিত্ব পিছৰ শতিকাবোৰত ডিমাপুৰ কেন্দ্ৰী হৈ থকা নাই, ক্ৰমশঃ ব্ৰহ্মপুত্ৰৰ দক্ষিণ ফালে গৈ গৈ বৰ্ত্তমান কাছাৰৰ অন্তৰ্গত খাচপুৰ কেন্দ্ৰী হৈ ৰৈছিলগৈ। অকল সেয়ে নহয়, ডিমাছা কছাৰীসকলৰ ইতিবৃত্ত মতে কছাৰী ৰাজ্যৰ ৰজাসকলো ডিমাছা–কছাৰী ঠালৰহে অন্তৰ্গত, অন্যান্য সম্প্ৰদায়ৰ নহয়। তেতিয়া হলে শ্ৰীমহামাণিক্য ডিমাছা–কছাৰী ৰজাহে আছিল, বৰাহী–কছাৰী নাছিল। অথচ, মাধৱচন্দ্ৰ বৰদলৈ, হেমচন্দ্ৰ গোস্বামী, দেবেন্দ্ৰ নাথ বেজবৰুৱা, দেৱানন্দ ভৰালী, ড° সূৰ্য্য কুমাৰ ভূঞা, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ডিম্বেশ্বৰ নেওগ, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা প্ৰভৃতি পণ্ডিত সকলে শ্ৰীমহামাণিক্যক 'ৰবাহী–কছাৰী' ৰজা বুলি কৈছে কিন্তু চতুৰ্দ্দশ শতিকাৰ কবি আৰু ৰামায়ণ ৰচয়িতা মাধৱ কন্দলিয়ে শ্ৰীমহামাণিক্যক বাৰাহ ৰাজা বা বৰাহী ৰজা বুলিহে লিখিছে, বৰাহী শব্দৰ লগত কছাৰী শব্দটো যোগ দিয়া নাই। এই ক্ষেত্ৰত আৰু এটা লক্ষ্য কৰিবলগীয়া কথা হ'ল যে কছাৰী ৰজা সকলৰ নাম–তালিকাত শ্ৰীমহামাণিক্য নামটো নাই, অথচ মহাভাৰতৰ যুগৰ ঘটোৎকচৰ পৰা আৰম্ভ কৰি শেষ হেড়ম্ব ৰজা গোবিন্দ চন্দ্ৰৰ (১৮১৩–১৮৩১ খৃঃ) দিনলৈকে ১০৩ জন কছাৰী ৰজাৰ নাম সেই তালিকাত আছে।[১৫] অৱশ্যে এই কছাৰী ৰাজমালা নিৰ্ভুল বুলি কব নোৱাৰি; কাৰণ আনুসঙ্গিক আৰু সমসাময়িক বুৰঞ্জীত উল্লেখ থকা কছাৰী ৰজা কেইজনমানৰ নাম উক্ত ৰাজমালাৰ নামৰ সৈতে নিমিলে।[১৬] তদুপৰি ১৫৩৬ খৃষ্টাব্দৰ ৮০ নম্বৰৰ ৰজা মকৰধ্বজৰ পূৰ্ববৰ্ত্তী ৰজাসকলৰ ৰাজত্বৰ সময়–সীমা বা চন–তাৰিখ ৰাজমালাত উল্লেখ নাই। আনকি কছাৰী ৰাজ্যৰ ৰাজধানী ডিমাপুৰ

১৫। উপেন্দ্ৰচন্দ্ৰ গুহ, কাছাড়েৰ ইতিবৃত্ত, ২য় তাঙৰণ, পৃঃ ৭১–৭৪ ; N. K. Barman, The History of the Cachari, III, PP. 87–89

১৬। কাছাড়েৰ ইতিবৃত্ত, পৃঃ ৭৪।



পৰিত্যাগ কৰি ষোড়শ শতাব্দীৰ মাজভাগত মাইবঙত ৰাজধানী পাতি ৰাজত্ব কৰা পৰবৰ্ত্তী কছাৰী ৰজাসকলৰ বেছিভাগৰেই সময়–নিৰীখ জনা নাযায়।

ডঃ ভূঞা সম্পাদিত 'কছাৰী বুৰঞ্জী'ত শদিয়াল কছাৰীৰ আদি ৰজা হিচাপে মাণিক কছাৰীক দেখুওৱা হৈছে। তেওঁৰ পাচত জোঁৱায়েক মুকুতা ৰজা হয়। মুকুতাৰ পাছৰ ৰজা সকলৰ নাম নাই। এইখন বুৰঞ্জী–মতে 'হেড়ম্বিয়াল কছাৰীৰ আদিকথা' প্ৰসঙ্গত ভীম আৰু হেড়াম্বাৰ (হিড়িম্বা) সন্তান ঘটোৎকচৰ বংশধৰ সকল কছাৰী দেশত ৰজা আছিল বুলি কৈছে। কিন্তু একাদিক্ৰমিক ৰজাসকলৰ নাম নাই। তদুপৰি পৰবৰ্ত্তী যিসকল ৰজাৰ নাম দিয়া হৈছে, সেইবোৰ নাম ৰাজমালাৰ ক্ৰমৰ সৈতে নিমিলে। 'কছাৰী বুৰঞ্জী' খনৰ দ্বিতীয় আখ্যানমতে ৰজা সকলৰ নাম এই অনুক্ৰমে পোৱা যায়—বীৰহাস, বিচাৰ পতিফা, মহামাণিফা, মাণিফা, লাড়ফা, খোৰাফা আৰু ডেৰচোংফা।[১৭] ১৪০৮ শকত (১৪৮৬ খৃঃ) আহোমৰ সৈতে যুঁজ লাগি ডেৰচোংফা মৰা পৰে। পৰবৰ্ত্তী কছাৰী ৰজা সকলৰ বিৱৰণ আমাৰ আলোচনাত নপৰে।

পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে হেড়ম্বিয়াল কছাৰী ৰজা মহামাণিফাকে মাধৱ কন্দলিৰ পৃষ্ঠপোষক মহামাণিক্য বুলি স্পষ্টভাৱে কৈছে।[১৮] বুৰঞ্জীত থকাবদৰে 'মহামানিফা' নিলিখি তেখেতে 'মহামাণিক্যফা'হে লিখিছে। অৱশ্যে আনএঠাইত 'মহামাণিক্য'ও লিখিছে।[১৯] আকৌ, কছাৰী বুৰঞ্জীখনত

১৭। কছাৰী বুৰঞ্জী, পৃঃ ৭–১০ ; Dr. J. P. Wade, An Account of Assam, 1927, P. 59

১৮। 'মাধৱ কন্দলি' বাঁহী, ১৮শ বছৰ, ৫ম সংখ্যা।

১৯। 'মাধৱ কন্দলি', বাঁহী, ১৮শ বছৰ ৫ম সংখ্যা। ××× মাধৱ কন্দলি ৰামায়ণৰ দ্বিতীয়জন সম্পাদক কনকচন্দ্ৰ শৰ্মা কাব্যতীৰ্থই ভূমিকাত লিখিছে—"হেমচন্দ্ৰ গোস্বামীদেৱে তেখেতৰ এটা ইংৰাজী লিখা প্ৰবন্ধত এইদৰে উল্লেখ কৰিছে—Mahamanikya was a king of the Barahi Kacharies and that he ruled about the middle of the fourteenth century at Dimapur. In an old Ahom Buranji seven generations of Barahi kings Detrung great great grandson of Mahamanikya was the contemporary of the Ahom king Dihingia

'কছাৰী ৰজাসকলৰ লেখ' দিওতে এনেদৰে আছে—'আগে ফা' নামহে আছিল, তাৰে পৰাহে ৰজা নাম হল।[২০] গতিকে, সেই হিচাপে হব লাগিছিল 'মহামানি ৰজা'; অথচ ৰাজ সভাৰ কবিজনেই লিখিছে—'শ্ৰীমহামাণিক', 'মহামাণিক' বুলি। কোনো কোনোৱে দিয়া পদৰ উদ্ধৃতিত 'শ্ৰীমহামাণিক্য'ও আছে। নামটোৰ এনে খেলি-মেলি দেখি ডঃ মহেশ্বৰ নেওগে লিখিছে—'সম্ভৱতঃ ছশ বছৰৰ আগৰ এখন পুথিৰ কোনোবা লিপিকাৰে কৰা প্ৰমাদ হেতুকে এই মহামাণিফা নামটোৱেই মহামাণিক্যত পৰিণত হৈছে।[২১] আনহাতে কণকলাল বৰুৱাই লিখিছে—'অনুমান হয়, এই ৰবাহী ৰজাসকলে এটা সময়ত কপিলী উপত্যকাত ৰাজত্ব কৰিছিল। এই অঞ্চলত পোৱা পুৰণি সম্পদৰ ভিতৰত বৰ্ত্তমান কামৰূপ অনুসন্ধান সমিতিত জমা ৰখা এখন শিলৰ ফলি আছে। এই শিলৰ ফলিখন বৰ অস্পষ্ট; তথাপি বৰ কষ্টৰে ইয়াত মাণিক্য শব্দটো পোৱা গৈছে। এইটো নিঃসন্দেহ যে ই ৰজাৰ নামৰ পাছত ব্যৱহাৰ কৰা এটা উপাধি।'[২২] যদি সেয়ে হয়, তেন্তে ৰামায়ণ পুথিখনৰ নকলকাৰকেও ভুল কৰা বুলি কব নোৱাৰি। কণকলাল বৰুৱাই ত্ৰিপুৰাৰ 'ৰাজ্যমালা'ৰ উদ্ধৃতি দি দেখুৱাইছে যে ত্ৰিপুৰাৰ ৰজা আদি-ধৰ্মফাৰ পৰবৰ্ত্তী দ্বাবিংশতি ৰজা ৰত্নফাই পোনতে 'মাণিক্য' উপাধি গ্ৰহণ কৰিছিল। তেতিয়াৰ পৰা পাছৰ ত্ৰিপুৰা-ৰজাসকলে আৰু হেড়ম্বৰ ৰজাসকলেও এই উপাধিটো ব্যৱহাৰ কৰিছিল। কণকলাল বৰুৱাই দেখুওৱা মতে আমোদজনক কথা এইটোহে যে ত্ৰিপুৰা আৰু হেড়ম্ব ৰাজ্যত একে সময়তে একে নামধাৰী দুজন ৰজাই ৰাজত্ব কৰিছিল।[২৩] তেওঁলোক হ'ল চতুৰ্দ্দশ শতিকাৰ মহামাণিক্য দুজন। এই একে নামৰ কাৰণেই আৰু চুবুৰীয়া দেশ বুলি কনকলাল

R‹ja.'—এইখিনি ইংৰাজী কথা পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ নহয়, কনকলাল বৰুৱাৰহে। তদুপৰি ইংৰাজী বাক্য কেইটা ভুলকৈ উদ্ধৃত কৰা হৈছে [ চাওক—Early History of Kamarupa, 1966, Pages 213-214, footnote ]।

২০। কছাৰী বুৰঞ্জী, পৃঃ ৭।

২১। ডঃ মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৬২, পৃঃ ৬৪।

২২। Early History of Kamarupa, P. 214 (footnote)

২৩। Journal of the Assam Research Society, Vol. III, No. 3, P. 97-98.



বৰুৱা আৰু কালিৰাম মেধিয়ে ত্ৰিপুৰী ৰজা মহামাণিক্যকে মাধৱ কন্দলিৰ পৃষ্ঠপোষক বুলি ভাবিব খোজে। অৱশ্যে তেনেকৈ ভবাৰো যুক্তি নোহোৱা নহয়। কাৰণ, পিছৰ শতিকাত বাণেশ্বৰ আৰু শুক্ৰেশ্বৰ নামেৰে দুজন অসমীয়া পণ্ডিত ত্ৰিপুৰাৰ ৰাজসভাৰ কবি আছিল। তেওঁলোকে ত্ৰিপুৰাৰ 'ৰাজমালা' অৰ্থাৎ ত্ৰিপুৰাৰ ৰজাসকলৰ বৃত্তান্ত লিখিছিল। ইয়াৰ ভাষা সংস্কৃত; বঙলা ভাষাতো এটা সংস্কৰণ আছে। কিন্তু কোনো ত্ৰিপুৰী ৰজাই অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি পৃষ্ঠপোষকতা কৰাৰ সন্দেহাতীত প্ৰমাণ পোৱা নাযায়। আনহাতে এই সন্দৰ্ভত কছাৰী ৰজাসকলৰ পৃষ্ঠপোষকতা সম্পৰ্কে ভালেমান প্ৰমাণ আছে। যেনে—কছাৰী ৰজা তাম্ৰধ্বৰ পৃষ্ঠপোষকতাত ৰুদ্ৰ কন্দলিয়ে 'সাত্যকি প্ৰৱেশ' ৰচনা কৰে। তাম্ৰধ্বজ ৰজাৰ ৰাণী চন্দ্ৰপ্ৰভাৰ আদেশত ভুৱনেশ্বৰ বাচস্পতিয়ে 'নাৰদীয় কথামৃত' লিখে। আন এগৰাকী কবি ভৱানীনাথ দ্বিজে 'শ্ৰীৰামচন্দ্ৰ-অভিষেক' ৰচনা কৰে।[২৪] সুৰদৰ্প মহাৰজাৰ সময়ত 'ব্ৰহ্মপুৰাণ' গ্ৰন্থখন সংস্কৃতৰ পৰা অনূদিত হয়। তদুপৰি মহাৰাজ কৃষ্ণচন্দ্ৰই (১৭৮০-১৮১৩ খৃঃ) 'ৰামলীলামৃত' আৰু 'বসন্ত বিহাৰ' বুলি দুখন গ্ৰন্থ লিখিছিল। তেওঁৰ ভায়েক মহাৰাজ গোবিন্দচন্দ্ৰয়ো (১৮১৩-১৮৩১ খৃঃ) 'গোবিন্দ কীৰ্ত্তন' আৰু 'মহাৰাসোৎসৱ লীলামৃত' নামৰ দুখন পুথি ৰচনা কৰিছিল[২৫]। কৃষ্ণচন্দ্ৰৰ ৰাজত্বকালত কছাৰী জাতীয় কবি চন্দ্ৰমোহন বৰ্মণেও 'অসমৰ পদ্য-বুৰঞ্জী'ৰ নিচিনা এখন কাব্য-পুথি প্ৰণয়ণ কৰিছিল। এইদৰে অনুসন্ধান কৰিলে হেড়ম্বিয়াল কছাৰী ৰজাসকলৰ উৎসাহত যে অসমীয়া সাহিত্যৰ ভালেখিনি চিন্তা-চৰ্চা হৈছিল তাক সহজে বুজা যায়। কিন্তু ত্ৰিপুৰী ৰজাসকলৰ জৰীয়তে ক্ৰমাগতভাৱে অসমীয়া সাহিত্যৰ চিন্তা-চৰ্চা হৈছিল বুলি প্ৰত্যয়যুক্ত প্ৰমাণ পোৱা নাযায়। তদুপৰি ডিমাপুৰীয়া, মাইবঙীয়া আৰু খাচপুৰীয়া কছাৰী ৰাজত্বৰ কালবোৰত নানা প্ৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ আন মানুহৰ লগত কছাৰীসকলৰ ওতঃপ্ৰোত সম্পৰ্ক আছিল আৰু পৰস্পৰৰ মাজত সঘনে সংযোগ ঘটিছিল। বিশেষকৈ, কছাৰীসকলে অসমীয়া ভাষাক ৰাজকীয় মৰ্য্যাদা দি জনগণৰ শিক্ষা-সংস্কৃতিৰ বাহন কৰা হেতুকে কছাৰী আৰু অনা-কছাৰী অসমীয়া লোকৰ মাজত গাঢ় সম্পৰ্ক গঢ়ি উঠিছিল। কিন্তু ত্ৰিপুৰী সকলৰ লগত তেনে সংযোগ বা

২৪। অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ২৫৬-২৫৭।

২৫। কাছাড়েৰ ইতিবৃত্ত, পৃঃ ৯১০-৯৬০।

সম্পৰ্ক বৰ কম আছিল। গতিকে কব পাৰি যে মাধৱ কন্দলিৰ পৃষ্ঠ-পোষক ৰজাজন শ্ৰীমহামাণিক্য কছাৰী ৰজাহে আছিল, ত্ৰিপুৰী ৰজা নাছিল। যদিও ডিমাছা আৰু ত্ৰিপুৰীসকল একেটা কছাৰী মূলৰ পৰা উদ্ভৱ হোৱা, তথাপি প্ৰাচীন কালতেই সিবিলাক সুকীয়া ঠালত বিভক্ত হৈ পৰিছিল।

হেড়ম্বেশ্বৰ সকলৰ 'ৰাজমালা'ত মহামাণিক্যৰ নাম পোৱা নগলেও 'কছাৰী বুৰঞ্জী'ত পোৱা যায়; ৰাজমালাত হয়তো বেলেগ নামেৰেই মহা-মাণিক্যক বুজোৱা হৈছে। কিংবদন্তী আৰু ঐতিহাসিক ৰাজবংশীয় ধাৰা-বাহিকতাৰ পিনৰ পৰা চালেও মহামাণিক্যক ডিমাছা কছাৰী ৰজা বুলি কোৱাৰ থল আছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে তেওঁক বৰাহী কছাৰী বুলি পৰিচিত কৰাৰ সন্দৰ্ভত এইদৰে ভাবিব পাৰি যে চতুৰ্দ্দশ শতিকাত কছাৰী জাতিৰ বিভিন্ন ঠাল অস্পষ্ট হৈ আছিল নতুবা উদ্ভৱ হোৱা নাছিল, অথবা বৰাহী-কছাৰী শাখাটো তেতিয়া ক্ষমতাশালী হৈ উঠিছিল আৰু পিছলৈ তেওঁলোকে ডিমাছা কছাৰী বুলি পৰিচয় দিছিল। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভায়ো এইজন মহামাণিক্যক বৰাহী-কছাৰী বুলি কৈছে[২৬]। তত্ত্বভূষণ ৰাজমোহন নাথে কিন্তু কালিকা পুৰাণৰ সহায়ত বৰাসন নগৰৰ (বৰ্ত্তমান হোজাই) ৰজাকহে বৰাহী ৰজা বুলি কব খোজে। তেখেতৰ মতে ধৰ্মপালৰ পাছত নৰক-বংশীয় কোনো এজন ৰাজকোঁৱৰে ইয়াত ৰাজত্ব কৰিছিল। অৱশ্যে এই বৰাহী ৰজাসকল যদি জয়ন্তীয়াৰ লগত মিলি গৈছিল তেন্তে সেইটো বিচাৰ্য্যৰ বিষয়।[২৭]

কছাৰী জাতিৰ প্ৰাচীন ইতিহাস নথকা বাবে আৰু অসমৰ পুৰাতাত্ত্বিক সমলবোৰ উদ্ধাৰ নোহোৱা কাৰণে আমাৰ গৌৰৱপূৰ্ণ বিদ্যোৎ-সাহী ৰজা মহামাণিক্যৰ বিষয়ে নিয়াৰিলগাকৈ নিৰ্ভুল পৰিচয় পোৱা কঠিন। তথাপি, এতিয়ালৈ তেওঁক আমি চতুৰ্দ্দশ শতিকাৰ বৰাহী কছাৰী ৰজা বুলি ধৰি লব পাৰোঁ। তেওঁৰ প্ৰেৰণা-প্ৰাপ্ত নগাওঁ নিবাসী পণ্ডিত-কবি মাধৱ কন্দলিৰ সপ্তকাণ্ড ৰামায়ণৰ ভাষায়ো নিৰ্দ্দেশ কৰে যে মহামাণিক্য চতুৰ্দ্দশ শতিকাৰ ৰজা আছিল।

---

২৬। বিষ্ণু ৰাভা, অসমীয়া কৃষ্টি, ১৯৪৭, পৃঃ ৯৬

২৭। Journal of the Assam Research Society, Vol. V, Nos 1 & 2, 1937, PP. 20-21

# ॥ মাধৱ কন্দলিৰ ৰামায়ণ আৰু সমসাময়িক সমাজ ॥

ডঃ ইন্দিৰা ( মামনি ৰয়চম ) গোস্বামী

## ॥ পাতনি ॥

বাল্মীকিৰ ৰামায়ণৰ মূল সংস্কৃত পাঠৰ গৌড়ীয় সংস্কৰণক অনুসৰণ কৰি মাধৱ কন্দলি ( আনুমানিক ১৪ শ খৃষ্টাব্দ ) য়ে ৰামায়ণৰ অসমীয়া ৰূপ দিয়ে।[১] কবিয়ে নিজেই কৈছে যে বাল্মীকিৰ ৰামায়ণৰ মূলবস্তু লৈয়ে তেওঁ দেশীয় ভাষাত সপ্তকাণ্ড ৰামায়ণ ৰচনা কৰিছে।[২] লঙ্কাকাণ্ডৰ শেহৰ পিনে তেওঁ এই কথা উল্লেখ কৰিছে। কোনো কোনোৰ মতে উত্তৰাকাণ্ড ৰচনাৰ আগেয়ে কবিয়ে যে সপ্তকাণ্ড ৰচনাৰ বিষয়ে এইদৰে কৈছে ইয়ে বুজায় যে লঙ্কাকাণ্ডত শেষ হোৱা তেওঁৰ ৰামায়ণে সপ্তকাণ্ডৰ সাৰামৰ্ম বহন কৰিছে। সাধাৰণতে, ৰামায়ণৰ কোনো অংশ বা কাণ্ডকে, মানুহে সপ্তকাণ্ড ৰামায়ণ বুলিয়ে উল্লেখ কৰি আহিছে।[৩] মনকৰিবলগীয়া যে ৰামায়ণৰ আনান্য অসমীয়া সংস্কৰণ সমূহতো কেৱল পাঁচটা কাণ্ডহে আছে। আদি আৰু উত্তৰাকাণ্ডৰ কোনো উল্লেখেই এই সংস্কৰণসমূহত নাই। এই সংস্কৰনসমূহৰ ৰচোঁতাসকল হ'ল ক্ৰমান্বয়ে অনন্ত কন্দলি ( ১৬শ শতিকা ), দুৰ্গাৱৰ কায়স্থ ( ১৫/১৬ শ শতিকা ), ৰঘুনাথ মহন্ত ( ১৮ শ শতিকা ) আৰু হৃদয়ানন্দ কায়স্থ ( খৃঃ ১৬৫৫) তেওঁ **শ্ৰীৰামকীৰ্ত্তন** ৰচনা কৰিছিল।)

ডঃ বুল্‌কে (Bulcke) ভাবে যে মহাভাৰতৰ অন্তৰ্গত ৰামৰ কাহিনীভাগ, ৰামৰ বিষয়ে থকা জনশ্ৰুতিসমূহৰ কোনো এক প্ৰাচীন ৰূপৰ

ওপৰত ভিত্তি কৰিয়ে ৰচনা কৰা হৈছে। অযোধ্যাৰ সিংহাসনত ৰামৰ আৰোহণ আৰু ৰামৰ ৰাজ্য শাসনৰ বৰ্ণনাৰে মহাভাৰতত ৰাম-উপাখ্যানৰ সামৰণি পৰিছে। ইয়াকে অনুসৰণ কৰি কোনো কোনো কবিয়ে কাহিনী ভাগৰ ইমানতে অন্ত পেলোৱাৰ এক ঐতিহ্য গঢ়ি তোলে। কুমাৰ দাসৰ **জানকী-হৰণ**, ৰাজশেখৰৰ **বালৰামায়ণ**, **কম্বন ৰামায়ণ** (তামিল), **দ্বিপদ ৰামায়ণ** (তেলেগু), জাভাৰ **ৰামায়ণ কৰুৱিন্** আদি কাব্যতো আমি এনে উদাহৰণ পাওঁ। গতিকে, মাধৱ কন্দলিয়ে যে মাথোন পাঁচটা কাণ্ডহে ৰচনা কৰিছে—তাত আচৰিত হবলগীয়া একো নাই, কিয়নো লঙ্কাৰ পৰা সীতাক উদ্ধাৰ কৰি অযোধ্যালৈ ৰাম ঘূৰি অহাৰ লগে লগে ৰামায়ণৰ মূল কাহিনীৰো সামৰণি পৰিছে।

## কন্দলিৰ সংযোজনা :

সাধাৰণ মানুহৰ ৰুচি-অভিৰুচি অনুযায়ী কন্দলিয়ে কেতিয়াবা কোনো বিশেষ পৰিস্থিতিৰ বহল বৰ্ণনা দিছে আৰু কেতিয়াবা মূলৰ কেইবাটাও অধ্যায় দুটা বা এটা খণ্ডতে চমুৱাই বৰ্ণনা কৰিছে। মাজে সময়ে যুদ্ধক্ষেত্ৰৰ জীৱন্ত বিবৰণি দিবলৈ কন্দলিয়ে ভালপায় যদিও এনে বিবৰণি একঘেয়া হৈ পৰা যেন দেখিলে তেওঁ সেয়া চমুৱাই থয়। তেওঁ কৈছে :

ৰামদেৱ সম্ৰাট য'ত সেনা মাৰি।
মাধৱ কন্দলি কহিলন্ত অল্প কৰি॥
ৰামৰ যুদ্ধৰ কথা কি কহিবো আৰ।
বাহুল্য কহিতে নাহি সংক্ষেপ পয়াৰ॥[৫]

কন্দলিৰ ৰামায়ণৰ কোনো অংশই সাধাৰণ মানুহৰ চিত্তবিনোদনৰ বাবে থকা তেওঁৰ আগ্ৰহৰ প্ৰমাণ দিয়ে। চিত্তবিনোদনৰ বাবে তেওঁ আনকি স্থূল আৰু নিম্ন ৰুচিৰো আশ্ৰয় লৈছিল। যেনে, মোমায়েকৰ ঘৰৰ পৰা ভৰত উলটি অহাৰ পাছত, ভৰতৰ সঙ্গিনী হোৱাৰ গুপুত অভিলাষেৰে মন্থৰাৰ দৰে কুৎসিৎ বুঢ়ী এজনীয়ে নানা আ-অলঙ্কাৰেৰে নিজকে সজাইছে। আৰু কেইটামান উদাহৰণ দিব পৰা যায় : ক) খুড়াক বিভীষণৰ প্ৰতি ইন্দ্ৰজিতৰ ক্ৰুদ্ধ, অৱজ্ঞাসূচক উক্তি; খ) ৰাম-সীতাক বনত এৰি অহাৰ পাছত দশৰথৰ প্ৰধানমন্ত্ৰী সুমন্ত্ৰৰ প্ৰতি অযোধ্যাৰ



প্ৰজাই দেখুৱা অৱজ্ঞা আৰু ঘৃণা।[৮] ৰামক এৰি উভটি অহা মুনিহ-সকলক নিজ নিজ তিৰোতাই কৰা অপমান,[৯] আৰু গ) সুগ্ৰীৱৰ-খুড়াক দধিমুখৰ দৰে এগৰাকী মুখ্য বিষয়াক হনুমানৰ বান্দৰ বাহিনীয়ে কৰা অত্যন্ত লঘু আৰু হাস্যকৰ ব্যৱহাৰ।[১০]

কন্দলিৰ ৰামায়ণৰ দুটা প্ৰধান চৰিত্ৰ ৰাম আৰু সীতা ইমানেই মানৱীয় গুণেৰে সমৃদ্ধ যে তেওঁলোকক সেইসময়ৰ সমাজৰে সৃষ্টি যেন লাগে। ৰামৰ মহান চৰিত্ৰৰ বিষয়ে মন্তব্য দি দীনেশ সেনে কৈছে যে কোনো কোনো পৰিস্থিতিত ৰামে মানৱীয় দুৰ্ব্বলতা দেখুৱালেও ই কিন্তু তেওঁৰ চৰিত্ৰৰ প্ৰধান বৈশিষ্ট্য সমূহৰ পৰা আমাৰ মনোযোগ আঁতৰাই নিব পৰা নাই। ৰামৰ চৰিত্ৰৰ সকলোবোৰ মানৱীয় দুৰ্ব্বলতা নাইকীয়া কৰি দেখুওৱা হলে, সন্দেহ নাই, আমি ৰামৰ প্ৰতি অধিক আকৰ্ষিত হলোহেঁতেন; কিন্তু, একেলগে, মানৱীয় পৰ্য্যায়ত, আমি ৰামৰ সৈতে একাত্ম হবও নোৱাৰিলোহেঁতেন। ৰামক এই ক্ষেত্ৰত এডাল বিৰাট-কায় গছৰ সৈতে তুলনা কৰিব পাৰি : যাৰ শিৰোদেশ স্বৰ্গত,আৰু ঠাল-ঠেঙুলীয়ে মৰ্ত্ত্যৰ মাটি চুই গৈছে। মন কৰিবলগীয়া যে ঠালঠেঙুলীৰ মাটিৰ স্পৰ্শই কিন্তু এই বিশালবৃক্ষৰ ৰাজকীয় সৌন্দৰ্য্যক ম্লান কৰিব পৰা নাই।[১১] ৰামৰ চৰিত্ৰ আকোঁতে কন্দলিয়ে এনে পন্থাকে লৈছে আৰু সাধাৰণ মানুহৰ আশা-আকাঙ্ক্ষাক ৰামৰ মাজেৰে প্ৰতিফলিত কৰি ৰামক অধিক আকৰ্ষণীয় আৰু আদৰণীয় কৰি তুলিছে।

বাল্মীকিৰ ৰামায়ণত নথকা কেতবোৰ খুতিনাতি কন্দলিৰ ৰামায়ণত পোৱা যায়। তেনে মৌলিক সংযোজনা কেটামান উদাহৰণ দিয়া যাওক। ক) সীতাক বনৰ পৰা হৰণ কৰি নিওঁতে সুপাৰ্শ্বই ৰাৱণক বাধা দি যুদ্ধ কৰে। সুপাৰ্শ্বৰ লগত বিনয়েৰে তৰ্ক যুদ্ধত নামি ৰাৱণে কয় যে তেওঁ সুপাৰ্শ্বৰ শত্ৰু নহয়; ৰামৰ ধৰ্মপত্নীক তেওঁ হৰণ কৰিছে যদিও ৰাম সাহসী আৰু প্ৰকৃত ক্ষত্ৰিয় হলে তেওঁ নিশ্চয় নিজৰ পত্নীক ঘূৰাই পাব।[১২] (খ) শাৱৰীৰ অনুকাহিনীত ইন্দ্ৰই শাৱৰীৰ উদ্দেশ্যে এখন বিমান পঠায় আৰু এই বিমানত উঠি শাৱৰী অন্তৰ্দ্ধান হয়। বাল্মীকিৰ ৰচনাত ৰামক প্ৰণাম কৰি শাৱৰীয়ে গাত জুই লগাই আত্মজাহ যায়।[১৩] (গ) সুন্দৰ কাণ্ডত অশোকবন ধ্বংস কৰাৰ আগতে হনুমানে সৌবাস্ত্ৰৰ পৰা অহা এজন ব্ৰাহ্মণৰ বেশ ধাৰণ কৰে।[১৪] মাধৱ কন্দলিৰ দিনতো যে পণ্ডিত আৰু ব্ৰাহ্মণসকলে পশ্চিম ভাৰতৰ পৰা বিশাল ভূখণ্ড পাৰ

হৈ পূৰভাৰতলৈ আহিছিল তাৰ ইঙ্গিতো ই দিয়ে। (ঘ) পুনৰ, সুন্দৰ কাণ্ডত অশোকবনৰ ধ্বংস আৰু অক্ষয়কুমাৰৰ মৃত্যুৰ পাছত, ইন্দ্রজিতে হনুমানৰ গালৈ তেওঁৰ ব্রহ্মাস্ত্র নিক্ষেপ কৰিলেহে কিন্তু কোনো ফল হলে নাপালে। ইন্দ্রজিতে তেতিয়া ব্রহ্মাৰ ওচৰলৈ গৈ আপত্তি জনালে আৰু ব্রহ্মাৰ পৰামর্শ বিচাৰিলে। ইন্দ্রজিতৰ ব্রহ্মা দর্শনৰ বিষয়ে মূল ৰামায়ণত উল্লেখ নাই। মনকৰিবলগীয়া যে ৰাক্ষসিনীৰ কুৎসিৎ অঙ্গ-প্রত্যঙ্গক কন্দলিয়ে নিচেই চিনাকী ঘৰুৱা বস্তুৰ লগত তুলনা কৰিছে ঃ মৌ-বাঁহ বা ঢোলৰ লগত ডাঙৰ পেট, বগা কোমোৰাৰ লগত তপামূৰ, ডলাৰ লগত ডাঙৰ কাণ, পটাগুটিৰ লগত বেঁকা ওঠ, শিলিখাফলৰ লগত বিকৃত দেহ ইত্যাদি।[১৬]

## শাসন ব্যৱস্থা ঃ

মূল ৰামায়ণৰ দৰে কন্দলিৰ ৰামায়ণেও সেইসময়ৰ ৰাজনৈতিক ধ্যান-ধাৰণা ভালেখিনি পোহৰলৈ আনিছে। ৰাৱণে তেওঁৰ সভাত মন্ত্রী-বর্গৰ সতে আলোচনা কৰোঁতে মন্ত্রীৰ থাকিব লগীয়া বিভিন্ন প্রকাৰৰ গুণবোৰলৈ আঙুলিয়াই দিছে।[১৭] লঙ্কালৈ দূত হৈ হনুমানৰ কথাবতৰা আৰু মনোভাৱৰ মাজেৰে কন্দলিয়ে আৰু ভালেখিনি ৰাজনৈতিক চিন্তা ধাৰণা প্রকাশ কৰিছে। হনুমানে নিজকে এজন সার্থক দূত বুলি কৈছে কিয়নো দূতৰ কাম কৰাৰ উপৰিও তেওঁ আৰু কেইবাটাও কাম সমাধা কৰিছে।[১৮] খালদোং আদি পুতি বাটৰ সকলো ধৰণৰ বাধা আঁতৰাই হনুমানে ৰামৰ লঙ্কা আক্রমণৰ বাবে পথ সুচল কৰিছে।[১৯] মেঘনাদে কৈছে যে যিদৰে ৰোগে দেখা দিয়াৰ লগে লগে ৰোগক নির্মূল কৰিব লাগে সেইদৰে শত্রুৰে প্রথম মূৰ দাঙি উঠোঁতেই তাক ধ্বংস কৰিব লাগে।[২০] ৰামক সিংহাসনত বহুৱাৰ মন কৰি ৰজা দশৰথে শত্রুৰ ওচৰ চাপিব পৰা ষড়বিধি আদিকে ধৰি কেতবোৰ ব্যৱহাৰিক উপদেশ ৰামক দিয়ে।[২১] উপৰোক্ত তথ্যলৈ আঙুলীয়াই দি ডঃ নেওগে কৈছে যে মন্ত্রী বা ৰাজদূতৰ কর্তব্য, অথবা শত্রুৰ ওচৰ চাপোঁতে পালিব লগীয়া ষড়বিধিৰ সঘন উল্লেখেই বুজাই যে কন্দলিৰ পৃষ্ঠপোষক ৰজা মহামাণিক্যই এই ৰাজনৈতিক ধাৰণাবোৰক ব্যৱহাৰিক ক্ষেত্রতো প্রয়োগ কৰিছিল।[২২]

**সন্দিকৈ** আৰু **পাইক**—এই দুই শব্দৰ উল্লেখে তেৰ শতিকাতে



অসমত সুপ্রতিষ্ঠিত হোৱা আহোমসকলৰ প্রভাৱকে সম্ভৱতঃ বুজায়।[২৩] সন্দিকৈ উপাধিধাৰী ব্যক্তিক আহোম ৰাজ্যত বৰবৰুৱা (মুখ্য বিচাৰক) বা বৰফুকন (মুখ্য সামৰিক বিষয়া)ৰ বাব দিব পৰা গৈছিল।[২৪] নাওবৈচা ফুকনৰ বুৰঞ্জীত উল্লেখ আছে যে আহোম আৰু বৰাহী মন্ত্রী-সকলকহে এই সন্মানকৰ খিতাপ দিয়া হৈছিল।[২৫] কন্দলিয়ে এঠাইত **পাতৰ** শব্দৰ ব্যৱহাৰ কৰিছে ঃ "কেহো বোলে তুমি হোৱা কিসৰ পাতৰ"; [২৬] পাতৰ শব্দই ইয়াত নিশ্চয় ওখখাপৰ বিষয়াকে বুজাইছে। **অসম বুৰঞ্জীত পাতৰক** বৰফুকন বা ৰাজপ্রতিনিধি (Viceroy)[১] খিতাপৰ উপযুক্ত ৰাজবিষয়াসকলৰ অন্যতম বুলি বর্ণনা কৰিছে।[২৭]

কন্দলিৰ ৰামায়ণত **পাইক** শব্দৰ সঘন উল্লেখ আছে।[২৮] ডা-ডাঙৰীয়াৰ ঘৰত গা-খাটি দিয়া আৰু অনান্য কায়িক শ্রম কৰা পাইকসকল একশ্রেণীৰ সক্ষমকায় বনুৱা বুলি **অসম বুৰঞ্জীত** উল্লেখ আছে। এওঁ-লোক কাড়ী নামে জনাজাত।[২৯] ৰাৱণৰ সেনাবাহিনীৰ বিৱৰণ দিওঁতে কন্দলিয়ে এই শব্দটো ব্যৱহাৰ কৰিছে।[৩০]

## ধর্ম ঃ

মাধৱ কন্দলিৰ ৰামায়ণৰ কেবাটাও শ্লোকৰ পৰা কবিৰ সমসাময়িক সমাজখনৰ ধর্ম্মীয় জীৱনৰ ভু পোৱা যায়। বিভিন্ন উদাহৰণৰ পৰা সমাজত শক্তি পূজাৰ প্রভাৱ থকাৰ কথা স্পষ্টভাৱে জনা যায়। কন্দলিৰ ৰামায়ণত চণ্ডী দেৱীৰ বিষয়ে কেইবাটিও উল্লিখন পোৱা যায়। লঙ্কা-কাণ্ডৰ এটা শ্লোকত শুক আৰু চাৰণৰ আগত ৰামে নিজে কৈছে যে তেওঁ ৰাৱণৰ দশমূৰ কাটি পেলাৱ আৰু চণ্ডীৰ উপাসনা কৰিব ঃ[৩১]

দশ শিৰ চেদিবোহো    ৰণচণ্ডী পূজিবোহো
ৰাৱণ হৈবেক বলিদান।

লঙ্কাকাণ্ডত, বজ্রদংষ্ট্রই যুদ্ধক্ষেত্রত প্রৱেশ কৰাৰ আগতে চণ্ডীৰ নাম জপ কৰিছে।[৩২] সীতাক চণ্ডীৰ লগত তুলনা কৰা কেবাটাও উপমা আছে ঃ

অঙ্গবাগ উজলিলা অলঙ্কাৰে মণ্ডি।
কৈলাশত দীপ্তি কৰন্ত যেন চণ্ডী।;[৩৩]
নাৰায়ণ পাছে    যেন লক্ষ্মী-দেৱী
হৰৰ কোলাত চণ্ডী ॥[৩৪]

চামুণ্ডা[৩৫] আৰু দুৰ্গা[৩৬] দেৱীৰ এই দুই ৰূপকে কন্দলিয়ে উল্লেখ কৰিছে। বলিদানৰ উল্লেখো কেবাবাৰো আছে। উদাহৰণ স্বৰূপে জটায়ু আৰু ৰাৱণৰ মাজত লগা ৰণত জটায়ুয়ে ৰাৱণক সোঁৱৰাই দিছে যে তেওঁ বলিৰ পাঠাৰ দৰে মৰিব লাগিব।[৩৭]

কন্দলিৰ সমগ্ৰ ৰামায়ণত শিৱৰ নাম ষাঠিবাৰতকৈ অধিকবাৰ উল্লিখিত হৈছে। উপমাৰ মাজেদি হলেও শিৱ আৰু শিৱপত্নী পাৰ্ব্বতী প্ৰায়েই বিষয়বস্তুৰ লগত সাঙোৰ খাই আছে। ৰাম সীতাক কন্দলিয়ে বহুবাৰ শঙ্কৰ-পাৰ্ব্বতীৰ লগত তুলনা কৰিছে।[৩৮] নিৰ্বাসনৰ বতৰা ৰামে সীতাক দিওতে, সীতাৰ মানসিক যন্ত্ৰণাক ৰতি আৰু পাৰ্ব্বতীৰ যন্ত্ৰণাৰ লগত তুলনা কৰা হৈছে[৩৯] আৰু বহু ঠাইতে সীতাক চণ্ডী, দুৰ্গা আৰু পাৰ্ব্বতীৰ লগত ৰিজোৱা হৈছে।[৪০] ৰামৰ ৰূপ আৰু শৌৰ্য্যক শিৱৰ সমতুল্য কৰি বৰ্ণনা কৰা হৈছে।[৪২] ৰামৰ ৰাজপ্ৰসাদক শিৱৰ কৈলাশৰ লগত ৰিজোৱা হৈছে। এই প্ৰাসাদৰে এখন বেৰত শিৱ-পাৰ্ব্বতীৰ এখনি যুগ্ম চিত্ৰ আঁকি থোৱা আছে।[৪৩] লেখকৰে সঠিকভাৱেই আঙুলিয়াই দেখুৱাইছে যে কন্দলিৰ দিনত অসমত শিৱপূজা প্ৰবল আছিল আৰু সেয়ে শিৱৰ চিন্তাই তেওঁৰ মনোজগতৰ অধিকাংশ ঠাই আগুৰি আছিল।[৪৪] বিষ্ণু (কৈশল্যা বিষ্ণুৰ একবাৰকী নৈষ্ঠিক পূজাৰিণী আছিল) গণেশ, অগ্নি, গ্ৰহাদি দেৱতাসকলৰ নামৰ উল্লেখো কন্দলিৰ ৰামায়ণত পোৱা যায়।

শঙ্কৰদেৱৰ দিনৰ আগৰে পৰা অসমত নাম-ধৰ্মৰ প্ৰচলন আছিল বুলি ডঃ নেওগে মত প্ৰকাশ কৰিছে। নামধৰ্ম শৈৱধৰ্মৰে এটা শাখা। বজ্ৰযানৰ প্ৰেৰণাতে এই ধৰ্মই গা কৰি উঠা বুলি কিছুমান পণ্ডিতে ভাবে।[৪৫] গোৰখনাথৰ বাণীত শিৱ আৰু শক্তিৰ মিলনৰ বিষয়ে ভালেমান উল্লেখ আছে।[৪৬]কন্দলিৰ ৰামায়ণত আমি নাথ যোগীসকলৰ এখন চিত্ৰ পাওঁ। নিৰ্ব্বাসনলৈ বুলি যাত্ৰা কৰোঁতে ৰামৰ লগে লগে এওঁলোক যোৱাৰ বিবৰণ আছে।

## জাতিভেদ, বৃত্তি আৰু ব্যৱসায়ঃ

কন্দলিয়ে ব্ৰাহ্মণ, ক্ষত্ৰিয়, শূদ্ৰ, চণ্ডাল আদি নানানটা জাতিৰ উল্লেখ কৰিছে। কুমাৰ, ধোবা, তাঁতী, শঙ্খাৰি (শঙ্খৰে বিভিন্ন বস্তু সাঁজোতা) আদি ভিন্ ভিন্ বৃত্তিধাৰী জাতিৰ বিবৰণো তেওঁ দিছে।



মাছ আৰু মাছধৰাৰ উপমাবোৰৰ পৰা আমি মাছমৰীয়া সম্প্ৰদায়ৰ বহুতো চিত্ৰ পাওঁ। কন্দলিৰ ৰামায়ণত ঠাই পোৱা আন বৃত্তিসমূহ হ'ল— ধোৱা, কাঠমিস্ত্ৰী, বথিয়াল, বেজ, তেলী, তাঁতী, গুৱাল, সঙ্গীতজ্ঞ আদি।

কন্দলিৰ ৰামায়ণত আমি বিয়াৰ বিভিন্ন আচাৰ-অনুষ্ঠানৰ এখন স্পষ্ট চিত্ৰ নাপাওঁ। কিয়নো বিয়াৰ বিশদ বিবৰণ থকা আদিকাণ্ডক কন্দলিয়ে তেওঁৰ ৰামায়ণৰ অন্তৰ্ভুক্ত কৰা নাই। কইনা আদৰাৰ অংশ অৱশ্যে অযোধ্যাকাণ্ডৰ ভিতৰুৱা। এই দৃশ্যৰ বৰ্ণনা কৰোঁতে কন্দলিয়ে কইনা আদৰাৰ দৰে মাঙ্গলিক ক্ষণত তিৰোতাসকলে উৰুলি দিয়াৰ কথাৰ উনুকিয়াইছে।[৪৭] এই প্ৰসঙ্গতে কবিয়ে **সুৱৰ্ণঘট**, দৰা-কইনাই গচকি পাৰ হৈ যাবলগা **নেতপাট** (পাটৰ কাপোৰ মঙ্গলজনক বুলি ভবা হয়), **স্ত্ৰী আচাৰ** (তিৰোতাসকলে কৰা আচাৰ) আদিৰ প্ৰচলনৰ বিষয়ে লিখিছে।

## আহাৰ-পানীঃ

কন্দলিৰ ৰামায়ণ বৰ্ণনা অনুসৰি ভাত, ফলমূল, শাক-পাচলি আৰু গাখীৰ চৈধ্যশতিকাৰ অসমীয়া মানুহৰ প্ৰধান আহাৰ আছিল। অতীজৰে পৰা পায়স অসমীয়া মানুহৰ এবিধ জনপ্ৰিয় আহাৰ আছিল। **কালিকা পুৰাণ**ত দেৱীৰ উদ্দেশ্যে তিৰোতাসকলে পায়স উচৰ্গা কৰাৰ উল্লেখ আছে। লঙ্কাৰ তিৰোতাসকলে পায়স আৰু মিঠা ফলমূল ভাল পোৱাৰ কথা কন্দলিয়ে লিখিছে।[৪৯] কেবাঠাইতো কন্দলিয়ে ঘিঁউৰ, বিশেষকৈ কলহ (হাণ্ডি আৰু কলসি) ত থোৱা ঘিঁউৰ কথা উল্লেখ কৰিছে। গাখীৰ জনপ্ৰিয় আৰু বহল ভাৱে ব্যৱহৃত পানীয়বোৰৰ অন্যতম আছিল। দৈ আৰু মধুপৰ্কৰো কেবাবাৰো উল্লেখ আছে। দৈ, মৌ, ঘিঁউ, চেনি আৰু পানীৰ সংমিশ্ৰণক মধুপৰ্ক বোলা হয়। কন্দলিৰ ৰামায়ণৰ পৰা স্পষ্ট বুজা যায় যে চাউল সেইসময়ৰ মানুহৰ প্ৰধান আহাৰ আছিল। সিজোৱা আৰু নিসিজোৱা দুয়োবিধ চাউলৰ উল্লেখ আমি ৰামায়ণত পাওঁ। কন্দলিৰ ৰামায়ণত খৰিকা জহা নামে এবিধ বিশেষ চাউলে লেখতলব-লগীয়া ঠাই অধিকাৰ কৰিছে।

নিচাদায়ক পানীবোৰৰ ভিতৰত গেলোৱা মৌ (**fermented honey**), মদ, নাৰিকলৰ পানীৰ উল্লেখ কন্দলিৰ ৰামায়ণত আছে।

মৌ বাঁহৰ লগত কন্দলিয়ে ৰাক্ষসিনীৰ ওলমি থকা পেটৰ ৰিজনি দিছে। ৰাৱণৰ প্ৰাসাদত শুই থকা ৰাৱণৰ পত্নী আৰু ৰক্ষিতাবোৰৰ মাজৰ পৰা সীতাক বিচাৰি উলিয়াবলৈ ৰাৱণে সকলোৰে মুখ শুঙি চাইছিল, কিয়নো হনুমানে ভালদৰে জানিছিল যে সীতাই কাহানিও মদ স্পৰ্শ নকৰে। সম্ভৱতঃ অভিজাত শ্ৰেণীৰ মাজত নাৰিকলৰ পানীৰ প্ৰচলনৰ কথা কন্দলিয়ে এঠাইত উলেখ কৰিছে।

## মাছ ঃ

বৰশী, জাল বা প'ল' আদি কেঁবাবিধো মাছ ধৰা সঁজুলিৰ উল্লেখ কন্দলিয়ে কৰিছে। "বৰশীয়া ৰাৱণৰ পুণঃতেসে দৃষ্টি" এই শাৰীটোক সীতাক হৰণ কৰিবলৈ ওলোৱা ৰাৱণক হাতত বৰশী লৈ থকা কিন্তু দৃষ্টি বৰশীত ভাঁহি থকা চিপৰ ওপৰত নিবিষ্ট থকা মানুহৰ লগত তুলনা কৰিছে। এঠাইত আকৌ মাটিৰ পাত্ৰত মাছ কেনেকৈ বান্ধিব লাগে তাৰ উল্লেখ আছে। মাছৰ ভিতৰত বৌ আৰু শ'ল মাছৰ উল্লেখ বিশে-ষকৈ আছে। চৈধ্য শতিকাৰ অসমত সম্ভৱতঃ এই দুয়োবিধ মাছেই জনপ্ৰিয় আছিল।

আহাৰ গ্ৰহণৰ বেলিকা কেতবোৰ বিশেষ উপলক্ষত থকা বাধা-নিষেধৰ ইঙ্গিত কন্দলিৰ ৰামায়ণত পোৱা যায়। তামোল খোৱাৰ অভ্যাস অসমীয়া জাতিৰ মাজত অতীজৰে পৰা আছে। বলবৰ্মণ (খৃঃ নৱম শতিকা)ৰ তাম্ৰলিপিত পানগছৰ লতাই তামোল গছৰ গা মেৰাই বগোৱাৰ বিবৰণ আছে। বাল্মীকিৰ ৰামায়ণ নতুবা মহাভাৰত, ক'তোয়ে তামোলৰ উল্লেখ নাই। তামোলৰ উল্লেখ বোধকৰো পোনপ্ৰথমবাৰৰ বাবে জাতকতে পোৱা যায়। উক্ত জাতকত বুদ্ধই কেনেকৈ তামোল চোবাইছিল তাৰ বৰ্ণনা আছে। এই জাতকৰ পিছত নানা কাব্য আৰু নাটৰ যোগেদি তামোলে জনপ্ৰিয়তা লাভ কৰে।[৫১] দেৱীৰ উদ্দেশ্যে তামোল উচৰ্গা কৰাৰ বৰ্ণনা **কালিকা-পুৰাণ** (দশম শতিকা)ত আছে। কন্দলিৰ লিখনিৰ পৰা জনা যায় যে সেই সময়ৰ পৰা কন্দলিৰ সময়লৈকে সমাজত তামোলে এক সুকীয়া আৰু এৰিব নোৱৰা ঠাই পাই আহিছে।



## সঙ্গীত আৰু নৃত্য ঃ

কন্দলিয়ে তেওঁৰ ৰামায়ণৰ কেবাঠাইতো নৃত্য আৰু নৰ্ত্তকীৰ বিষয়ে লিখিছে। কিন্তু তেওঁৰ লিখনিৰ পৰা বুজা যায় যে সেইসময়ৰ সমাজত নৃত্য-কলাৰ সন্মানজনক স্থান নাছিল, কন্দলিৰ ৰামায়ণত সীতাৰ অগ্নিপৰীক্ষাৰ আগতে, ৰামে সীতাক গ্ৰহণ কৰিবলৈ অমান্তি হোৱাত আৰু সীতাক বিভীষণ বা লক্ষ্মণৰ ওচৰলৈ যাবলৈ কোৱাত, সীতাই তিক্ততাৰে উত্তৰ দিছে যে ৰামে তেওঁক এজনী হীন নটুৱা-তিৰীৰ লগত ঠাই দিছে। "নটৰ নটিনী যেন আনক বিলাহা"।[৫২] আনকি অঙ্গদেও ৰাৱণক 'নট' বুলি ককৰ্থনা কৰিছে।

বাদ্য-যন্ত্ৰৰ এখন অতি দীঘলীয়া তালিকা কন্দলিৰ ৰামায়ণত সংৰক্ষিত হৈ আছে। বসুদেৱ চৰণ আগৰৱালাৰ মতে অসমীয়া **মহৰি** (২.৪১.১৬) আৰু হিন্দি **মহোৱাৰি (মধুকৰী)** একেটা শব্দই। বস্তৰ আৰু জগদলপুৰৰ উপজাতিবোৰে এতিয়াও এই বাদ্য বজায়। ই দেখাত ক্লেৰিওনেটৰ দৰে আৰু সাহ্নাই দৰে ইয়াৰ মাত। ইয়াৰ ওপৰৰ অংশ বাহেঁৰে আৰু তলৰ অংশ তামেৰে তৈয়াৰী। **ভিমসি** নামৰ বাদ্যযন্ত্ৰৰ উল্লেখো কন্দলিৰ ৰামায়ণত আছে। গুপ্তযুগৰ সাহিত্যত পোৱা বাদ্য-যন্ত্ৰবোৰৰ ভিতৰত **ভিমস** অন্যতম। এই দুয়োটা বাদ্য সম্ভৱতঃ একেটাই। কন্দলিৰ ৰামায়ণত সঘন উল্লেখ থকা আনটো বাদ্যযন্ত্ৰ হ'ল **ঢোকাৰী**। **ৰামতাল** আৰু **কৰতালৰ** উল্লেখো কন্দলিয়ে কৰিছে। কন্দলিৰ কাব্যত **ঢোল,**[৫৩] দুন্দুভি,[৫৪] বীণা[৫৫], মৃদঙ্গ[৫৬], কেন্দেৰা, দোতাৰা, শঙ্খ, **ৰাঁদ্ধাক, শিঙ্গা, দিন্দি, ৰিপঞ্চি, মাদল** আদি বাদ্যযন্ত্ৰৰ নাম পোৱা যায়।

কন্দলিয়ে তেওঁৰ ৰামায়ণৰ কেবাঠাইতো **নেত বস্ত্ৰৰ** নাম উল্লেখ কৰিছে। এই **নেত** কেবাটাও কামত লগোৱা হৈছিল। ডঃ মতি চন্দ্ৰৰ মতে মোটা গধুৰ এইবিধ পাট বঙ্গদেশত চৈধ্যশতিকালৈকে প্ৰচলিত আছিল। অতীজৰে পৰা দেশৰ পূৰ্ব্বাঞ্চলত আটাইৰে এই পাটবিধৰ উক্ত নামটো চিনাকী বুলিয়ে মই ভাবো। বাল্মীকিৰ ৰামায়ণ আৰু কৌটিল্যৰ **অৰ্থ শাস্ত্ৰৰ** দিনৰে পৰা অসমীয়া মানুহে বিভিন্ন পাটৰ কাপোৰৰ বাবে বেশমগুটিচাৰ আৰু পলু পোহাৰ কৌশল জানে।

কন্দলিৰ ৰামায়ণত **নেত কমলিৰ** উল্লেখ আছে। **নেত শাৰী, নেত ভূমি** নামে এই বস্ত্ৰৰ প্ৰচুৰ উল্লেখ আমি শঙ্কৰদেৱ আৰু অনান্য

কবিসকলৰ ৰচনাত পাওঁ। কপাহী-কাপোৰৰ উল্লেখ কেইবাঠাইতো আছে (৩।১০।২৬, ৩।১৬।৪৫ আদি)। শুভ অনুষ্ঠান আদিত কাপোৰ দান কৰাৰ কথা আমি পাওঁ। (২।৬।৯,৬৩-৬৬)। শুভ কামত কাপোৰ পাৰি তাত বহাৰ কথাও এই কাব্যত পোৱা যায়। (২।১।৩৯)।

ধুতি—(৫।১৯।১৮) মানুহৰ সাধাৰণ সাজ আছিল। মূৰত পাগুৰী মৰাৰ প্ৰচলন আছিল। শুভ কাৰ্য্যত বগা কাপোৰ ব্যৱহাৰ কৰা হৈছিল। বগা কাপোৰ পিন্ধি কৌশল্যাই বিষ্ণুক পূজা কৰিছিল (২।৩।৪৫)। এঠাইত ৰঙা কাপোৰ পিন্ধি জাম্বুমালী যুদ্ধলৈ যোৱাৰ উল্লেখ আছে—(৫।২২।৪)। কন্দলিৰ কাব্যত গুণাসূতাৰ উল্লেখ আছে আৰু ইয়াৰ পৰা বুজা যায় যে সেই সময়ত বনকৰা কাপোৰৰ প্ৰচলন আছিল (৬।৪৭।২৪)।

## সাজ-সজ্জা, অলঙ্কাৰ আৰু প্ৰসাধন:

পুৰুষ মহিলাই পিন্ধা ভিন ভিন চল্লিশবিধ অলঙ্কাৰৰ এখন দীঘল তালিকা **কালিকা পুৰাণত** (নৱম-দশম শতিকা) আছে। কন্দলিৰ ৰামায়ণত উক্ত প্ৰায় আটাই কেউবিধ অলঙ্কাৰৰে উল্লেখ আছে। সীতাই **পাগুৰী** নামৰ অলঙ্কাৰ পিন্ধাৰ কথা কন্দলিয়ে উনুকিয়াইছে।[৫৮] **গলপতা** নামৰ আন এবিধ জনপ্ৰিয় অলঙ্কাৰৰ কথাও পোৱা যায়। ডিঙিত পিন্ধা মালাধাৰিৰ মাজ ভাগতে কেতিয়াবা কেতিয়াবা একোটাহঁক লকেট অথবা দুল ( pendant ) ওলমাই দিয়া হয়।[৫৯] চেপেতা হাৰকে **গলপতা** বোলা হয়। **শঙ্খৰ** বালাৰ ব্যৱহাৰৰ কথাও কবিয়ে কৈছে।[৬০] **ঘাঘৰ**[৬১] নামৰ এক বিশেষ অলঙ্কাৰৰ ব্যৱহাৰৰ কথাও পোৱা যায়। পৰৱৰ্ত্তী কালৰ শঙ্কৰী বৈষ্ণৱ সাহিত্যত এই ধৰণৰ এক অলঙ্কাৰৰ উল্লেখ আছে। **ৰত্ন কাঞ্চীৰ** ব্যৱহাৰ কৰা হৈছিল। মূল ৰামায়ণৰ দৰে কন্দলিৰ ৰামায়ণতো যুদ্ধলৈ যোৱাৰ আগতে ৰাক্ষসবীৰ সকলে নিজকে সজ্জিত কৰে।

চন্দন আৰু অগৰু প্ৰসাধনত ব্যৱহাৰ কৰা হৈছিল। অতীজৰে পৰা অসমীয়া তিৰোতাসকলে আতৰ ব্যৱহাৰ কৰি আহিছে। দেৱদেৱীৰ পূজাত ধূপ-ধূনাৰ ব্যৱহাৰৰ ইঙ্গিত **কালিকা পুৰাণে** দিয়ে। অনসূয়াই সীতাক **অঙ্গৰাগ**[৬২] আৰু **কাজল** দিয়াৰ কথা কন্দলিয়ে উল্লেখ কৰিছে।



কন্দলিৰ ৰামায়ণৰ দুঠাইত **আলতা** ব্যৱহাৰৰ কথা পোৱা যায়।[৬৩] স্নান কৰোঁতে সুগন্ধি পানীৰ ব্যৱহাৰ আছিল বুলিও কবিজনাই কয়।

কন্দলিৰ ৰামায়ণৰ কেতবোৰ শ্লোকত বিভিন্ন কেশসজ্জাৰ ইঙ্গিত আছে। ৰাৱণৰ প্ৰাসাদত হনুমানে নিদ্ৰাৰতা সুন্দৰী স্ত্ৰীলোকক নিৰীক্ষণ কৰোঁতে, বিশেষকৈ, **কালিনী খোপা** নামৰ এক বিশেষ কেশসজ্জাৰ উল্লেখ থকাটো মনকৰিবলগীয়া।[৬৪] সীতাৰ চুলিটাৰি আঠহাত দীঘল বুলি কন্দলিয়ে লিখিছে।

## খেল-ধেমালি আৰু আমোদ-প্ৰমোদ:

কেবাপ্ৰকাৰো খেলৰ নাম কন্দলিয়ে দিছে—বিশেষকৈ 'লঙ্কাকাণ্ড'ত লঙ্কাৰ সমাজখনৰ বৰ্ণনাৰ বেলিকা: (ক) বাঁহৰ টুকুৰাৰে খেলা **ভণ্টা**; (খ) পথাৰত, বিশেষকৈ বিহুৰ পিছত কাপোৰ অথবা সুতাৰে সজা বলেৰে সজা **ধোপ**;[৬৫] নাকৰ মাজেৰে শলা সোমোৱা এক অদ্ভুত খেলৰ উল্লেখ কন্দলিয়ে কৰিছে "সাৱলে হংসৱে নাকত শলা বাই" (৬,১৩,৪৩); (গ) সাধাৰণ এবিধ খেল **খেৰি**; (ঘ) জুৱা; (ঙ) পাশা; (চ) টোকোৰা—লেখাৰুৱে কবৰ দৰে নাৰিকলৰ খোলাৰে খেলা এবিধ খেল; (ছ) চিকাৰ আৰু (জ) মালযুঁজ।

## সমাজত নাৰীৰ স্থান:

এতিয়া কবিৰ সমসাময়িক সমাজত নাৰীৰ স্থানৰ বিষয়ে এটি চমু আলোচনা কৰা যাওক। চৈধ্য শতিকাত অসমীয়া নাৰীয়ে নিজঞাল আৰু মুকলিমূৰীয়া জীৱন কটোৱা বুলি ধৰিব পাৰি। কেৱল নিজৰ ভিতৰতে নহয়, পুৰুষৰ আগতো, মহিলাসকলে নিজৰ ভাৱ প্ৰকাশ কৰিবৰ পুৰা অধিকাৰ আছিল। আলি-পদূলি আৰু হাট-বজাৰলৈ ওৱনি-বাৱনি নোলোৱাকৈ তেওঁলোকে ওলাব পাৰিছিল। ৰজা দশৰথৰ মৃত্যুৰ পিছত গিৰিব্ৰজৰ পৰা উলটি আহোঁতে বাটত আৰু হাট-খোলাত কোনো তিৰোতা মানুহকে নেদেখি ভৰত আচৰিত হৈছিল। আমোদৰ কথা, ৰামক নিৰ্ব্বাসনৰ পৰা ঘূৰাই আনিব নোৱাৰি অযোধ্যালৈ উলটি অহা মুনিহ কেইজনক তেওঁলোকৰ পত্নীসৱে কেৱল গালি পৰাই নহয়, মুঠিৰে ভুকুৱায়ো। দশৰথৰ

প্ৰধান মন্ত্ৰী সুমন্ত্ৰবো একে দশাই হ'ল।[৬৭] কবিৰ সময়ত সম্ভৱতঃ পৰ্দাপ্ৰথা নাছিল। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই কয় যে প্ৰাচীন অসমত তিৰোতাই ওৰণি লোৱাৰ কোনো প্ৰথাই নাছিল। তিৰোতাক আচুতীয়াকৈ ৰখাৰ প্ৰথা প্ৰাচীন ভাৰতত নথকা বুলিয়ে বহুতৰে ধাৰণা। মুছলমান-সকলে পোনপ্ৰথমবাৰৰ বাবে পৰ্দা প্ৰথা ভাৰতলৈ আনে। বাল্মীকিৰ ৰামায়ণত পৰ্দা প্ৰথাৰ বিষয়ে আলোচনা কৰোঁতে অযোধ্যাকাণ্ড (২,৪৫,২৫)ৰ এটা শ্লোকলৈ আঙুলিয়াই দি ডঃ এচ, এন, ব্যাসে মত প্ৰকাশ কৰিছে যে অযোধ্যাৰ নাৰীসকল মাথোন নিজ চৰিত্ৰৰ বলেৰেই সুৰক্ষিত আছিল। নিজৰ ঘৰ-সংসাৰ এৰি অযোধ্যাৰ যিসকল পুৰুষ ৰামৰ লগত বনবাস খাটিবলৈ সাজু হৈছিল তেওঁলোকে কিন্তু ঘৰৰ তিৰোতাসকলৰ নিৰাপত্তাৰ বাবে অকণো চিন্তাত পৰা নাছিল। তেওঁলোকৰ গভীৰ বিশ্বাস আছিল যে সতী তিৰোতা মাথোঁ নিজৰ গুণেৰে ৰক্ষিত, আন একোৰেই নহয় (২, ৪৫, ২৫)। চৰিত্ৰ ৰক্ষাৰ বাবে তিৰোতাক আচুতীয়াকৈ ৰখাৰ প্ৰথা বা পৰ্দাপ্ৰথা যে একেবাৰেই অলাগতীয়াল, তেওঁলোকৰ মন্তব্যই তাকে দৃঢ়তাৰে দাঙি ধৰিছে ঃ পৰৰ ঘৰত বন্দিনী হৈ মাথোঁ নিজৰ সতীত্ব গুণেৰে নিস্কলঙ্ক হৈ ৰোৱা সীতাৰ চৰিত্ৰয়ো এই কথাকে প্ৰমাণ কৰে।

কন্দলিৰ সমগ্ৰ ৰামায়ণতে নাৰীজাতিৰ প্ৰতি গভীৰ শ্ৰদ্ধাৰ ভাব স্পষ্ট। তেওঁলোকক সদায় আই দেৱী, সতী আদিৰে সম্বোধন কৰা হৈছিল। তিৰোতাৰ মস্তকমণিস্বৰূপ সতীত্বক গভীৰ সন্মান নিবেদন কৰা হৈছিল। তিৰোতাৰ স্বভাৱৰ বিষয়ে সমালোচনা কন্দলিৰ ৰামায়ণত খুব কমহে আছে আৰু থকাখিনিও বাল্মীকিৰ ওপৰত ভিত্তি কৰিয়ে লিখা। কন্দলিৰ ৰামায়ণৰ পৰা বুজা যায় যে সাধাৰণ মানুহে নাচনী (dancer) আৰু ভাৱৰীয়া তিৰোতাক (actress) হেয় জ্ঞান কৰিছিল। অগ্নি পৰীক্ষাৰ সময়ত সীতাই ৰামক কৈছে যে তেওঁ সীতাক নটৰ ঘৈণীৰ দৰে ব্যৱহাৰ কৰিছে।[৬৯] বিভিন্ন উপমাবোৰেও নটী তিৰোতাৰ প্ৰতি থকা কন্দলিৰ হেয় মনোভাৱৰ প্ৰমাণ দিয়ে। অৱশ্যে, সাধাৰণতঃ নাৰীৰ প্ৰতি কন্দলিয়ে জনোৱা শ্ৰদ্ধাভাৱে মোটামুটি ইয়াকে সূচায় যে ১৪ শতিকাৰ সমাজত নাৰীয়ে এক সন্মানজনক স্থান অধিকাৰ কৰিছিল।

কন্দলিৰ ৰামায়ণ এনেদৰেই চৈধ্য শতিকাৰ ৰঙে-ৰসে জীৱন্ত অসমীয়া সমাজখনক প্ৰতিফলিত কৰি তোলা এখন জানিবা দাপোনহে।

—০০—



## পাদটীকা ঃ

১) কন্দলিয়ে যে দক্ষিণাট্য অথবা পশ্চিমোত্তৰীয় সংস্কৰণ অনুসৰণ কৰা নাছিল, বাল্মীকিৰ গৌড়ীয় সংস্কৰণে অনুসৰণ কৰিছিল সেই কথা ই মোৰ গৱেষণা গ্ৰন্থ Comparative Study of the Ramayana Madhava Kandali and that of Goswami Tulsi Das ত আঙুলীয়াই দেখুৱাইছোঁ।

২) কন্দলিৰ ৰামায়ণ, ৬, ৫৬, ২৪ আদি। ইয়াত সকলোবোৰ উদ্ধৃতি কনক চন্দ্ৰ শৰ্মা সম্পাদিত ৰামায়ণ (নগাওঁ, ১৯৪০) ৰ পৰা লোৱা।

৩) উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, **অসমীয়া ৰামায়ণ সাহিত্য**, পৃঃ ৪২।

৪) বাল্কে, **ৰামকথা**, পৃঃ ১২৮।

৫) ৬,৩৮, ৪৫-৪৬

৬) ২,২৭, ৭-১০

৭) ৬,৩৪, ১-৭

৮) ২,৫, ১০৭-১১৪

৯) ২,১৭, ৩৩-৩৮

১০) ৫,৩, ২২-৩১

১১) **ৰামায়ণী কথা**, পৃঃ ৬১

১২) ৪,২৬ ৮-১৩

১৩) ৩,৭৪, ৩০-৩৫

১৪) ৫,১৯, ১৪-১৬

১৫) ৫,২৪, ৩১-৪৬

১৬) ৫,১৪,৫৬,৫৩,৫৭,৬০,

১৭) ৫,৩৫, ১১-১৫

১৮। ৫,৪১, ৯-১৩

১৯) ৫,৩২,৬২

২০ ৫,২৫, ২৩-২৬

২১) ২,৩,২৩

সন্ধি বিগ্ৰহৰ তত্ত্ব আৰৰ আসন।
দ্বৈধ সখ্য যান ছয় গুণে দিবে মন ॥

২২) মহেশ্বৰ নেওগঃ 'Assamese literature before Sankardeva,' Aspects of Early Assamese Literature.

২৩) নেওগ, উল্লিখিত প্ৰবন্ধ, পৃঃ ১৪২
২৪) উক্ত প্ৰবন্ধত উদ্ধৃত।
২৫) গগৈ ঃ 'মাধৱ কন্দলি আৰু মহামাণিক্য ক'ৰ,' **অসম সাহিত্য-সভা পত্ৰিকা**, পৃঃ ২২-২৫।
২৬) ৫,৩১,২৫
২৭) পদ্মনাথ গোহাঁই বৰুৱা, **অসম বুৰঞ্জী**, পৃঃ ২২৮।
২৮) ৬,৯,১৯৭, ৩,১৬,২৭,
২৯) গোহাঁই বৰুৱা, ঐ, পৃঃ ২৯৩
৩০) ৩,১৬,২৭
৩১) ৬,৫,৮
৩২) ৬,৯৩,৪১
৩৩) ৬,৫৪,১৮২
৩৪) ৬,৫৬,১৬
৩৫) ৬,৯৬,৮২
৩৬) ৬,৮০,২৯
৩৭) ৩,১৫,৫৩
৩৮) ২,৫,৯৩৩
৩৯) ২৫,
৪০) ৬,৫৪,১৮২, ৬,৫৫,১৬ ৬,৩০,২৩, আদি।
৪১) ৬,৪৮,৪০
৪২) ৬,৪৮,১১
৪৩) ২,৫,১১৫
৪৪) দ্ৰষ্টব্য ঃ Aspects of Early Assamese Literature ত ৰামায়ণৰ বিষয়ে উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ প্ৰবন্ধ।
৪৫) নেওগ, **পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি**, পৃঃ ৮০-৮১।
৪৬) হাজাৰি প্ৰসাদ দ্বিবেদী, **Nathpanthis**, পৃঃ ১৮১।
৪৭ ২,১,২৯, **অথৰ্ব-বেদ** (৪২,১৯,৬) তো উৰুলি ধ্বনিৰ উল্লেখ আছে। দময়ন্তীৰ বিবাহৰ বৰ্ণনাত **নৈষধচৰিতৰ** ৰচক শ্ৰীহৰ্ষই এই বিশেষ ধ্বনিৰ বিষয়ে লিখিছে। এই কাব্যৰ ৰামায়ণে কৰা টীকাত উল্লেখ আছে যে গৌড় দেশতো উৰুলি দিয়াৰ প্ৰথাৰ প্ৰচলন আছিল। (ডঃ ত্ৰিপাঠীৰ **কৃত্তিবাসী ৰামায়ণ ঔৰ ৰামচৰিত মানস**, পৃঃ ১৩৮ৰ পৰা উদ্ধৃত।



৪৮) ২,১, ৩৯-৪০
৪৯) ৫,১১,২০
৫০) ২,১০,২৭
৫১) কুবেৰ নাথ ৰায়, প্ৰবন্ধ 'পূজা কা পান', **ধৰ্মযুগ** ৫ নবেম্বৰ, ১৯৭২।
৫২) মূল সংস্কৃত 'শৈলুষ ইৰ মাং পৰেভ্যো দাতুম্ ইচ্ছসি' পৰা ভাঙনি কৰা হৈছে—ডঃ মহেশ্বৰ নেওগ।
৫৩) **আইন-ই-আকবৰীত** আব্দুল ফজলে কৰা বাদ্যযন্ত্ৰৰ তালিকাতো ইয়াৰ উল্লেখ আছে।
৫৪) বৈদিক যুগত ব্যৱহৃত বাদ্যযন্ত্ৰসমূহৰ ভিতৰত দুন্দুভি অন্যতম। ইয়াক যুদ্ধ আৰু শান্তি দুয়ো সময়তে ব্যৱহাৰ কৰা হৈছিল। বিজয় উৎসৱত দেৱতাসকলে দুন্দুভি বজাইছিল। **মহাব্ৰতৰ** লেখীয়া পৰ্ব আদিত দুন্দুভি বজোৱাৰ উল্লেখ **সংহিতা** আৰু **ব্ৰাহ্মণ** কেইখনত আছে। (বিতং আলোচনাৰ বাবে এচ কৃষ্ণস্বামীৰ Musical Instruments of India, পৃঃ ২০ চাওক।)
৫৫) অলাবু, ৱক্ৰ, কপিশীৰ্ষ; মহাৱীণা আদি কেবাপ্ৰকাৰৰো বীণাৰ উল্লেখ বৈদিক সাহিত্যত পোৱা যায়। বাল্মীকিৰ ৰামায়ণত সুগ্ৰীৱৰ ঘৰৰ ভিতৰ সোমাওঁতে লক্ষ্মণে বীণাৰ শব্দ শুনিছিল। অশ্বমেধৰ সময়ত কুশই সমগ্ৰ ৰামায়ণখনক গীত কৰি গাইছিল। বাল্মীকিৰ অনুসৰণতে কন্দলিয়ে এঠাইত হনুমানে সীতাক বিচাৰি যাওঁতে ৰাৱণৰ প্ৰাসাদৰ ভিতৰ চ'ৰাত এগৰাকী গায়িকাই বীণাখনক সাৱটি শুই থকা দেখিবলৈ পোৱাৰ কথা উল্লেখ কৰিছে।
৫৬) **শৰৎ উৎসৱত** মৃদঙ্গৰ সাধাৰণ ব্যৱহাৰৰ কথা **কালিকা পুৰাণ** (৬১-১১-১২) ত পোৱা যায়।
৫৭) ড° ত্ৰিপাঠীৰ **কৃত্তিবাসী ৰামায়ণ ঔৰ ৰামচৰিত মানস** পৃঃ ১১৪ৰ পৰা উদ্ধৃত, ডঃ মতি চন্দ্ৰৰ 'প্ৰাচীন ভাৰতীয় বেশভূষা' পৃঃ ১৫৭ত উল্লিখিত।

পুৰণি অসমীয়া **নেত বা নেতৰ** শব্দ সংস্কৃত **নেত্ৰ** ৰ পৰা উদ্ভূত, আৰু ই সাধাৰণতে পাট আৰু বিশেষকৈ বগা পাট (silk) বুজায়। বাণৰ **হৰ্ষচৰিত** আৰু শঙ্কৰৰ টীকা-টিপ্পনীৰ প্ৰসঙ্গত ডঃ ডি, এচ আগৰৱালাই লিখিছে ঃ "নেত্ৰ বসনৰ উল্লেখ **হৰ্ষচৰিতত** পাঁচবাৰ আছে। হৰ্ষই নিজে **নেত্ৰসূত্ৰৰ** দ্বাৰা বান্ধ দি **অধোবস্ত্ৰ** পৰিধান কৰিছিল। শঙ্কৰৰ

ভাষ্যত নেত্রসূত্র কৰ্কাঁলত পিন্ধা  কাপোৰৰ লেখীয়া একপ্ৰকাৰৰ পাটৰ টঙালি। **নেত্ৰ** একপ্ৰকাৰ বগা কাপোৰ বুলি বাণে কৈছে ঃ ( ধৌত-ধৱলনেত্ৰ —নিৰ্মিতেন নিৰ্মোকলঘুতৰেণ কঞ্চুকেন ) । ... ... ... বাণে দিয়া বৰ্ণনাত **নেত্ৰ** এবিধ বন কৰা কাপোৰ। ( উচ্চিত্ৰনেত্ৰসুকুমাৰস্ব-স্থনস্থগিতজংঘা কান্ধেঃ, যাৰ জিলিকনি ফুলাম নেত্ৰ কাপোৰেৰে তৈয়াৰী ঠেঙ্গাই ঢাকি ৰাখিছিল )।" ( ভি এচ আগৰৱালা ঃ 'Preparation for Rajyasri's marriage, Journal of Assam Research Society Vol. XVII, 1963, PP.34-f )

৫৮) ১,১৫,২৪ আৰু ১,৩১,৩২।

৫৯) ১,৩১,২১

৬০) ১,৩১,২৩

৬১) ৫,১১,৩২

৬২) **অঙ্গৰাগ** বুলিলে দেহৰ সৌন্দৰ্য্য বৃদ্ধিৰ বাবে কৰা সাধাৰণ সজ্জাকে বুজায়। হোমাৰ উলিয়ামছ ( Homer Williams ) ৰ মতে ই হ'ল "applicat on of unquents of cosmetics to the body (especially after bathing), scented cosmetic."

৬৩) ৬,১৮,৩৬ আৰু ৫,১৪,৫৮

৬৪) ৫,১১,৩৪

৬৫) ৫,১৪,৮

৬৬) ২,২০, ১১১-১১৪

৬৭) অসম সাহিত্য-সভা পত্ৰিকা, ১৭ তম সংখ্যা, ১৮৮০ শক।

৬৮ এচ, এন, ব্যাস: The Purdah system in Ramayan, Journal of Orient Institute, Vol 5, P 334.

৬৯) ৬,৫০,৫৫, আদি।

—(০)—



# ॥ অসমত ৰাম-কথা আৰু তাত কন্দলি ৰামায়ণৰ স্থান ॥

ডঃ বীৰেন্দ্ৰ নাথ দত্ত

চতুৰ্দশ শতিকাত ৰচিত মাধৱ কন্দলিৰ অসমীয়া ৰামায়ণখন ভাৰতীয় প্ৰান্তীয় ভাষা সমূহত প্ৰাপ্ত ৰামায়ণৰ প্ৰাচীনতম বিলাকৰ ভিত-ৰত এখন আৰু উত্তৰ ভাৰতৰ ভাষাসমূহত ৰচিত ৰামায়ণৰ সম্ভৱতঃ আদিতম নিদৰ্শন বুলি স্বীকৃত। গতিকে, অন্ততঃ সেই সময়ৰ পৰাই অসমত ৰামায়ণৰ কাহিনীৰ ব্যাপক প্ৰসাৰ হোৱাটো নিঃসন্দেহ। কিন্তু ৰামায়ণৰ পৰা প্ৰত্যক্ষ ভাবে গৃহীত নহলেও কন্দলিৰ পূৰ্বৰ বুলি স্বীকৃত হৰিবৰ বিপ্ৰৰ 'লৱ-কুশৰ যুদ্ধ'ই প্ৰমাণ দিয়ে যে অসমত ৰাম-কথাৰ প্ৰচলন মাধৱ কন্দলিৰ সময়ৰো আগৰ কথা। আকৌ, কন্দলিৰ ৰামায়ণ বা বিপ্ৰৰ 'লৱ-কুশৰ যুদ্ধ' লিখিত সাহিত্য কৃতিহে; মৌখিক পৰম্পৰাত তাৰো আগৰ পৰা ৰাম-কথাৰ প্ৰচলন থকাটো অকল সম্ভৱ নহয়, স্বাভাৱিকো। এইটো ঠিক যে শঙ্কৰদেৱৰ নেতৃত্বত হোৱা নৱ বৈষ্ণৱ আন্দোলনৰ পূৰ্বেই অসমত এটি বৈষ্ণৱ পৰিমণ্ডলৰ অস্তিত্ব আছিল। সেই পৰিমণ্ডলত নিশ্চয় ৰাম-কথাৰো স্থান আছিল, যদিও ইয়াত স্বতন্ত্ৰ ৰাম-উপাসক গোষ্ঠীৰ ( Rama cult ) অস্তিত্বৰ প্ৰমাণ পোৱা নাযায়।

আগতে যিয়েই নহওক, অন্ততঃ পঞ্চদশ শতিকামানৰ পৰা এতিয়া-লৈকে অসমত ৰাম-কথাৰ ব্যাপক জনপ্ৰিয়তাৰ সাক্ষ্য পোৱা যায় নানা সমলৰ পৰা।

প্ৰথম কথা অসমীয়া ভাষাত এটি যথেষ্ট বিস্তৃত আৰু সমৃদ্ধি লিখিত ৰামায়ণী সাহিত্য বৰ্তমান। এই ৰামায়ণী সাহিত্যৰ ভাণ্ডাৰ কাব্য,

নাট্য আৰু গদ্য—কেউবিধ ৰচনাৰে পুষ্ট। ইয়াৰ ভিতৰত মাধৱ কন্দলিৰ পদ ৰামায়ণখনেই সৰ্বাগ্ৰগণ্য। বাল্মীকি ৰামায়ণৰ প্ৰতি প্ৰায় সম্পূৰ্ণ অনুগত, অসাধাৰণ কাব্যগুণ ভূষিত এই ৰামায়ণখন অসমীয়া সাহিত্যৰ এটি মহামূল্য সম্পদ। কন্দলিৰ এই কাব্যকৃতিক 'কৱিতা শাস্ত্ৰ' আখ্যা দি তাক লোক সমাজত সুপ্ৰতিষ্ঠিত কৰি ৰখাৰ উদ্দেশ্যেৰে শঙ্কৰদেৱে মাধৱদেৱৰ হতুৱাই আদি-কাণ্ড ৰচনা কৰাই আৰু নিজে উত্তৰা-কাণ্ড ৰচনা কৰি তাৰ লগত যোগ দিছিল আৰু সেইদৰেই 'অপ্ৰমাদী পূৰ্ব কবি'ৰ প্ৰতি তেওঁৰ অকুণ্ঠ স্বীকৃতি আৰু সশ্ৰদ্ধ ঋণ-পৰিশোধৰ ব্যৱস্থা কৰিছিল।

পদ-ৰামায়ণৰ ভিতৰত মাধৱ কন্দলি ৰামায়ণৰ পিছতেই আহে অনন্ত কন্দলিৰ ৰামায়ণ যাৰ অনুপ্ৰেৰণা আৰু আধাৰো আকৌ প্ৰথমখনেই। মাধৱ কন্দলিৰ ৰামায়ণতে 'ভাগৱত মিশলাই' শঙ্কৰ-প্ৰৱৰ্ত্তিত নতুন ভাগৱতী বৈষ্ণৱ আদৰ্শৰ সাঁচত ঢালি লোৱা বাবে ইয়াৰ যথাৰ্থতে মাধৱ কন্দলিৰ 'ভাগৱতী সংস্কৰণ' আখ্যা দিয়া হৈছে। এই আদৰ্শৰে অনুপ্ৰাণিত আন এখন পদ-ৰামায়ণ হ'ল শঙ্কৰদেৱৰ কীৰ্ত্তন ঘোষাৰ আহিত সমূহীয়াকৈ গাব পৰা ৰূপত ৰচিত অনন্ত ঠাকুৰৰ 'শ্ৰীৰাম-কীৰ্ত্তন।'

অৰণ্যকাণ্ডৰ পৰা আৰম্ভ কৰি (আগৰ অংশ আছিল যদিও বৰ্তমানে লুপ্ত) ৰামায়ণৰ কাহিনী আশ্ৰিত খণ্ড খণ্ড গীতৰ সমষ্টি দুৰ্গাবৰৰ গীত-ৰামায়ণেও অসমীয়া ৰামায়ণী সাহিত্যত বিশিষ্ট স্থান অধিকাৰ কৰি আছে। ড° বাণীকান্ত কাকতিৰ ভাষাত "গীতি-ৰামায়ণ বাল্মীকিৰ মহাকাব্যৰ গাৰ্লীয়া তাণ্ডৱৰ মাথোন" আৰু ড° মহেশ্বৰ নেওগৰ মতে "ইয়াক, বিশেষকৈ ইয়াৰ শেষাৰ্দ্ধক, মাধৱ কন্দলিৰ পদ-ৰামায়ণৰ ওজা-পালি তাণ্ডৱৰ বুলিলেহে বেছি ৰজিতা খাব যেন লাগে।" তেখেতৰ ভাষাত দুৰ্গাবৰে "পোনৰ ফালে নিজ কল্পনাৰে জন-সমাজত চলি থকা ৰাম-কথা সংযোজন কৰি আৰু বাকী ভাগত কন্দলিৰ ৰামায়ণৰ পৰা গীতি-সংস্কৰণ" উলিয়াই ওজা-পালি শৈলীত গাই ফুৰিছিল।

তুলসী দাসৰ ৰামচৰিত মানসৰ অসমীয়া পদ ভাঙনি হৈছিল কমলেশ্বৰ সিংহৰ দিনতে, কৰিছিল শ্ৰীকান্ত সূৰ্য বিপ্ৰই। ইয়াৰ উপৰি সুকীয়া সুকীয়াকৈ ৰামায়ণৰ বিভিন্ন কাণ্ডৰ আৰু ৰামায়ণৰ বিশেষ কাহিনীৰ কাব্যৰূপো অসমীয়াত আছে। তাৰ ভিতৰত উল্লেখযোগ্য ৰঘুনাথ দ্বিজ আৰু লক্ষ্মীৰাম দ্বিজৰ 'অযোধ্যা-কাণ্ড' শ্ৰীনাথ দ্বিজ, ৰঘুনাথ দ্বিজ আৰু দেৱীনন্দৰ 'কিষ্কিন্ধ্যা কাণ্ড', ৰুদ্ৰৰাম শৰ্মাৰ 'অৰণ্য-কাণ্ড', গঙ্গাৰাম বা গঙ্গাগতি দাসৰ 'সীতাৰ বনবাস' আৰু 'সীতাৰ-পাতাল প্ৰৱেশ' আৰু ভৱানীনাথ দ্বিজৰ 'শ্ৰীৰামচন্দ্ৰ অভিষেক' ইত্যাদি।



এয়া গ'ল ৰামায়ণৰ মূল কাহিনীৰ লগত সঙ্গতি থকা বিষয় বস্তুৰ আধাৰত ৰচিত কাব্যৰূপৰ কথা। কিন্তু মূল ৰামায়ণৰ কাহিনীৰ লগত প্ৰত্যক্ষ সম্পৰ্ক নথকা ঘটনাৰ আলমত ৰচিত হোৱা কাব্যও অসমীয়াত কেইবাখনো আছে। তেনে কেইখনমান ৰচনা হ'ল অনন্ত কন্দলিৰ 'মহীৰাৱণ বধ' ৰঘুনাথ মহন্তৰ 'অদ্ভুত ৰামায়ণ' আৰু 'শত্ৰুঞ্জয়', ধনঞ্জয়ৰ 'গণক চৰিত্ৰ', কৃত্তিবাস পণ্ডিতৰ 'অঙ্গদ ৰায়ৱৰ', ভৱদেৱ বিপ্ৰৰ 'নাগাক্ষ-যুদ্ধ' আৰু 'শ্ৰীৰামচন্দ্ৰৰ অশ্বমেধ যজ্ঞ' ইত্যাদি। 'মহীৰাৱণ বধ'ত ৰাৱণৰ ভায়েক মহীৰাৱণৰ দ্বাৰা ৰাম-লক্ষ্মণক পাতাললৈ অপহৰণ আৰু হনুমানৰ দ্বাৰা তেওঁলোকৰ উদ্ধাৰৰ কাহিনী বৰ্ণিত হৈছে; 'অদ্ভুত ৰামায়ণ'ত আছে সীতাই বাসুকীনাগৰ সহায়ত লৱ-কুশক পাতাললৈ নিয়া আৰু হনুমানৰ সহায়ত তেওঁলোকৰ ঘূৰি অহাৰ কাহিনী; 'শত্ৰুঞ্জয়'ৰ বিষয়-বস্তু বালীৰ দিগ্বিজয়ৰ বৰ্ণনা; 'গণক চৰিত্ৰ' বা 'মন্দোদৰীৰ মনিহৰণ'ত হনুমানে কিদৰে অলৌকিক শক্তিৰ সহায়ত প্ৰথমে মেকুৰীৰ ৰূপত মন্দোদৰীৰ মণি হৰণ কৰি তেওঁৰ স্তনত ক্ষত কৰে আৰু পিছত গণক ৰূপ ধৰি ৰাৱণৰ আগত মন্দোদৰীৰ বিষয়ে খল লগাই মায়া-ৰামৰ কৌশলেৰে সীতাক বিভ্ৰান্ত কৰাৰ পৰা ৰাৱণক বিৰত কৰে—তাৰে চমকপ্ৰদ বিৱৰণ আছে।

অসমীয়া গদ্য-ৰামায়ণ এখনেই—নাম 'কথা-ৰামায়ণ'; ইয়াৰ প্ৰণেতা ৰঘুনাথ মহন্ত আৰু ই ভট্টদেৱৰ 'কথা ভাগৱত' আৰু 'কথা-গীতাৰ' আহিত ৰচিত।

ৰাম-কথাৰ পৰা বিষয়-বস্তুলৈ অসমীয়াত কেইবাখনো নাটো ৰচিত হৈছে, যাৰ ভিতৰত শঙ্কৰদেৱৰ 'ৰাম-বিজয়' শ্ৰেষ্ঠ স্থানৰ অধিকাৰী। মাধৱদেৱেও 'ৰাম-ভাওনা' নামৰ এখন নাট লিখিছিল বুলি গুৰু-চৰিতৰ বিৱৰণৰ পৰা জনা যায় কিন্তু সেইখন, যিকোনো কাৰণত হওক, লুপ্ত হ'ল। অনন্দ কন্দলিয়েও 'সীতাৰ-বনবাস' নামৰ নাট এখন লিখিছিল। ইয়াৰ পিছতো সত্ৰীয়া পৰম্পৰাত ৰাম-কথাৰ আধাৰত নাট লিখা হৈছে আৰু সেই ধাৰা আজিও অব্যাহত আছে।

(সাম্প্ৰতিক কালত ৰাম-কথা সম্বলিত সাহিত্যৰ সৃষ্টি হৈ

আছে যদিও সামাজিক ঐতিহ্যৰ লগত প্ৰত্যক্ষ যোগ নথকা বাবে সেই খিনিৰ বিচাৰ লোৱা হোৱা নাই ।)

লিখিত সাহিত্যৰ উপৰিও মৌখিক সাহিত্যতো ৰাম-কথাৰ উপাদানৰ সঘন উপস্থিতি লক্ষণীয় । সীতা-বাৰমাহী ৰাম বাৰমাহী আদিৰ উপৰিও ৰাম-সীতাৰ কাহিনীক লৈ ৰচিত অসংখ্য গীত লোক-সমাজত প্ৰচলিত যিবোৰৰ ভিতৰত কিছুমান অত্যন্ত জনপ্ৰিয়, যেনে—

"মগ্নো বনে যাওঁ স্বামী হে
তোমাৰ লগত স্বামী খাটিম বনবাসহে" ।

"ৰাম আহিল ৰে—
বনৰ মৃগ মাৰি আইল ৰে" ।

"সীতা শান্তী এ
তোক যে নুবুলু ভাল,
সুবৰ্ণৰ দলিচাই গা জুৰ নকৰে
তোক লাগে মিৰিগৰ ছাল" ।

"আ কি তাপসীয়া
আজি বাহৰিয়া যাও ঘৰে" ।

বিয়া-নামত ৰামে হৰধনু ভাঙি সীতাক লৈ যোৱা, জনকৰ নগৰ শুদা হোৱা, ৰাম-সীতাই পাশা খেলা আদিৰ কথা প্ৰায়েই পোৱা যায় । যোজনা-পটন্তৰতো ৰাম-কথাৰ প্ৰসঙ্গ প্ৰচুৰ পৰিমাণে উপস্থিত ।

(ইয়াৰ উপৰিও ভকতীয়া গীত বা নামত দিহা দিওঁতে 'ৰাম' কথাৰ পুনৰাবৃত্তি, ভকতীয়া পৰম্পৰাত 'ৰাম' বুলি সম্ভাষণ জনোৱা, বস্তু জোখা আদি কামত 'ৰাম' বুলি আৰম্ভ কৰা, মানুহৰ নামৰ মধ্য-অংশত 'ৰাম'ৰ ব্যৱহাৰ (তৰুণৰাম, আনন্দৰাম, ধনীৰাম) আদিয়ে লোক-সমাজত ৰাম-কথাৰ মাহাত্ম্যৰ অস্তিত্বৰ ইঙ্গিত বহন কৰে)।

অসমীয়া লোক-সমাজত ৰাম-কথাৰ ব্যাপ্তিৰ পূৰ্ণ চিত্ৰ লিখিত বা মৌখিক সাহিত্যৰ এইখিনি নিদৰ্শনৰ পৰাই পোৱা নাযায়, কাৰণ ইয়াত ৰাম-কথাৰ এনে প্ৰচুৰ উপকৰণ আছে যিবোৰ সম্পূৰ্ণৰূপে মৌখিক পৰম্পৰাৰ দ্বাৰা বাহিত হৈ আহিছে, আনকি গীত বা আন তেনে নিৰ্দিষ্ট ৰূপত নিবদ্ধ হোৱা নাই । (এইটো প্ৰসঙ্গলৈ আমি পিছত আহিম) তাৰ উপৰি, আমাৰ লোক-সমাজত ৰাম-কথাৰ অতি গুৰুত্বপূৰ্ণ বাহক হিচাপে কাম কৰিছে কেইবাবিধো জনপ্ৰিয় লোক-নাট্যানুষ্ঠানে। কেতিয়াবা লিখিত



পুথিৰ পৰা সমল লৈ আৰু কেতিয়াবা লোকনীতিৰ আধাৰত নিজে নিজে প্ৰস্তুত কৰি লোৱা সমলেৰে অনুষ্ঠান উপস্থাপন কৰি ৰাম-কথা-পিপাসুৰ তৃষ্ণা-নিবাৰণৰ লগতে ৰাম-কথাৰ বিস্তাৰতো এই লোক-নাট্যানুষ্ঠান সমূহে অতি গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে । এই নাট্যানুষ্ঠান সমূহ হ'ল—

(ক) ভাওনাঃ শঙ্কৰ-মাধৱৰ দ্বাৰা প্ৰৱৰ্ত্তিত আহিৰ পূৰ্ণ পৰ্য্যায়ৰ আদৰ্শ অঙ্কীয়া-নাট, সাহিত্য-কৃতি বা নাট্য-কৃতি হিচাপে পূৰাপূৰিকৈ লোক-নাট্যৰ শাৰীত নপৰে যদিও সেই পৰম্পৰাৰ বহু নাট বিশেষকৈ উপস্থাপনা-স্তৰত (Performance level) লোক-নাট্যৰীতিৰ ভিতৰুৱা হৈ পৰে । ৰাম বিজয়ৰ পৰা আৰম্ভ কৰি বহু নাটকে এই ৰীতিত লোক সমাজত ৰাম-কথাৰ প্ৰচাৰ কৰি আহিছে ।

(খ) ওজা-পালিঃ নামনি অসমৰ অতি গুৰুত্বপূৰ্ণ আৰু প্ৰভূত ভাবে জনপ্ৰিয় গীত-নৃত্য অভিনয়েৰে পুষ্ট দৃশ্য-শ্ৰব্য কলা-শৈলী (Performing art form) ওজা-পালিৰ দুটা প্ৰধান ধাৰা—মাৰৈ-গোৱা (যাইকৈ মনসা-পূজাৰ লগত জড়িত শাক্ত ধাৰা) আৰু ব্যাহ-গোৱা (যাইকৈ মহাভাৰত ভাগৱত আদিৰ পৰিবেশক বৈষ্ণৱ ধাৰা)। ইয়াৰে ব্যাস গোৱা ওজা-পালিৰ এক শ্ৰেণীয়ে প্ৰধানকৈ ৰামায়ণৰ কাহিনী পৰিবেশন কৰে । এওঁলোকক কেতিয়াবা ৰাইমন গোৱা (ৰামায়ণ-গোৱা) ওজা-পালিও বোলা হয় । অনুষ্ঠানত ভাও বা অভিনয়ৰ বিশেষ গুৰুত্ব থকা বাবে এওঁলোকক ঠায়ে ঠায়ে ভাইৰা (ভাৱৰীয়া) ওজাও বোলা হয় । দুৰ্গাবৰো নিশ্চয় এনে ধৰণৰ ওজাই আছিল । এসময়ত ওজা-পালি ৰীতিত পৰিবেশিত দুৰ্গাবৰী গীতি-ৰামায়ণৰ ব্যাপক প্ৰচলন আছিল যদিও সম্প্ৰতি সি প্ৰায় বিলুপ্তিৰ পথত ।

গ) খুলীয়া ভাওনাঃ কিছুবছৰ আগলৈকে কামৰূপৰ গাওঁবিলাকত ব্যাপকভাবে জনপ্ৰিয় আৰু মঙ্গলদৈ অঞ্চলৰ গাৱঁত আজিও কিছুদূৰ প্ৰচলিত খুলীয়া ভাওনাৰ অনুষ্ঠান-সূচীত ৰামায়ণৰ কাহিনীৰ নাট্যৰূপৰেই প্ৰাধান্য আছিল বা আছে ।

ঘ) অসমৰ প্ৰাচীনতম দৃশ্য-শ্ৰব্য কলাশৈলী সমূহৰ ভিতৰত এটি হ'ল পুতলা-নাচ । অসমৰ বিভিন্ন অঞ্চলত এতিয়াও সক্ৰিয় হৈ থকা

পৰম্পৰাগত পুতলা-নাচৰ দলবিলাকৰ প্ৰায় সকলোবেই অনুষ্ঠানৰ মূল বিষয় বস্তু ৰামায়ণৰ কাহিনী। সীতা-স্বয়ম্বৰ, সতী-হৰণ, ৰাৱণ-বধ, সতী-বনবাস আদি কাহিনীয়েই পুতলা-নাচৰ অনুষ্ঠানৰ আটাইতকৈ জনপ্ৰিয় উপজীব্য।

ঙ) নামনি অসমৰ ঢুলীয়াৰ দলেও ঢোলৰ বাদ্য আৰু চাৰ্কাচ-জাতীয় শাৰীৰিক কৌশল প্ৰদৰ্শনৰ উপৰিও বিভিন্ন ধৰণৰ ধেমেলীয়া নাট্যনুষ্ঠানৰ পৰিৱেশন কৰে। এনে বিষয়-বস্তু প্ৰায়ে ৰামায়ণৰ পৰা আহৃত হয় যদিও তাৰ ৰচনা আৰু উপস্থাপনাৰ মুখ্য উদ্দেশ্য স্থূল ধৰণৰ হাস্যৰসৰ অৱতাৰণা কৰা।

চ) কুশান-গানঃ অসমৰ পশ্চিম প্ৰান্তৰ গোৱালপাৰা জিলাত অত্যন্ত জনপ্ৰিয় এই নাট্যনুষ্ঠানত এতিয়া পৌৰাণিক বিভিন্ন কাহিনী পৰিৱেশিত হয় যদিও মূলতে সম্ভৱতঃ ৰামায়ণৰ কাহিনীয়েই ইয়াৰ উপজীব্য আছিল। কুশান আখ্যাটো ৰামায়ণৰ লৱ-কুশৰ 'কুশ'ৰ পৰা অহা বুলি বিশ্বাস কৰা হয় আৰু সেই দিশৰ পৰা ৰাম-কথাৰ লগত ইয়াৰ সম্পৰ্ক স্পষ্ট। অনুষ্ঠানটোৰ কোনো কোনো অঞ্চলত 'ৰাবাণ গান' বুলি এটা বিকল্প নাম আছে। 'ৰাবাণ' ৰামায়ণ শব্দৰেই বিকৃত ৰূপ। এই কথাই কুশান-গানৰ লগত ৰাম-কথাৰ সংযোগৰ যুক্তি দৃঢ়তৰ কৰে।

ছ) ভাৰী-গানঃ ঘাইকৈ গোৱালপাৰা জিলাৰ দক্ষিণ অঞ্চলত এসময়ত ব্যাপকভাৱে প্ৰচলিত আৰু আজিও কিছুদূৰ জনপ্ৰিয় এই নাট্য-নুষ্ঠানত (দক্ষিণ কামৰূপৰ সংলগ্ন অঞ্চল আৰু উত্তৰ গোৱালপাৰাৰ দুই এঠাইতো এই পৰম্পৰা আছে। ৰামায়ণৰ কাহিনীয়েই সাধাৰণতে উপস্থাপিত হয়। বিৰাট বিৰাট কাঠৰ মুখাৰ ব্যৱহাৰ হোৱা এই অনুষ্ঠানৰ শিল্পীসকলৰ সৰহভাগেই পাতি ৰাভা জনজাতীয় গোষ্ঠীৰ লোক।

এই অঞ্চলৰ জনজাতীয় গোষ্ঠীসমূহৰ বহুতৰ ভিতৰতে কম-বেছি পৰিমাণে ৰাম-কথাৰ প্ৰৱেশ ঘটিছে। হিন্দু-সমাজভুক্ত বা হিন্দু-সমাজৰ প্ৰান্তত অৱস্থিত ভৈয়ামৰ জনজাতিসমূহৰতো কথাই নাই, প্ৰত্যক্ষভাৱে হিন্দু সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত নোহোৱা জনজাতীয় গোষ্ঠীৰ ভিতৰতো ৰাম-কথাৰ উপস্থিতি মন কৰিবলগীয়া। অতি তাৎপৰ্য্যপূৰ্ণ কথা যে অসমৰ দুটি জনজাতীয় গোষ্ঠীৰ নিজ নিজ ভাষাত ৰচিত দুখন ৰামায়ণ আছে। তাৰে প্ৰথমখন উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰৰ ডিক্ৰুং বৰখামতি বৌদ্ধ বিহাৰত ৰক্ষিত খাম্‌তি ভাষাত লিখিত ৰামায়ণ যাৰ খামতি নাম 'চাও অলং লামাং, (শ্ৰীৰাম অৱতাৰৰ কাহিনী, ) বা 'লিক-চাও লামাঙ' (ৰামায়ণ-পুথি)। বৌদ্ধ আদৰ্শত ৰচিত এই ৰামায়ণৰ মতে দুৰাচাৰী ৰাৱণৰ দৰ্প চূৰ্ণ কৰিবলৈ বুদ্ধই ৰামৰ ৰূপত অৱতীৰ্ণ হৈছিল। ইয়াত ৰামায়ণৰ কাহিনীৰ মূল সূত্ৰটো ৰক্ষিত হৈছে যদিও স্বাভাৱিকতে বৌদ্ধ বিশেষত্ব সন্নিবিষ্ট হৈছে; তাৰ উপৰি ইয়াত সোমাইছে খাম্‌তি জাতীয় বৈশিষ্ট্যৰ লক্ষণ। এই ৰামায়ণৰ ভালেমান এনে ঘটনাৰ উল্লেখ আছে যিবোৰ এই অঞ্চলৰ প্ৰচলিত ৰাম-কথাত পাবলৈ নাই।



জনজাতীয় ভাষাত ৰচিত আনখন ৰামায়ণ হ'ল কাৰবি সকলৰ মৌখিক সাহিত্যৰ অন্তৰ্গত 'ছাবিন আলুন'। এটি দীঘলীয়া কাহিনী-গীতৰ ৰূপত পোৱা ৰামায়ণৰ এই কাৰবি তাঙৰণত থূলমূলকৈ ৰামায়ণৰ আটাইখিনি ঘটনাই নিবদ্ধ হৈছে কিন্তু তাৰ লগতে যুক্ত হৈছে কিছুমান কাৰবি জনজাতীয় বৈশিষ্ট্যযুক্ত উপাদান আৰু কিছুমান এনে ঘটনা বা উপকাহিনী যিবোৰ আমাৰ এই অঞ্চলত সচৰাচৰ প্ৰচলিত ৰাম-কথাতকৈ ভালেখিনি পৃথক।

ইয়াৰ উপৰি ড° ৱেৰিয়াৰ এলুইনে অৰুণাচলৰ ডিগাৰু মিছিমি জনজাতিৰ ভিতৰত প্ৰচলিত এটা সাধু প্ৰকাশ কৰিছে যিটোৰ উৎস দেখ্‌ দেখকৈ ৰামায়ণৰ কাহিনী। জয়ন্তীয়াসকলৰ ভিতৰতো ৰাম-কথাই যথেষ্ট প্ৰসাৰ লাভ কৰিছিলেই, ৱাৰ খাচিসকলৰ ভিতৰতো ৰামক নায়ক হিচাপে লৈ গঢ়ি উঠা সাধু আছে। মিজোসকলৰ ভিতৰতো এজন সাত-মূৰীয়া ৰাৱণৰ সাধু থকাৰ কথা শুনা যায় যদিও সাধুটোৰ বিশদ ৰূপ এতিয়ালৈকে হস্তগত হোৱা নাই।

এই সকলোবোৰ তথ্যৰ পৰা দেখা যায় যে অকল অসমীয়া-ভাষী হিন্দু সমাজৰ আধ্যাত্মিক আৰু সাহিত্যিক স্তৰতে ৰাম-কথাৰ প্ৰভাৱ আবদ্ধ হৈ থকা নাই।

এই সমাজৰ জীৱন-ধাৰাৰ সকলো স্তৰতে গভীৰ ভাবে দৃঢ়মূল হোৱাৰ উপৰিও এই অঞ্চলৰ বিভিন্ন জনগোষ্ঠীক ৰাম-কথাই বিভিন্ন মাত্ৰাত আৰু বিভিন্ন দিশত স্পৰ্শ কৰিছে।

এতিয়া প্ৰশ্ন হ'ল ৰাম-কথাৰ লগত জড়িত এই বিভিন্ন কাহিনী, উপকাহিনী আৰু ঘটনা-বৰ্ণনা কিমানখিনি মূল বাল্মীকি ৰামায়ণৰ লগত সামাঞ্জস্যপূৰ্ণ আৰু বিশেষকৈ, মাধৱ কন্দলিৰ ৰামায়ণৰ লগত এইবোৰৰ যোগাযোগ কিমানখিনি?

প্ৰথমতেই স্বীকাৰ কৰি লোৱা উচিত হ'ব যে যোৱা অন্ততঃ এশ বছৰমানৰ পৰা অৰ্থাৎ ছপা কৃত্তিবাসী ৰামায়ণ অসমত সহজলভ্য হোৱা দিন ধৰি অসমত কৃত্তিবাসী ৰামায়ণ ইমান বেছি জনপ্ৰিয় হৈ পৰে যে অসমৰ প্ৰায়বোৰ পঢ়িব পৰা ঘৰতে কৃত্তিবাসী ৰামায়ণহে ৰক্ষিত আৰু পঠিত হোৱাটো ৰীতিত পৰিণত হয়। আজিও পুৰণি চামৰ বহুত মানুহে ৰামায়ণ বুলিলে কৃত্তিবাসী খনকেই বুজে। পিছত কন্দলি ৰামায়ণ ছপা হৈ সহজ-লভ্য হোৱাত এইখনৰ চল কিছু হ'লেও সাধাৰণ লোক-সমাজত, বিশেষকৈ নামনি অসমত, ভাষাৰ দিশৰ পৰা নহ'লেও কাহিনীৰ দিশৰ পৰা কৃত্তিবাসীৰ আকৰ্ষণ অব্যাহত হৈ থাকে।

অৱশ্যে মাধৱ কন্দলিৰ ৰামায়ণ আগৰ কালতো বহুলভাৱে জনপ্ৰিয় আছিল বুলি কোৱাৰ থল নাই। তাৰ এটা ডাঙৰ কাৰণ কন্দলিৰ মূল বাল্মীকি ৰামায়ণৰ প্ৰতি আনুগত্য আৰু তেওঁৰ ৰচনাৰ পৰিশীলিত সূক্ষ্মতা। গ্ৰাম্য ৰুচিক আকৰ্ষিত কৰিব পৰা ৰোচক আৰু আমোদজনক কাহিনীৰ সমাবেশৰ ঠাইত কন্দলিৰ বৰ্ণনা সংক্ষিপ্ত অথচ উচ্চাদৰ্শযুক্ত হোৱা কাৰণেই তেওঁৰ ৰামায়ণ লোকসমাজত সৰ্বজনগ্ৰাহ্য নোহোৱাটো অস্বাভাৱিক নহয়। মনত ৰাখিব লাগিব যে শঙ্কৰদেৱেও মাধৱ কন্দলিৰ 'ৰামায়ণৰ কবিতা শাস্ত্ৰ' বুলিহে বিশেষ মূল্য দিছিল। মূল বাল্মীকিৰ প্ৰতি সম্পূৰ্ণ আনুগত্যকেই শেষ কথা বুলি ধৰা হ'লে শঙ্কৰদেৱে নিজেও 'ৰাম-বিজয়' নাটকত কৰাৰ দৰে মূলৰ পৰা সামান্য হ'লেও ফালৰি কাটি নগলহেঁতেন।

দ্বিতীয় কথা, অসমৰ লোক সমাজত প্ৰচলিত ৰাম-কথাত এনে বহুতো কাহিনী, উপকাহিনী বা ঘটনা-ক্ৰমৰ বৰ্ণনা আছে যিবোৰ মূল বাল্মীকি ৰামায়ণতো নাই আৰু মাধৱ কন্দলিৰ ৰামায়ণতো নাই। এই কাহিনী বা উপকাহিনীবোৰ আহিল কেনেকৈ, কেতিয়া আৰু ক'ৰ পৰা ?

এটা সহজ ব্যাখ্যা হ'ব পাৰে যে ছপা কৃত্তিবাসী ৰামায়ণ অসমত জনপ্ৰিয় হোৱাৰ পিছত সেই ৰামায়ণত সংযোজিত মূল-বহিৰ্ভূত কাহিনী-উপকাহিনীবোৰ আমাৰ সমাজতো সোমাই পৰিল। এই ব্যাখ্যাত আংশিক সত্যতা থাকিব পাৰে কিন্তু সি ওপৰৰ প্ৰশ্নৰ সম্পূৰ্ণ সমিধান দিব নোৱাৰে। তাৰ কাৰণ কেইবাটাও (১) স্বয়ং মাধৱ কন্দলি ৰামায়ণতে এনে অন্ততঃ এটা আখ্যান আছে যিটো মূল বাল্মীকি ৰামায়ণত নাই। সেইটো হ'ল সীতাৰ কোলাত মূৰ থৈ ৰাম শুই থকা অৱস্থাত কাউৰীয়ে



সীতাৰ স্তনত আঘাত কৰা আৰু সাৰ পাই ৰামে কাঁড় মাৰি কাউৰীক এক-চকুৱা কৰা। এই আখ্যানটো কৃত্তিবাসত আছে কিন্তু যিহেতু মাধৱ কন্দলি কৃত্তিবাসৰ পূৰ্ববৰ্তী সেইবাবে আখ্যানটো মাধৱ কন্দলিয়ে কৃত্তিবাসৰ পৰা লোৱা সম্ভৱ নহয়। অৰ্থাৎ, এই কাহিনী সম্ভৱতঃ লোক-সমাজৰ আগৰ পৰাই আছিল আৰু মাধৱ কন্দলিয়ে তাকে তেওঁৰ কাব্যত সন্নিবিষ্ট কৰে। (২) শঙ্কৰদেৱৰ সময়ৰ পৰা আৰম্ভ কৰি অষ্টাদশ শতিকালৈকে (অৰ্থাৎ ছপা কৃত্তিবাসী ওলোৱাৰ আগতেই) ৰচিত এনে বহু ৰাম-কথা সম্বলিত পুথিৰ সন্ধেদ পোৱা যায় যিবোৰ মূল বাল্মীকি ৰামায়ণ আৰু কন্দলি ৰামায়ণ উভয়ৰ পৰা ভালেখিনি নিলগত। এইবোৰৰ ভিতৰত আছে 'মহীৰাৱণ বধ', 'অদ্ভুত ৰামায়ণ', 'গণক চৰিত্ৰ' ইত্যাদি। এইবোৰ ছপা কৃত্তিবাসীৰ প্ৰভাৱৰ ফল হোৱাৰ প্ৰশ্ন নুঠে। (৩) তাৰ উপৰি ইয়াৰ দুই এখনৰ কাহিনী কৃত্তিবাসৰ লগত সামঞ্জস্যপূৰ্ণ হ'লেও আন কিছুমান সম্পূৰ্ণ স্বতন্ত্ৰ। অন্ততঃ সেই স্বতন্ত্ৰ কাহিনীবোৰৰ ক্ষেত্ৰত কৃত্তিবাসৰ পৰা অহা অনুমানটো প্ৰযোজ্য নহয়।

অৱশ্যে এটা কথা, স্পষ্ট ভাৱে নহলেও পৰোক্ষভাৱে কথা-গুৰু চৰিতত থকা কিছুমান প্ৰসঙ্গৰ পৰা জনা যায় যে মাধৱদেৱৰ দিনতে বঙ্গ-দেশী ৰামায়ণ-গীত আমাৰ এইফালে সোমাইছিল। যেনেঃ গোপাল আতাই বঙ্গদেশী চৈতনীয়া মতে নাম-মন্ত্ৰ লৈ গ্ৰামৰ লোক আঠাৰ জনে সৈতে ৰামায়ণ গাই ফুৰে''। কিন্তু সেই ৰামায়ণ গোৱাত অকল গীত গোৱাৰ ধৰণেও বঙ্গদেশী আছিল নে বঙ্গীয় ৰামায়ণ অৰ্থাৎ কৃত্তিবাসীৰ পৰাই গীতৰ বিষয়-বস্তুও লোৱা হৈছিল, সেই কথা স্পষ্ট নহয়। কিন্তু অনন্ত কন্দলিয়ে 'মহীৰাৱণ-বধ' ৰচনা কৰা। কৃত্তিবাসী পণ্ডিতৰ নামত 'অঙ্গদ ৰায়বৰ' পুথি চলা ইত্যাদি কথাই কৃত্তিবাসৰ প্ৰভাৱ তেতিয়াই এইফালে অহাটো সম্ভৱ বুলিয়েই ইঙ্গিত দিয়ে। ফাদাৰ কামিল বুল্কেই আনকি মাধৱ-দেৱৰ আদি কাণ্ডতো কৃত্তিবাসৰ ছাঁ পৰিছে বুলি মত প্ৰকাশ কৰিছে যদিও সেই মতৰ সপক্ষে যথেষ্ট যুক্তি আগবঢ়োৱা নাই।

যিয়েই নহও, অসমত প্ৰচলিত ৰাম-কথাৰ লগত যুক্ত সকলো মূল বহিৰ্ভূত আখ্যান বা উপকাহিনীয়েই কৃত্তিবাসৰ পৰা অহা বুলি ধৰি লোৱাৰ যুক্তি নাই। এনে বহু আখ্যান বা উপকাহিনী কৃত্তিবাসতো নাই আৰু আন কিছুমান ভিন্ন ৰূপতহে আছে। এই ধৰণৰ সম্বলৰ

ভালেখিনিৰ উপস্থিতি লক্ষ্য কৰা যায়, শঙ্কৰদেৱৰ প্ৰায় সম-সাময়িক দুৰ্গাবৰৰ গীতি-ৰামায়ণত। এই 'বাহিৰা' সমলবোৰৰ কিছুমান কবিৰ উদ্ভাৱনা বুলি মানি ললেও প্ৰায়বোৰেই নিশ্চয় সেই সময়ত লোক-সমাজত প্ৰচলিত জনপ্ৰিয় ৰাম-কথাৰ পৰা গৃহীত হৈছিল। সেই-সমলবোৰৰ কিছুমান তলত দিয়া ধৰণৰ —

১। সীতাৰ পৰা দশৰথৰ বালীৰ পিণ্ড গ্ৰহণ আৰু মিছা সাক্ষী দিয়াৰ বাবে সীতাৰ দ্বাৰা ফলগু নদী, চন্দ্ৰ, সূৰ্য্য, তুলসী, কুশ আৰু কলগছক অভিশাপ-দান ঃ এই উপকাহিনী এক ধৰণে কৃত্তিবাসৰ ৰামায়ণত নাই কিন্তু বঙ্গৰ লোক-পৰম্পৰাত ইয়াৰ প্ৰচলন আছে।

২। সীতাৰ দ্বাৰা মায়া-অযোধ্যাৰ সৃষ্টি কৰি তাত ৰামৰ সৈতে মোট খেলা ঃ মূল ৰামায়ণ, কন্দলি বা কৃত্তিবাস ক'তো এই ঘটনাৰ উল্লেখ নাই। ৰামায়ণৰ আধাৰত ৰচিত এই অঞ্চলৰ আন পুথিতো এনেকুৱা কথা নাই। ই নিশ্চয় কবিৰ কল্পনাৰ উদ্ভাৱন যদিও সি গঢ় লৈ উঠিছে থলুৱা ৰীতি আৰু প্ৰথাৰ ওপৰত ভিত্তি কৰি। (চ'ত মাহত মোট খেলাৰ প্ৰথা পুৰণি অসমত আছিল।)

৩। পাশা খেলাত হাৰি সীতাৰ হাতত ৰামৰ বন্দীত্ব গ্ৰহণ ইয়াত দেখ দেখকৈ ডঃ কাকতিয়ে বৰ্ণোৱা 'লৌকিকতাৰ আৱেশ' পৰিছে।

৪। মায়া-মৃগ খেদি যোৱাৰ সময়ত সীতাৰ বাবে ৰামে নিজে 'গাণ্ডীৱেৰে' তিনিডাল আঁক দিয়া ঃ কৃত্তিবাসত এই প্ৰসঙ্গ আছে কিন্তু তাত লক্ষ্মণে আঁক দিয়াৰ কথাহে পোৱা যায়।

৫। সীতাৰ বিৰহত কাতৰ ৰামে সীতাৰ বাৰ্তা সুধিলত চকোৱাৰ পৰিহাস আৰু ৰামৰ দ্বাৰা চকোৱাক অভিশাপদান ঃ এইটো নিঃসন্দেহে লোক-পৰম্পৰাৰ বস্তু। উল্লেখযোগ্য যে পশ্চিম অসমত চকোৱাক 'ৰামকং' বুলিও কয়। লোক-বিশ্বাসমতে সীতাৰ বাৰ্তা নিদি ৰামৰ ক্ৰোধ-ভাজন হোৱাত চকোৱাৰ পত্নীয়ে দিয়া উপদেশ মতে 'ৰামক কও' (ৰামকং) বুলি যোৱা চকোৱা চৰায়ে আজিও সেই কথাকে দোহাৰি থাকে। (চকোৱাৰ মাতটোত 'ৰামকং' ধ্বনিৰ লগত সাদৃশ্য আছে।)

৬। সীতাৰ অপহৰণৰ পিছত সীতাৰ বিষয়ে সন্দেহ কৰি ৰামৰ বিলাপ ঃ ইও মূলানুগ নহয় আৰু ইয়াতো 'লৌকিকতাৰ আৱেশ' সুস্পষ্ট।

৭। সীতা ৰাৱণ-মন্দোদৰীৰ কন্যা ঃ দুৰ্গাবৰী ৰামায়ণত ইয়াৰ আভাস এটা মাত্ৰ পোৱা যায়। মূল ৰামায়ণততো এই কথা নায়েই,



এই অঞ্চলত প্ৰচলিত ৰাম কথাৰ প্ৰায়বোৰ ৰূপতে ই অনুপস্থিত। অথচ ই দুৰ্গাবৰৰ উদ্ভট কল্পনাৰ উদাহৰণো নহয়। ভাৰতৰ ভিতৰতে জৈন ৰামায়ণ ('পউম চৰিয়ম্'), কাশ্মীৰী ৰামায়ণ দক্ষিণ ভাৰতত প্ৰচলিত দুই-এটা ৰামায়ণৰ পাঠ আৰু তাৰ উপৰিও তিব্বতী ৰামায়ণ, খোটানী ৰামায়ণ, আৰু ইন্দোনেচীয়া, মালয় আৰু কাম্পুচিয়াত প্ৰচলিত ৰামায়ণৰ কাহিনী অনুসৰিও ৰাৱণ মন্দোদৰী সীতাৰ পিতৃ-মাতৃ। চন্দ্ৰাৱতী ৰচিত এখন স্বল্পখ্যাত বঙলা ৰামায়ণ মতেও সীতা ৰাৱণ-মন্দোদৰীৰ কন্যা আৰু এই কন্যাৰ পৰা ভৱিষ্যৎ বিপদৰ আশঙ্কা থকা বুলি জানি শিশু অৱস্থাতে টোমত ভৰাই কন্যাটিক উটাই দিয়া হয়। পিছত জনকৰ হাতত সেই কন্যাটি পৰাত জনকৰ দ্বাৰা নিজ কন্যাৰ নিচিনাকৈ লালিতা পালিতা হয়। ড° দীনেশ চন্দ্ৰ সেনৰ মতে এই কাহিনীৰ উপস্থিতি এসময়ত বঙ্গদেশত থকা জৈন আৰু বৌদ্ধ প্ৰভাৱৰ ফল হ'ব পাৰে। এসময়ত লোক সমাজত সৰবৰহী এই কাহিনীকে চন্দ্ৰাৱতীয়ে তেওঁৰ কাব্যত ঠাই দিয়ে বুলি তেখেতৰ ধাৰণা। মূল বাল্মীকি বা মাধৱ কন্দলি আৰু আনকি কৃত্তিবাসতো নথকা এই কাহিনীয়ে নিশ্চয় অসম অঞ্চলকো চুই গৈছিল আৰু তাৰেই চিন থাকি গৈছে দুৰ্গাবৰৰ গীতি ৰামায়ণত।

মূল ৰামায়ণ, কন্দলি ৰামায়ণ আৰু কৃত্তিবাসী ৰামায়ণত নথকা এনে আৰু এটা উপকাহিনী চন্দ্ৰাৱতী-ৰামায়ণত আছে যিটো অসমৰ লোক-সমাজতো যথেষ্ট ব্যাপকভাবে প্ৰচলিত ঃ সেয়া হ'ল সীতাই ৰাৱণৰ ছবি আঁকি ৰামৰ অবিশ্বাসৰ পাত্ৰী হোৱা। উপকাহিনীটোমতে সীতাক তেওঁৰ এগৰাকী ননদেকে (চন্দ্ৰাৱতী-ৰামায়ণত তেওঁৰ নাম কুকুৱা) চক্ৰান্ত কৰি ৰাৱণৰ ছবি আঁকিবলৈ কয়। সীতাই যদিও ৰাৱণৰ মুখ কেতিয়াও দেখা নাই বুলি আপত্তি কৰে তথাপি ননদেকৰ আব্দাৰ এৰাব নোৱাৰি ৰাৱণৰ ছবি আঁকে। পিছত তাকে দেখি ৰামৰ ধাৰণা হয় যে সীতা ৰাৱণৰ প্ৰতি আসক্তা আৰু ফলত সীতাক নিৰ্বাসন দিয়া হয়। সীতাই ৰাৱণৰ ছবি আঁকা ঘটনাটো ভাৰতৰ আৰু বহিৰ্ভাৰতৰ ৰাম-কথাৰ কেইবাটাও ৰূপত পোৱা যায়।

আকৌ এই আখ্যানৰে আন এটা ৰূপ আমি গোৱালপাৰা আৰু কামৰূপৰ কিছুমান অঞ্চলৰ লোক-পৰম্পৰাত পাইছোঁ, যিটো আমি আন কোনো ৰাম-কথাত (লিখিত বা মৌখিক) পোৱা নাই। আখ্যানটো এনে ধৰণৰ ঃ সীতাৰ চৰিত্ৰৰ বিষয়ে প্ৰজাৰ মাজত বিৰূপ আলোচনা

শুনি ৰামচন্দ্ৰই ৰাৱণৰ ওচৰত থকা সময় ছোৱাত নিজৰ নিষ্কলুষতাৰ বিষয়ে সীতাৰ ওচৰত প্ৰমাণ দাবী কৰে। উপায়ান্তৰ হৈ সীতাই সূৰ্য্য আৰু চন্দ্ৰক সাক্ষী মানে। প্ৰথমে সূৰ্য্যই সীতাৰ চৰিত্ৰৰ সম্পৰ্কে সাক্ষ্যদান কৰে কিন্তু লগতে কয় যে তেওঁ দিনৰ ভাগতহে সীতাৰ কাৰ্য্য-কলাপ দেখিছে, ৰাতিৰ কথা তেওঁ নাজানে। ইয়াৰ পিছত চন্দ্ৰই ৰাতিৰ ভাগত সীতাৰ আচৰণৰ বিষয়ে সপ্ৰশংস মন্তব্য কৰে কিন্তু লগতে যোগ দিয়ে যে এটা নিশাৰ অৰ্থাৎ অমাৱস্যাৰ নিশাৰ সীতাৰ আচৰণ তেওঁৰ অবিদিত। ফলত সীতাৰ সম্পূৰ্ণ নিৰ্দোষিতা প্ৰমাণিত নহয় আৰু তেওঁ নিৰ্বাসন-দণ্ডেৰে দণ্ডিতা হয়।

আকৌ আমি আগতে উল্লেখ কৰা দুখন জনজাতীয় ভাষাৰ ৰামায়ণতো এনে প্ৰচুৰ উপাদান পাওঁ যিবোৰৰ ভিতৰত কিছুমান সম্পূৰ্ণ থলুৱা আৰু জনগোষ্ঠীগত, আৰু আন কিছুমান অদ্ভুতভাৱে এই অঞ্চলৰ পৰা বহু আঁতৰৰ প্ৰচলিত ৰাম-কথাৰ উপাদানৰ লগত সাদৃশ্য পূৰ্ণ। কেইটামান উদাহৰণ লোৱা যাওক।

খামতি ৰামায়ণৰ বৌদ্ধ বিশেষত্বৰ কথা আগতে উল্লেখ কৰা হৈছে আৰু তাৰ লগত স্বাভাৱিকতে এই অঞ্চলৰ অন্যান্য ৰাম কথাতকৈ বৌদ্ধ ৰাম-কথাৰহে অধিক মিল আছে। তাৰ উপৰিও ৰাম-সীতাৰ বিবাহ-পূৰ্ব অনুৰাগ আৰু প্ৰণয়-বিনিময়ৰ প্ৰসঙ্গটো এই প্ৰসঙ্গ যদিও আন কোনো কোনো ৰাম-কথাতো আছে, সি এই ৰামায়ণত বিশেষ আমোদজনক ভাৱে বিধৃত হৈছে। এবাৰ যুৱক ৰামে ফুৰিবলৈ আহি সীতাৰ ৰূপ দেখি মুগ্ধ হয় আৰু দুয়ো দুয়োৰে প্ৰতি আকৃষ্ট হয়। ৰামে শৰৰ আগত পত্ৰ বান্ধি সীতালৈ প্ৰেৰণ কৰে আৰু সীতায়ো উত্তৰ পঠায়। পিছত কথাটো জনকৰ দৃষ্টি গোচৰ হয় আৰু তেওঁলোকৰ বিবাহ সম্পন্ন হয়।

ৰামক ৰাৱণৰ বিৰুদ্ধে যুদ্ধত সহায় কৰে দেৱৰাজ ইন্দ্ৰই।

যুদ্ধত মৃত্যু হোৱা সকলো ৰাক্ষস স্বৰ্গলৈ যোৱা দেখি বিভীষণে এই বুলি বিলাপ কৰে যে মই মিছাতে ৰাম-ভক্ত হলোঁ। ৰামৰ অনুগত হৈও মই স্বৰ্গলৈ যাব পৰা নাই কিন্তু ৰামৰ বিদ্বেষী হৈও এই ৰাক্ষসবোৰ স্বৰ্গলৈ গৈছে। পিছত ৰামে তেওঁক বুজনি দি শান্ত কৰে।

'ছাবিন আলুন'ত থকা মূল বহিৰ্ভূত কাহিনী বিলাক আৰু অধিক তাৎপৰ্য্যপূৰ্ণ কিয়নো এহাতে সেইবোৰৰ কিছুমানৰ লগত এই অঞ্চলত



প্ৰচলিত মৌখিক পৰম্পৰাৰ অধিক সামঞ্জস্য চকুত পৰে আৰু আনহাতে দুই এক ক্ষেত্ৰত সুদূৰ অঞ্চলৰ ৰাম-কথাৰ আখ্যানৰ লগত থকা সাদৃশ্যাই চমক লগায়।

'ছাবিন আলুন'ৰ মতে ৰাম-লক্ষ্মণ যোৱাৰ আগতেই ৰাৱণে সীতা লাভৰ মানসেৰে জনকৰ ধনু ভঙ্গ কৰিবৰ চেষ্টা কৰি বিফল হৈছিল আৰু অপমানিত হৈ প্ৰতিজ্ঞা কৰিছিল যে সীতাক এদিন তেওঁৰ পত্নী কৰিবই।

সীতাৰ লগত ৰামৰ এনেধৰণৰ পূৰ্ব সাক্ষাতৰ কথা আন কিছুমান লোক পৰম্পৰাতো বৰ্তমান। আন এঠাইত দেখা যায় ৰাম-লক্ষ্মণে সীতাক নিজে বনবাস দি অহাৰ পিছত লক্ষ্মণে ৰামৰ উৰুত মূৰ দি শুই থাকে আৰু লক্ষ্মণৰ বুকুত চকুপানী পৰাত তেওঁ প্ৰথমে ৰামে কন্দা বুলি ভাৱে। পিছত গছৰ ওপৰত বালীক দেখা পায়। কন্দাৰ কাৰণ সোধাত বালীয়ে কয় যে তেওঁলোক দুই-ভায়েকৰ মাজত অমিল অথচ ৰাম-লক্ষ্মণৰ ভিতৰত ইমান মিল দেখি দুখতে তেওঁৰ চকুপানী ওলাইছে। আচৰিত কথা যে ঠিক এই কাহিনীটোৱেই পোৱা যায় সুদূৰ মালয় দেশৰ ৰামায়ণত, মাত্ৰ ক্ৰম আৰু পাত্ৰৰ ভেদ। সেই ৰামায়ণত ৰাম-লক্ষ্মণে সীতাক হেৰুৱাই বিচাৰি ফুৰোঁতে ঘটনাটো ঘটিছিল; ৰামে লক্ষ্মণৰ কোলাত মূৰ থৈ শুইছিল আৰু চকুপানী পৰিছিল সুগ্ৰীৱৰ।

এই কাহিনীবোৰৰ উৎস আৰু ইয়াত সেইবোৰৰ উপস্থিতি সম্পৰ্কে অধিক অধ্যয়ন কৰিলে নিশ্চয় বহুতো নতুন তথ্যৰ সন্তেদ পোৱা যাব।

যিহেতু কাৰবিসকলৰ বাসভূমি মাধৱ কন্দলিয়ে ৰামায়ণ ৰচনা কৰা অঞ্চলৰ সংলগ্ন, সেইকাৰণে এনে অনুমান কৰাটো অসঙ্গত নহয় যে কাৰবি ৰামায়ণ ৰচনা অনুপ্ৰেৰণা মাধৱ কন্দলিৰ ৰামায়ণৰ পৰাই পোৱা গৈছিল। কিন্তু কাৰবি ৰামায়ণত মাধৱ কন্দলিৰ ৰামায়ণত নথকা ঘটনা আৰু বৰ্ণনাৰ উপস্থিতিয়ে এই অনুমানক বিব্ৰত কৰে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল গে অসম অঞ্চলত মূল বাল্মীকি ৰামায়ণৰ লগত সামঞ্জস্য থকা আৰু নথকা বিভিন্ন কাহিনী-উপকাহিনীৰে বিচিত্ৰ আৰু সমৃদ্ধ ৰাম-কথা প্ৰচলিত। ইয়াৰে ভিতৰত মূলৰ লগত সামঞ্জস্য নথকা কিছুমান সম্ভৱতঃ মাধৱ কন্দলিৰ ৰমোয়ণ ৰচনাৰ আগৰে পৰা চলি আহিছিল। কিছুমান উপকাহিনী যদি পিছৰ কালত কৃত্তিবাসী ৰামায়ণৰ যোগেদি আহিছে, কৃত্তিবাসৰ লগত সামঞ্জস্য থকা আন কিছু-

মান মূল বহির্ভূত সামগ্ৰী বঙ্গদেশৰ লগতে এই অঞ্চলৰো লোক-পৰম্পৰাত প্ৰচলিত থকা বুলি ধৰিব পাৰি। কৃত্তিবাসৰ ৰামায়ণত যিদৰে বঙ্গদেশত জনপ্ৰিয় ৰাম-কথা সংলগ্ন কাহিনী সন্নিবিষ্ট হ'ল, আমাৰ ইয়াৰ কন্দলি ৰামায়ণ বা আন কোনো সম্পূৰ্ণ আৰু মান্য ৰামায়ণত তেনেদৰে লোকশ্ৰুতিমূলক সামগ্ৰীৰ প্ৰৱেশ নঘটিল। মাত্ৰ কিছুমান খণ্ড খণ্ড কাব্যত বা গীতি-ৰূপত তাৰে কিছুমান সন্নিবিষ্ট হ'ল আৰু বাকীখিনি মৌখিক পৰম্পৰাতে থাকি গ'ল। তাৎপৰ্য্যপূৰ্ণভাৱে মৌখিক পৰম্পৰাৰ কিছু সামগ্ৰী থাকি গ'ল জনজাতীয় ভাষাৰ ৰাম-কথাত।

আমি আগতেই উল্লেখ কৰিছোঁ যে অসম অঞ্চলৰ প্ৰধান ৰাম-কথাৰ গ্ৰন্থ মাধৱ কন্দলিৰ ৰামায়ণখন প্ৰায় সম্পূৰ্ণ মূলৰ অনুগত আৰু সংযত, সংক্ষিপ্ত অনুবাদ; তাত প্ৰক্ষিপ্ত লৌকিক কাহিনীৰ স্থান সামান্য। খুব সম্ভৱ সেইকাৰণেই কাব্য হিচাপে ইমান সুন্দৰ হৈও কন্দলি ৰামায়ণ ৰাম কথা-জিজ্ঞাসু লোক সাধাৰণৰ ভিতৰত জনপ্ৰিয় নহৈ বিদগ্ধ, ৰসিকজনৰ আদৰৰ বস্তু হৈ থাকিল। আনকি দুৰ্গাবৰে তেওঁৰ গীতি-ৰামায়ণৰ যোগেদি মাধৱ কন্দলিৰ ৰামায়ণৰ জনপ্ৰিয় কৰিবৰ চেষ্টা কৰোঁতেও লৌকিক কাহিনীৰ সহায় ল'বলগীয়া হৈছিল।

শেষত মাধৱ কন্দলিৰ ৰামায়ণৰ মূল সংস্কৃত আধাৰৰ প্ৰসঙ্গত অলপ কথা ক'ব পাৰি। মাধৱ কন্দলিয়ে তেওঁৰ ৰামায়ণৰ মূল হিচাপে লৈছিল সংস্কৃত ৰামায়ণৰ গৌড়ীয় পাঠ। পণ্ডিতসকলে কৈছে যে সংস্কৃত ৰামায়ণৰ তিনিটা বিভিন্ন স্বীকৃত পাঠৰ প্ৰত্যেকটোতে আঞ্চলিৰ লোক-শ্ৰুতিৰ ছাঁ পৰিছে। গৌড়ীয় পাঠত যি বিলাক লোক-শ্ৰুতিৰ প্ৰভাৱ পৰিছে সেইবোৰৰ কিছুমান সম্ভৱতঃ অকল গৌড়ৰ নহৈ সমগ্ৰ পূব ভাৰতৰে উমৈহতীয়া বস্তু আছিল। আনকি আদি-কবি বাল্মীকিৰ ৰামায়ণৰ ৰচনাও সম্পূৰ্ণ মৌলিক উদ্ভাৱনতকৈ পূৰ্বে-প্ৰচলিত ৰাম-কথাৰ লগত বাল্মীকিৰ অসাধাৰণ কবিত্ব-শক্তিৰ সংযোজনৰ ফল বুলিহে পণ্ডিতসকলে মানি লৈছে।

সেইদৰে ৰামায়ণৰ ঐতিহাসিক ভিত্তি যিয়েই নহওক, ৰাম-কথাই সমসাময়িক আৰু আঞ্চলিক লোক-সমাজৰ সামাজিক আৰু নৈতিক ধ্যান-ধাৰণাৰ বাহক স্বৰূপে কাম কৰি আহিছে। সেইবাবে বাল্মীকিৰ ৰামায়ণ শাস্ত্ৰগ্ৰন্থ হলেও তাক ঈশ্বৰ-ঘোষিত বাণী বুলি লোৱাটো অপৰিহাৰ্য্য নহয়। ৰামায়ণৰ এই লৌকিক আধাৰৰ বিষয়ে মাধৱ কন্দলি যে অদ্ভুত



ধৰণে সচেতন আছিল তাক ৰামায়ণ সম্পৰ্কে কথা তেওঁৰ এফাকি মন্তব্যই সুন্দৰকৈ প্ৰকাশ কৰে।

"দেৱবাণী নুহি ইটো লৌকিক হে কথা।"

সেই বাবেই মূল সংস্কৃতৰ প্ৰতি অনুগত থকা সত্ত্বেও মাধৱ কন্দলিৰ ৰামায়ণত অসমীয়া লোক-জীৱনৰ চিত্ৰ ইমান জীৱন্ত—যাৰ প্ৰতি ইতিমধ্যে সুধীজনৰ দৃষ্টি আকৰ্ষিত হৈছে আৰু যি বিষয়ত অধিক গভীৰ ভাবে অধ্যয়ন কৰাৰ থল আছে।

—প্ৰাসঙ্গিক ৰচনা-পঞ্জী—


কৌণ্ডিল্য, ৰাহী ঃ "খামতি ৰামায়ণ পৰিচয়" (হিন্দী) পৰিষদ পত্ৰিকা বৰ্ষ ৬, অংক ৩।

গোস্বামী ডঃ উপেন্দ্ৰনাথ ঃ "অসমীয়া ৰামায়ণী সাহিত্য", ভাষা আৰু সাহিত্য, ১৯৬৬।

ডিফু সাহিত্য সভা ঃ চাবিন আলুন, ১৯৭৬

নেওগ, ডিম্বেশ্বৰ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, ১৯৫৭

নেওগ, ড° মহেশ্বৰ (সম্পা) ঃ দুৰ্গাবৰী গীতি ৰামায়ণ, ১৯৫৪। ভূমিকা দ্ৰষ্টব্য।

বুল্কে, ফ্ৰাদাৰ কামিল ঃ ৰাম-কথা (হিন্দী), ১৯৭১।

শৰ্ম্মা, ড° হেমন্ত কুমাৰ ঃ "ৰামায়ণী সাহিত্য", অসমীয়া সাহিত্যত দৃষ্টিপাত, ১৯৭২।

Datta Dr B.: "Sabin Alun: the Karbi Ramayana", (Paper read in a Seminar, being published in Assam Research Society Journal.)

Elwin, Verrier: Myths of North East frontier of India 1958

Sarma, Dr S, N.: Epics and Puranas in Early Assamese Literature, 1972

Sen, Dr D. C: "Preface to Chandravati Ramayana", Eastern Bengal Ballads, 1932


—(o)—

# ॥ কন্দলি ৰামায়ণৰ ভাষা—এটি পৰিচয় ॥

ডঃ উপেন্দ্ৰ নাথ গোস্বামী

অপ্ৰমাদী কৱি মাধৱ কন্দলিয়ে চৈধ্য শতিকাতে ৰচনা কৰা ৰামায়ণ-গ্ৰন্থখন অসমীয়া সাহিত্যৰ এখন অতি উল্লেখযোগ্য গ্ৰন্থ। অকল সাহিত্যৰ পিনৰ পৰাই নহয় অসমীয়া ভাষাৰ ইতিহাসৰ পিনৰ পৰাও গ্ৰন্থখন অতি মূল্যৱান। কন্দলিয়ে মূল বাল্মীকি ৰামায়ণখনক মহাকাব্যৰূপে অসমীয়া ভাষাত প্ৰকাশ কৰা কথাই চৈধ্য শতিকাত অসমীয়া ভাষাটোৱে যে যথেষ্ট বিকাশ লাভ কৰিছিল তাৰ প্ৰমাণ দাঙি ধৰে। কন্দলিয়ে মহাকাব্যখন অকল অসমীয়া ভাষাত প্ৰকাশ কৰাই নহয়, অসমীয়া ভাষাৰ এটা পৰিপুষ্ট ৰূপত প্ৰকাশ কৰিছে। সেয়েহে অসমীয়া ফকৰা যোজনা, প্ৰৱাদ-বচন, জতুৱা ঠাচ আদিৰে পুথিখন ভৰপূৰ (তপত খোলাত কৰে মাছ যেন মত, বোঝাৰ উপৰে শাক যেন পটন্তৰ, উভয় সেনাৰ লাগি গৈল হুড়াহুড়ি, বৰসীয়া, ৰাৱণৰ পুঙাতেসে দৃষ্টি, তোক আজি দিবো সেক)। মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাৰ লগত শ্ৰীকৃষ্ণকীৰ্ত্তন আৰু চৰ্যাপদৰ ভাষাৰো সম্পৰ্ক আছে। এই সম্পৰ্কই অসমীয়া ভাষাৰ মগধীয় ৰূপটো বেছি স্পষ্ট কৰি তুলিছে। শঙ্কৰদেৱৰ ভাষাৰ লগতো মাধৱ কন্দলিৰ ভাষাৰ যথেষ্ট মিল ধৰা পৰে।

মাধৱ কন্দলিৰ ৰামায়ণত অসমীয়া ভাষাটোৰ এটা পূৰ্ণ ৰূপ সংৰক্ষিত হৈছে। ভাষাৰ পূৰ্ণ ৰূপ বুলি ক'লে তাৰ প্ৰধানকৈ ৰূপগঠন ৰীতিৰ কথাই ক'বলগীয়া হয়। ৰূপগঠন-পদ্ধতিয়ে বিভিন্ন শব্দৰ লগতে সেইবোৰৰ পাছত যোগ হোৱা বিৱিধ প্ৰত্যয়, শব্দ-বিভক্তি, ক্ৰিয়া-বিভক্তি, শব্দবোৰৰ শ্ৰেণী-বিভাগ (বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, ক্ৰিয়াবিশেষণ অব্যয়), শব্দগঠন-পদ্ধতি আদি কথা সামৰি লয়। কন্দলি ৰামায়ণখন



মহাকাব্য হোৱা হেতুকে ইয়াত বিৱিধ ধৰণৰ শব্দমালাৰ ব্যৱহাৰ হৈছে। সেইবোৰক তলত দিয়া ধৰণে কিছুমান ভাগত ভাগ কৰি দেখুৱাব পাৰি ঃ

ক) **গছ-গছনি সম্পৰ্কীয় শব্দ ঃ** সউৱা, সৰল, পিয়াল, খৰ, নিখৰ, খৰ্জ্জুৰ, শাল, তাল, তমাল, গমাৰি, বীজপূৰ, অশ্বথ, কপিত্থ, বট, নাৰঙ্গ, বদৰ, তেন্তেলি, গুৱা, কৰ্দ্দে।

খ) **ফল-ফুল বুজোৱা শব্দ ঃ** আম, জাম, পনিয়াল, তাম্বুল কণ্ঠাল, নাৰিকল, মধুফল, কমলা, শ্ৰীফল, জাই, যুতি, বকুল, বন্দুলি, কাঞ্চন, টগৰ, কুন্দ, শেৱালী, অশোক, পলাশ, নাগেশ্বৰ, চম্পক, ওৰ, কমল, পদ্ম, জল-পদ্ম, স্থল-পদ্ম।

গ) **চৰাই-চিৰিকতি সম্পৰ্কীয় শব্দ ঃ** কঙ্ক, বঙ্ক, কোকিল, শুকসাৰি, ৰাজহংস, চক্ৰবাক, ময়ূৰ, মৈৰা, ঢোঙা কাক, সাৰঙ্গ, ডাউক সৰালী, কোৱা, ভেলা, ঘোগ, পাতি কাউৰ, পানী কাউৰ, মৎস্যৰঙ্গ, মাছৰঙ্কা, মউপিয়া, ময়না, ভাটৌ, চুটিয়া শালিক, কপৰতি।

ঘ) **জীৱ-জন্তু বুজোৱা শব্দ ঃ** বাঘ, ঘোঙ, ভালুক, গৰ্দ্দভ, শৃগাল, সিংহ, গজ, বেঙ্গ।

ঙ) **অঙ্গ-প্ৰত্যঙ্গৱাচক শব্দ ঃ** চক্ষু, চকু, কৰ্ণ, নাক, নাসিকা, নাসা, জিহ্বা, মুখ, জঙ্ঘা, জঘন, উৰু, পাৱ, ভৰি, দশন, মাথা, কপাল, শিঙ্গ, লেজ ঘাব, কণ্ঠ, চিবুক, শিৰ, গাল, পেট, গ্ৰীৱা, ভুজ, বাহু, কৰতল, অঙ্গুলি, বক্ষস্থল, কমৰ, নখ, কেশ, লোম, দন্ত, অধৰ, চৰণ, পদতল, ওঠ, ভ্ৰূৰ, উদৰ, নাভি, কঙ্কাল, নিতম্ব।

চ) **জাতি-ব্যৱসায় সম্বন্ধীয় শব্দ ঃ** ব্ৰাহ্মণ, ক্ষত্ৰ, বৈশ্য, শূদ্ৰ, কায়স্থ, নট, ভাট, তেলী, তান্তী, সোণাৰি, কঁহাৰ, বনিয়া, চমাৰ, কমাৰ, সুতাৰ ধোবা, কুম্ভকাৰ।

ছ) **যান-বাহন সম্পৰ্কীয় শব্দ ঃ** নাৱ, হস্তী, ঘোৰা, ৰথ, ভুৰ, ভেল।

জ) **মাৰ-কিল বুজোৱা শব্দ ঃ** লাথি, ভুকু, চৰৰ, কীল, ঘুকুচা, ঘৰাকাটি।

ঝ) **গালি-শপনি বুজোৱা শব্দ ঃ** শুখিণী, নাগিনি, নিকাৰুণী, সংহাৰিণী, নিৰ্দ্দয়িণী, ৰাক্ষসিনী, বাঘিনী, দাৰুণী, যক্ষিণী' ডাহিনী, পিশাচিনী, ৰণ্ডী, নিলাজী বৈৰিণী, চাৰী চণ্ডাল, পাপিষ্ঠ।

ঞ) **আ-অলঙ্কাৰ বুজোৱা** শব্দ ঃ মুকুট, কুণ্ডল, সাতেশৰি হাৰ, নেপূৰ, কঙ্কণ, কাঞ্চি ।

ট) **বাদ্য-বুজোৱা শব্দ** ঃ শঙ্খ, ঢাক, ঢোল, তবল, ডগৰ, ভেমচ, ক্ষৈমচ, ঝাঝৰ, ৰেমচি, ৰাম-তাল, কৰ-তাল, টোকাৰি, কেন্দৰা, ৰুদ্ৰ, বিপাক্ষি, দোতৰা, বীণা, বাঁশী, মোহৰী, জিজিৰি, কাহালি, শিঙ্গা, ভেৰী, মৰ্দ্দল, খুমুচি ।

ঠ) **খেলা-ধূলা সংক্ৰান্ত শব্দ** ঃ ভণ্টা, ঝুণ্টি, ঢোপ, লুনি-লুনি, গুৱাল-গুৱালী, জুৱা, পাল, দলিযূজ ।

ড) **আন শব্দ** ঃ গন্ধ, পুষ্প, ধূপ, জীৱন, মন, কাল, শৰীৰ, মন্ত্ৰ, বাক্য, বংশ, প্ৰসাদ, প্ৰাসাদ, আনন্দ, উৎসাহ, দুখ, পাপ, সত্য, কৃপা, দাস, চিত্ত, মতি, বিধি, দৈব, আকাশ, তাৰা, পৌৰুষ, অঙ্কুশ, দিন, ৰাতি, ৰজনী, শশধৰ বসন্ত, মমা, খুৰতে, ভাতিজে, আধাৰ, আথান্তৰ, আটাস, আউঠা, হুড়াহুড়ি, হাম্‌লা, ঝামৰ (পৰিল), তুম্বুল ৰোল, পানৈ পুঙা, জোক, ইন্দুৰ, শুগুকুৰি পৰুৱা, লৰু, ছলি, হাণ্ঠ, বাপু, ঘুমটি ।

কন্দলি-ৰামায়ণত তৎসম শব্দৰ প্ৰধান্যই বেছি যদিও ৰামায়ণৰ শব্দবোৰক তৎসম, অৰ্ধ তৎসম, তদ্ভৱ, বিদেশী (হিন্দী, আৰবী, পাৰছী) আদি ভাগতো ভাগ কৰিব পাৰি । উদাহৰণ ঃ

**তৎসম** ঃ গৃহ, বৃক্ষ, তনয়, নন্দন, চুম্বন, নৃত্য, গীত, বাদ্য, জল, সুৱৰ্ণ, সৰ্প, বহ্নি, ধূম, শৰ, ধৃতি, স্মৃতি, কীৰ্ত্তি, কান্তি, গতি, মতি, নৃপতি, পুষ্প, কাষ্ঠ, কচ্ছপ ।

**অৰ্ধ তৎসম** ঃ ৰতন, দৰিশন, মুগুধ, অগনি, তপত, বৰিষ, উতপন, ভকত, মুকুতা, শৰদ, বেকত, মুকুত, তিৰিপিতি, শুকুল, যুগুত, ৰকত, তিৰী, পৰমাণ, উতপাত ।

**তদ্ভৱ** ঃ ওকণী, বাকলি, বাঘ, হাত, চকু, লাজ, মাছ, মিছা, আন্ধাৰ, তব (তৰত পৰিমৰে), গোৰ (বৃক্ষৰ গোৰত), সুৱাগ, ধাই ।

**বিদেশী** ঃ ডাহিন, পয়দা, দোকান, বাজাৰ, বদল, কমৰ, বহিনী ।

কন্দলি ৰামায়ণত পোৱা বিশেষণাত্মক শব্দ কিছুমান এনেকুৱা ঃ ভাল, মন্দ, শুদ্ধ, উত্তম, অধম, জ্যেষ্ঠ, উন্নত, বৃদ্ধ, শুভ, গম্ভীৰ, কৃশ, শুক্ল, শোভন, বিমল, তপ্ত । সৰ্বনাম শব্দবোৰ হ'ল এনে ধৰণৰ ঃ কেহো, সব, সবাহাক, তাঙ্ক, তুমি, তোমাৰ, আমি, মোৰ, মোহোৰ,



মোত, তোৰ, তোহোৰ, তোক, তাহাৰ, কাহাকো, কাকো, তই ইহাঙ্ক, ইসব, মই, এই, এহি । ক্ৰিয়াবিশেষণাত্মক শব্দ কিছুমানক আকৌ এনেদৰে পোৱা যায় ঃ কেমনে, আথাকে, ঝাণ্ট কৰি, ছতফটাই, ঘটং কৰি, নম্ৰভাৱে, চপ কৰে, কেনে কৰি, এহিমতে ।

ৰামায়ণৰ ভাষাৰ প্ৰকৃত স্বৰূপ বুজিবলৈ হ'লে শব্দবোৰৰ পাছত যোগ হোৱা বিৱিধ প্ৰত্যয়, শব্দ-বিভক্তি, ক্ৰিয়া-বিভক্তি আদিৰ প্ৰয়োগ চাব লাগিব । কন্দলি-ৰামায়ণত পোৱা বহুবচনাত্মক প্ৰত্যয় হিচাপে-গণ, -সব,-আহা,-সা, সকল,-চয়,-ৰা আদি পোৱা যায় । উদাহৰণ ঃ তাৰাগণ, মন্ত্ৰীগণ, পক্ষীগণ, ফেণগণ ; মানিকসব, কন্যাসব, বৃক্ষসব, প্ৰজাসব, আমিসব, তোমৰাসব ; সবাহাক, বাপাহাঙ্ক, বাপাহাৰ ; তোমাসাৰ ; স্বামী-সকল, ব্ৰাহ্মণসকল ; পাপীচয়, লোমচয় ; তোৰা । স্ত্ৰীৱাচক প্ৰত্যয়ৰ ভিতৰত ঈ আৰু -নীৰ ব্যৱহাৰ আছে ; যেনে, পাপিষ্ঠী, প্ৰাণেশ্বৰী, তৰুণী, সুকোমলী, শেনী, নিকাৰুণী, মৃগী ; বাঘিনী, গোসানী, সৰ্পিনী, ৰাক্ষসিনী, পাপিনী, যক্ষিনী, পিশাচিনী, মিতিনী । ৰামায়ণত নিৰ্দ্দিষ্টতাৱাচক প্ৰত্যয়-বোৰৰ ভিতৰত আছে-/গুটি-গুটী,-গোট,-গোটা,-যুৰি,-জন,-টো,-খানি,-খন,-খান,-কুণ্ডা । উদাহৰণ ঃ কুজগুটি, চৈধ্যগুটি ; গ্ৰীৱাগোট, পেটগোট, ৰাত্ৰি-গোট, নাকগোট, ৰাক্ষসগোট, গিৰিগোট, মাথাগোট, জ্যেষ্ঠগোট, দুইগোট ; আঠগোটা, দুইগোটা, কুৰিগোটা ; পাদুকাযুৰি ; দুয়োজন ; সাতোটো ; দুই-খানি ; জিহ্বাখন, কুৰিখন, মেঘখন জিহ্বাখান ৰথখান ; কুৰিকুণ্ডা ।

শব্দ বিভক্তি হিচাপে ৰামায়ণত প্ৰথমা-এ, দ্বিতীয়া-ক, ষষ্ঠী-ৰ, আৰু সপ্তমী-ত, পোৱা যায় ; যেনে, বন্দীগণে স্তুতি পঢ়ে । ৰাম-সীতা-লক্ষ্মণক মিলাইলন্ত আনি, সতিনীৰ পোৰ গুণ ৰখানস কিস ; প্ৰভাতত আদিত্য উদয় আসি ভৈলা । প্ৰথমা বিভক্তিৰ দ্বাৰা সপ্তমী আৰু তৃতীয়া বিভক্তিৰ কামো চলোৱা হৈছে ; যেনে, হেন ৰাম পদে কৰো সদায় প্ৰণাম, দশৰথ গৃহে লীলাৰূপে অৱতৰি ; কণকে ৰচিত ধ্বজ, শেতেনেতে মণ্ডিত । কেতিয়াবা ষষ্ঠী বিভক্তিৰ দ্বাৰা, কেতিয়াবা পৰমৰ্গ হন্তেৰ দ্বাৰা পঞ্চমী বিভক্তিৰ ঠাই পূৰণ কৰা দেখা যায় ; যেনে, গ্ৰীৱাৰ কাঢ়িয়া হাৰ দিলা তিতিক্ষণে, সচকিত মনে শয্যা হন্তে চালি গাৱ, ভয় হন্তে নৃপতিৰ শিহৰিল গাৱ । সপ্তমী বিভক্তিৰ পাছত পৰসৰ্গ হন্তে ব্যৱহাৰ কৰি অপাদান কাৰকৰ ভাৱ প্ৰকাশ কৰাও চকুত পৰে ; যেনে, যাত হন্তে ভৈলা তুমি । কেতিয়াবা দ্বিতীয়া বিভক্তিৰ ঠাইত সপ্তমীৰ ব্যৱহাৰো দেখা যায় ; যেনে,

ভৰতৰ ধাইত কুজীয়ে পুছে কাজ। কুজীত সোধয় কথা ভৰতৰ মাৱ। দ্বিতীয়া ক নাইবা তাৰ পাছত লাগি পৰসৰ্গ ব্যৱহাৰ কৰি চতুৰ্থী বিভক্তিৰ কাম চলোৱা প্ৰথাও আছে ; যেনে, ঋষি সমন্বিতে ৰঙ্গে গৈয়া মিথিলাক, ধনু ভঙ্গ কৰি ৱিহা কৰিলা সীতাক। ভৰত কাচক লাগি হবাওঁ ৰাম ৰত্ন। কিষ্কিন্ধাক লাগি বেগে চলিলা দুন্দুভি। সুগ্ৰীৱক লাগি বীৰ বালীয়ে হানিলা।

ৰামায়ণত পোৱা বিভিন্ন ক্ৰিয়া-ৰূপবোৰ তলত দিয়া ধৰণৰ ঃ

**বৰ্তমান কাল ঃ** কৰো, কৰে, নেৰয়, কৰা, ধৰা।

**অনুজ্ঞা ঃ** জাগিয়োক, চালিয়োক, কৰিয়োক, শুনিয়োক, (চলি) যাইয়ো। কৰিয়ো, যাহা, চাহা, শুনহ, কহ।

**ভূত-কাল ঃ** কৰিলা, ভৈলা, লৈলা, যুৰিলা, দিলা; কৰিলো, ভৈলো; কৰিলোহো, তেজিলোহো ; বিহৰিল, পাইল, ভৈল, নভৈল, মিলিল, বুলিল, নিদিল, দিল, চাইল, আইল, পাইল, গঢ়িল ; হৰিলে, কৰিলে ; লৈলেক, আলাইলেক ; কৰিলন্ত, নমিলন্ত, ধৰিলন্ত, বুলিলন্ত, থৈলন্ত।

**ভৱিষ্যত-কাল ঃ** হৈবা, হৈবাহা, হৈবোহো ; দিবো ; তুষিবা, পুষিবা।

**নাম-ধাতুৰ পৰা হোৱা ক্ৰিয়া-ৰূপ ঃ** খঙ্গাইল, পুহাইল, ক্ৰোধিয়া, অৱতৰি, বিনাশি, পূৰিল, বেলেগাৱে।

**নাস্ত্যৰ্থক ক্ৰিয়া-ৰূপ ঃ** নলাগে, নজান, নজানোহো, নপাবোঁ, নলাগোহোঁ ; নাজানস; নেদেখো, নেৰে, নেৰয় ; নুশুনস, নুবুজস ; নিদিবাহা।

শব্দ-গঠন পদ্ধতিৰ ক্ষেত্ৰত মাধৱ কন্দলিয়ে কৃৎ-তদ্ধিত-প্ৰত্যয়ৰ ব্যৱহাৰৰ উপৰি পূৰ্ব-প্ৰত্যয় আৰু সংযুক্ত শব্দৰ প্ৰয়োগো দেখুৱাইছে। উদাহৰণ ঃ খোচনি; বিহতা (স্বামী), দেৱৰী, নাৱাৰ, নাৱাৰা; সকুটুম্বে, আ-বচনকৰ, অ-কণ্টকে, স-হৰিষমনে; স্ত্ৰী-জিত, স্বামী-শোক, গল-পাশ, বহ্নি-কুণ্ড, তৃণ-শয্যা, মুখ-শ্ৰী, ভকত-দ্ৰোহী, ব্ৰহ্মা-হৰ-পুৰন্দৰ, সৃষ্টি-স্থিতি-লয়।

ওপৰৰ আলোচনাৰ পৰা কন্দলি ৰামায়ণত অসমীয়া ভাষাটোৰ এটা পুষ্টৰূপ সংৰক্ষিত হোৱা কথাটো প্ৰমাণিত হয়। পৰৱৰ্তী যুগত

(১০৯ পৃষ্ঠাত চাওক)

# ॥ কাৰবি ৰামায়ণত মাধৱ কন্দলিৰ প্ৰভাৱ ॥

ৰংবং তেৰাং

কাৰবি জীৱন-প্ৰৱাহত ভাৰতীয় মহাকাব্য ৰামায়ণৰ প্ৰভাৱ যিমান গভীৰ, সেই অনুপাতে মহাভাৰতৰ প্ৰভাৱ অতি নগন্য। মৌখিক গীত মাতৰ মাধ্যমত ৰামায়ণৰ কাহিনী প্ৰচলিত হৈ থকাৰ উপৰিও কাৰবি-সকলৰ মন্ত্ৰবিশেষতো ৰাম নাম উচ্চাৰণ কৰা হয়। এনে গভীৰ প্ৰভাৱৰ মূল কাৰণ কলং-কপিলী উপত্যকাত ৰাম-ভক্তিৰ বহল প্ৰচাৰ বুলিয়েই ধাৰণা হয়। ডবকাখণ্ডকো সামৰি এই বিস্তৃত অঞ্চল মহামাণিক্য ৰজাৰ অধীনত আছিল। আনফালেদি ৰাজ কবি মাধৱ কন্দলিও বৰ্তমানৰ কন্দলি পাহাৰৰ দাঁতি-কাষৰত বাস কৰিছিল। এনেবোৰ কাৰণতে কাৰবি জীৱন-প্ৰৱাহত ৰামায়ণৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। কিষ্কিন্ধ্যা বাসী বালী সুগ্ৰীৱৰ লগত ৰামচন্দ্ৰই মিত্ৰতা কৰি আৰ্য আৰু অনাৰ্যৰ সংহতিৰে ৰাৱণৰূপী দুষ্কৃতিক বিনাশ কৰাৰ আদৰ্শত হিন্দু সন্যাসীসকলেও ডবকা কন্দলি পাহাৰৰ সান্নিধ্যলৈ অহা কাৰবিসকলক বালীৰ সন্ততি বুলি প্ৰচাৰ কৰি ৰামভক্তি জনজাতীয় জীৱনলৈ সম্প্ৰসাৰণ ঘটাইছিল আৰু তাৰেই ফলত কাৰবি জীৱন-সংস্কৃতিত ৰাম-কথা "ছাবিন আলুন" গীতৰ সৃষ্টি হোৱা বুলি ধাৰণা হয়। এনে প্ৰচাৰ আৰু প্ৰভাৱৰ ফল স্বৰূপে

---

(১০৭ পৃষ্ঠাৰ পিছৰ পৰা)

সেই ৰূপৰ কিছু পৰিৱৰ্তন ঘটে যদিও সেই পৰিৱৰ্তনৰ ধাৰাৰ বিচাৰৰ লগত কন্দলিৰ ৰামায়ণৰ ভাষাৰ বিশ্লেষণ আৰু আলোচনা অপৰিহাৰ্যৰূপে জড়িত হৈ আছে* ।

---

* এই আলোচনাৰ তথ্য-পাতি হৰিনাৰায়ণ দত্ত বৰুৱাৰ দ্বাৰা সম্পাদিত মাধৱ কন্দলিৰ ৰামায়ণখনৰ পৰা গ্ৰহণ কৰা হৈছে।

কাৰবিসকলে নিজকে "বালীৰ বংশধৰ" বুলি মজ্জাগত ধাৰণা এটা আজিকোপতি জাতীয় চেতনাত পুহি ৰাখিছে।

কাৰবিসকলৰ গীত-মাত আদিত কলং-কপিলীৰ প্ৰভাৱ অতি স্পষ্ট। লোক গীতবোৰত চিত্ৰিত হোৱা প্ৰাকৃতিক জগতৰ চিত্ৰণত এই নৈ দুখনৰ সঘন উল্লেখ মন কৰিব লগীয়া বৈশিষ্ট্য। মৌখিক ৰূপত চলি অহা গীত-মাতবোৰ প্ৰাচীন ৰূপটোক লোক-স্মৃতিয়ে যুগমীয়াকৈ ধৰি ৰখা সম্ভৱ নহয়। বিশেষকৈ জীৱনৰ ধ্যান-ধাৰণাৰ পৰিবৰ্তনে সমাজৰ গাঁথনিকো পৰিবৰ্তন কৰে। এনে পৰিবৰ্তনৰ প্ৰভাৱসমূহে লোক-সাহিত্যৰ ওপৰতো গভীৰ ৰেখাপাত কৰিব পাৰে। মাধৱ কন্দলি অথবা বৈষ্ণৱ যুগত কাৰবি ৰামায়ণে মৌখিক ৰূপত সৃষ্টি হৈছিল যদিও আশী দশকত সংগৃহীত হোৱা ছাবিনৰ গীতটিও বহুতো পৰিবৰ্তন নিশ্চয় ঘটিছে। সদ্যহতে প্ৰকাশ পোৱা ৰামায়ণ পুথিখন কন্দলি ৰামায়ণৰ আক্ষৰিক অনুবাদো নহয় অথবা কাহিনী বিন্যাসৰ বেলিকাও কন্দলি ৰামায়ণৰ আধাৰত নহয়। ছাবিনৰ গীতত মাধৱ কন্দলিৰ ছাঁটোহে অনুভৱ কৰিব পাৰি। কাৰবি ৰামায়ণৰ কাহিনীক কাৰবি সমাজখনৰ লগত সংগতি ৰাখিহে চৰিত্ৰ আৰু আখ্যান ভাগ বৰ্দ্ধিত কৰা হৈছে। এনে কৰিবলৈ যাওঁতে কাৰবি কবিয়ে সাধুকথাৰ প্ৰভাৱৰ পৰাও মুক্ত হব পৰাগৈ নাই। এই আঞ্চলিক বৈশিষ্ট্যৰ বিষয়ে বিশেষ আলোচনালৈ নগৈ মাধৱ কন্দলি ৰামায়ণৰ সৈতে থকা কাৰবি ৰামায়ণৰ দুটিমান দিশৰ বিষয়ে তুলনামূলক আলোচনা কৰা হ'ল।

মাধৱ কন্দলিয়ে বৰ্ণনা কৰা "দশমুণ্ড কুৰিবাহু দেখি ভয়ঙ্কৰ" ৰাৱণজন কাৰবি ৰামায়ণত বাৰ মূৰীয়া হ'ল। ছাবিনৰ কবিয়ে ৰাৱণৰ পৰিচয় এইদৰে দিছে—

ছৰজন মু ৰাৱণ লংকি।
আফু নাংবি ক্লেহিনি॥
জন্ম লংকা আলংবি।
আমিল' বেন বাংক্লেহিনি॥
পাপ পুন কেদাম জ'-পাৰনি।

(চেনেহৰ ৰাৱণক সৃজন কৰিলে বাৰ মূৰীয়া কৰি। লংকাৰ ভূমিত জন্ম ললে। বাৰ গৰাকী পত্নী গ্ৰহণ কৰি দিনে-ৰাতিয়ে পাপ কাৰ্য কৰিছিল।)



'ৰাৱণৰ পৰমায়ুস এহেজাৰ বছৰ। তেওঁৰ জীৱআটো ময়না চৰাই ৰূপে বৰঘৰৰ মাজ-খুটাৰ ভিতৰত লুকাই আছে।' এনে ধৰণৰ বৰ্ণনা কন্দলিৰ ৰামায়ণত পাবলৈ নাই। সেইদৰে ছাবিনৰ গীতিকাৰে মূল ৰামায়ণত থকা জনক ৰজা, পৰশুৰাম, দশৰথ, জটায়ু আদি নামবোৰক সলনি কৰি যথাক্ৰমে বামণ, ৰ'হাৰ লংকি, ধৰম লংকি, ৰামবেহেক বুলিহে উল্লেখ কৰিছে। পুত্ৰ লাভৰ বৰ বিচাৰি দশৰথ ৰজাই যম ৰজাৰ ওচৰলৈ যোৱাহে কাৰবি ৰামায়ণত বৰ্ণনা কৰিছে। তিনি গৰাকী পত্নীৰ ঠাইত দশৰথ ৰজাই দুগৰাকীহে বিয়া কৰাইছে। সেই দুগৰাকীৰে এগৰাকী কাৰবিপী আৰু অন্য গৰাকী হিঙৈপী। মেঘনাদক ৰাৱণৰ ভ্ৰাতৃ বুলি পৰিচয় দিয়াটো এইখন ৰামায়ণত এক অদ্ভুত ঘটনা। সীতা বনবাসৰ পিচত বালী-সুগ্ৰীৱৰ ৰণ আৰু ৰামৰ দ্বাৰা বালী বধৰ ঘটনাও অবিশ্বাস্য ঘটনা। কাৰবি কবিৰ এনেবোৰ বৰ্ণনাই আমাক বিপাঙতহে পেলাইছে।

অন্যান্য ৰামায়ণৰ লগত কাৰবি ৰামায়ণৰ ঘটনা আৰু নামৰ মাজত অমিল থাকিলেও কিছু সাদৃশ্য মাধৱ কন্দলিৰ ৰামায়ণৰ লগত থকা দেখা যায়। 'অযোনীকা' ৰূপে সীতাৰ জন্ম-ৰহস্যত মাধৱ কন্দলিয়ে বৰ্ণাইছে,—

উঠিলেক ডিম্বগোট বাজিয়া লাঙ্গলে।
ৰক্তময় বিম্ব সূৰ্যগোট যেন জ্বলে॥
হালোৱাসকলে পাচে যুগতি কৰিয়া।
জনকৰ আগে ডিম্বগোট দিল নিয়া॥

ছাবিনৰ কবিয়ে বৰ্ণাইছে,—

পাৰজান ৰ'ৰামকং আতি।
অ'ছ'মাৰ চাইনং কেৰি॥
অ'ছ' জুদেত আলামদি।
হেমফু নাংপাক্লাং দামজি॥

অৰ্থাৎ সীতাই ময়ূৰ পক্ষীৰ কণী ৰূপ ধাৰণ কৰিলে। গৰখীয়া ল'ৰা-বোৰে কণীটো পাই হেমফু (জনক)ৰ কাষলৈকে লৈ আহিল।

ৰামৰ জন্মক্ষণত দুয়োখন ৰামায়ণত আচৰিত ঘটনাৰ সমাবেশ হোৱা দেখুৱাইছে। ছাবিনৰ কবিয়ে এইদৰে বৰ্ণাইছে,—

ৰাম-খন নাংজন্ম আৰনি ।
ৰাৱণ চিংত' আথেলি ॥

অৰ্থাৎ ৰাম-লক্ষ্মণৰ জন্ম দিবসত ৰাৱণৰ মুকুট খহি পৰিছিল। মাধৱ কন্দলিৰ ৰামায়ণতো ৰামৰ জন্ম-প্ৰভাৱ এইদৰে বৰ্ণাইছে,—

পৰিল নিজম যত দুৰ্জন শাল ।
আদিত্যৰ তাপে যেন জাৱে উৎপল ॥

কন্দলিৰ ৰামায়ণতো দশৰথ ৰজা নিঃসন্তান হেতুকে পুত্ৰশোকত অধীৰ হোৱা অন্ধমুনিয়ে ৰজাক এই বুলি বৰ দিছিল,—

এগুটি শ্ৰীফল নিয়ো সন্দেশ আমাৰ ।
চলাহা গৃহক পুত্ৰ হৈবেক তোমাৰ ॥

কাৰবি ৰামায়ণৰ ধৰম লংকিয়ে (দশৰথ) যম ৰজাৰ ওচৰত পুত্ৰৰ কাৰণে বৰ প্ৰাৰ্থনা কৰাত এই বুলি উপদেশ দিছিল,—

জা নন ছেৰ কংকাং ইছি ।
দাম নন ছ'পেং আকেংৰি ॥

কন্দলিৰ ৰামায়ণত শ্ৰীফল এটিৰে বৰ প্ৰদান কৰাৰ দৰেই কাৰবি ৰামায়ণতো ছ'পেং অৰ্থাৎ সুমথিৰা এটিৰে পুত্ৰবৰ প্ৰদান কৰিছিল।

মায়া মৃগ দেখি কন্দলিৰ ৰামায়ণৰ দৰেই ছাবিনৰ সীতায়ো মোহিত হৈছিল । ৰামচন্দ্ৰক অনুৰোধ কৰি কন্দলিৰ ৰামায়ণৰ সীতাই এইদৰে কৈছিল,— ধৰিবাক পাৰা যেবে আতি বৰ ভাল ।
নোহে মৃগ মাৰি মোক আনি দিয়া ছাল ॥

ছাবিনৰ সীতাই মৃগ-ছাল ব'দত শুকুৱাই তাঁত-শালত পাৰি লবলৈ অনুৰোধ জনাই ৰামক এইদৰে কৈছিল,—

ছামফ্ৰি উৰ বলান দুনজি ।
পিৰথাক আদিম চেলিমাজি ॥

মৃগ অন্বেষণত যোৱা ৰামৰ কাতৰ কণ্ঠস্বৰ শুনি সীতাই উদ্বাউল হৈ সহায়ৰ বাবে লক্ষ্মণক যাবলৈ আদেশ দিছিল । সেয়া ৰাক্ষসৰ মায়া বুলি জানি লক্ষ্মণ যাবলৈ অমান্তি হৈছিল । তাকে দেখি সীতাই দেৱৰেকক কৰা ভৰ্ৎসনাৰ সুৰ দুয়োখন ৰামায়ণৰে সাদৃশ্য আছে ।

লখিলোহো পাপিষ্ঠ তোহাৰ যেন আশ ।
ৰামৰ মৰণে মোক ভজিবাক চাস ॥ বুলি সীতাই



দেৱৰেকৰ ওপৰত সন্দেহ কৰাৰ দৰেই কাৰবি ৰামায়ণৰ সীতায়ো লক্ষ্মণক সন্দেহ কৰি ভৰ্ৎসনা কৰিছিল, এই বুলি,—

নাংছেং কাজাদি ল'প্ৰি ।
কাৰলিলত আৰনি আফি ॥
সীতা নে নাংৰেণ দেত জি ।
পুছি নাংছেং কাজাদি ॥

(দেৱৰ তুমি ভাবিছা, (ককায়েৰাৰ) মৃত্যুৰ পিছত সীতাক পত্নী কৰি লম বুলি ।)

এনে ধৰণৰ সাদৃশ্য মাধৱ কন্দলিৰ ৰামায়ণৰ লগত থাকিলেও অন্যান্য ৰামায়ণৰ আখ্যান উপাখ্যানৰ প্ৰভাৱ কাৰবি কৱিৰ ওপৰত পৰিবও পাৰে । কিয়নো মাধৱ কন্দলিৰ ৰামায়ণত নথকা কিছুমান অদ্ভুত কাহিনীও কাৰবি ৰামায়ণত পোৱা যায় । এই খিনিতে স্বৰ্গীয় হৰি নাৰায়ণ দত্ত বৰুৱাৰ মন্তব্য প্ৰণিধান যোগ্য । ৰামায়ণৰ মুখ বন্ধত তেখেতে এইদৰে আক্ষেপ কৰি লিখিছে,—"অতি পৰিতাপৰ কথা যে নানা কাৰণত আমাৰ অসমীয়া জাতিয়ে আনৰ লগত সমানে উধাব নোৱৰা বাবে আমাৰ দেশত বংচভীয়া কৃত্তিবাসী ৰামায়ণহে পৰ্বত-ভৈয়ামে চলে ।" শ্ৰীপ্ৰেমকান্ত মহন্ত দেৱৰ সৌজন্যত ডিফু সাহিত্য সভাই প্ৰকাশ কৰা সৰু কলেবৰৰ একমাত্ৰ কাৰবি ৰামায়ণ "ছাবিন আলুন"ত মাধৱ কন্দলি অথবা কৃত্তিবাসী ৰামায়ণৰ সৈতে তুলনামূলক আলোচনাৰ স্থান নাই । ৰাম-কথাৰ জকা-টোহে ইয়াত আছে । মহাকবি বাল্মীকিৰ মানৱ বোধৰ গভীৰতাও সিমান উপলব্ধি কৰিব নোৱাৰি । ৰাম ভক্তিৰ গভীৰতাও আধ্যাত্মিক দৃষ্টিত অতি সামান্য । ভাৰতীয় মহাকাব্য ৰামায়ণে অসমৰ জনজাতিৰ জীৱনকো চুই যাব পৰা ঘটনাই এক ঐতিহাসিক ব্যতিক্ৰম আৰু "ছাবিন আলুন"ৰ প্ৰমূল্যও সেইখিনিতেই ।

—oo—

ৰঙালি বিহুৰ সাদৰ ওলগ আৰু
অসম সাহিত্য সভাৰ সদস্যসকললৈ সম্ভাষণেৰে
—ৰেডিঅ' এণ্ড চাউণ্ড কৰ্পৰেচন—
নগাওঁ : অসম

## ।। মাধৱ কন্দলিৰ ৰামায়ণত মন্থৰা প্ৰসঙ্গ ।।

কেশদা মহন্ত

বাল্মীকিৰ ৰামায়ণত মন্থৰাক কৈকেয়ীৰ লগত অনা পিতৃ-গৃহৰ দাসী বুলি কোৱা হৈছে— জ্ঞাতিদাস্যথ কৈকেয্যাঃ সহোঢ়া পৰিচাৰিকা। (২।৬।১)। মাধৱকন্দলিয়ে এই প্ৰসংগত মন্থৰাৰ পৰিচয় এইবুলি দিছে— কৈকেয়ীৰ কুবুজা মন্থৰা তাইৰ নাম। পাছত মন্থৰাই কৈকেয়ীক কোৱা নিম্নোক্ত কথাষাৰত মন্থৰাক কৈকেয়ীয়ে লগত অনাৰ কথা প্ৰকাশ পাইছে—

কিনো পাপ কৰিলো যৌতুকে দিলে মোক।
সতিনীৰ চেড়ী হৈবি দেখিবোহো তোক ॥ ১৫৭৪

মূলৰ দৰে কন্দলিৰ ৰামায়ণতো এই মন্থৰাই প্ৰাসাদৰ ওপৰত উঠি ৰাজ্যত নানা প্ৰকাৰৰ আনন্দ-উৎসাহ হোৱা দেখিবলৈ পাইছে, ধাই এজনীক তাৰ কাৰণ কি সুধিছে আৰু লগতে ৰামৰ মাক কৌশল্যা আনন্দিত হোৱাৰ কাৰণো জানিবলৈ বিচাৰিছে। মূলত এইদৰে প্ৰশ্ন কৰা কুঁজীক (আচচক্ষেহথ কুব্জায়ৈ...) ধাইগৰাকীয়ে ৰাম-অভিষেকৰ আয়োজনৰ কথা জনোৱাৰ দৰে ইয়াতো জনাইছে।

মন্থৰাই ৰাম-অভিষেকৰ খবৰ পাই কৈকেয়ীৰ ওচৰলৈ গৈ কোৱা কথাখিনিও কন্দলিয়ে মূলৰ দৰেই বৰ্ণনা কৰিছে যদিও কন্দলিৰ বৰ্ণনাটো চমু অথচ প্ৰভাৱশালী হৈছে। ৰাম-অভিষেকত সংবাদ পাই কৈকেয়ীয়ে যেতিয়া কুঁজীক ভিঙিৰ হাৰ সোলোকাই উপহাৰ দিলে, তেতিয়া কন্দলিৰ ভাষাত—'ক্ৰোধত থঙ্গিল কুঁজী জাজ্জ্বল্য সমান'। কুঁজীয়ে কৈকেয়ীক আসন্ন বিপদৰ কথা বুজাই দিয়া বৰ্ণনাত কন্দলিয়ে কেইবাটাও সাৰ্থক উপমা প্ৰয়োগ কৰিছে —



দশৰথ সাগৰ তৰঙ্গী নদী তই।
অলপতে শুখাই যাইবি জানিলোহো মই ॥
প্ৰিয়া গঙ্গা কৌশল্যা গভীৰ বেগে বহে।
ৰাম অভিষেক বেগত কৰি কহে ॥ ১৫৭৯

মূলত কৈকেয়ীক 'গিৰিনদী' বোলা হৈছে যদিও বাকীখিনি কল্পনা কন্দলিৰ নিজা। কন্দলিয়ে এইদৰে বহু স্থলত চিনাকি উপমাৰ সহায়ত বৰ্ণনীয় বিষয় অধিক জীৱন্ত আৰু মনোগ্ৰাহী কৰি উপস্থাপন কৰিছে।

ৰামে অভিষেকত আনন্দ প্ৰকাশ কৰি কৈকেয়ীয়ে দেখুৱা যুক্তি আৰু তাৰ বিপৰীতে ভৰতৰ হব পৰা বিপদৰ মন্থৰাই দিয়া সঁকিয়নিও কন্দলিয়ে মূলৰ অনুৰূপেই দিছে। মূলত মন্থৰাই কৈকেয়ীক তেওঁ ইতিমধ্যে কৌশল্যাক কৰি অহা অৱমাননাৰ ফলত ৰাজমাতা হৈ কৌশল্যাই বৈৰিতা আচৰণ কৰাটো নিশ্চিত বুলিও সঁকিয়াই দিছিল—

দৰ্পান্নিৰাকৃতা পূৰ্বং ত্বয়া সৌভাগ্যৱত্তৱা।
ৰাজমাতা সপত্নীতে কথং বৈৰং ন যাপয়েৎ ॥

(গৌড়ীয় পাঠ ৰাঃ ঃ ২।৭।৩১, গীতাপ্ৰেছৰ পাঠ ২৮।৩৭)

কন্দলিৰ ৰামায়ণত কৈকেয়ীয়ে স্বামীৰ সোহাগী হৈ এইদৰে কৌশল্যাক অৱমাননা কৰাৰ ইঙ্গিত দিয়া নাই।

কুঁজীৰ কথাত পতিয়ন গৈ কৈকেয়ীয়ে ৰামক নিৰ্বাসিত কৰি ভৰতক কি উপায়েৰে ৰাজ্য দিব সেই কথা সোধাত কুঁজীয়ে তেনে উপায় দিবলৈ সন্মতি প্ৰকাশ কৰাৰ বৰ্ণনা কন্দলিয়ে মূলৰ দৰেই দিছে; কিন্তু সেই উপায় পালে কৈকেয়ীয়ে কুঁজীক যি প্ৰতিদানৰ প্ৰতিশ্ৰুতি দিছে, মূলত এই প্ৰসংগত তাৰ কথা নাই। কৈকেয়ীয়ে যেতিয়া কুঁজীৰপৰা ৰাম-নিৰ্বাসন আৰু ভৰতৰ ৰাজ্য প্ৰাপ্তিৰ উপায় লাভ কৰিলে, তাৰ পাছতহে এনে প্ৰতিশ্ৰুতি মূলত দিয়া হৈছে। কন্দলিৰ ৰামায়ণত কৈকেয়ীয়ে এইবুলি মন্থৰাক প্ৰতিশ্ৰুতি দিছে—

ভৰত নৃপতি ভৈলে তই হৈবি সুখী।
অন্তেষপুৰত তোক কৰিবো প্ৰমুখী ॥ ১৫৯০
ৰাজা ভৈলে ভৰত কীতিক তোক নিবো।
তোৰ কুঁজগুটি শুদ্ধ সুৱৰ্ণে বান্ধিবো ॥

বেটী শত দিবো আৰু বস্ত্ৰ অলংকাৰ।
গ্ৰীৱাত তোহোৰ দিবো সাতেসৰী হাৰ ॥১৫৯১

তদুপৰি কৈকেয়ীয়ে কুঁজীক এইবুলি তোষামোদ কৰিছে—

পদ্ম কেশৰৰ বৰ্ণ প্ৰিয় দৰিশন।
উৰুস্থল লখি তোৰ আতি সুশোভন ॥
উন্নত নাসিকা মুখ দেখিয়া সুভাৱ।
কুজ গুটি দেখি হেন সুবৰ্ণ সবাৰ ॥ ইত্যাদি

মূলত কুঁজীয়ে কৈকেয়ীক ৰাম নিৰ্বাসন আৰু ভৰতৰ ৰাজ্যপ্ৰাপ্তিৰ উপায় দিয়াৰ পাছত কুঁজীৰ বুদ্ধিৰ শলাগ লৈ অন্য কুঁজীবিলাকতকৈ যে মন্থৰাৰ বুদ্ধি আৰু শাৰীৰিক গঠন শ্ৰেষ্ঠ সেই কথাহে কৈকেয়ীয়ে কৈছিল। তাত কঁুজীক তোষামোদ কৰা যেন নালাগি যথাৰ্থকথন যেনহে লাগে।

বাল্মীকিয় ৰামায়ণত মন্থৰাই কৈকেয়ীক তেওঁ দশৰথৰ পৰা পাবলৈ থকা বৰ দুটাৰ পূৰ্বপ্ৰসংগ মনত পেলাই দি শম্বৰাসুৰ যুদ্ধৰ ইতিবৃত্ত দাঙি ধৰিছে। কৈকেয়ীয়ে দশৰথৰ পৰা কি উপলক্ষ্যত দুটা বৰ পাইছিল, সেই সম্পৰ্কত ৰামায়ণী সাহিত্যসমূহত বেলেগ বেলেগ বৰ্ণনা পোৱা যায়। বাল্মীকিয়ে ৰামায়ণৰ পাঠসমূহতে এই বিষয়ত ভিন্নতা পৰিলক্ষিত হয়। গৌড়ীয় পাঠৰ মতে দেৱাসুৰৰ যুদ্ধ সহন কৰিবলৈ সমৰ্থ দশৰথক দেৱৰাজ ইন্দ্ৰই প্ৰাৰ্থনা কৰাত দশৰথে অযোধ্যাৰ পৰা দক্ষিণলৈ গৈ দণ্ডকাৰণ্যৰ ফালে থকা বৈজয়ন্ত নামেৰে বিখ্যাত নগৰখনত অসুৰৰ লগত যুদ্ধ কৰিছিল। সেই নগৰত তিমিধ্বজ ধাৰণ কৰা, দেৱগণৰ অপৰাজেয়, বহু মায়াশালী শম্বৰ নামৰ অসুৰ ইন্দ্ৰৰ লগত যুদ্ধত প্ৰবৃত্ত হৈছিল। সেই মহাযুদ্ধত জয়লাভ কৰি শস্ত্ৰৰ দ্বাৰা ক্ষত-বিক্ষত হৈ ঘূৰি অহা স্বামীক কৈকে ীয়ে পৰিচৰ্য্যা কৰিছিল আৰু ৰজাৰ ব্ৰণ উঠি আহোঁতেও কৈকেয়ীয়ে শুশ্ৰূষা কৰিছিল। সন্তুষ্ট হৈ দশৰথে দুটা বৰ দিব খোজাত কৈকেয়ীয়ে পাছত তেওঁৰ ইচ্ছা অনুযায়ী বৰ লব বুলি কৈছিলে। কুঁজী মন্থৰাই এই বৰ দুটাৰেই ৰামক নিৰ্বাসন আৰু ভৰতক ৰাজ্য দিয়াবলৈ কৈকেয়ীক পৰামৰ্শ দিছিল (গৌঃ ২/৮/১১-১৬)।

বাল্মীকিয় ৰামায়ণৰ ই কেইটা পাঠৰ মতে দশৰথে সেই যুদ্ধলৈ ৰাজৰ্ষিসকলৰ সৈতে কৈকেয়ীকো লগত লৈ গৈছিল (ৰাঃ ২/৯/১১)। সেই যদ্ধৰ স্থান আৰু যোদ্ধাৰ কথাৰ বৰ্ণনা তিনিওটা পাঠতে একেই। গৌড়ীয় পাঠৰ বাহিৰে কেউটা পাঠৰ মতে সেই মহা সংগ্ৰামত ক্ষত-বিক্ষত হোৱা মানুহবোৰ যেতিয়া ৰাতি শুই থাকে, তেতিয়া ৰাক্ষসবিলাকে সিহঁতক বলেৰে ধৰি নি বধ কৰেগৈ। সেই সময়ত অসুৰৰ অস্ত্ৰ-সংহাৰত জৰ্জৰিত হোৱা দশৰথক কৈকেয়ীয়ে ৰণক্ষেত্ৰৰ পৰা আঁতৰাই নিছিলে আৰু তাৰ বাবে দশৰথৰ পৰা কৈকেয়ীয়ে দুটা বৰ লাভ কৰিছিলে (ৰাঃ ২।৯/১১/১৬)।

বাল্মীকিয় ৰামায়ণৰ পশ্চিমোত্তৰীয় পাঠৰ মতে (লাহোৰৰ দয়ান দ কলেজৰ পৰা প্ৰকাশিত) কৈকেয়ীয়ে এজন ব্ৰাহ্মণক সন্তুষ্ট কৰি লাভ কৰা বিদ্যাৰ বলত দশৰথক বচাব পাৰিছিলে। বাল্মীকিয় ৰামায়ণৰ গৌড়ীয় পাঠক অনুসৰণ কৰা মাধৱ কন্দলিৰ ৰামায়ণত শম্বৰাসুৰ-যুদ্ধৰ এই এটাও বৰ্ণনা দাঙি ধৰা নাই, আনহে নালাগে শম্বৰাসুৰৰ নামটোও উল্লেখ কৰা নাই। কন্দলিৰ বৰ্ণনাত কুঁজীয়ে দেৱাসুৰ যুদ্ধৰ কথা কৈকেয়ীক ইমানকেহে কৈছে—

পুৰণি কথাক তই সুমৰণ কৰ।
ৰাজা বুলিয়াছে তোক দিবো দুই বৰ ॥ ১৫৯৫
দেৱাসুৰ ৰণ বৰ মিলিল পূৰ্বত।
জিনিলা দেৱক ৰণে অসুৰ সমস্ত ॥
মহেন্দ্ৰৰ সখা ভৈল দশৰথ ৰায়।
ভঙ্গায়া অসুৰবল খেদাইলা লীলাই ॥ ১৫৯৬
যুদ্ধ জিনি আসিয়া ভৈলন্ত তিৰপিতি।
আগবাঢ়ি কৈলা তুমি ৰাজাত ভকতি ॥
বৰ দুই দিবাক ৰাজাৰ ভৈলা মন।
তুমিও বুলিলা বৰ লৈবো আনখন ॥ ১৫৯৭

কুঁজীয়ে এইদৰে কৈকেয়ীক বৰ দুটাৰ কথা মনত পেলাই দি ৰাণীক '[illegible]ধঘৰ'ত মলিন বেশেৰে, চুলি মেলি কোপ মনেৰে থাকিবলৈ পৰামৰ্শ দিলে। দশৰথে যেতিয়া ৰোহপতা কৈকেয়ীক অনেক চাটু বচন বুলি মণিবস্ত্ৰ দি সন্তুষ্ট কৰিব খুজিব, তেতিয়া কৈকেয়ীয়ে 'বাক্যে ছান্দি নৃপতিক শপত কৰাই' যাতে দশৰথৰ পৰা বৰ দুটা খুজি লয় কুঁজীয়ে সেই পৰামৰ্শ দিলে। এটা বৰেৰে ভৰতক ৰাজ্যদান, আনটো বৰেৰে ৰামৰ বনবাস প্ৰাৰ্থনা কৰিবলৈ মন্থৰাই দিহা দিলে। এইখিনি বৰ্ণনা চমুকৈ হ'লেও কন্দলিয়ে মূলৰ অনুৰূপেই দিছে। কিন্তু 'বৃদ্ধৰ তৰুণী ভাৰ্য্যা অতি বৰ ৰতি / তোৰ বোল বাধিবাক নুহিবে শকতি' বুলি কুঁজীয়ে

কোৱা কথাষাৰ মূলত নাই। অৱশ্যে ক্রোধাগাৰত দশৰথে কৈকেয়ীক দেখাৰ বৰ্ণনা মূলত এই বুলি দিছে— 'স বৃদ্ধস্তৰুণীং ভাৰ্য্যাং প্ৰাণেভ্যোহপি গৰীয়সীম্'।

বাল্মীকি ৰামায়ণৰ গৌড়ীয়পাঠত কৈকেয়ীয়ে কুঁজীৰ কুমন্ত্ৰণা গ্ৰহণ কৰাৰ এটা কাৰণ দৰ্শাইছে। সেইমতে কৈকেয়ীয়ে শাপৰ প্ৰভাৱত পৰিহে কুঁজীয়ে দিয়া অনিষ্টকাৰী মন্ত্ৰণা গ্ৰহণ কৰিলে। পূৰ্বে কেকয় দেশত বাল্য কালতে কৈকেয়ীয়ে এজন দেখাত মূৰ্খৰ নিচিনা মহাত্মা ব্ৰাহ্মণক নিন্দা কৰিছিল। সেই ব্ৰাহ্মণে কৈকেয়ীক এই বুলি অভিশাপ দিলে যিহেতু ৰূপৰ গৰ্বত তুমি ব্ৰাহ্মণক নিন্দা কৰিছা, তুমিও কুৎসিত নিন্দাৰ পাত্ৰ হ'ব লাগিব —

কেকয়েষু হি সা বাল্যে ব্ৰাহ্মণং মূৰ্খৰূপিণম্।
অসূয়িতৱতী বালা তেন শপ্তা মহাত্মনা ॥ ৩২
যস্মাদসূয়সে বিপ্ৰং ত্বং ৰূপমদদৰ্পিতা।
তস্মাদসূয়াং ত্বমপি লোকে প্ৰাপ্স্যসি কুৎসিতাম্ ॥ ৩৩
ইতি শাপসমাচ্ছন্না মন্থৰাৰশমাগতা।
(গৌঃ ৰা ২।৮ সৰ্গ.

গৌড়ীয় পাঠ অনুসৰণ কৰিছে যদিও কন্দলিৰ ৰামায়ণত এই কাহিনীৰ উল্লেখ নাই। মূলত কুঁজীৰ পৰামৰ্শ লাভ কৰি কৈকেয়ীৰে কুঁজীৰ ৰূপ-গুণৰ প্ৰশংসা কৰা আৰু ভৰত ৰজা হ'লে কুঁজীক প্ৰতি-শ্ৰুতিৰ কথা আগতে উল্লেখ কৰি অহা হৈছে। কন্দলিৰ ৰামায়ণৰ কুঁজীৰ পৰামৰ্শত হৰষিত হৈও কৈকেয়ীয়ে ৰামৰ অনিষ্ট সাধন কৰিবলগীয়া হোৱাত খেদহে প্ৰকাশ কৰিছে—

চলিলা কুঁজীৰ বাক্যে হৰষিত মনে।
ৰামৰ লিখিত বিধি বাধিব কেমনে ॥
কুঁজী তোৰ বচনে ভূমিত থাকো লুটি।
হা ৰাম বোলন্তে পৰাণ যায় ফুটি ॥ ১৬০১
পাপিষ্ঠী কুবুজী মোৰ ভেদেলি হৃদয়।
জানিলি কথাক কহি অনেক সংশয় ॥
তোহোৰ বোলত আবে কাৰো মন্দ যত্ন।
ভৰত কাচক লাগি হৰাওঁ ৰামৰত্ন ॥ ১৬০২



বোৰ বোলে ৰামাই বন যাইবে হেন জানি।
মৰিবো কটাৰ হানি নখাই ভাত পানী ॥
মনত বিষাদ কৰি ভৰতৰ মাৱ।
ক্রোধঘৰে থাকিলন্ত বিমল স্বভাৱ ॥ ১৬০৩
কৈকেয়ীৰ এই অন্তৰ্দ্বন্দ কন্দলিৰ নিজা সৃষ্টি।

কুঁজীৰ ব্যৱস্থামতে ৰামৰ নিৰ্বাসন হ'ল ; কৈকেয়ীয়ে ভৰতৰ বাবে ৰাজ্য খুজি ল'লে ; পুত্ৰশোকত দশৰথ স্বৰ্গগামী হ'ল। ভৰত-শত্ৰুঘ্নক মোমায়েকৰ ঘৰৰ পৰা অনোৱা হ'ল। দুয়োজনে জানিব পাৰিলে, ৰামৰ বনবাস আৰু দশৰথ মৃত্যু কুঁজীৰ কাৰণেই হ'ল। মূলত শত্ৰুঘ্নই ভৰতৰ আগত ৰাম কিয় তিৰোতা মানুহৰ কথাত লাগি বনলৈ গ'ল আৰু লক্ষ্মণে কিয় পিতাকৰ অন্যায় নেওচি ৰামৰ অভিষেক নাপাতিলে সেই আক্ৰোশ প্ৰকাশ কৰি থকাৰ সময়তে সেই ঠাইত গৈ কুঁজী উপস্থিত হ'ল। তাই শুভ্ৰ বস্ত্ৰ অলংকাৰ পিন্ধি চন্দন আৰু অগুৰুৰে শৰীৰ লেপন কৰি সিংহদ্বাৰত ৰৈ থাকিল। তেতিয়া ভৰতে শত্ৰুঘ্নক কলে—"যাৰ কাৰণে ৰাম গ'ল আৰু মোৰ পিতাই দেহত্যাগ কৰিলে, সেই পাপিষ্ঠী নৃশংসা কুঁজী সৌজনী। তুমি তাইৰ যথাবিধি ব্যৱস্থা লোৱাঁ (কুৰুষ্বাস্য যথাবিধি ২।৭৮।৯)"।

কুঁজীক ইতিকিঙৰ পাত্ৰ কৰিবলৈ এই সময়ত উপস্থিত হোৱা কুঁজীক মাধৱ কন্দলিয়ে নিজা দৃষ্টিৰে সজাই পৰাই উলিয়াইছে—

শুনিলেক কুঁজীয়ে ভৰতে আসি ভৈল।
সত্বৰ গমনে কৈকেয়ীৰ পাশে গৈল ॥ ২২৮২
পিন্ধিলেক হৰিষে বত্ৰিশ অলংকাৰ।
× × হংসী কেলি কৰে যেন সৰোবৰ মাজে ॥ ২২৮৩
সুবৰ্ণৰ খোল দিয়া কুজত চড়াইল'
কটাক্ষ দৃষ্টিৰে ভৰতৰ মুখ চাইল ॥
× × বিমৰিষ কৰে কুঁজী আউৰ কিবা চাওঁ।
ভৰতক সমীপক কিসক নযাওঁ ॥ ২২৮৫
× × বয়সত বৰ মই ভৰতত কৰি।
কামবশ ভৈলে সিটো দোষক নধৰি ॥ ২২৮৬
বিদিতে কুমাৰে যেৱে লাজ কিছু কৰি।
গুপতৰূপে তথাপিতো হৈবো পটেশ্বৰী ॥

মূলত এনে বাসনা মন্থৰাৰ মুঠেই নাছিল। কুঁজীক নানা প্ৰকাৰে শাৰীৰিক পীড়ন কৰি শত্ৰুঘ্নই কটুবাক্য বোলা, কুঁজীক শত্ৰুঘ্নৰ পীড়নৰ পৰা ৰক্ষা কৰিবলৈ কৈকেয়ীয়ে ভৰতৰ আশ্ৰয় লোৱাৰ বৰ্ণনা কন্দলিয়েই মূলৰ অনুৰূপেই দাঙি ধৰিছে। অৱশ্যে কন্দলিয়ে তাক নিজা সাঁচত গঢ়ি লৈছে।

মূলত শত্ৰুঘ্নক ভৰতে কুঁজীক পীড়ন কৰাৰ পৰা এই বুলি বিৰত কৰিছিলে—"সকলো প্ৰাণীৰ কাৰণেই স্ত্ৰীজাতি অবধ্যা তুমি তাইক ক্ষমা কৰা। ধৰ্মাত্মা ৰামে মোক মাতৃঘাতী বুলি ত্যাগ নকৰে বুলি জনা হলে মই নিজে এই পাপিষ্ঠা কৈকেয়ীকহে বধ কৰিলোঁহেতেন। হে ধৰ্মজ্ঞ ক্ৰোধ সম্বৰণ কৰা। এই মন্থৰা যিহেতুকে পৰৰ দাসী কুঁজী তিৰোতা, তাই নিজৰ কৰ্মফলৰ দ্বাৰা এনেয়ে মৰিছে (এই বাক্যটো গৌড়ীয় পাঠতহে আছে)। এই অসৎ তিৰোতাজনীক মাৰিলে ধৰ্মাত্মা ৰামে তোমাকে মোকে নিশ্চয় ত্যাগ কৰিব।' কন্দলিৰ ৰামায়ণত ভৰতে শত্ৰুঘ্নক এই বুলি কৈ বিৰত কৰিছে।

মৰাক মাৰিলে আৰো কিছু ফল নাহি
কুঁজী পৰ চেড়ীসে নুহিকে স্বতন্তৰ।
বোঝাৰ উপৰে শাক যেন পটন্তৰ ॥ ২৩০১

ভৰতৰ এই কথা শুনি শত্ৰুঘ্নই "হেম্পোচিয়া কুঁজীক পেলাইলা তেতিক্ষণে।" মূলত পিছে মূৰ্চ্ছিত অৱস্থাত এৰিহে দিছে। কন্দলিৰ ৰচনাত কুঁজীয়ে চুচঁৰি গৈ কৈকেয়ীৰ ওচৰ চাপিছে আৰু কৈকেয়ীয়ে ধীৰে ধীৰে তাইক আশ্বস্ত কৰিছে। মূলত অচেতন কুঁজীক কৈকেয়ীয়ে নানা প্ৰকাৰে আশ্বস্ত কৰিছে।

যি কুঁজীৰ মন্ত্ৰণাৰ ফলতে ৰামায়ণ মহাকাব্যৰ ঘটনা প্ৰৱাহে যুগজয়ী দিশ ল'লে, সেই কুঁজীক বিভিন্ন ৰামায়ণী সাহিত্যই ভিন্ ভিন্ ৰূপত চাই আহিছে, সজাই আহিছে। মূলৰ অনুবৰ্তী হৈও মাধৱ কন্দলিয়ে এই কুঁজীক নিজ কল্পনাৰ দৃষ্টিৰে চাই সজোৱাৰ শিল্পীসুলভ প্ৰচেষ্টা কৰিছে।

—(০)—

# ॥ কন্দলিৰ ৰামায়ণ ঃ সীতা আৰু অহল্যা ॥

ডঃ নিৰ্মলপ্ৰভা বৰদলৈ

শ্ৰদ্ধেয় দাদা,

আপুনি পাঁচ ছখন চিঠিৰ উপৰিও টেলিগ্ৰাম কৰি মোৰ পৰা যেনেতেনে ৰামায়ণ (মাধৱ কন্দলিৰ)ৰ চৰিত্ৰ এটিৰ ওপৰত লেখা এটি বিচাৰিছে। এই সম্পৰ্কত আপুনি উৰ্ম্মিলা বা অহল্যাৰ চৰিত্ৰৰ বিষয়ে লেখিলে ভাল পাব বুলি জনাইছিল। আপুনি ইমান আদৰেৰে লেখা এটা বিচৰা কাৰণে মোৰ কৃতজ্ঞতা মূৰ দোঁৱাই জনাইছোঁ।

প্ৰথমতেই মই সবিনয়ে জনাব খুজিছোঁ যে মই এনে কিছুমান কঠিন, অন্য ধৰণৰ, কিঞ্চিত কামত দিনে বাৰ-তেৰ ঘণ্টা জুৰি ব্যস্ত আছোঁ যে এধানমান সময় উলিয়াবলৈও উপায় নাই। সংস্কৃত ৰামায়ণ আৰু মাধৱ কন্দলিৰ ৰামায়ণ আকৌ এবাৰ সম্পূৰ্ণ অধ্যয়ণ কৰি নললে এনেবোৰ কামত হাত দিবই নেপায়। ইফালে প্ৰতিদিনে আপোনাৰ চিঠি। একো লিখিব পৰা নাই বুলি লিখিবলৈও সঙ্কোচ হয়-যেন আপোনাৰ আদেশ মানিব নোৱাৰি মই আপোনাক অপদস্থ কৰা হব।

কেৱল আপোনাৰ প্ৰতি থকা শ্ৰদ্ধাতে শৰণ লৈ, দুটা চৰিত্ৰৰ বিষয়ে যত্ সামান্য লিখি পঠালোঁ—ক্ৰটি মাৰ্জনাৰ যোৰহাট, পাঠকৰ প্ৰতিও।

মাধৱ কন্দলিৰ ৰামায়ণখন বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীতে লৰালৰিকৈ চকু ফুৰাই যি দেখিলোঁ তাত উৰ্ম্মিলা সম্পূৰ্ণ ৰূপেই উপেক্ষিতা। লক্ষ্মণ পত্নী উৰ্ম্মিলাৰ বতৰা মাধৱ কন্দলিৰ ৰামায়ণত নাই। বিবাহতো নাই, বেদনাতো নাই, পুনৰ্মিলনতো নাই। সেয়ে সেই চৰিত্ৰৰ বিশ্লেষণৰ প্ৰশ্ন নুঠে। সীতা চৰিত্ৰৰ মহত্ব, ত্যাগ আৰু আন্তৰিকতাৰ সম্বন্ধে ইমানেই

বিস্তৃত আলোচনা অ'ত ত'ত আছে যে সেইবোৰেও প্ৰায় সকলোৱে জানে আমাৰ লোকজীৱনতো দেখা যায় সীতাৰ দৰে পতিব্ৰতা, সীতাৰ দৰে ধৈৰ্য্যশীলা, সহনশীলা হবলৈ প্ৰতিগৰাকী নব পৰিণীতাকে উপদেশ দিয়া হয়। কাৰণ সীতাৰ ঐকান্তিকতা, মনৰ প্ৰৱল সংযম, সেৱা আৰু ত্যাগৰ আদৰ্শ যুগে যুগে ভাৰতীয় নাৰীৰ আদৰ্শ। ভাৰতীয় সংস্কৃতিৰ সুদৃঢ় ভেঁটি প্ৰেম আৰু ত্যাগৰ আদৰ্শতে ৰচিত হৈছিল। ভাৰতৰ নাৰী সকলে সীতাৰ অনুভূতি আৰু অভিজ্ঞতা থিনি অশ্ৰুসিক্ত নয়নেৰে উপলব্ধি কৰে আৰু নিজৰ জীৱনত অনুশীলন কৰে। কাৰণ সীতাৰ চকুপানী ৰামায়ণৰ লগতে শেষ হোৱা নাই। এই অশ্ৰু এতিয়াও প্ৰৱাহিত।

ৰাম-সীতাৰ কাহিনী ৰূপক বুলিও বহুতে কব খোজে। ৰাম ব্ৰহ্ম অৰু সীতা জীৱাত্মাৰ প্ৰতিভূ। বিচ্ছিনতাৰ পৰা উদয় হোৱা তীব্ৰ বেদনা স্তৰ পাৰ হৈ সীতাই ৰাম স্বৰূপ পৰম শক্তিক লাভ কৰিছে। আধুনিক কিছু পণ্ডিতে আনহাতে সীতাক কৰ্ষণৰ পৰা উত্‌পতি হোৱা শস্যৰ প্ৰতীকি ৰূপ বুলিও অৰ্থ কৰিব খোজে। বহুশতাব্দী জুৰি ভাৰতৰ অমৰ কাব্য ৰামায়ণৰ অধ্যয়নত বিশ্বৰ পণ্ডিতসকল ব্ৰতী হৈছে। ৰামায়ণৰ কাল নিৰূপণ বুৰঞ্জীৰ ভেঁটি, ৰূপক ব্যাখ্যা, ছন্দ, সামাজিক আৰু সৃষ্টি-মূলক দৃষ্টিভঙ্গী আদিৰ বিষয়ে বিভিন্ন পণ্ডিত মণ্ডলীয়ে গৱেষণাত নিজক নিযুক্ত কৰিছে আৰু বিভিন্ন ব্যাখ্যা আগবঢ়াইছে।

ৰামায়ণে ধৰ্ম্মগ্ৰন্থৰ উপৰিও মহাকাব্যৰ লক্ষণ অটুট ৰাখিছে আৰু ভাৰতৰে কিয় বিশ্বৰ জনমানসৰ ওপৰত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছে। ভাৰতৰ চৈধ্যটা ভাষালৈ ৰামায়ণ অনূদিত হোৱাৰ উপৰিও যুগে যুগে কবি, গীতিকাৰ, নাট্যকাৰে ৰামায়ণক ভেঁটি কৰি অজস্ৰ সাহিত্য ৰচনা কৰিছে। ৰামায়ণ সাহিত্যই কেৱল সংস্কৃত সাহিত্যৰ ওপৰতে নহয়, বৌদ্ধ আৰু জৈন সাহিত্যতো অপৰিসীম প্ৰভাৱ পেলাইছে।

শ্ৰীমাধৱ কন্দলিয়ে অসমলৈ অনুবাদ কৰা সপ্তকাণ্ড ৰামায়ণে পাছৰ লেখক, কবি, নাট্যকাৰ সকলৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছে। দুৰ্গাৱৰী গীতি ৰামায়ণ, শ্ৰীশ্ৰীশঙ্কৰদেৱৰ "ৰাম বিজয় নাট" ৰামৰ যুদ্ধ যাত্ৰালৈ লেখা বৰগীত (শুন শুন ৰে সুৰ) ৰ উপৰিও অসমীয়া ভাষাত ৰামায়ণৰ ভেঁটি কৰি লৈ লেখা প্ৰাচীন আৰু আধুনিক বহুতো গ্ৰন্থ প্ৰকাশ হৈছে।

কোৱা হয় যে ৰামায়ণত ভাৰতীয় সাৰ্ব্বজনীন প্ৰাণ চৰিত্ৰসমূহৰ



মাজেদি ব্যক্ত হৈছে। সেই সময়ৰ নৈতিকতাৰ ধাৰণা, উচিত অনুচিতৰ দ্বন্দ্ব, পাপবোধ, প্ৰায়শ্চিত্তৰ ব্যৱস্থা আদি সামাজিক মূল্য সমূহৰ ওপৰতো ৰামায়ণে স্পষ্ট পোহৰ পেলাইছে। সেয়ে ৰামায়ণৰ দুটি নাৰী চৰিত্ৰৰ জীৱনৰ অংশ বিশেষৰ আধুনিক দৃষ্টিভঙ্গীৰে চাব খোজা হৈছে।

প্ৰথমতে লোৱা হওক, অহল্যাৰ চৰিত্ৰটিকে। গৌতম ঋষিৰ তেওঁ অনিন্দ্য সুন্দৰী স্ত্ৰী। মাধৱ কন্দলিৰ ৰামায়ণত অহল্যাৰ কাহিনী আৰম্ভ হৈছে বিশ্বামিত্ৰ মুনিৰ লগত ৰাম-লক্ষ্মণে গৌতম ঋষিৰ পৰিত্যক্ত আশ্ৰয় পোৱাৰ পৰা। গৌতম মুনিৰ প্ৰচণ্ড শাপত অহল্যা শিলাগ্ৰস্ত হৈ আছে— ৰামে পৱিত্ৰ পদ-স্পৰ্শৰ দ্বাৰা অহল্যাক মুক্তি দিব লাগে। মুনিৰ নিৰ্দ্দেশত ৰামৰ স্পৰ্শত "অহল্যাৰ শুদ্ধভাৱ হল"। ঘোৰ ঋষি শাপৰ পৰা মুক্ত পোৱাত জ্যোতিৰ প্ৰকাশ ঘটিল। তেতিয়া ৰামে পৰমা সুন্দৰী অহল্যাক দেখি কি নাম, কাৰ ভাৰ্য্যা "কি কাৰণে শিল হৈ শূন্য আশ্ৰমত আছিল" বুলি ঋষিক সোধাত ঋষিয়ে জনালে, তেওঁ গৌতম ঋষিৰ ভাৰ্য্যা। গৌতম মুনিয়ে মহাতপ আচৰণ কৰাত ইন্দ্ৰই ইন্দ্ৰত্ব যোৱাৰ ভয়ত তেওঁৰ তপোভঙ্গ কৰিবলৈ আশ্ৰমলৈ গৈ অহল্যাৰ ত্ৰৈলোক্য মোহিনী ৰূপ দেখি তেওঁক পাবলৈ আতুৰ হল আৰু গৌতমৰ ৰূপ লৈ আশ্ৰম গৃহত প্ৰবেশ কৰিলে। ফল-মূলৰ অন্বেষণত অৰণ্যলৈ যোৱা স্বামীৰ হঠাতে গৃহলৈ প্ৰত্যাৱৰ্ত্তন দেখি অহল্যাই অৰণ্যলৈ নগৈ ঘৰলৈ ঘূৰি অহাৰ কাৰণ সোধাত গৌতম ৰূপী ইন্দ্ৰই ছলনা কৰি কলে— "তোমাৰ ৰূপে পুৱাৰে পৰাই মোৰ শৰীৰ অনল দগ্ধ কৰিছে। শয্যালৈ বলা"। অহল্যাই তীক্ষ্ণ আপত্তি প্ৰদৰ্শন কৰিলে—"কি কলা? লাজ-কাজ, তপ ব্ৰত পাচ কৰি অকাৰ্য্য কৰিব খুজিলা? তোমাৰ অকাৰ্য্যত জগতে হাঁহিব। সমস্ত শাস্ত্ৰত তুমি পাৰ্গত। স্ত্ৰীৰ লগত আলাপ হব লাগে ঋতুৰ সময়তহে। অন্যথাই পাপ হয়। তুমি নিশ্চয় মোকহে পৰীক্ষা কৰিব খুজিছা।" গৌতম ৰূপী ইন্দ্ৰই কলে—"তুমি ধৰ্ম্মৰ কথা ঠিকেই কৈছা। কিন্তু তোমাৰ ৰূপে মোক বিহ্বল কৰিছে। তোমাক বিবাহ কৰোঁতেই মই জানিছিলো মোৰ ধৰ্ম্ম নষ্টই হব। আজি জীৱন ৰলেহে ধৰ্ম্ম ৰব। মোৰ প্ৰাণ ৰক্ষা কৰা।" অহল্যাই পুনৰ্বাৰ ধৰ্ম্মৰ কথা সোঁৱৰাই দি কলে—"ব্ৰহ্ম মন্ত্ৰ তুমি জপ নকৰা কিয়।" "কতবাৰ হৰিমন্ত্ৰ জপ কৰিলোঁ, ধ্যান কৰিলোঁ, সমাধিতো তোমাকেই দেখিলোঁ। কামাতুৰ হলে পৰস্ত্ৰীকো হৰণ কৰে। তুমিতো নিজ জায়া"। অহল্যা উভয় সংকটত পৰিল। ভাবিলে বিধিৰেই

বিড়ম্বনা ; আলাপ নকৰিলে ঋষিৰ মহাঅভিশাপত পতিত হব লাগিব। অহল্যাই কাতৰ মিনতি কৰি কলে "দিনৰ শৃঙ্গাৰ সাধাৰণ জনৰো গহিত"। গৌতমৰূপী ইন্দ্ৰই কলে "কামতুৰৰ আৰু ধৰ্ম্ম কি"। ছলনাত ইন্দ্ৰৰ জয় হল।

ৰতি কুশল ইন্দ্ৰই ষোড়শ শৃঙ্গাৰ ভাৱ দেখুৱালে। অহল্যা বিস্ময়ত হতবাক হ'ল। গৌতম মুনিৰ ৰতি ব্যৱহাৰতো এনে নহয়। ছলনা বুলি জানি অহল্যা কোপত ক্ৰোধান্বিতা হৈ "কোন তই পৰম দুৰ্জন" বুলি গৰজি উঠিল—"মই তোক কিবা কাজে কৰিবোহো দণ্ড, স্বামীৰ শাপত তোৰ হৈবে লণ্ড ভণ্ড। যি ভৈল মোৰ শুনবে বৰ্ব্বৰ, তই মাত্ৰ আপোনাৰ প্ৰাণ ৰক্ষা কৰ।"

ছলনাৰ বলি হোৱা নিৰ্দ্দোশী অহল্যা গৌতম ঋষিৰ বিচাৰত পৰিত্যক্ত বনত শিলামূৰ্ত্তি হৈ যুগ যুগ ৰব লগা হল। ছলনাৰ প্ৰায়চিত্ত ৰূপ দণ্ড ইন্দ্ৰই প্ৰতি অৰ্থতে পালে। কিন্তু অহল্যা? অহল্যাৰ দোষ কি আছিল? মাধৱ কন্দলিয়ে গৌতমৰ মুখেই কোৱাইছে—

অজ্ঞান দোষক তথাপিতো কৰো দণ্ড,
কতো কাল মানে হুয়া থাক শিলাখণ্ড।
আজি হন্তে কোনো প্ৰাণী তোক নেদেখক
ইটো আশ্ৰমত আৰু লোক নাথাকোক।

এই বুলি গৌতম ঋষিয়ে উত্তৰ দিশলৈ তপ কৰিবলৈ গুচি গ'ল।

জনম দুখুনী সীতা ৰাৱণে হৰি নি অশোকবনত থলে। ৰাৱণৰ নিধনৰ কাৰণে অশেষ আয়োজন হল, ৰাৱণ বধ হল, বিভীষণ লঙ্কাৰ নতুন ৰজা হল। মূল ৰামায়ণৰ মতে নতুন ৰজাৰ অনুমতি লৈ ৰাৱণ নিধনৰ বাতৰি সীতাক দিবলৈ হনুমন্তক ৰামে কলে। সেইমতে গৈ কোৱাত সীতাই অবৰ্ণনীয় আনন্দ লভিলে। হনুমন্তই ৰামৰ কি বাৰ্ত্তা দিয়া হব বুলি সোধাত সীতাই কলে, "কবগৈ মই স্বামীৰ দৰ্শন পাবলৈ অতি ইচ্ছুক"। ৰামক গৈ এই বাতৰি দিয়াত ৰামৰ মুখৰ বৰণ সলনি হল। কিছুপৰৰ মূৰত স্নান কৰি অলঙ্কাৰ পিন্ধি সীতাক আহিবলৈ কলে। সীতাই সেইমতে আকুল হৈ ৰামৰ ওচৰলৈ আহিল। পাল্কীৰ পৰা নামি আৰ্য্যপুত্ৰ বুলি পৰম শ্ৰদ্ধা আৰু প্ৰেমেৰে সম্ভাষণ জনাই ফেঁকুৰিধলৈ ধৰিলে। অতদিনৰ অদৰ্শন, গভীৰ বিৰহ, তন্ময় প্ৰেম আৰু অৱৰুদ্ধ যন্ত্ৰনাত তেওঁৰ মুখৰ মাত হৰিল।



ৰামে নিৰ্ব্বিকাৰ ভাবে কলে "শত্ৰু নিপাত কৰিলোঁ। তোমাক উদ্ধাৰ কৰিলোঁ। ক্ষত্ৰিয় ধৰ্ম্ম আৰু প্ৰতিজ্ঞা পালন হল। তোমাৰ আসক্তিত মই এই ৰণ কৰা নাছিলোঁ। তোমাৰ লগত সহবাসো মই কৰিব নোৱাৰোঁ। হয় তুমি অকলে থাকিব পাৰা অথবা আমাৰ জ্ঞাতি বা মিত্ৰৰ তাত থাকিব পাৰা, পৰৰ ঘৰত সুদীৰ্ঘকাল থকা ভাৰ্য্যাক স্বামীয়ে গ্ৰহণ কেনেকৈ কৰিব?"

সীতাৰ চকুৰে যেন জুইৰ ফিৰিঙতিহে ওলাইছিল। শোক তাপ দগ্ধা সীতাৰ অন্তৰ ৰামৰ বাক্যই ছিৰাছিৰ কৰিলে। ৰঘুকুল শিৰোমণি মহত্ব ৰামৰ মুখত এনে বাক্যই শোভা নেপায় বুলি কৈ সীতাই কলে— "দুৰাচাৰী ৰাক্ষসে মোক কেৱল বন্দী কৰি থৈছিল। তাত মোৰ দোষ ক'ত?" এনে অপমান আৰু শোকৰ পৰা উদ্ধাৰৰ কাৰণে সীতাই অগ্নি প্ৰজ্জ্বালন কৰালে, অগ্নি দেৱতাক উদ্দেশ্য কৰি প্ৰাৰ্থনা কৰিলে—"হে অগ্নি তুমি মোৰ বিশুদ্ধতা জানা। মোক তুমি গ্ৰহণ কৰা"— এই ভয়ঙ্কৰ অগ্নি পৰীক্ষালৈ আগবঢ়া সীতাক ৰামে একো হকা বধাও নকৰিলে। ৰামৰ মনো বিচলিত নহল। কিন্তু সত্যৰ জয় নিজ মহিমাৰে উদ্ভাষিত হ'ল। জ্বলন্ত অগ্নিত জপিয়াই পৰা সীতাক কোলাত লৈ অগ্নিদেৱতা আবিৰ্ভাৱ হ'ল। সীতাৰ শৰীৰ, তেওঁৰ আবৰণ, অলঙ্কাৰ অগ্নিয়ে স্পৰ্শ কৰিবই নোৱাৰিলে। বিশুদ্ধতাৰ স্বৰ্গীয় প্ৰতিমূৰ্ত্তি সীতা আপোন মহিমাৰে বিশ্বৰ চকুৰ আগত জ্যোতিৰূপে থিয় দিলে। কিন্তু সেই সীতাকো লোক অপবাদৰ ভয়ত পুনৰায় শ্ৰীৰামচন্দ্ৰই সন্তান সম্ভৱা অৱস্থাতো ভয়াবহ নিৰ্জন অৰণ্যত পৰিত্যাগ কৰিলে। সেই পৰীক্ষাতো উত্তীৰ্না হোৱা সীতাক যেতিয়া বাল্মীকি মুনিয়ে শুদ্ধতাৰ প্ৰমাণ শপত খাই দিলে তেতিয়াহে শ্ৰীৰামচন্দ্ৰই গ্ৰহণ কৰিবলৈ উদ্যত হ'ল। বসুমতীৰ দৰে ধৈৰ্য্যশীলা সীতাই ইয়াৰ যি উত্তৰ দিলে সি যুগে যুগে মৰ্ম্মস্পশী আৰু পৃথিৱীৰ সকলো লাঞ্চনা দগ্ধা নাৰীৰ হৃদয়ৰ চৰম আত্ম প্ৰকাশ। ইয়াতকৈ সুন্দৰ যোগ্যতম উত্তৰ আৰু ক'তো কেতিয়াও কোনেও দিয়া নাই। ৰামায়ণ কল্পনাও যদি হয় ইয়াতকৈ চূড়ান্ত, মনঃস্তত্বমূলক কল্পনা আৰু হব নোৱাৰে। সীতাই বসুমতীক আতুৰ প্ৰাৰ্থনা জনালে—

ফাট মেলা বসুমতী পাতালে লুকাওঁ,
ইটো ৰামচন্দ্ৰৰ আৰু মুখকে নাচাওঁ।

(১২৬ পৃষ্ঠাত চাওক)

# ॥ চতুৰ্দশ শতিকাৰ অসমীয়া সাহিত্য ॥

নন্দ তালুকদাৰ

অসমত শিক্ষাৰ প্ৰচলন আৰু সাহিত্য চৰ্চ্চাৰ নিদৰ্শন খৃষ্টপূৰ্ব যুগৰে পৰা পোৱা যায়। খৃঃ পৃঃ পঞ্চম ষষ্ঠ শতিকাত ৰচিত মহৰ্ষি পালকাপ্যৰ 'হস্তায়ুৰবেদ' প্ৰাচীন অসমৰ সাহিত্য চৰ্চ্চাৰ মনোৰম নিদৰ্শন। মহৰ্ষি পালকাপ্যৰ 'হস্তায়ুৰবেদ' হাতীৰ চিকিৎসা সম্পৰ্কীয় সংস্কৃত গ্ৰন্থ। পালকাপ্যৰ আশ্ৰম আছিল হিমালয়ৰ পাদদেশত মহাবাহু লৌহিত্যৰ ওচৰত অৰ্থাৎ অসমৰ পূব প্ৰান্তত ঃ

"শৈলৰাজ মানুদেশে লৌহিত্যসাগৰং প্ৰতি"। (হঃ আঃ ১।১।৩৯)

তেওঁৰ গোত্ৰ কাপ্য আৰু হাতী পালন কৰা বাবে পাল, সেইবাবে পালকাপ্য বুলি অনুমান কৰা হয়। মহৰ্ষি পালকাপ্য আছিল সুপণ্ডিত সমগ্ৰবেদ বেদান্তত পাৰদৰ্শী ঃ

---

(১২৫ পৃষ্ঠাৰ পিছৰ পৰা)

মন কৰিবলগীয়া কথা—ইয়াৰ লগতে জন্মে, জন্মে শ্ৰীৰামচন্দ্ৰক পতি পাবৰ কাৰণেও সীতাৰ প্ৰাৰ্থনা থাকিল। ঐকান্তিকা ৰল আমৰণ আৰু মৃত্যুৰ সিপাৰেও, কিন্তু অপমানৰ লাঞ্ছনাৰ উত্তৰ হল লাঞ্ছনা দিওঁতা সকলৰ কল্পনাইও চুকি নোপোৱা।

সীতা আৰু অহল্যা পৰম ধৰ্ম্মগ্ৰন্থ, ভাৰতৰ অমৰ মহাকাব্য ৰামায়ণৰ দুটি মৰ্ম্মস্পৰ্শী নাৰী চৰিত্ৰ। দুয়োটা চৰিত্ৰই পুৰুষ প্ৰধান সমাজৰ স্বেচ্ছাচাৰিতাৰ বলি। সেই সময়ৰ সমাজৰ নাৰীৰ প্ৰতি থকা মনোভাব স্বতঃস্ফুৰ্ত্তভাবে দুইটা চৰিত্ৰৰ নিৰ্য্যাতনৰ যোগেদি পৰিস্ফুটিত হৈছে।

নিৰ্মলপ্ৰভা বৰদলৈ



শ্ৰীমন্তং ব্ৰাহ্মণং কঞ্চিজ্জটিলং সাধুসন্মতম্।
উগ্ৰেন তপসা যুক্তং ৰেদ-ৰেদান্ত-পাৰগম॥ (হঃ অঃ ১।১।৭১)

মহৰ্ষি পালকাপ্য আৰু তেওঁৰ গ্ৰন্থ 'হস্তায়ুৰবেদে' খৃষ্ট পূৰ্ব যুগৰে পৰা অসমত সংস্কৃত শিক্ষাৰ প্ৰচলন আৰু সাহিত্য চৰ্চ্চাৰ কথা সঁকিয়াই দিয়ে। তেতিয়াৰে পৰা অসমত সংস্কৃত শিক্ষাৰ প্ৰচলনৰ আৰু সাহিত্য চৰ্চ্চাৰ অলেখ মনোৰম নিদৰ্শন পোৱা যায়।

খৃষ্টীয় পঞ্চম শতিকাৰ সুৰেন্দ্ৰ বৰ্ম্মাৰ উমাচল শিলালিপি অসমৰ প্ৰাচীনতম শিলালিপিৰ নিদৰ্শন। কামাখ্যা পাহাৰৰ নামনিত এই শিলা-লিপি সংৰক্ষিত হৈছে। পঞ্চম শতিকাৰ পৰা ধাৰাবাহিক ভাবে অসমত শিলালিপি আৰু তাম্ৰলিপিৰ নিদৰ্শন পোৱা যায়। ষষ্ঠ শতিকাৰ ভূতি বৰ্ম্মাৰ দিনৰ বৰগঙ্গা শিলালিপি আৰু সপ্তম শতিকাৰ ভাস্কৰ বৰ্ম্মাৰ কথাৰ দিনৰ ডুবিৰ তাম্ৰলিপি ইয়াৰ অপূৰ্ব নিদৰ্শন। শিলালিপি আৰু তাম্ৰ-লিপি সমূহ অতীজৰে পৰা অসমত সংস্কৃত শিক্ষা আৰু সাহিত্য চৰ্চ্চাৰ কথা সঁকিয়াই দিয়ে। সংস্কৃত শিক্ষা আৰু সাহিত্য চৰ্চ্চাৰ পৰম্পৰা নাথাকিলে শিলালিপি নাইবা তাম্ৰলিপিৰ নিদৰ্শন পোৱা নগলহেঁতেন। শিলত আৰু তামৰ ফলিত আখৰ কটা কাৰ্য্যয়ো সেইসময়ত শিক্ষাৰ প্ৰচলনৰ কথাকে সূচায়। আখৰবোধ নাথাকিলে শিলত বা তামৰ ফলিত আখৰ কটাটো সম্ভৱ নহয়।

সপ্তম শতিকাত ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত অহা চীন পৰিব্ৰাজক হিৱেন চাঙৰ বিবৰণীতো ভাস্কৰ বৰ্ম্মাক এজন বিদ্যানুৰাগী ৰজা বুলি উল্লেখ কৰিছে। ৰজা ভাস্কৰ বৰ্ম্মাই তেওঁৰ কটকী হংসবেগৰ জৰিয়তে হৰ্ষবৰ্দ্ধনক দিয়া বিবিধ উপঢৌকনৰ ভিতৰত আছিল এখন যুতীয়া সংস্কৃত সাঁচিপতীয়া পুথি। সাঁচিপতীয়া পুথি উপহাৰ দিয়া কাৰ্য্যই সেই সময়ত সাহিত্য আৰু শিক্ষাৰ প্ৰচলনৰ কথাকে সূচায়। এনেভাবে প্ৰাচীন অসমত সংস্কৃত শিক্ষা আৰু সাহিত্য চৰ্চ্চাৰ অলেখ নিদৰ্শন পোৱা যায়।

অসমীয়া ভাষাত লিখা প্ৰথম পুথিৰ নিদৰ্শন হেমসৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ'। হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত্ৰৰ পূৰ্বে অসমীয়া ভাষাত লিখা আন পুথি পোৱা নাযায়। কিন্তু ইয়াৰ পূৰ্বে ৰচিত অলিখিত সাহিত্য, লোক সাহিত্য, মন্ত্ৰ সাহিত্যই অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্যৰ কথা সঁকিয়াই দিয়ে। ডাকৰ বচন আৰু চৰ্য্যাপদ সমূহ অসমীয়া সাহিত্যৰ আদি স্তৰৰ অপূৰ্ব নিদৰ্শন। চাৰ্য্যাপদত অসমীয়া, উৰিয়া

বঙ্গলা, মিথিলী আৰু হিন্দী ভাষাৰ নিদৰ্শন দেখা যায়। সেইবাবে উক্ত পাঁচোটা ভাষা গোষ্ঠীয়ে চাৰ্য্যাপদক নিজ নিজ ভাষাৰ পূৰ্বৰ স্তৰৰ ৰচনা বুলি দাবী কৰি আহিছে। আৰু এনে দাবীৰ হেতুও নোহোৱা নহয়।

ধাৰাবাহিক ভাবে অসমীয়া লিখিত সাহিত্যৰ নিদৰ্শন পোৱা যায়। হেমসৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ'ৰ পৰা। প্ৰহ্লাদ চৰিত্ৰৰ পূৰ্বে অসমীয়া ভাষাত আন কিবা পুথি ৰচনা কৰা হৈছিল যদিও যি কালৰ গৰ্ভত লীন হ'ল, উদ্ধাৰ কৰিব পৰা নহল। হেমসৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' অসমীয়া সাহিত্য আকাশৰ 'পুৱতী ভোটা'। প্ৰহ্লাদ চৰিত্ৰৰ ৰচক হেমসৰস্বতী খৃষ্ট্ৰীয় ত্ৰয়োদশ শতিকাৰ শেষ ভাগৰ কবি বুলি অনুমান কৰা হয়। হেমসৰস্বতীয়ে কমতাৰজা দুৰ্ল্লভ নাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰিছিল।

কমতা মণ্ডল দুৰ্ল্লভ নাৰায়ণ
নৃপবৰ অনুপম
তাহান ৰাজ্যত ৰুদ্ৰ সৰস্বতী
দেবজানি কন্যা নাম
তাহান তনয় হেম সৰস্বতী
ধ্ৰুবৰ অনুজ ভাই
পদবন্ধে তেহো প্ৰচাৰ কৰিলা
বামণ পুৰাণ চাই।

ৰজাই দুৰ্ল্লভ নাৰায়ণৰ ৰাজত্বকালৰ কবি কেইবা গৰাকীও। দুৰ্ল্লভ নাৰায়ণৰ ৰাজত্ব কাল ত্ৰয়োদশ শতিকাৰ শেষ ভাগ নাইবা চতুৰ্দ্দশ শতিকাৰ আগভাগ বুলি অনুমান কৰা হয়।

দুৰ্ল্লভ নাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰা হেমসৰস্বতী ৰচিত গ্ৰন্থ দুখন 'প্ৰহ্লাদ চৰিত্ৰ' আৰু 'হৰগৌৰী সম্বাদ পুথি।' 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখনত হিৰণ্য কশিপুৱে বিষ্ণুভক্ত পুত্ৰক নানান শাস্তি দিয়া আৰু দানৱ ৰাজ হিৰণ্যকশিপু শেষত নৰসিংহ ৰূপী বিষ্ণুৰ হাতত নিধন হোৱা ঘটনা মনোৰম ভাষাত পদ আৰু দুলড়ি ছন্দত বৰ্ণনা কৰিছে। হৰগৌৰী সম্বাদ পুথিত তাৰকাসুৰৰ অত্যাচাৰৰ পৰা হৰ পাৰ্বতীৰ বিবাহ আৰু কাৰ্ত্তিকৰ জন্মলৈকে বৰ্ণনা কৰিছে।

কবিৰত্ন সৰস্বতী প্ৰায় হেমসৰস্বতীৰ সমসাময়িক কবি। তেওঁ দুৰ্ল্লভ নাৰায়ণৰ পুত্ৰ ইন্দ্ৰ নাৰায়ণৰ ৰাজত্ব কালৰ কবি।



নৃপ শিৰোমনি দেৱ মহামান
দুৰ্ল্লভ নাৰায়ণ ৰাজা।
নিতে পুত্ৰৱতে পালিলা সততে
পৃথিবীৰ যত প্ৰজা॥
তাহান তনয় ভৈল ধৰ্ম্মময়
ইন্দ্ৰ নাৰায়ণ দেব।
মহাবীৰ ধীৰ স্বভাৱে গম্ভীৰ
নিতে কৃত্ত কৰি সেৱ॥

ইন্দ্ৰনাৰায়ণৰ ৰাজত্ব কালৰ কবি কবিৰত্ন সৰস্বতী জন্ম বৰপেটাৰ ওচৰৰ ছোটশিলা গ্ৰামত। কবিৰত্নই মহাভাৰতৰ দ্ৰোণপৰ্বৰ জয়দ্ৰথ বধ আখ্যানৰ ওপৰত ভেঁটি কৰি জয়দ্ৰথ বধ কাব্যখন ৰচনা কৰিছিল। শকুন্তলা উপাখ্যান আৰু যযাতি চৰিত্ৰ তেওঁৰ আন দুখন কাব্য।

পদ বন্ধে আদি পৰ্ব কৰিলো বিচিত্ৰ।
শকুন্তলা উপাখ্যান যযাতি চৰিত্ৰ॥

চতুৰ্দ্দশ শতিকাৰ এগৰাকী প্ৰখ্যাত কবি হৰিবৰ বিপ্ৰ। হৰিবৰ বিপ্ৰৰ ৰচিত কাব্য তিনিখন লৱকুশৰ যুদ্ধ বভ্ৰুবাহনৰ যুদ্ধ আৰু তাম্ৰ-ধ্বজৰ যুদ্ধ। হৰিবৰ বিপ্ৰয়ো আন পৰিচয় দিওঁতে দুৰ্ল্লভ নাৰায়ণৰ কথা বৰ্ণনা কৰিছে ঃ

জয় জয় নৃপবৰ দুৰ্ল্লভ নাৰায়ণ ৰজা
কমতাহৰে ভৈলা বীৰবৰ।
সপুত্ৰ বান্ধৱে যেৱে সুখে ৰাজ্য কৰন্তোক
জীৱন্তোক সহস্ৰ বৎসৰ।
তাহান ৰাজ্যত থিত সৰ্বজন মনোনীত
অশ্বমেধ পৰ্বমধ্যে সাৰ।
বিপ্ৰহৰি বৰ কই গৌৰীৰ চৰণে সেই
পদবন্ধে কৰিলা প্ৰচাৰ॥

হৰিবৰ বিপ্ৰই জৈমিনীয় আশ্বমেধিক পৰ্ব মহাকাব্য মহাভাৰতৰ আধাৰত 'লৱকুশৰ যুদ্ধ' আৰু 'বভ্ৰুবাহনৰ যুদ্ধ' নামৰ কাব্যদুখন ৰচনা কৰিছে। যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰা বভ্ৰুবাহনে বন্দী কৰে আৰু সেই ঘোঁৰা উদ্ধাৰ কৰিবলৈ নি অৰ্জুন বভ্ৰুবাহনে হাতত মৃত্যু বৰণ কৰিব লগা হয়। শেষত চিত্ৰাঙ্গদা আৰু উলুপীৰ সহায়ত

অৰ্জুনৰ পুনৰ জীৱন লাভ, এয়ে 'বভ্রুবাহন যুদ্ধ' কাব্যৰ মূল কথা। 'লৱকুশৰ যুদ্ধ' কাব্যত লৱকুশৰ লগত ৰামচন্দ্ৰৰ যুদ্ধৰ বৰ্ণনা দিয়া হৈছে। লৱকুশৰ যুদ্ধ কাব্যৰ কাহিনী ৰামায়ণৰ কাহিনী যদিও হৰিবৰ বিপ্ৰই কাব্যখন মূল বাল্মীকি ৰামায়ণৰ আধাৰত ৰচনা কৰা নাই। ৰচনা কৰিছে জৈমিনীয় আশ্বমেধিক পৰ্ব মহাভাৰতৰ আধাৰত। সেই-বাবে শ্ৰীৰামচন্দ্ৰৰ কাহিনী থাকিলেও 'লৱকুশৰ যুদ্ধ' কাব্যখনক অসমীয়া ৰামায়ণী সাহিত্যৰ ভিতৰত ধৰা নহয়।

'তাম্ৰধ্বজৰ যুদ্ধ হৰিবৰ বিপ্ৰৰ তৃতীয় কাব্য। জৈমিনীৰ আশ্বমেধিক পৰ্বৰ বিষয় বস্তুৰে হৰিবৰ বিপ্ৰই তাম্ৰধ্বজৰ যুদ্ধ কাব্যখন ৰচনা কৰিছে। মণিপুৰৰ পৰা অশ্বমেধ যজ্ঞৰ ঘোঁৰা মুক্ত কৰি লৈ অৰ্জুন আৰু শ্ৰীকৃষ্ণই ৰাণপুৰৰ ময়ূৰধ্বজৰ পুত্ৰ তাম্ৰধ্বজৰ হাতত পৰাজয় বৰণ কৰিব লগা হয়। শেষত যেনিবা বহুত প্ৰবন্ধেৰে যজ্ঞৰ ঘোঁৰা মুক্ত কৰিলে। তিনিওখন কাব্যৰ আধাৰ গ্ৰন্থ আৰু বিষয় বস্তু একে ধৰণৰ। তিনিও খন কাব্যতে হৰিবৰ বিপ্ৰৰ কবি নিপুণতা প্ৰকাশ পাইছে।

চতুৰ্দ্দশ শতিকাৰ অন্যতম শ্ৰেষ্ঠ কবি মাধৱ কন্দলি। শ্ৰীশঙ্কৰ দেৱেও মাধৱ কন্দলিক 'পূৰ্ব কবি অপ্ৰমাদী' বুলি স্বীকাৰ কৰিছে। মাধৱ কন্দলিয়ে বৰাহী ৰজা শ্ৰীমহামাণিক্যৰ অনুৰোধত বাল্মীকি ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰিছিল।

কবিৰাজ কন্দলিয়ে আমাকেসে বুলিৰয়
কৰিলোহো সৰ্বজন বোধে।
ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্য যে
বৰাহ ৰজাৰ অনুৰোধে॥

আকৌ লিখিছে

সাত কাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোদ্ধৃতে।
মহামাণিক্যৰ বোলে কাব্য ৰস কিছো দিলো
দুগ্ধক মথিলে যেন ঘৃতে॥

মাধৱ কন্দলিয়ে বাল্মীকি ৰামায়ণ অনুবাদ কৰিছিল যদিও, কন্দলিয়ে অনুবাদ কৰা ৰামায়ণৰ পাঁচটা কাণ্ডহে পোৱা গৈছে। আজি আৰু উত্তৰাকাণ্ড পিচত ক্ৰমে শ্ৰীমাধৱদেৱ আৰু শ্ৰীশঙ্কৰদেৱে ৰচনা কৰি সম্পূৰ্ণ কৰা। মাধৱ কন্দলিয়ে অসমীয়া ভাষাত ৰামায়ণ অনুবাদ কৰা



সময়ত পূৰ্বভাৰত আঞ্চলিক ভাষা বঙলা হিন্দী নাইবা উৰিয়াত ৰামায়ণ অনুবাদ হোৱা নাছিল। বঙলা কৃত্তিবাসী ৰামায়ণ নাইবা হিন্দীৰ তুলসী দাসী ৰামায়ণ কন্দলি ৰামায়ণৰ কেবাশবছৰ পিছত ৰচনা কৰা।

মাধৱ কন্দলিৰ নামত আৰু তিনিখন পুথি পোৱা যায় 'দেৱজিত', 'তাম্ৰধ্বজৰ যুদ্ধ' আৰু 'পাতাল কাণ্ড'। দেৱজিৎ কাব্যখনত অৰ্জুন আৰু শ্ৰীকৃষ্ণৰ মাহাত্ম্য বিশেষকৈ শ্ৰীকৃষ্ণৰ সহায়ত অৰ্জুনে স্বৰ্গৰ দেৱতা সকলক কেনেকৈ জয়লাভ কৰিবলৈ সময় দিছিল সেইকথা বৰ্ণনা কৰা হৈছে। 'তাম্ৰধ্বজৰ যুদ্ধ' আৰু 'পাতাল কাণ্ড' মাধৱ কন্দলিৰ ৰচনা হয়নে নহয় সঠিক কৈ কোৱা টান। গ্ৰন্থ দুখনিৰ ৰচনা ৰীতিলৈ লক্ষ্য কৰিলে চতুৰ্দ্দশ শতিকাৰ পিচৰ ৰচনা যেন অনুমান হয়।

চতুৰ্দ্দশ শতিকাত অসমীয়া সাহিত্যিক আৰু তেওঁলোক ৰচিত সাহিত্যৰ সংখ্যা সৰহ নহয়। ৰচনা ৰীতি, বিষয় বস্তু উপস্থাপন, বৰ্ণনা নৈপুণ্য, বিবিধ ছন্দৰ প্ৰয়োগ আদি বিভিন্ন দিশত চতুৰ্দ্দশ শতিকাৰ কবি-সকলে দক্ষতা দেখুৱাব পাৰিছিল। চতুৰ্দ্দশ শতিকাৰ ৰচনাত কোনো ধৰ্ম্মৰে প্ৰচাৰ গণ্ডী মনোভাৱ প্ৰকাশ পোৱা নাই। সাহিত্য সৃষ্টিৰ প্ৰেৰণা আগতলৈয়ে তেৰাসবে বিবিধ সাহিত্য ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল।

---

সহায় লোৱা গ্ৰন্থ

১। Sir E. A. Gait : A History of Assam.
২। গুণাভিৰাম বৰুৱা ঃ অসম বুৰঞ্জী
৩। পণ্ডিত মনোৰঞ্জন শাস্ত্ৰী ঃ অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা
৪। ডিম্বেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী
৫। ডক্টৰ মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা
৬। ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্ম্মা ঃ অসমীয়া সাহিত্যৰ ইতিবৃত্ত

—(০)—

# ॥ অপ্ৰমাদী কবি মাধৱ কন্দলিৰ ৰামায়ণ ॥

শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা

আৰ্য সভ্যতাৰ ভাৰতৰ মাজেদি বৈ যোৱা সুঁতিটিয়ে দুখনি মহাকাব্যৰ যোগে সেই সুঁতিটিৰ সকলোখিনি কথা কৈ আছে। এই মহা-কাব্যই অতিপ্ৰাচীন কালৰ পৰা এতিয়ালৈকে ভাৰতৰ আলোক চিত্ৰ স্বৰূপ হৈ আছে। বাল্মীকিৰ কালজয়ী ৰচনা ৰামায়ণ, সংস্কৃতৰ পৰা অনুবাদ কৰি অসমৰ মহাকবি মাধৱ কন্দলিয়ে, অসমবাসীক অতি সহজে ইয়াৰ অমৃতোপম ৰস পান কৰি থাকিবলৈ সুবিধা দি গৈছে, ই অসমৰ লোক-সাহিত্যত পৰিণত হৈছে, অসমীৰ ভিতৰত এনে এঘৰ মানুহ নাই য'ত যেনে তেনে কম বেছি পৰিমাণে ৰামায়ণৰ চৰ্চ্চা নোহোৱাকৈ থাকে।

আদি কবি বাল্মীকিৰ ৰামায়ণ মহাকাব্য। ইয়াত পৃথিৱীৰ মানুহৰে, বিশেষকৈ ভাৰতৰ মানুহৰ স্বৰূপ বৰ্ণনা কৰা আছে। মহা-ভাৰত মহাকাব্যত যি কথা নাই, ভাৰততে নাই বুলি পণ্ডিত সকলে কয়, সেইদৰে ৰামায়ণতো ভাৰতবৰ্ষৰ আদি অন্ত সকলো কথা আছে। সকলো দেশৰ, সকলো মানুহৰ, সকলো সময়ৰ, সকলো ধৰণৰ বিৱৰণ থকাৰ কাৰণেই ই মহাকাব্য। ইউৰোপৰ মহাকাব্য হল 'অডিচী' আৰু 'ইলিয়ড'। এই মহাকাব্য কিখনে নিজৰ অভিজ্ঞতাৰে যি কথা প্ৰকাশ কৰি গৈছে, সি মানৱ জাতিৰেই সকলো সময়ৰ সামগ্ৰী, যি সময়তে, যি ঠাইৰ মানুহেই মহাকাব্য অধ্যয়ন কৰে তাতে তেওঁ নিজক দেখিবলৈ পায়, পৃথিৱীৰ মানুহ মূলতেযে একে তাকে ৰামায়ণে সৰ্ব্বসাধাৰণৰ ভিতৰত সদৰি কৰি দিছে। অসমীয়াক এই জ্ঞান লাভৰ সুবিধা কৰি দিলে, বিশেষ ভাবে মহাকবি মাধৱ কন্দলিয়ে ৰামায়ণ সংস্কৃততে বা দুৰ্ব্বোধ্য অসমীয়া ভাষাত থকা হলে ই লোক সাহিত্য নহলহেঁতেন।



বিশেষ জ্ঞানৰ কথা প্ৰচাৰ কৰিবলৈ আমাৰ পণ্ডিত সকলে টানভাষা ব্যৱহাৰ কৰিব লগা হয়। সাধাৰণতে মানুহে বুজিবলৈ টান পায়। কিন্তু মহাপুৰুষ সকলে বা মাধৱ কন্দলিয়ে লেখা ভাষা সাধাৰণতে সহজ আৰু সৰল। সহজ আৰু লালিত্যপূৰ্ণ পদত ৰচনা কৰা কাৰণেই মাধৱ কন্দলিৰ ৰামায়ণ গীত প্ৰচলিত কৰি ৰাখিছে। মহাপুৰুষ শঙ্কৰ-দেৱৰ আৰু মাধৱদেৱৰ ৰচিত উত্তৰা কাণ্ড মাধৱ কন্দলিৰ ৰামায়ণত যোগ হোৱাত ইয়াৰ গাম্ভীৰ্য্য যথেষ্ট বৃদ্ধি হৈছে। এনে এখন ৰামায়ণ পুথি চতুৰ্দ্দশ শতিকাতে অসমীয়া ভাষালৈ অনূদিত হোৱা সত্বেও কাশী-দাসৰ মহাভাৰতৰ দৰে কৃত্তিবাসৰ ৰামায়ণ বহুকালৰ পৰা অসমত প্ৰচলিত হৈ আছে। বৰ্ত্তমান অসমীয়া ৰামায়ণ বহুলভাবে প্ৰচাৰ হোৱাৰ কাৰণে কৃত্তিবাসী ৰামায়ণৰ প্ৰাদুৰ্ভাৱ অসমীয়াৰ মাজত কম হৈছে। বাল্মীকিৰ ৰামায়ণৰ লগত কৃত্তিবাসী ৰামায়ণৰ ভালেখিনি অমিল দেখা যায়। বঙ্গবাসীলোক সকলৰ মনোগ্ৰাহী কৰিবৰ নিমিত্তে ওজা কবি জনে ভালেমান কথা যোগ দিলে। চৰিত্ৰ বিলাকৰো বহুত লৰচৰ হল। অপ্ৰমাদী কবি মাধৱ কন্দলি বাল্মীকিৰ ৰামায়ণৰ পৰা বেছিকৈ আঁতৰি যোৱা নাই। তথাপি চৈধ্যশতিকাৰ অসমীয়াৰ ৰীতি-নীতি আদিৰ বিয়য়ে কিছু নুসুমুৱাকৈ থকা নাই। আদি কবি বাল্মীকি আৰু কৃত্তিবাসৰ দৰেই অতিৰঞ্জিত কথা কন্দলি ৰামায়ণতো আছে। ই মহা-কাব্যৰ লক্ষণ। লোক সাহিত্যত অতিৰঞ্জিত কথা থাকিলেহে ই সৰৱৰহী হ'ব পাৰে। পানীত তেল ওপঙি থকাৰ দৰে এই অতিৰঞ্জিত-ৰ মাজতে বাস্তৱ কথা বিলাক সোমাই থাকে, এনে কিছুমান গুণ থকাৰ কাৰণে ৰামায়ণ সদায় নতুন। পৃথিৱীৰ পণ্ডিত সকলে অনেক পুথি ৰচনা কৰিছে। সেই বিলাক সকলোৰে কাৰণে স্থায়ী বা সময়োপযোগী নহয়। কিন্তু স্থায়ী আৰু সৰৱৰহী মহাকাব্য কিখনৰ ভিতৰত ৰামায়ণো এখন সৰ্ব্বকালৰ সৰ্ব্বজনৰ পুথি।

পৃথিৱীৰ কেবাটাও চহকী ভাষালৈ ৰামায়ণ অনুবাদ কৰা হৈছে। ভাৰতৰ বিভিন্ন ভাষা সাহিত্যৰ মাজত ৰামায়ণ অপৰিহাৰ্য্য, অসমীয়াৰ গৌৰৱৰ বিষয়, ভাৰতীয় আৰ্য্যবিলাকৰ ভিতৰত প্ৰথমেই অসমীয়া তথা কামৰূপী ভাষালৈ চৈধ্যশতিকাতে ৰামায়ণ অনুবাদ কৰে। প্ৰায় অৰ্দ্ধ-শতিকাৰ আগতে মাধৱ চন্দ্ৰ বৰদলৈ ডাঙৰীয়াই এই ৰামায়ণৰ ছাপা সংস্কৰণ প্ৰকাশ কৰে। তেতিয়াৰ দিনত ইয়াৰ দাম দুটকা আছিল।

বৰ্ত্তমানৰ কুৰি টকা। এই সংস্কৰণৰ পুথিবোৰ আদায় হৈ যোৱাত ৰাইজে পুনৰ কৃত্তিবাসী ৰামায়ণ বিচাৰিব লগীয়া হল। অসমীয়া মানুহে ঘৰুৱা নানা বিষয়ত তুলনা মূলক উদাহৰণ দিবলৈ ৰামায়ণৰ কথা ব্যৱহাৰ কৰে। বাল্মীকিৰ দৰে মাধৱ কন্দলিয়েও ৰামক অকল পূৰ্ণ ব্ৰহ্ম কৰি ৰখা নাই। তেওঁ এজন আদৰ্শ মানুহো। ৰামায়ণ অকল ধৰ্ম্ম শাস্ত্ৰই নহয়, মহাকাব্যও। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰৰ আবিৰ্ভাৱৰ এশ বছৰৰ আগত ৰচিত ৰামায়ণৰ ৰাম কৃষ্ণৰ সৈতে অভেদ - ভাওনা সৱাহ নাম কীৰ্ত্তন সকলোতে কৃষ্ণৰ লগত ৰাম আছেই। নামৰ আদিতো ৰাম পিছতো ৰাম। নামৰ অন্তত বা আশীৰ্ব্বাদত প্ৰথমে 'জয় ৰাম বোলা' বুলিহে 'হৰিবোলা' বুলি জয়ধ্বনি কৰে। ৰামায়ণে আমাৰ ঘৰুৱা কথাকে স্পষ্ট কৰি দেখুৱাইছে। ভাই-ককাই, পিতা-পুত্ৰ, পতি-পত্নীৰ প্ৰভু-ভৃত্যৰ ভিতৰত যিটো সম্বন্ধ আমাৰ ভিতৰত হোৱা উচিত তাক বাল্মীকিয়ে দেখুৱাইছিল মাধৱ কন্দলিয়েও দেখুৱাইছে। ৰামায়ণৰ আখ্যান অকল ৰাম ৰাৱণৰ যুদ্ধৰ কথাই নহয়। ইয়াত মানুহৰ ভিতৰত পাৰস্পৰিক কৰ্ত্তব্য আৰু সম্বন্ধ দেখুৱা হৈছে। ৰামায়ণৰ প্ৰধান কথা ৰাম সীতাৰ দাম্পত্য-প্ৰেমৰ কাহিনী বুলিলেও বঢ়াই কোৱা নহয়। 'ৰাম ৰাজ্য' বোলোঁতে যি বুজোঁ তাৰ বিষয় বস্তুও ৰামায়ণত সুন্দৰকৈ আছে।

মাধৱ কন্দলিৰ ৰামায়ণে আমাৰ উত্তৰ পুৰুষক সুন্দৰ আদৰ্শৰে অনুপ্ৰাণিত কৰিব পাৰে। বৰ্ত্তমান সময়ত আমি অনুসৰণ কৰিব লগীয়া বিষয় কন্দলি কবিয়ে নিজৰ অনূদিত ৰামায়ণত আমাৰ উপযোগী কৰি দেখুৱাই দিছে। স্বদেশৰ প্ৰতি ভক্তি, প্ৰেম আৰু ইয়াৰ প্ৰতি আগ্ৰহ ৰামৰ এটি কথাতে দেখুৱাব পাৰি ঃ

"ইয়ং স্বৰ্ণপুৰী লঙ্কা নৰোদতে যে লক্ষ্মণ,
জননী জন্মভূমি চ স্বৰ্গাদপি গৰিয়সী।"

আমাৰো এই ভক্তি প্ৰেম আৰু আগ্ৰহৰ আৱশ্যক হৈছে।

—(০)—

## সম্পাদকীয়

চতুৰ্দ্দশ শতিকাতে অসমীয়া ভাষা আৰু সাহিত্য এক বিৰল লাৱণ্যৰে উদ্ভাষিত হৈ উঠিছিল। ভাষা সাহিত্যৰ এই লাৱণ্য তুলি ধৰাৰ ক্ষেত্ৰত এগৰাকী মহান কবি সদায় স্মৰণীয় হৈ থাকিব। সেইগৰাকী কবিয়েই হৈছে মাধৱ কন্দলি, যাক বিশাল প্ৰতিভা সম্পন্ন আন এগৰাকী মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে দ্বিধাহীন ভাবে 'পূৰ্ব্বকবি অপ্ৰমাদী' বুলি স্বীকৃতি দিছিল।

মাধৱ কন্দলিৰ গৌৰৱোজ্জ্বল কৃতি হৈছে মহাকবি বাল্মীকি-বিৰচিত সংস্কৃত মহাকাব্য ৰামায়ণৰ অসমীয়া অনুবাদ। উল্লেখযোগ্য যে সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰান্তীয় ভাষা সমূহৰ ভিতৰত ৰামায়ণ অনুবাদৰ ক্ষেত্ৰত কন্দলি দ্বিতীয়জন ব্যক্তি আৰু উত্তৰাখণ্ডৰ ভাষাসমূহৰ ভিতৰত প্ৰথম ব্যক্তি। সেইফালৰ পৰা কন্দলিয়ে ৰামায়ণৰ অনুবাদৰ জৰিয়তে অসমীয়া ভাষাৰ প্ৰাচীনত্বৰ গৌৰৱ সূচনা কৰি থৈ গৈছে।

কন্দলিৰ ৰামায়ণ অনুবাদৰ উদ্দেশ্য যদিও তেওঁৰ পৃষ্ঠপোষক ৰজা মহামাণিক্যক সন্তোষ দিয়াটোৱেই আছিল, তথাপি মনোৰঞ্জনৰ কাৰণে নিজা প্ৰতিভাৰ যি পৰশ বুলালে, সিয়েই এটা জাতিৰ সমাজ-সংস্কৃতি, আহাৰ-বিহাৰ, আচৰণ আৰু মানসিকতা সকলোকে সামৰি ললে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে এইজনা মহান কবিৰ প্ৰকৃত সময় আৰু পৰিচয় পৃষ্ঠপোষক নৃপতি আৰু তেওঁৰ ৰাজ্যখণ্ডৰ নিৰপেক্ষ আৰু যথাৰ্থ চিনাকি দিব পৰাকৈ এতিয়াও হয়তো বহু তথ্য অনাবিষ্কৃত হৈ আছে। তাৰে ভিতৰত দুই-এটা তথ্য পোহৰলৈ অনাৰ চিন্তাৰে 'বিহলঙনি'ৰ এই সাহিত্য সংখ্যাটিৰ পৰিকল্পনা কৰা হৈছিল। অনিবাৰ্য অসুবিধা কিছুমানৰ কাৰণে আমি আশা কৰা মতে আৰু সংখ্যাটোৰ পৰিকল্পনাৰ লগত সঙ্গতি ৰাখি আৱশ্যক হোৱা প্ৰবন্ধ-পাতি অন্তৰ্ভুক্ত কৰিব পৰা নহল। তথাপি পাঠকসকলক মাধৱ কন্দলি আৰু অসমীয়া ৰামায়ণৰ বিষয়ে থূলমূল

ধাৰণা এটা দিবলৈ এই সংখ্যাটো আগবঢ়োৱা হ'ল। আমাৰ এই প্ৰচেষ্টা অন্তিম প্ৰচেষ্টা নিশ্চয় নহয়। এজন মহান কবি আৰু তেওঁৰ যুগৰ বিষয়ে দৰ্পণবৎ জ্ঞানৰ কাৰণে এনে প্ৰচেষ্টা বহু বাৰেই কৰিব লাগিব। গুণী পণ্ডিত-গৱেষকসকল আগবাঢ়ি আহিলে নিশ্চয় এই ক্ষেত্ৰত অধিক তাত্বিক আৰু তথ্যভিত্তিক আলোচনা কৰিব পৰা হ'ব আৰু চতুৰ্দশ শতিকাৰ অসমৰ সমাজ সংস্কৃতিৰ এক প্ৰাঞ্জল ইতিহাস ৰচনা কৰিব পৰা হ'ব।

সকলো লেখকলৈকে আমি কৃতজ্ঞতা যাচিলোঁ। 'পুথিঘৰ প্ৰেছে' অতিকম সময়ৰ ভিতৰত ছপাই দিয়া বাবেও আমি কৃতজ্ঞ।

শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী
সম্পাদক, 'বিহলঙনি'

---

বিঃ দ্ৰঃ—

মাথোন পোন্ধৰ দিনৰ ভিতৰতে পুথিঘৰ প্ৰেছে ছপা-বন্ধাৰ কাম সম্পূৰ্ণ কৰি উলিয়াই দিয়াৰ কাৰণে প্ৰেছ কৰ্তৃপক্ষ আৰু কৰ্ম্মীসকলৈ ধন্যবাদ জনালোঁ। কিন্তু লৰালৰি হোৱাৰ বাবে আমাৰ অজ্ঞাতেই দুই এটা ভুল ছপা হোৱাৰ পিচত দৃষ্টিগোচৰ হৈছে। এনে ভুলৰ ভিতৰত প্ৰধানকৈ ৮১ পৃষ্ঠাত 'নেত ভূমি' (হ'ব লাগে নেত ভুনি) ৮০ পৃষ্ঠাৰ ৩য় শাৰীত 'ৰাৱণে' (হ'ব লাগে হনুমানে) ডঃ বীৰেন্দ্ৰ নাথ দত্তৰ প্ৰবন্ধৰ ৯৮ পৃষ্ঠাৰ ১৮ শাৰীৰ 'মায়াযুগৰ' ঠাইত 'মায়ামৃগ' আদি অতি গধুৰ ধৰণৰ। আমাৰ ভুলৰ বাবে পাঠকসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

—সম্পাদক


## এল বি এছ পাব্লিকেশ্যনৰ বাহিৰা কিতাপসমূহ

১। পঢ়াশলীয়া অভিধান, প্ৰথম প্ৰকাশ ১৯৭৭, তৃতীয় প্ৰকাশ, মাৰ্চ ১৯৭৮, খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা ৩ ৫০ ২। Common Words A Simple English-Assamese Dictionary প্ৰথম প্ৰকাশ মে ১৯৭৮, K. N, Dutta Barua 6·00 ৩। আগ চোতালৰ মেল (শিশু পুথি) প্ৰথম প্ৰকাশ ১৯৭৯, বিৰিঞ্চিকুমাৰ মেধী ২·০০ ৪। অলপ কথা অনেক পোহৰ (শিশু পুথি) (প্ৰথম প্ৰকাশ, ডিচেম্বৰ ১৯৭৯) ডাঃ ৰাজেন্দ্ৰকুমাৰ ভূঞা ১০·০০ ৫। কাগজৰ নাওঁ (উপন্যাস) তৰুণ ভাদুৰী/খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা ১০·০০ ৬। নিমিলা অঙ্ক (নাটক) (দ্বিতীয় মুদ্ৰন ফেব্ৰুৱাৰী ১৯৭৯) শ্ৰীলক্ষধৰ চৌধুৰী ৪·০০ ৭। বতৰ (বিজ্ঞান পুথি) প্ৰথম প্ৰকাশ ১৯৭৯ মে) দীনেশ চন্দ্ৰ গোস্বামী ৩·০০ ৮। পিয়লি ফুকন (নাটক) (লয়াৰ্ছ দ্বিতীয় সংস্কৰণ ১৯৭৯) নগাওঁ নাট্য সমিতি ৫·০০ ৯। আহাৰ (১৯৮০) (নাটক) অৰুণ শৰ্মা ৪·০০ ১০। এলোকেশী বেশ্যাৰ বিষয় আৰু কণী বেহেৰুৱাৰ বিষয় (প্ৰথম প্ৰকাশ ১৯৮০) ৭·০০ ১১। আকৌ অভিশপ্ত চম্বল (প্ৰথম প্ৰকাশ ১৯৮০) তৰুণকুমাৰ ভাদুৰী / খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা ১০·০০ ১২। বিষাদ সিন্ধু (মহৰম পৰ্ব) প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৮০ হোচেন/খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা ১২·০০ ১৩। স্মৃতি লেখা (ভ্ৰমণ কাহিনী) (প্ৰথম প্ৰকাশ ডিচেম্বৰ ১৯৮০) অৰুণিমা ভৰালী ১২·০০ ১৪। জীৱন বৃত্ত (নাটক) প্ৰথম প্ৰকাশ চেপ্তেম্বৰ ১৯৮০) ৰাম গোস্বামী ৬·০০ ১৫। শ্ৰীমদ্ভাগৱত গীতা (১ম আৰু ২য় অধ্যায়) (প্ৰথম প্ৰকাশ মাৰ্চ ১৯৮০) ৰাধানাথ গোস্বামী ১২·৫০ ১৬। উদ্ভট নাটক আৰু চিন্তা (প্ৰথম প্ৰকাশ ১৯৮০) শ্ৰীবিনোদ শৰ্মা ৫·০০ ১৭। নতুন কবিলৈ মুকলি চিঠি (প্ৰথম প্ৰকাশ এপ্ৰিল ১৯৮০) জ্ঞানানন্দ শৰ্মা পাঠক ১৫·০০ ১৮। মনৰ খবৰ (কবিতা) (দ্বিতীয় সংস্কৰণ মে ১৯৮১) মঞ্জিৰা দেৱী চৌধুৰী ৫·০০ ১৯। A History of Assam, Second Edition (Reprint 1981) E. A. Gait 65·00 ২০। কীৰ্ত্তন পুথিৰ বস-বিচাৰ, ডঃ হীৰেণ গোহাঁই ২১। পঞ্চ হিতোপদেশ প্ৰথম প্ৰকাশ ১৯৮১ শ্ৰীতৰুণ চন্দ্ৰ চাংকাকতি ১·৫০ ২২। দৃষ্টি দৃষ্টি, প্ৰথম প্ৰকাশ ১৯৮১ (জানুৱাৰী) তৰুণ ভাদুৰী/খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা ৭·০০ ২৩। অশ্লীলতাৰ দোষত নাৰায়ণ সান্যাল/খগেন্দ্ৰ নাৰয়ণ দত্তবৰুৱা ১০·০০ ২৪। ন মনুষ্যাৎ শিৱনাথ বৰ্মন ২০·০০

শ্ৰীখগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা
এল বি এছ পাব্লিকেশ্যন
আমবাৰী ঃ গুৱাহাটি-১

## আমাৰ সদ্য প্ৰকাশিত কেইখনমান অমূল্য গ্ৰন্থ।

১। **ডিমাছা সকলৰ গীত-মাত** ( নগেন্দ্ৰ নাথ বৰুৱা )

ডিমাছা সকল অসমৰ তিব্বত-বৰ্মী ভাষা পৰিয়ালৰ অন্তৰ্গত বড়ো, ৰাভা, মিছিং, লালুং আদি জনগণৰ দৰে বিশিষ্ট ভাষা, লোক সাহিত্য, জন সংস্কৃতি, বুৰঞ্জী ঐতিহ্যৰ অধিকাৰী। এইবোৰ একক আৰু তুলনামূলক, চৰ্চা, উদঘাটন আৰু প্ৰকৃত মূল্যাঙ্কন অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক দৃঢ় প্ৰতিষ্ঠ কৰি তুলিব।

লেখক শ্ৰীনগেন্দ্ৰ নাথ বৰুৱাই ডিমাছা সকলৰ এই গীত-মাতবোৰৰ সংকলন অনুবাদৰ যোগেদি ডিমাছা জীৱনৰ হাঁহি-কান্দোন, আবেগ-অনুভূতি, জন-বিশ্বাস আৰু সামাজিক আচাৰ-অনুষ্ঠানৰ বিষয়ে প্ৰামান্য তথ্য দাঙি ধৰিছে। ডিমাছা সকলৰ সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাগত বিশ্বাসৰ বিষয়ে সবিশেষ জানিবৰে হ'লে এই গ্ৰন্থৰ অধ্যয়ন অপৰিহাৰ্য। ডিমাই আকাৰ ॥ পকা বন্ধা ॥ মূল্য—১২·০০

২। **লা-মাদ্ৰে** ( অনুবাদ ৰেণুমালা দুৱৰা )

মূল ইংৰাজী গ্ৰন্থ "The Mother" ৰ সাৱলীল অসমীয়া অনুবাদ।

উপন্যাস খনৰ পটভূমি হ'ল সুদূৰ চাদিনীয়া দ্বীপৰ পাহাৰী গাওঁ এখন য'ত সভ্যতাৰ পোহৰে তেতিয়াও তাৰ মানুহৰ অন্ধ-বিশ্বাস আঁতৰ কৰিব পৰা নাছিল। মাত্ৰ দুটা দিনৰ ঘটনাৰ ক্ষিপ্ৰতাৰে সমাপ্ত, এই উপন্যাসত চৰিত্ৰৰ হৃদয়গ্ৰাহী বিশ্লেষণ আৰু জীৱনৰ পৰিস্থিতিয়ে মানুহৰ প্ৰাণত সৃষ্টি কৰা অন্তৰ্দ্বন্দৰ ৰূপ, যি ভাৱে প্ৰকাশ পাইছে তাৰ তুলনা গ্ৰীক ট্ৰেজেদিৰ লগতহে সম্ভৱপৰ। গ্ৰন্থখনিয়ে পঢ়ুৱৈ সমাজৰ পৰা আশানুৰূপ সমাজৰ লাভ কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। ডিমাই আকাৰ ॥ কেচা বন্ধা ॥ মূল্য ৭·০০

**মেক্সিম গোৰ্কি** ( ৰজনী কান্ত শৰ্মা )

শিশু কালত মেক্সিম গোৰ্কিয়ে নানা যন্ত্ৰনা আৰু নিৰ্যাতন অতিক্ৰম কৰি শেষত কেনেকৈ মাত্ৰ অদম্য আকাংখা আৰু দৃঢ় মনোবলৰ গুণত এজন বিখ্যাত উপন্যাসিক আৰু মহান বিপ্লৱী নেতাৰ শাৰীলৈ উঠিছিল, তাকে শ্ৰীশৰ্মাই এই গ্ৰন্থত সহজ সৰল ভাষাৰে বৰ্ণনা কৰিছে।

আশা কৰো আমাৰ শিশু আৰু চেমনীয়া সকলৰ বাবে এই জীৱনী পুথিখন অনুপ্ৰেৰণা আৰু আদৰ্শৰ স্থল হ'ব। ক্ৰাউন আকাৰ ॥ মূল্য-২·০০।

৪। **বুধিয়ক কোন** ( প্ৰফুল্ল চন্দ্ৰ বৰুৱা )

শিশুৰ উপযোগীকৈ সহজ-সৰল অথচ মনোৰম প্ৰকাশ ভঙ্গীৰে লিখা এই শিশু গ্ৰন্থখনিত শ্ৰীবৰুৱাই পোক-পতঙ্গ, নিগনি আদি সৰু সৰু প্ৰাণীক লৈয়েই প্ৰতিটো গল্প ৰচনা কৰিছে। বিষয় বস্তু; উপস্থাপনা আদি সকলো দিশতে সাৰ্থকতা লাভ কৰাৰ উপৰিও সাধু কেইটাৰ গাঁথনি আৰু উদ্দেশ্য উপদেশ মূলক। ক্ৰাউন আকাৰ ॥ মূল্য—৪·০০।

## আমাৰ অলপতে প্ৰকাশ পাবলগীয়া গ্ৰন্থসমূহ—

১। শদিয়াৰ বুৰঞ্জী ভবানন্দ বুঢ়াগোহাঁই ২। জঙ্গম—দেবেন্দ্ৰ নাথ আচাৰ্য ৩। মহাপুৰুষ—হেমপ্ৰভা হাজৰিকা ৪। পঞ্চতন্ত্ৰ— ৬। খিচকিন, মই আৰু বহুতো—নিশি বৰকটকী ৬। চিনাকী পৃথিবী—দীনেশ গোস্বামী।

## অসম প্ৰকাশন পৰিষদ।

গুৱাহাটি—৭৮১০২১।


ৰাইজলৈ নতুন বছৰৰ শুভেচ্ছাৰেঃ—

**নগাওঁ সমবায় চেনিকল লিমিটেড**

নগাওঁ ( অসম )

চেনিকল স্থাপনৰ কাম আৰম্ভ হৈছে।

চেনিকলৰ অংশ কিনি লাভবান হওক

আৰু

শিল্পোন্নয়নৰ ক্ষেত্ৰত বৰঙণি যোগাওক।

নগাওঁ সমবায় চেনিকল লিমিটেডৰ দ্বাৰা প্ৰকাশিত।

ফোন নং—১ আৰু ২৭

ৰঙালি বিহু

আৰু

ডিফুত অসম সাহিত্য সভা উপলক্ষে

আমাৰ সদৌ ৰাইজলৈ সেৱা আগবঢ়ালোঁ।

টোডী অইল মিল

হয়বৰগাওঁ ঃ লাওখোৱা ৰোড,
নগাওঁ ঃ অসম।

ফোন—৪০১ ঘৰ—৫৯০

ৰঙালি বিহু

আৰু

ডিফুত অসম সাহিত্য সভা উপলক্ষে—

কৃষ্ণা ইলেক্‌ট্ৰিকেলস্—এ

ৰাইজলৈ সেৱা আগবঢ়াইছে

বিজুলীৰ ইঞ্জিনীয়াৰ, গবৰ্ণমেণ্ট কন্‌ট্ৰেক্টৰ
(লাইচেঞ্চ নং—১৫৮)

সকলো ধৰণৰ বিজুলী সৰবৰাহৰ যন্ত্ৰপাতি

★ ফেন, লাইট, হীটাৰ ★

আদি যোগান ধৰা হয়।

বিজুলীৰ বস্তু মেৰামতিৰ বিশেষ পাৰদৰ্শিতা আছে।

অনুগ্ৰহ কৰি এবাৰ পৰীক্ষা কৰক।
হয়বৰগাওঁ, ট্ৰাঙ্কৰোড্ ঃ নগাওঁ।